● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**



আপুনি যি কৰি ভাল পায় সেয়া কৰাতকৈ আপুনি যি কৰে তাক ভালপোৱাৰ মাজতে লুকাই আছে সুখৰ কাৰণ।

জে এম বেৰী
*স্কটিছ ঔপন্যাসিক*

www.dainikagradoot.in

৭ কৰ্কটত আক্ৰান্ত হৈছে পুটিন!
১৫ প্ৰত্যাহ্বানৰ মাজেৰে ধোনিৰ নতুন যাত্ৰা
৪ শ্ৰীলংকাৰ অৰ্থনীতি কিয় সংকটত নিমজ্জিত হ'ল?

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২০১তম সংখ্যা ● গুৱাহাটী ● সোমবাৰ ১৮ ব'হাগ ১৪২৯ ভাস্কৰাব্দ ২ মে' ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Monday 2 May 2022 মূল্য ঃ ৯.০০ টকা

## ন্যায়মূৰ্তিৰ সকীয়নি আৰু পুলিচৰাজ!

■ প্ৰাঞ্জলসেন ডেকা

**অসম** আৰক্ষী সতৰ্ক হ'বলৈ ইয়াতকৈ উপযুক্ত সময় হয়তো আৰু হ'ব নোৱাৰে। যোৱা শুকুৰবাৰে গুজৰাটৰ কংগ্ৰেছ সমৰ্থিত নিৰ্দলীয় বিধায়ক জিগনেশ মেৱানীৰ জামিন আবেদন মঞ্জুৰ কৰি দিয়া আদালতৰ ৰায়ৰ সতৰ্কবাণীয়ে যদি সংশ্লিষ্ট কৰ্তৃপক্ষৰ চকু মেল খুৱাব নোৱাৰে, তেন্তে সেয়া দুৰ্ভাগ্যজনকৰূপেই বিবেচিত হ'ব। মেৱানীৰ বিৰুদ্ধে কোকৰাঝাৰ আৰক্ষী থানাৰ এগৰাকী মহিলা উপ-পৰিদৰ্শকে বৰপেটাৰোড আৰক্ষী থানাত ৰুজু কৰা *১০ পৃষ্ঠাত চাওক*

■ দেশত একে হ'ব পেট্ৰ'ল-ডিজেলৰ মূল্য ■ অবিজেপি ৰাজ্যক দোষাৰোপ

## উমৈহতীয়া দেৱানী বিধি প্ৰৱৰ্তনৰ পক্ষত মুখ্যমন্ত্ৰী ড° শৰ্মা

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১ মে' ঃ** সমগ্ৰ দেশক মূল্যবৃদ্ধিৰ জুয়ে দহিছে। ইয়াৰ বাবে অবিজেপি শাসিত ৰাজ্যবোৰক আজি জগৰীয়া কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। লগতে সমগ্ৰ দেশত পেট্ৰ'ল আৰু ডিজেলৰ মূল্য একে হোৱাৰ সম্ভাৱনাও ব্যক্ত কৰে মুখ্যমন্ত্ৰীয়ে। আজি ইয়াত সাংবাদিকৰ আগত মুখ্যমন্ত্ৰীয়ে কয় যে দেশৰ বিজেপিশাসিত ৰাজ্যবোৰত ইন্ধনৰ মূল্য কম হোৱাৰ বিপৰীতে আনবোৰত যথেষ্ট বেছি হৈ আছে। *১০ পৃষ্ঠাত চাওক*




*আন্তৰ্জাতিক শ্ৰমিক দিৱস উপলক্ষে শ্ৰমিক সংগঠনৰ সমদল, মহানগৰীত দেওবাৰে।*

■ হাইলাকান্দিত পলায়নৰ পাছত আৰক্ষীৰে সংঘৰ্ষ ■ জালনোট-সমবায়ৰ চাউল বিক্ৰীকে ধৰি বিভিন্ন বিত্তীয় কেলেংকাৰিত অভিযুক্ত

## আৰক্ষীৰ গুলিত নিহত প্ৰভাৱশালী ৰাজনীতিকৰ ঘনিষ্ঠ কয়লা ব্যৱসায়ী

■ অৰ্ধশতাধিক গোচৰ আছে অসমসহ একাধিক ৰাজ্যত



**বিশেষ সংবাদদাতা**

**শিলচৰ, ১ মে' ঃ** আৰক্ষীৰ গুলিত এইবাৰ নিহত হ'ল বহু প্ৰভাৱশালী ৰাজনীতিকৰ ঘনিষ্ঠ বৰাকৰ এজন কুখ্যাত কয়লা ব্যৱসায়ী। আজি পুৱতি নিশা প্ৰায় ১-৩০ বজাত কৰিমগঞ্জ জিলাৰ সীমান্তৱৰ্তী হাইলাকান্দি জিলাৰ লক্ষ্মীনগৰ অঞ্চলত আৰক্ষীৰে হোৱা সংঘৰ্ষত বৰাক উপত্যকাৰ কয়লাৰ অবৈধ ব্যৱসায়ী তথা বহু গোচৰত অভিযুক্ত আব্দুল আহাদ চৌধুৰী নিহত হয়। আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰাৰ পাছতে কয়লা ব্যৱসায়ীজনে জিম্মাৰ পৰা পলায়ন কৰিছিল। পৰৱৰ্তী সময়ত অভিযুক্তজনক কৰায়ত্ত কৰাৰ বাবে অভিযানত যোৱা *১০ পৃষ্ঠাত চাওক*

■ বিদেশী ন্যায়াধিকৰণৰ গোচৰৰ বিচাৰত প্ৰযোজ্য নহ'ব এন আৰ চিৰ তথ্য ■ বিদেশী ন্যায়াধিকৰণৰ সদস্যলৈ জৰুৰী পত্ৰ প্ৰেৰণ ৰাজ্যিক সমন্বয়কৰ ■ সালসলনিৰ সম্ভাৱনা ব্যক্ত পত্ৰত

# পেলনীয়া কাগজত পৰিণত এনআৰচি

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১ মে' ঃ** এতিয়াৰে পৰা বিদেশী ন্যায়াধিকৰণৰ বিচাৰ প্ৰক্ৰিয়াত ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী (এনআৰচি)ৰ কোনো নথি প্ৰযোজ্য নহ'ব। ৰাজ্যত থকা সকলো ন্যায়াধিকৰণলৈ এছ পি এম ইউ/এন আৰ চি/এফটি/৪৬/২০১৪/পিটি-৩/৪২ নম্বৰত এনআৰচিৰ ৰাজ্যিক সমন্বয়ক হিতেশ দেৱশৰ্মাই প্ৰেৰণ কৰা এখন জৰুৰী পত্ৰত এই বিষয়ে সদৰী কৰা হৈছে। এনেদৰে বহুচৰ্চিত এনআৰচিখনক পেলনীয়া কাগজলৈ পৰ্যবসিত কৰা হ'ল। পত্ৰত উল্লেখ কৰা অনুসৰি, ২০১৯ৰ ৩১ আগষ্টত প্ৰকাশিত চূড়ান্ত এনআৰচিখন এতিয়ালৈকে ভাৰতৰ মহাপঞ্জীয়কে গ্ৰহণ কৰা নাই। তদুপৰি এনআৰচিখনত যথেষ্ট বিসংগতি ধৰা পৰিছে। যদিহে এনআৰচিৰ তথ্যৰ আধাৰত বিদেশী ন্যায়াধিকৰণৰ বিচাৰ প্ৰক্ৰিয়া চলোৱা হয়, তেনেহ'লে বিচাৰৰ ৰায়ত ত্ৰুটি ৰৈ যোৱাৰ সম্ভাৱনাই অধিক। উল্লেখ্য যে চূড়ান্ত এনআৰচি প্ৰকাশৰ পাছৰে পৰা বিদেশী নাগৰিক সংক্ৰান্তীয় গোচৰবোৰৰ ক্ষেত্ৰত বিদেশী ন্যায়াধিকৰণৰ সদস্যসকলে এনআৰচি তথ্যৰ ওপৰত *দুই পৃষ্ঠাত চাওক*

হিলাল কমিটীৰ ঘোষণা

## কাইলৈ পৱিত্ৰ ঈদ-উল-ফিটৰ, ৰাজ্যত আৰম্ভ প্ৰস্তুতি

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১ মে' ঃ** অহা তিনি মে'ত পৱিত্ৰ ঈদ-উল-ফিটৰ উদ্‌যাপন কৰা হ'ব। অসমৰ লগতে দেশৰ কোনো স্থানতে আজি সন্ধিয়াৰ হেঙুলীয়া আকাশত ঈদৰ ন কাঁচিজোন দেখা পোৱা নগ'ল। সেয়েহে অহা তিনি মে'ত ঈদ-উল-ফিটৰ উদ্‌যাপন *১০ পৃষ্ঠাত চাওক*



*শ্ৰীশ্ৰী দামোদৰদেৱৰ তিথিৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ প্ৰাৰ্থনা, মহানগৰীত দেওবাৰে।*

## লখিমপুৰত ড্ৰাগ্‌ছৰ বেহাত জড়িত কৰিছে আঠ বছৰীয়া শিশুক

মহিলাসহ গ্ৰেপ্তাৰ পাঁচ, হেৰ'ইন জব্দ



**অগ্ৰদূত বাৰ্তা**

**লখিমপুৰ, ১ মে' ঃ** আৰক্ষীৰ পৰা হাত সাৰিবলৈ ৰাজ্যৰ ড্ৰাগ্‌ছ সৰবৰাহকাৰী ন ন কৌশল অৱলম্বন কৰাৰ তথ্য প্ৰকাশ পাই আহিছে। এইবাৰ পোহৰলৈ আহিল শিশুক ড্ৰাগ্‌ছ সৰবৰাহত জড়িত কৰাৰ তথ্য। *১০ পৃষ্ঠাত চাওক*

■ ৰাজা ৰামমোহন ৰায় গ্ৰন্থাগাৰ প্ৰতিষ্ঠানৰ দ্বাৰা আবণ্টিত ধনৰ ব্যয়ত কেলেংকাৰি ■ চৰকাৰী পত্ৰতে উন্মোচিত হ'ল গুৰুত্বপূৰ্ণ তথ্য

## ৰাজ্যত গ্ৰন্থ ক্ৰয়ত বৃহৎ অনিয়মৰ বাবেই চাৰি বছৰে বন্ধ বিত্তীয় অনুদান

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১ মে' ঃ** ৰাজ্যত বিভিন্ন সময়ত গ্ৰন্থ বিপ্লৱ অৰ্থাৎ গ্ৰন্থ অধ্যয়নৰ অভ্যাস গঢ়ি তোলাৰ বিষয়ে চৰ্চা অব্যাহত থাকে যদিও দুৰ্ভাগ্যজনকভাৱে গ্ৰন্থাগাৰৰ গ্ৰন্থ ক্ৰয়ৰ নামতো সংঘটিত হৈছে বৃহৎ দুৰ্নীতি-অনিয়ম। ৰাজ্যৰ বাহিৰৰ পৰা অসমৰ গ্ৰন্থাগাৰসমূহলৈ যোগানৰ বাবে লাভ কৰা ধনৰ ব্যৱহাৰত অনিয়মৰ বাবে সেই ধন যোগানে বিগত কে'বা বছৰ ধৰি বন্ধ হৈ পৰিছে। এই বিষয়ে অসম চৰকাৰ অৱগত যদিও আজি পৰ্যন্ত এই ক্ষেত্ৰত কোনো ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই। কলকাতাৰ ৰাজা ৰামমোহন ৰায় গ্ৰন্থাগাৰ ফাউণ্ডেছন (আৰআৰআৰএলএফ)ৰ বিত্তীয় সাহায্যৰ অধীনত গ্ৰন্থ ক্ৰয়ৰ ক্ষেত্ৰত বিভিন্ন বিসংগতি-অনিয়মৰ তথ্য পোহৰলৈ আহিছে। তথ্য জনাৰ অধিকাৰ আইনৰ জৰিয়তে সংগৃহীত তথ্যত এই দুৰ্ভাগ্যজনক বিষয়টো পোহৰলৈ আহিছে। ৰাজা ৰামমোহন *১০ পৃষ্ঠাত চাওক*

পত্নী-সন্তান-বৃদ্ধ পিতৃ-মাতৃক থৈ আলফালৈ যোৱাটো উচিত নহয়


## আলফাতো চোৰাংচোৱা থাকে, আৰক্ষীতো থাকে ঃ ক'লে মুখ্যমন্ত্ৰীয়ে

**অগ্ৰদূত বাৰ্তা**

**সোণাৰি, ১ মে' ঃ** 'নিজৰ পত্নী, সন্তান বা বৃদ্ধ পিতৃ-মাতৃক ঘৰত এৰি থৈ আলফাত যোগদান কৰাটো সমৰ্থনযোগ্য নহয় আৰু এই ক্ষেত্ৰত আলফা স্বাধীনে এক কঠোৰ সিদ্ধান্ত ল'ব লাগে।' এই মন্তব্য মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। আজি চৰাইদেউত উপস্থিত হৈ মুখ্যমন্ত্ৰীয়ে শেহতীয়াকৈ ৰাজ্যৰ একাংশ যুৱক-যুৱতীয়ে নিষিদ্ধ সংগঠনটোত যোগ দিয়াৰ প্ৰসংগত উদ্বেগ ব্যক্ত কৰে। তেতিয়াই মুখ্যমন্ত্ৰীয়ে আলফা (স্বাঃ)ক এই ব'হাগতে আলোচনাত বহাৰ বাবেও আহ্বান জনায়। সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰীয়ে পুনৰ কয়, 'আলফালৈ যুৱক-যুৱতী *১০ পৃষ্ঠাত চাওক*

অধ্যাপক শৰৎ মহন্ত স্মাৰক বক্তৃতানুষ্ঠানত প্ৰধানমন্ত্ৰীৰ বিশেষ পৰামৰ্শদাতা দীপক ভোহৰা

## বিপদৰ সময়ত বিশ্বৰ কোনো ৰাষ্ট্ৰই চীনৰ সহায় নিবিচাৰে



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১ মে' ঃ** ভাৰতৰ বৈদেশিক নীতিয়ে বিশ্বৰ কোনো এখন দেশৰ স্বাৰ্থ বিঘ্নিত হোৱাৰ পোষকতা নকৰে। আধুনিক বিশ্বৰ প্ৰতিখন দেশত মানৱ অধিকাৰ উলংঘা হ'লে ভাৰতে সদায় তাৰ বিৰুদ্ধে থিয় দি আহিছে। ফলস্বৰূপে শেহতীয়াকৈ ভাৰতৰ বৈদেশিক নীতিৰ ওপৰত গৰিষ্ঠসংখ্যক ৰাষ্ট্ৰ প্ৰধানে মুকলিকৈ আস্থা প্ৰকাশ কৰিছে। তাৰেই পৰিণতিত ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত চলি থকা দীঘলীয়া যুদ্ধৰ অৱসান ঘটাবলৈ বহুকেইখন ৰাষ্ট্ৰই ভাৰতক আহ্বান জনাইছে। ইতিহাসে বাৰে বাৰে প্ৰমাণ কৰি আহিছে যে বিপদৰ সময়ত সমাধান বিচাৰি বিশ্ব ৰাজনীতিৰ ধ্বজাবাহকসকলে সদায় ভাৰতৰ নিৰপেক্ষ আৰু স্বতন্ত্ৰ ভূমিকাৰ *দুই পৃষ্ঠাত চাওক*

**মাহে ৰমজান**

**ইফটাৰ**

আজি আবেলি ঃ ৫.৫৫ বজা

* *গুৱাহাটীৰ সময়*

| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৯° | ২২° |
| ডিব্ৰুগড় | ৩০° | ২১° |
| দিল্লী | ৪০° | ২৮° |
| কলকাতা | ৩৫° | ২৮° |
| মুম্বাই | ৩৩° | ২৯° |
| চেন্নাই | ৩৬° | ২৯° |
| বাংগালুৰু | ৩৩° | ২২° |
| শ্বিলং | ২৩° | ১৫° |

*১ মে', ২০২২*

আজিৰ পৰা বড়ো সাহিত্য সভাৰ অধিৱেশন

## তিনিশ বিঘা মাটিত নিৰ্মাণ দুখনকৈ বিশালকায় আটকধুনীয়া ৰভা-মঞ্চ



**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ১ মে' ঃ** কাইলৈৰ পৰা চাৰি মে'লৈ তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে তামুলপুৰ জিলাৰ অন্তৰ্গত কচুবাৰীস্থিত গৌজন ফৌথাৰত অনুষ্ঠিত হ'ব বড়ো সাহিত্য সভাৰ ৬১সংখ্যক অধিৱেশন। এই অধিৱেশনক কেন্দ্ৰ কৰি গৌজন ফৌথাৰত আজিৰে পৰাই উদুলি-মুদুলি পৰিৱেশে বিৰাজ কৰিছে। অধিৱেশন সাফল্যমণ্ডিত কৰি তোলাৰ *১০ পৃষ্ঠাত চাওক*

## কেন্দ্ৰীয় মন্ত্ৰীৰ অনুষ্ঠানতে স্ক্ৰীণত চলিল নীলা ছবি, ধৃত অপাৰেটৰ

**অগ্ৰদূত বাৰ্তা**

**তিনিচুকীয়া, ১ মে' ঃ** তিনিচুকীয়াত ভাৰত চৰকাৰ আৰু ইণ্ডিয়ান অইলৰ এক অনুষ্ঠানৰ মাজতে কালি কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলী আৰু অসম চৰকাৰৰ মন্ত্ৰী সঞ্জয় কিষাণৰ উপস্থিতিত সংঘটিত হয় এক অভূতপূৰ্ব কাণ্ড। ইণ্ডিয়ান অইলৰ কে'বাজনো শীৰ্ষ বিষয়া, তিনিচুকীয়াৰ উপায়ুক্তৰ উপস্থিতিত *দুই পৃষ্ঠাত চাওক*

■ ২০০২ত ২৯১ প্ৰজাতিৰ পক্ষীৰ বিচৰণস্থলীত সম্প্ৰতি আছে মাথোঁ ৬৬ বিধ ■ সময়ৰ গতিত বিলীন হৈ যাব নেকি ৰাজ্যৰ একমাত্ৰ আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন ৰামছাৰ ক্ষেত্ৰ?

## দীপৰ বিল এৰি গ'ল ১৫৩ বিধ পক্ষীয়ে



জৰীপত উন্মোচিত হৈছে উদ্বেগজনক তথ্য ■ প্ৰদূষিত পানী-ডাম্পিং গাউণ্ড-ৰেল চলাচল-অবৈধ বেদখলেই মাতি আনিছে বিপৰ্যয়



■ **ৰণ্টু নেওগ**

**গুৱাহাটী, ১ মে' ঃ** এখন দেশ বা ৰাজ্যৰ অৰ্থনৈতিক উন্নয়ন তথা ৰাজভঁৰাল টনকিয়াল কৰাৰ ক্ষেত্ৰত পৰ্যটন উদ্যোগৰ গুৰুত্ব তথা অৰিহণা কিমান, সেয়া নতুনকৈ কোৱাৰ প্ৰয়োজন নাই। দেশৰ কে'বাখনো ৰাজ্যৰ সমান্তৰালকৈ মনোমোহা প্ৰাকৃতিক পৰিৱেশ, বনাঞ্চল, বন্যপ্ৰাণী তথা ঐতিহাসিক সমলেৰে পৰিপুষ্ট অসম তথা উত্তৰ-পূৰ্বাঞ্চলো পৰ্যটনৰ দিশত বহু আগবঢ়া। অসমৰ পৰ্যটন উদ্যোগটোৰ পৰা চৰকাৰে বছৰি বুজন পৰিমাণৰ ৰাজহ সংগ্ৰহ কৰি আহিছে যদিও ৰাজ্যৰ বহু স্থান আজিৰ দিনত চৰকাৰৰ দৃষ্টিত অৱহেলা তথা গুৰুত্বহীন *১০ পৃষ্ঠাত চাওক*

চেঙা তেল



*ফাইল পাছ কৰিব লাগে? তেলৰ দাম যে বাঢ়িছে খবৰ ৰাখিছে নে নাই! ইফালেও পাৰ্চেণ্টেজ বাঢ়িব!*

■ শ্ৰমিক দিৱসত প্ৰাপ্য অধিকাৰ বিচাৰি কেব চালকৰ প্ৰতিবাদ ■ ন্যায় বিচাৰি প্ৰতিবাদত অংশগ্ৰহণ পত্নীৰ ■ ওলা-উবেৰৰ বিৰুদ্ধে অভিযোগ

## ঋণৰ বোজা সহিব নোৱাৰি নিশা মহানগৰীত কেব চালকৰ আত্মহত্যা



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১ মে' ঃ** আজি আন্তৰ্জাতিক শ্ৰমিক দিৱসৰ দিনাই ওলা-উবেৰ কেব পৰিচালন কোম্পানীৰ শোষণৰ অভিযোগ তুলি প্ৰাপ্য আৰু অধিকাৰ বিচাৰি কেব চালকৰ প্ৰতিবাদত উত্তাল হৈ পৰে মহানগৰীৰ চচলৰ ধৰ্ণাস্থলী। শ্ৰমিকৰ অধিকাৰ প্ৰতিষ্ঠাৰ দিন হিচাপে পুৱা পতাকা উত্তোলন আৰু ছহিদ তৰ্পণ কাৰ্যসূচীৰে সদৌ অসম কেব মজদুৰ ইউনিয়নৰ আহ্বানত ৰূপায়িত প্ৰতিবাদী কাৰ্যসূচীত ওলা-উবেৰ কোম্পানীয়ে সংগ্ৰহ কৰি অহা কমিছনৰ পৰিমাণ হ্ৰাস কৰা, মটৰ চাইকেল টেক্সী সেৱা বন্ধ কৰা, চৰকাৰী এপৰ জৰিয়তে সংস্থাপন দিয়া আদি *দুই পৃষ্ঠাত চাওক*

## পুনৰ বাণিজ্যিক চিলিণ্ডাৰৰ মূল্য ১০২.৫ টকালৈ বৃদ্ধি

হোটেল-ৰেস্তোৰাঁৰ খাদ্যৰ মূল্য বৃদ্ধিৰ সম্ভাৱনা

■ **নিউজ ব্যুৰ'**

**নতুন দিল্লী, ১ মে' ঃ** মাত্ৰ এমাহৰ বিৰতিত আজিৰ পৰা কাৰ্যকৰী হোৱাকৈ ৰন্ধন গেছৰ প্ৰতিটো বাণিজ্যিক চিলিণ্ডাৰৰ মূল্য পুনৰ ১০২.৫০ টকাকৈ *দুই পৃষ্ঠাত চাওক*

■ শিবিৰত আবদ্ধ কৰি মাৰধৰ ■ ধনৰ বিনিময়তহে মুকলি কৰি দিয়ে ■ ধন নিদিলে জেললৈ প্ৰেৰণৰ ভাবুকি ■ পৃথক ভাষ্য আৰক্ষীৰ

## গৰুখুঁটিত উচ্ছেদিতক নিৰ্যাতনৰ অভিযোগ, কাঢ়ি নিয়ে পোহনীয়া জন্তু

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১ মে' ঃ** গৰুখুঁটি কৃষি প্ৰকল্পত উচ্ছেদিতসকলৰ বিৰুদ্ধে নিৰ্যাতন চলোৱাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। প্ৰকল্পৰ কৰ্মচাৰীয়ে উচ্ছেদিত লোক অথবা তেওঁলোকৰ পোহনীয়া জীৱ-জন্তু দেখিলে বলপূৰ্বক ধৰি বান্ধি লৈ যায় বুলি ভুক্তভোগীসকলে অভিযোগ কৰিছে। তেওঁলোকৰ পোহনীয়া গৰু-ছাগলী-ভেড়া আদি কাঢ়ি লৈ যোৱাৰ পাছত সেইবোৰ ওভতাই নিদিয়ে। তদুপৰি অভিযোগ অনুসৰি প্ৰকল্পৰ কৰ্মচাৰীয়ে তেওঁলোকৰ পৰা লৈ যোৱা মটৰ চাইকেল ঘূৰাই পাবলৈ হ'লে ২০ হেজাৰ টকা আদায় দিব লাগে। চাইকেলৰ ক্ষেত্ৰত এনে ধনৰ পৰিমাণ দুহেজাৰ টকা। এই অভিযোগ তুলি ভুক্তভোগীয়ে কয় যে কোনো উচ্ছেদিত লোকক যদি ধৰি লৈ যায়, তেন্তে প্ৰথমে তেওঁক প্ৰকল্পৰ কৰ্মচাৰীয়ে শিবিৰলৈ নি নিৰ্যাতন চলোৱাৰ *দুই পৃষ্ঠাত চাওক*

দৈনিক
# অগ্ৰদূত
গুৱাহাটী, , ২ মে', ২০২২ সোমবাৰ পৃষ্ঠা তিনি

## যোৰহাটত মঙলদৈৰ লোকক নিশা চোকা অস্ত্ৰৰে হানি-খুঁচি হত্যা

### দোকানৰ পৰা ঘৰলৈ অহাৰ পথত অঘটন

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ১ মে' ঃ** ইয়াৰ পুলিবৰ থানাৰ অন্তৰ্গত ৩৭ নম্বৰ ৰাষ্ট্ৰীয় পথৰ পুলিবৰ হেজাৰী গাঁৱৰ আলিমূৰত আজি পুৱা এটা মৃতদেহ উদ্ধাৰ হয়। প্ৰাতঃভ্ৰমণলৈ ওলাই অহা লোকে মৃতদেহটো প্ৰত্যক্ষ কৰি স্থানীয় গাঁওৰক্ষী বাহিনীৰ লোকক খবৰ দিয়ে। পাছত পুলিবৰ থানাৰ আৰক্ষীয়ে খবৰৰ ভিত্তিত উপস্থিত হৈ *ছয় পৃষ্ঠাত চাওক*

## ডিগবৈ ভীমপথাৰত উদ্ধাৰ হোৱা বোমাক লৈ শ্বাসৰুদ্ধ আতংকময় পৰিৱেশৰ অৱসান



**ডিগবৈ, ১ মে' ঃ** তিনিচুকীয়া জিলাৰ ডিগবৈ আৰক্ষী থানাৰ অন্তৰ্গত ভীমপথাৰ বাপুজী উচ্চ মাধ্যমিক বিদ্যালয়ৰ নিচেই কাষতে ডিগবৈ- পেঙেৰী সংযোগী পথৰ দাঁতিত উদ্ধাৰ হোৱা বোমাৰ আতংকৰ যেন অন্ত পৰিল। কালি পুৱা প্ৰায় ছয় বজাতে বোমাতংকত হুৱাদুৱা সৃষ্টি হোৱা শ্বাসৰুদ্ধকৰ পৰিৱেশ যেন প্ৰায় ৩০ ঘন্টাৰ পাছত আঁতৰিল ডিগবৈবাসীৰ মাজৰ পৰা। সক্ৰিয় টিএনটি বোমাটো উদ্ধাৰ কৰিবলৈ সক্ষম হোৱাৰ পাছতেই ডিগবৈ- পেঙেৰী সংযোগী পথছোৱাত আৰক্ষী, সেনা বাহিনী আৰু কেন্দ্ৰীয় *ছয় পৃষ্ঠাত চাওক*

# ৰাজ্যজুৰি শ্ৰমিক দিৱস পালন ঃ সমদল-সভাৰে সৰৱ ক্ষুব্ধ জনতা


# শ্ৰমিক বিৰোধী নীতিৰ বিৰুদ্ধে সৰৱ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১ মে' ঃ** ৰাজ্যজুৰি আজি শ্ৰমিক সংগঠনসমূহে মে' দিৱস উদ্‌যাপন কৰে। বিভিন্ন কাৰ্যসূচীৰে সংগঠনসমূহে উদ্‌যাপন কৰা মে' দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰাৰ লগতে নিজৰ অধিকাৰ প্ৰাপ্যৰ বাবে হুংকাৰ দিয়ে। ৰাজপথৰে ঠায়ে ঠায়ে শোভাযাত্ৰা উলিওৱাৰ লগতে পথসভাও অনুষ্ঠিত কৰে।

**নগাঁৱত শ্ৰমিক দিৱস পালন**

**নগাঁৱৰ বিশেষ সংবাদদাতা ঃ** সদৌ অসম গ্ৰামীণ শ্ৰমিক সন্থাৰ দলংঘাট ব্লক সমিতিৰ আহ্বানত নগাঁৱৰ চমুৱাগাঁওস্থিত শংকৰদেৱ চিত্ৰকলা বিদ্যালয়ত এক মে'ৰ শ্ৰমিক দিৱস পালন কৰা হয়। এই উপলক্ষে 'সকলো কৃষি আৰু শ্ৰমজীৱী ৰাইজ এক হওঁক আৰু জনগণৰ ওপৰত নমা আক্ৰমণৰ বিৰুদ্ধে, সাম্প্ৰদায়িক ফেচীবাদৰ বিৰুদ্ধে ঐক্যবদ্ধ প্ৰতিৰোধ গঢ়ি তোলক' আহ্বানৰে আয়োজন কৰা মুকলি সভাৰ পৰিচালনা কৰে সদৌ অসম প্ৰগতিশীল নাৰী সন্থাৰ দলংঘাট ব্লক সমিতিৰ উপ-সভানেত্ৰী উমা পাটৰে। সভাত চিপিআই (এম এল)ৰ জিলা সদস্য তথা দলংঘাট ব্লক সমিতিৰ সম্পাদক মাধৱ চন্দ্ৰ বৰাই কয় যে বিজেপি শাসনলৈ অহাৰ পাছতেই দেশজুৰি সমাজৰ অন্যান্য অংশৰ লগতে সংগঠিত-অসংগঠিত শ্ৰমিক শ্ৰেণীৰ ওপৰত কৰ্পোৰেট আৰু বৃহৎ উদ্যোগপতিৰ স্বাৰ্থত তীব্ৰ আক্ৰমণ নমাইছে। শ্ৰমিক আন্দোলনৰ জৰিয়তে অৰ্জন কৰা ইখনৰ পাছত সিখন শ্ৰম আইন সংশোধনৰ নামত ধ্বংস কৰিছে। *আঠ পৃষ্ঠাত চাওক*



*যোগ উৎসৱৰ বাবে শিৱদৌল প্ৰাংগণত নিৰাপত্তাৰক্ষীৰ তালাচী, দেওবাৰে।*

### স্মৃতিচাৰণ সভা-শ্ৰদ্ধাৰ্ঘ্য গ্ৰন্থ উন্মোচন

## প্ৰাণজিৎ তালুকদাৰৰ সামাজিক চেতনাৰ মূল্যায়ন হ'ব লাগে ঃ মিশ্ৰ

**গুৱাহাটী, ১ মে' ঃ** সমাজহিতৈষী, ক্ৰীড়াবিদ আৰু বৰপেটা মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ প্ৰাণজিৎ কুমাৰ তালুকদাৰৰ জন্ম শতবাৰ্ষিকী উপলক্ষে আজি ইয়াত এখন স্মৃতিচাৰণ সভা আয়োজন কৰাৰ লগতে এখনি শ্ৰদ্ধাৰ্ঘ গ্ৰন্থও উন্মোচন কৰা হয়। মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° কিৰণ চন্দ্ৰ বায়নৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত 'প্ৰসন্ন প্ৰশস্তি' শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰে বিশিষ্ট শিক্ষাবিদ-সাহিত্যিক অক্ষয় কুমাৰ মিশ্ৰই। উন্মোচনী ভাষণত মিশ্ৰই প্ৰয়াত তালুকদাৰৰ বহুমুখী কৰ্মৰে সমাজক অনুপ্ৰাণিত কৰা ব্যক্তি আছিল বুলি মন্তব্য কৰি কয়, 'প্ৰাণজিৎ তালুকদাৰে বৃহত্তৰ বৰপেটাৰ সমাজখনক বৌদ্ধিক নেতৃত্ব প্ৰদান কৰিছিল। তালুকদাৰৰ বৌদ্ধিক যাত্ৰা আছিল বৰ্ণময়। তেওঁ ৰাজনীতি কৰিছিল। প্ৰথমতে প্ৰজা ছ'চিয়েলিষ্ট পাৰ্টি আৰু পাছত জনতা দলৰ মজিয়াৰ পৰা সমাজক সেৱা কৰিবলৈ আগবাঢ়ি আহিছিল। অথচ তেওঁৰ পৰিয়ালৰ কংগ্ৰেছৰ লগত সম্পৰ্ক আছিল। ৰাজনীতিতো তেওঁৰ সেৱাৰ মনোভাৱ দেখা পোৱা যায়। ৰাজনীতিৰ মাধ্যমেৰে তালুকদাৰে সমাজ পৰিৱৰ্তন কৰিব বিচাৰিছিল। *ছয় পৃষ্ঠাত চাওক*

## স্থানীয় লোকক অব্যাহতি দিয়াৰ বাবেই মন্দিৰত উত্তপ্ত পৰিস্থিতি


**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**

**নগাঁও/পুৰণিগুদাম, ১ মে' ঃ** নগাঁও জিলাৰ ভেৰভেৰীৰ নৰসিংহ ক্ষেত্ৰত প্ৰতিষ্ঠা কৰা ১২৬ ফুট উচ্চতাৰ বিশ্বৰ ভিতৰতে সৰ্বোচ্চ শ্ৰীশ্ৰীমহা মৃত্যুঞ্জয় মন্দিৰ চৌহদ আজি প্ৰতিবাদৰে উত্তাল কৰে স্থানীয় একাংশ লোকে। প্ৰতিষ্ঠা কালৰে পৰা মন্দিৰটোত নিয়োজিত হৈ থকা স্থানীয় একাংশ লোকক দায়িত্বৰ পৰা অব্যাহতি দিয়াৰ বাবে আজি পুৱাৰে পৰা এই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে স্থানীয় লোকে। উল্লেখ্য যে মন্দিৰত দীৰ্ঘদিন ধৰি নিয়োজিত হৈ থকা ন গৰাকী সুৰক্ষা কৰ্মীক মন্দিৰ পৰিচালনা সমিতিয়ে বলপূৰ্বকভাৱে কামৰ পৰা অব্যাহতি দিয়াৰ বাবেই স্থানীয় লোকে কাৰ্যসূচী ৰূপায়ণ কৰে। উত্থাপিত অভিযোগ মতে, স্থানীয় যুৱকৰ পৰিৱৰ্তে বহিঃৰাজ্যৰ যুৱকক মহামৃত্যুঞ্জয় মন্দিৰৰ পৰিচালনা সমিতিয়ে সংস্থাপন দিয়াতহে অধিক তৎপৰ হৈ পৰিছে। ফলত প্ৰতিবাদত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰি মন্দিৰ চৌহদত এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে স্থানীয় একাংশ লোকে। প্ৰতিবাদকাৰীসকলে বিভিন্ন শ্ল'গান বৰ্ষণ কৰি মন্দিৰ চৌহদ উত্তাল কৰি তোলে। উত্থাপিত অভিযোগ অনুসৰি, পৰিচালনা সমিতিয়ে স্থানীয় যুৱকক মন্দিৰৰ বিভিন্ন দায়িত্বৰ পৰা অব্যাহতি দি তেঁওলোকৰ স্থানত বহিঃৰাজ্যৰ যুৱকক সংস্থাপন দিছে। আনকি স্থানীয় লোকক মন্দিৰৰ পুৰোহিতৰ দায়িত্বৰ পৰাও ৰহস্যজনকভাৱে অব্যাহতি দি তেঁওলোকৰ স্থানত কেৰালাৰ পৰা ব্ৰাহ্মণৰ আমদানি কৰিছে পৰিচালনা সমিতিয়ে। সেয়ে আজি দৰ্শনাৰ্থীৰ বাবে মন্দিৰৰ দ্বাৰ বন্ধ কৰি স্থানীয় ৰাইজে এই প্ৰতিবাদ সাব্যস্ত কৰাত মন্দিৰ দৰ্শন কৰিবলৈ ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা বহু লোক হতাশ হ'ব লগীয়া হয়। দূৰ দূৰণিৰ পৰা অহা বহু লোকে মন্দিৰ দৰ্শন নকৰাকৈ বিফল মনোৰথৰে উভটি যাবলগীয়া হয়। একাংশ দৰ্শনাৰ্থীৰ *ছয় পৃষ্ঠাত চাওক*

### দৰ্শনাৰ্থীৰ বাবে প্ৰৱেশ বন্ধ কৰি প্ৰতিবাদ



## কান্দাপাৰা গড়কাপ্টানী পথে জীয়াতু ভোগাইছে পথচাৰীক



**কলগাছিয়া, ১ মে' ঃ** বৰপেটা চহৰৰ পৰা কান্দাপাৰা হৈ বাঘবৰলৈ যোৱা গড়কাপ্টানী পথছোৱা মৰণফান্দ সদৃশ হৈ পৰিছে। পথছোৱাৰ জনীয়া সমষ্টিৰ অন্তৰ্গত কান্দাপাৰাৰ এটা বৃহৎ অংশত খোজ কাঢ়ি যোৱাৰো পৰিৱেশ নোহোৱা হৈ পৰিছে। পথছোৱাত প্ৰকাণ্ড প্ৰকাণ্ড গাঁতৰ লগতে অত্যধিক বোকা হোৱাৰ ফলত দৈনিক সৰু-বৰ দুৰ্ঘটনা সংঘটিত হৈ আহিছে। ছাত্ৰ-ছাত্ৰী বিদ্যালয়লৈ যোৱা আৰু অফিচ-কাছাৰী, বজাৰ-সমাৰলৈ যোৱাৰ ক্ষেত্ৰত ভীষণ অসুবিধাৰ সন্মুখীন হৈছে সাধাৰণ ৰাইজ। পথছোৱা মেৰামতিৰ ক্ষেত্ৰত জনীয়া সমষ্টিৰ বিধায়ক ড° ৰফিকুল ইছলাম, সাংসদ আব্দুল খালেক আৰু স্থানীয় জনপ্ৰতিনিধিৰ ভূমিকাৰ ওপৰতো ক্ষোভ প্ৰকাশ কৰে স্থানীয় ৰাইজে। অতি শীঘ্ৰেই পথছোৱা মেৰামতি কৰিবলৈ অসম চৰকাৰৰ লোক নিৰ্মাণ বিভাগক ৰাইজে অনুৰোধ জনাইছে।

## ক'ভিডৰ চতুৰ্থ ঢৌৰ বাবে সাজু ৰাজ্যৰ স্বাস্থ্য বিভাগ

**অগ্ৰদূত বাৰ্তা**

**কলিয়াবৰ, ১ মে' ঃ** ক'ভিডৰ চতুৰ্থটো ঢৌৰ বাবে সাজু হৈ আছে ৰাজ্যৰ স্বাস্থ্য বিভাগ। ক'ভিডৰ চতুৰ্থটো ঢৌৰ সন্দৰ্ভত কলিয়াবৰত এই মন্তব্য প্ৰদান কৰে স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই। লগতে মন্ত্ৰীগৰাকীয়ে কয় যে ক'ভিড সংক্ৰমণ বৃদ্ধি পালে নতুন নিয়ম হ'ব পাৰে। ক'ভিডৰ চতুৰ্থটো ঢৌৰ বিৰুদ্ধে সাজু অসমৰ স্বাস্থ্য বিভাগ। মাস্ক পৰিধান উঠাই দিয়া হোৱা নাছিল। ক'ভিড সংক্ৰমণ কমাৰ বাবে বহুতে মাস্ক পিন্ধা নাছিল কিন্তু পৰিস্থিতি সাপেক্ষে সকলোৰে মাস্ক পিন্ধিব লাগিব। ৰাজ্যত এই পৰ্যন্ত ক'ভিডৰ চতুৰ্থটো ঢৌৰ প্ৰভাৱ পৰা নাই। আজি কলিয়াবৰত উপস্থিত হৈ এই মন্তব্য *ছয় পৃষ্ঠাত চাওক*

## ড্ৰাগছ মুক্ত অসম গঢ়াৰ আহ্বানেৰে শদিয়াৰ পৰা ধুবুৰীলৈকে যুৱকৰ চাইকেল যাত্ৰা

**অগ্ৰদূত বাৰ্তা**

**গহপুৰ, ১ মে' ঃ** ড্ৰাগছ মুক্ত অসম গঢ়াৰ লগতে একাধিক গুৰুত্বপূৰ্ণ আহ্বানেৰে অসমৰ শদিয়াৰ পৰা ধুবুৰীলৈকে ভ্ৰমণ কৰাৰ লক্ষ্যৰে আজিৰে পৰা চাইকেল যাত্ৰা আৰম্ভ কৰিছে গহপুৰৰ পাঁচগৰাকী উদ্যমী যুৱকে। ড্ৰাগছ মুক্ত অসম গঢ়াৰ লগতে প্লাষ্টিক বৰ্জন কৰা, গঁড় হত্যা বন্ধ কৰা, চাইকেল চলাই শৰীৰ সুস্থ ৰখা আৰু গছ-গছনি ৰোপণ কৰাৰ আহ্বানেৰে চাইকেল যাত্ৰা আৰম্ভ কৰা গহপুৰৰ এই পাঁচগৰাকী যুৱক হ'ল অৰবিন্দ নেৱাৰ, ডিম্পু বৰা, দেৱাশীষ বৰগোহাঁই, নয়নজ্যোতি বৰদলৈ আৰু আকাশ সূত্ৰধাৰ। আজি পুৱা ১০ বজাত গহপুৰ মহকুমাৰ মহকুমাধিপতিৰ কাৰ্যালয়ৰ সন্মুখৰ পৰা আৰম্ভ কৰা উক্ত চাইকেল যাত্ৰাৰ ফ্লেগ অফ কৰে গহপুৰৰ মহকুমাধিপতি দীপন বৰ্মনে। মহকুমাধিপতি গৰাকীয়ে যুৱক পাঁচ গৰাকীৰ উক্ত পদক্ষেপক আদৰণি জনাই *ছয় পৃষ্ঠাত চাওক*




### আই পি এল জুৱাৰ কৱলত পৰি সৰ্বস্বান্ত বহুলোক

## নগাঁৱত অবাধে চলিছে লাখ লাখ টকাৰ আই পি এল জুৱা

**বিশেষ সংবাদদাতা**

**নগাঁও, ১ মে' ঃ** নগাঁও আৰক্ষীয়ে যোৱা নিশা এজন আই পি এল জুৱাৰীক গ্ৰেপ্তাৰ কৰে। ধৃত জুৱাৰীজন নগাঁও চহৰৰ আজাদ নগৰৰ আফজাৰুল ৰহমান (৪৮)। আৰক্ষীয়ে আফজাৰুলৰ ঘৰৰ পৰা এটা টিভি, চাৰিটা ম'বাইল, আই পি এল জুৱাত ব্যৱহাৰ কৰা বিভিন্ন সামগ্ৰী আৰু নগদ ১৯ হেজাৰ টকা জব্দ কৰে। উল্লেখ্য যে এক অসাধু চক্ৰৰ পৃষ্ঠপোষকতাত নগাঁৱত দীৰ্ঘদিন ধৰি চলি আছে লাখ লাখ টকাৰ আই পি এল জুৱা। নগাঁও প্ৰশাসন আৰু আৰক্ষী বিভাগক অংগুষ্ঠ প্ৰদৰ্শন কৰি চহৰখনৰ লগতে আন কেতবোৰ স্থানত চলাই থকা আই পি এল জুৱাৰ কৱলত পৰি সৰ্বস্বান্ত হৈছে বহু লোক। নগাঁও আৰক্ষীয়ে শেহতীয়াকৈ আই পি এল জুৱাৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰি অভিযান চলোৱাৰ লগতে বহুকেইজনক আটক কৰিছে। যোৱা নিশাও নগাঁও চহৰৰ আজাদ নগৰত নগৰ সদৰ থানাত ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মনোজ ৰাজবংশীৰ নেতৃত্বত যোৱা আৰক্ষীৰ দলে অভিযান চলাই জুৱাৰীজনক আটক কৰে যদিও আন *ছয় পৃষ্ঠাত চাওক*

## নাজিৰাত অগ্নিকাণ্ডত ভস্মীভূত বাসগৃহ



**অগ্ৰদূত বাৰ্তা**

**নাজিৰা, ১ মে' ঃ** নাজিৰা নগৰৰ বাপুজী পথত আজি সন্ধিয়া সংঘটিত এক অগ্নিকাণ্ডৰ ঘটনাত এটা বাসগৃহ ভস্মীভূত হয়। অঞ্চলটোৰ মুকছেৰউদ্দিন আহমেদ নামৰ লোকজনৰ গৃহ নিৰ্মাণত নিয়োজিত *ছয় পৃষ্ঠাত চাওক*

### অভিযুক্ত তিনি আছু কৰ্মীক গ্ৰেপ্তাৰ কৰি জামিনত মুক্তি দিলে আৰক্ষীয়ে

## জেবি কলেজৰ নিৰ্বাচনকেন্দ্ৰিক হিংসাৰ গোচৰ ৰুজু

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ১ মে' ঃ** যোৰহাটৰ ঐতিহ্যমণ্ডিত জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনক কেন্দ্ৰ কৰি শনিবাৰে পুৱতি নিশা সংঘটিত নিৰ্বাচনকেন্দ্ৰিক সংঘাতত জড়িত থকাৰ অভিযোগত আজি আৰক্ষীয়ে তিনিজন আছু কৰ্মীক গ্ৰেপ্তাৰ কৰে। অৱশ্যে পৰৱৰ্তী সময়ত তিনিওজনকে আৰক্ষীয়ে ব্যক্তিগত জামিনত মুকলি কৰি দিয়ে। উল্লেখ্য যে দেওবাৰে অনুষ্ঠিত হৈ যোৱা ছাত্ৰ একতা সভাৰ নিৰ্বাচনৰ প'ষ্টাৰ আঁৰাৰ বাবে শনিবাৰে পুৱতি নিশা প্ৰায় তিনি বজাত ছাত্ৰাবাসৰ পৰা ওলাই অহা ছাত্ৰৰ এটা দলক আন একাংশ ছাত্ৰই আক্ৰমণ কৰিছিল। এই আক্ৰমণত পাঁচজনকৈ ছাত্ৰ আহত হৈছিল। কালি এই আক্ৰমণৰ ঘটনাত সদৌ অসম ছাত্ৰ সন্থাৰ কৰ্মী জড়িত থকা অভিযোগ তুলি ছাত্ৰাবাসৰ আবাসীসকলে যোৰহাট সদৰ আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰে। সেই অনুসৰি সদৰ আৰক্ষী থানাই ভাৰতীয় দণ্ড বিধিৰ ১৪৩/৩৪১/৩২৩/৩২৫/২৯৪ ধাৰাৰ অধীনত ৫০০/২২ নম্বৰত এটা গোচৰ পঞ্জীয়ন কৰে আৰু অভিযুক্ত তিনিজন ছাত্ৰক আজি বিভিন্ন ঠাইৰ পৰা গ্ৰেপ্তাৰ কৰে। ধৃত আছু কৰ্মীকেইজন হৈছে অংকিত কাশ্যপ, প্ৰিয়াংশু পাত্ৰ আৰু অংশুমান ডেকা। অৱশ্যে পৰৱৰ্তী সময়ত তেওঁলোকক জামিনত মুকলি কৰি দিয়া হয়। লক্ষ্যণীয়ভাৱে যোৰহাট জিলা আছুৱে এই ঘটনাত ছাত্ৰ সন্থাৰ কৰ্মী-সদস্য জড়িত নাই বুলি দাবী কৰিছিল। যদিও আৰক্ষীয়ে তিনিজনকৈ ছাত্ৰ সন্থাৰ কৰ্মীক গ্ৰেপ্তাৰ কৰাৰ পাছত ঘটনাটোত আছু জড়িত থকাৰ কথাটো আজি প্ৰমাণ হ'ল বুলি বিভিন্ন জনে মত প্ৰকাশ কৰিছে।





*ড° শিৱনাথ বৰ্মনক ওজা হেমচন্দ্ৰ বৰুৱা সাহিত্য সাধনা বঁটা আৰু বিৰুবালা ৰাভাক হেমকোষপ্ৰাণ দেৱানন্দ বৰুৱা সমাজ চেতনা বঁটা প্ৰদান কৰিছে জ্ঞানপীঠ বিজয়ী কোংকনী সাহিত্যিক দামোদৰ মজোৰে, মহানগৰীত দেওবাৰে।*

## ঐতিহ্যপূৰ্ণ চেংনৈ-নোৱা নৈ অঞ্চলৰ ২০ হেজাৰ জনসাধাৰণৰ যাতায়াত যন্ত্ৰণা



### প্ৰগতিত হেঙাৰ হৈছে

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ১ মে' ঃ** নলবাৰী জিলাৰ ৫৯ নম্বৰ সদৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত ইতিহাস চেংনৈ অঞ্চলৰ বিধস্ত যাতায়াত ব্যৱস্থাই ২০ হেজাৰ ৰাইজক জ্বলা-কলা খুৱাইছে। উল্লেখ্য যে বৃহত্তৰ অঞ্চলটোৰ ভালেকেইটা গুৰুত্বপূৰ্ণ পথ পুনৰ্নিৰ্মাণ নকৰাত পথসমূহ জৰাজীৰ্ণ হৈছে। অঞ্চলটোৰ সচেতন ৰাইজ আৰু বিভিন্ন দল-সংগঠনে এই গুৰুত্বপূৰ্ণ পথসমূহ পুনৰ্নিৰ্মাণ কৰাৰ বাবে স্থানীয় বিধায়ক আৰু সংশ্লিষ্টৰ বিভাগক দীৰ্ঘদিনৰ পৰা কাকুতি-মিনতি কৰি আহিছে যদিও অদ্যাপি গুৰুত্ব দিয়া নাই। যাৰ ফলত বৃহত্তৰ অঞ্চলটোৰ ৮-১০ খন গাঁৱৰ জনসাধাৰণে দিনে-নিশাই যন্ত্ৰণা ভোগ কৰি আহিব লগা হৈছে। উল্লেখ্য যে ৩১ নম্বৰ *ছয় পৃষ্ঠাত চাওক*

## নগাঁৱত ভোজপুৰী পৰিষদৰ উদ্যোগত ৰঙালী বিহু উদ্‌যাপন

**বিশেষ সংবাদদাতা**

**নগাঁও, ১ মে' ঃ** অসমৰ প্ৰতিগৰাকী ভোজপুৰী লোকেই অসমৰ কলা-সংস্কৃতি শিকা উচিত। ভোজপুৰী সমাজৰ নব প্ৰজন্মক অসমীয়া কৃষ্টি সংস্কৃতিৰ স'তে পৰিচয় কৰি দিয়াৰ প্ৰয়াস সদৌ অসম ভোজপুৰী পৰিষদৰ। এই লক্ষ্যৰে আজি সদৌ অসম ভোজপুৰী পৰিষদৰ নগাঁও জিলা সমিতিয়ে ৰঙালী বিহু উদ্‌যাপন কৰে। নগাঁও মাৰোৱাৰী হিন্দী হাইস্কুলত উদ্‌যাপিত এই বিহু উৎসৱে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে আজি বিহু *ছয় পৃষ্ঠাত চাওক*

### ভাৰত-বাংলাদেশ সীমান্ত পৰিদৰ্শন অসম আৰক্ষীৰ সঞ্চালক প্ৰধানৰ

## মানকাচৰ সীমান্তৰে চলি থকা চোৰাং গৰু সৰবৰাহ বন্ধ কৰাৰ বাবে নিৰ্দেশ

**মানকাচৰ, ১ মে' ঃ** মানকাচৰৰ ভাৰত-বাংলাদেশ সীমান্ত আজি পৰিদৰ্শন কৰে অসম আৰক্ষীৰ সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্তই। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ মানকাচৰ ভ্ৰমণৰ প্ৰাক্‌ক্ষণত সীমান্তৰ পৰিস্থিতিৰ বুজ ল'বলৈ উপস্থিত হয় আৰক্ষী সঞ্চালক প্ৰধান মহন্ত। অসম আৰক্ষীৰ নামনি অসমৰ উপ-মহাপৰিদৰ্শক দিলীপ কুমাৰ দেৱ স'তে আৰক্ষী সঞ্চালক প্ৰধানজনে দুপৰীয়া ১.৪০ বজাত হেলিকপ্টাৰযোগে মানকাচৰৰ কামাখ্যাবাৰী হেলিপেডত উপস্থিত হয়। অসম আৰক্ষীৰ শীৰ্ষ বিষয়াজনক কামাখ্যাবাৰী হেলিপেডৰ পৰা অসম আৰক্ষীৰ সীমান্ত শাখাৰ মহাপৰিদৰ্শক ভায়োলেট বৰুৱা, বিএছএফৰ আইজিপি এছএছ গেইল্ট আৰু জিলা উপায়ুক্ত পল্লৱী সৰকাৰে আদৰণি জনোৱাৰ লগতে সীমান্ত পৰিদৰ্শন কৰাবলৈ নিয়ে। তেওঁ মানকাচৰৰ সাহাপাৰা সীমান্ত সুৰক্ষা চকীৰ কাষেদি সীমান্ত পথেদি ভাৰত-বাংলাদেশ সীমান্তৰ *ছয় পৃষ্ঠাত চাওক*



দৈনিক অগ্ৰদূত

# সাহিত্য আৰু জীৱন



## মিত্ৰদেৱ মহন্তৰ
# বিদেহী বিয়োগ
## এখন শ্ৰেষ্ঠ ট্ৰেজেডি



### ড° আনন্দ বৰমুদৈ

**মিত্ৰদেৱ** মহন্তৰ বৈদেহী বিয়োগ এখন উল্লেখযোগ্য অসমীয়া ট্ৰেজেডি নাটক। অসমীয়াত ট্ৰেজেডি নাটকৰ সংখ্যা কম। নাট্যকাৰসকলৰ প্ৰহসন নাটকৰ প্ৰতিহে আগ্ৰহ বেছি। মিত্ৰদেৱ মহন্তই নিজেও কুৰিখনতকৈও অধিক ধেমেলীয়া প্ৰহসন নাটক লিখাৰ লগতে গহীন বিষয়ৰ নাটকো লিখিছে। তাৰ ভিতৰত বৈদেহী বিয়োগেই নাট্যকাৰজনৰ একমাত্ৰ ট্ৰেজেডি নাটক। নাট্যকাৰ মহন্তৰ নাট্যজ্ঞান চমৎকাৰ। সামান্য বিষয় একোটাক লৈয়ো তেওঁ দৰ্শক-পাঠকৰ তৎক্ষণাত মনোযোগ ধৰি ৰাখিব পৰা নাটকীয় পৰিস্থিতি একোটা সৃষ্টি কৰিব পাৰে। তেওঁৰ ভালে সংখ্যক নাটকে পাঠকক কেৱল হাঁহি-ধেমালিৰে মনোৰঞ্জনৰ যোগান ধৰে। কেতিয়াবা তাৰ মাজতে তেওঁৰ ৰগৰ একোটাও গহীন ধৰণৰ সামাজিক উক্তি হ'ব পাৰে। মিত্ৰদেৱ মহন্ত আছিল গভীৰ মানৱতাবাদী আৰু সামাজিকভাৱে দায়বদ্ধ সাহিত্যিক। ৰাইজে তেওঁৰ হাঁহি-ধেমালিৰ মাজেদি তেওঁৰ পৰা কথা শিকিবলৈও আগ্ৰহী আছিল। নাট্যকাৰ মহন্তয়ো শিক্ষকৰ ভূমিকাক আনন্দ মনেৰে গ্ৰহণ কৰিছিল। হাঁহি-ধেমালি কৰি কথা ক'লেই কথাৰ গুৰুত্ব নকমে। মিত্ৰদেৱ মহন্তই কে'বাদশক ধৰি যোৰহাট থিয়েটাৰৰ দৰ্শকক হাঁহি-ধেমালিৰ যোগান ধৰাৰ লগতে দৰ্শকৰ সজাগতাক কিছু পৰিমাণে হ'লেও সলনি কৰিছিল।

মিত্ৰদেৱ মহন্তই লিখা গহীন নাটকতো ধেমেলীয়া দৃশ্য আৰু সমান্তৰাল কাহিনী সৃষ্টি কৰিছিল। গহীন নাটকত সৃষ্টি কৰা ধেমেলীয়া দৃশ্য আৰু বুদ্ধিদীপ্ত সংলাপৰ ক্ষেত্ৰত মিত্ৰদেৱ মহন্তক বেজবৰুৱাৰ লগত তুলনা কৰিব পাৰি। বেজবৰুৱাৰ বুৰঞ্জীমূলক নাটকৰ মাজত ধেমেলীয়া দৃশ্যত সংলাপত থকা বুদ্ধিদীপ্ততাৰ লগত মিত্ৰদেৱ মহন্তৰ বৈদেহী বিয়োগ নাটকৰ ধেমেলীয়া দৃশ্যত থকা বুদ্ধিদীপ্ততাক তুলনা কৰিব পাৰি। বৈদেহী বিয়োগত থকা হাস্য ব্যংগৰ দৃশ্যই এই ট্ৰেজেডি নাটকখনৰ কৰুণ ৰসক অধিক কৰুণ আৰু গভীৰ কৰিছে।

**বৈদেহী বিয়োগ** অসমীয়া নাট্য সাহিত্যত অন্যতম শ্ৰেষ্ঠ ট্ৰেজেডি নাটক। ক্লাছিকেল ট্ৰেজেডি নাটক এখনত থাকিবলগীয়া বিশিষ্ট গুণসমূহ এইখন নাটকত বিচাৰি পাব পাৰি। নাটকীয় কাৰ্যৰ ঐক্য, কাহিনীৰ সংহতি, চৰিত্ৰৰ মৰ্যাদা, নায়কৰ চৰিত্ৰত থকা ট্ৰেজেডি খুঁত, নাটকীয় দ্বন্দ্ব আৰু শ্লেষ, সত্য উদ্‌ঘাটন আৰু কাহিনীক ঘৰুৱা কেঁকুৰি আদি গুণবোৰ নাটকখনত ফুটি উঠিছে। কাহিনীৰ আধাৰ ৰামায়ণ মহাকাব্য আৰু বাল্মীকি নিজেই এটা চৰিত্ৰ। কিন্তু নাট্যকাৰে বাল্মীকিৰ কাহিনীকে দোহৰা নাই। নাট্যকাৰ মিত্ৰদেৱ মহন্তই আধুনিক মানুহৰ জীৱনৰ পৰিৱেশ পৰিস্থিতিকো ৰামায়ণৰ পাঠৰ মাজত উদ্ধাৰ কৰিছে। ৰাম, লক্ষ্মণ, সীতা আদি সকলোৰে সদস্যক প্ৰেম, বিশ্বাস-আস্থা, আনুগত্য আদি মানৱীয় মূল্যবোধৰ আধাৰতহে বিচাৰ কৰা হৈছে। সকলো মহৎ কালজয়ী ট্ৰেজেডি নাটকতে দেখা যায় যে আকাংক্ষা আৰু প্ৰাপ্তিৰ মাজত ব্যৱধান থাকে আৰু এই ব্যৱধানেই মানুহৰ জীৱনৰ সাধাৰণ অৱস্থাক কৰুণ কৰে।

**বৈদেহী বিয়োগ** নাটকখনৰ শিৰোণামত বৈদেহী আছে আৰু বৈদেহীৰ স্বামীৰ পৰা বিচ্ছেদেই নাটকৰ কাহিনী। বৈদেহী আৰু ৰামৰ সম্পৰ্ক বিন্যাসত নাট্যকাৰৰ দৃষ্টিভংগী আধুনিক। নাটকখনক নাৰী দৃষ্টিকোণৰ পৰা লিখা এখন আধুনিক নাটক হিচাপেও পাঠোদ্ধাৰ কৰিব পাৰি। নাটকখনৰ প্ৰথম অংকৰ প্ৰথম দৃশ্যতে মানৱতাক কাহিনীৰ কেন্দ্ৰ হিচাপে দেখুওৱা হৈছে। লক্ষ্মণে কৈছে, 'মনুষ্যৰ মনুষ্যত্ব অনাদৰ কৰি/ দেৱতাৰ পূজা কৰো বুলি/ যি জাতিয়ে কৰে অভিমান/সি জাতিৰ নিষ্ফল প্ৰয়াস।' ট্ৰেজিক নাটকৰ নায়ক বা নায়িকাৰ চৰিত্ৰত থকা ট্ৰেজিক খুঁতক বিচাৰৰ ত্ৰুটি হিচাপেও কেতিয়াবা গণ্য কৰা হয়। ৰামচন্দ্ৰৰ চৰিত্ৰত ট্ৰেজিক খুঁতৰ ইংগিতো প্ৰথম অংকৰ প্ৰথম দৃশ্যতে কৰা হৈছে, 'প্ৰজাৰ প্ৰীতিৰ অৰ্থে/হ'লে প্ৰয়োজন/ পাৰো যেন বিসৰ্জিব /এই মোৰ বিনাশী প্ৰাণকো' প্ৰজাই তেওঁৰ প্ৰাণ আক্ষৰিক অৰ্থত নিবিচাৰিলে যদিও বৈদেহীক পোনতে নিৰ্বাসন দি আৰু পাছত অগ্নি পৰীক্ষাৰ দাবী কৰি অযোধ্যা ৰঞ্জনৰ প্ৰাণ দাবী কৰাৰ দৰেই হ'ল। ৰাজপ্ৰাসাদত আহি উপস্থিত হোৱাৰ সময়ত সীতাই ৰামক কৈছে, 'প্ৰভু মোৰ/জীৱনৰ আৰাধ্য দেৱতা/আৰু নুতুলিবা সেই/অতীতৰ লোকৰ কাহিনী।' এই কাহিনী হ'ল ৰাৱণে হৰণ কৰি নি ৰামৰ পৰা আঁতৰ কৰি ৰখা দিনৰ কাহিনী। পুনৰ মিলনৰ পাছত সীতাই সেই দিনবোৰকে মনত পেলাবলৈ নিবিচাৰে। কিন্তু সীতাৰ বাবে পুনৰ বনবাসেই অপেক্ষা কৰি আছিল। ৰামৰ লগত সুখেৰে কটোৱাৰ আশা-আকাংক্ষা অপ্ৰাপ্তিত শেষ হোৱাটোৱেই অৱধাৰিত আছিল।

নাটকত দেখুওৱা মতে শম্বুকৰ কাহিনীটোত ৰামচন্দ্ৰৰ বিচাৰ যুক্তিৰ সমৰ্থন কৰিব নোৱাৰি। ৰামচন্দ্ৰই শম্বুকক কৈছে যে শূদ্ৰই বেদপাঠ আৰু তপস্যা কৰাৰ কাৰণে ব্ৰাহ্মণ শিশুৰ অকাল মৃত্যু হৈছে। যুক্তি নিৰ্ভৰ প্ৰশ্নটো শম্বুকেহে উত্থাপন কৰিছে, 'আপোন কুশল হেতু/তপস্যা আচৰা বাবে/ অকাল মৃত্যুৰে যদি/গ্ৰাসে আহি ব্ৰাহ্মণ শিশুক/ কিয় তেন্তে শত শত ব্ৰাহ্মণৰ তপৰ প্ৰভাৱে/পৰা নাই দিব জীৱ দান'? শূদ্ৰই বেদপাঠ কৰি তপস্যা কৰিলে বৈভৱে অতিবৃষ্টি, অনাবৃষ্টি আৰু দেশত অশান্তি হ'ব বুলি কোৱাৰ উত্তৰত শম্বুকে কোৱা কথাৰ মাজত ৰামচন্দ্ৰই প্ৰথম অংকৰ প্ৰথম দৃশ্যত কৰা উক্তি এটাৰ স্ববিৰোধো ওলাই পৰিছে। শম্বুকৰ বিৰুদ্ধে বৈভৱে অনা অন্যায় অভিযোগৰ সীমাবদ্ধতা উদঙাই দি শম্বুকে কৈছে, 'পশুত্ব, নৰত্ব এৰি প্ৰজাকুল দেৱত্ব লভিলে/ৰাজ্য যদি অধঃপাতে যায়/তেনেহ'লে বিপ্ৰবৰ/ ৰাজ্য কিয় অধঃপাতে যক বসুন্ধৰা।' ৰামে ইতিমধ্যে প্ৰজাৰ প্ৰীতিৰ কাৰণে প্ৰাণদান কৰাৰ কথা উল্লেখ কৰিছিল, কিন্তু বৈভৱে অনা অভিযোগৰ ভিত্তিত প্ৰজাকুলৰে এজনক হত্যা কৰিছে। নাট্যকাৰে এই কথা জানে যে বৈভৱৰ অভিযোগ ভিত্তিহীন আৰু তাত নিজ বৰ্ণৰ স্বাৰ্থ জড়িত হৈ আছে। শম্বুকৰ পুত্ৰ দীনদাসে ৰামচন্দ্ৰৰ সিদ্ধান্তৰ সমালোচনা কৰি কৰা প্ৰতিবাদ যুক্তিবাদী সকলো আধুনিক মানুহৰো প্ৰতিবাদ, 'তুমিয়েনে ৰঘুপতি/ৰামৰাজ্য প্ৰতিষ্ঠাতা/অযোধ্যা পালক/প্ৰাণ দান, প্ৰাণ দান কোৱা (ৰামৰ কাষ চাপি) ৰঘুমনি/ই কেনে প্ৰাণদান? ই কেনে ঘৃণ্য সাম্যবাদ।' এজনক হত্যা কৰি আন এজনক প্ৰাণ দান দিয়াৰ অৰ্থ যুক্তিৰে বুজিব নোৱাৰি।


**বৈদেহী বিয়োগত** ৰামচন্দ্ৰক মানৱীয় সুখ-দুখ, আশা-আকাংক্ষা আদিৰ আধাৰত দেখুওৱা হৈছে। সেই ফালৰ পৰা দ্বিতীয় অংকৰ প্ৰথম দৃশ্যত দুৰ্মুখক কোৱা কথাৰ মাজতে ট্ৰেজিক নাটকৰ চৰিত্ৰত থকা খুঁত লক্ষ্য কৰা যায়। ৰামক মানুহ ৰূপত চালে 'তাতো ৰাম নহয় কাতৰ' বুলি কৰা উক্তিয়ে অহংকাৰ ইংগিত কৰে। সীতাক দিয়া বনবাসে ৰামক কাতৰ কৰিছে। সীতা পাতালৰ অতল তলীলৈ গুচি যোৱাৰ পাছত কাতৰ ৰামচন্দ্ৰই আঁঠু কাঢ়ি বসুমতীক প্ৰাৰ্থনা কৰিছে, 'শ্ৰীৰামকো স্থান দিয়া/পাতাল পুৰীত/ আৰু যেন জীৱনত/নঘটক বৈদেহী বিয়োগ।'

সীতাক বাল্মীকিৰ আশ্ৰমলৈ পঠোৱাৰ সিদ্ধান্ত লোৱাৰ পাছত শ্ৰীৰামচন্দ্ৰ আত্মগ্লানিত দগ্ধ হৈছে। তেওঁ কৈছে, 'পোৱা হ'লে আগতে ইংগিত তোৰ/নকৰো নকৰো দগ্ধ/মহেন্দ্ৰৰ অম্ৰাৱতী জিনা/ৰাৱণৰ স্বৰ্ণলংকাপুৰী/ নকৰো বালীক হত্যা/তাৰাক বিধৱা/ নিদিও হনুক গন্ধমাৰ্দনৰ ভাৰ।' জীৱন যুক্তিবৰ্জিত নহয়, কিন্তু জীৱনৰ পৰা কিছু পৰিমাণে হ'লেও অযৌক্তিকতাক বাদ দিব নোৱাৰি। সেইবাবে ৰামে স্বগতোক্তিৰ মাজেদি অদৃষ্টৰ অনিয়ন্ত্ৰণীয়তাৰ কথা স্বীকাৰ কৰিছে। অদৃষ্টৰ অনিয়ন্ত্ৰণীয়তা ট্ৰেজেডি নাটকৰ এটা উপাদান।

বৈদেহী বিয়োগত শ্লেষৰ প্ৰয়োগ চমৎকাৰ। ৰামৰ বাবে সকলো সম্ভৱপৰ। অসম্ভৱ সকলো ঘটনা তেওঁৰজীৱনত সম্ভৱ হৈছে। মাতৃসম বিমাতাৰ কোপ দৃষ্টিত পৰি তেওঁ বনবাস খাটিছে। সোণৰ মৃগ চিকাৰ কৰিবলৈ গৈ তেওঁ সীতাক হেৰুৱাইছে। তেওঁৰ ভাগ্যত পানীত শিৰ ওপঙিছে আৰু কলংকহীন বুলি জানিও প্ৰজাৰ তুষ্টিৰ বাবে সীতাক তেওঁ বিসৰ্জন দিছে। লক্ষ্মণে সীতাক ৰাজলক্ষ্মী বুলি কোৱাত সীতাই এইদৰে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি পৰিস্থিতিৰ শ্লেষক ইংগিত কৰিছে, 'ৰাজলক্ষ্মী! ৰাজলক্ষ্মী মই ?/ দেৱৰ/কালভুজংগিনী যদি/আছে জগতত/মই সেই কালভুজংগিনী।'

নাটকখনৰ আগকথাত নাট্যকাৰ মিত্ৰদেৱ মহন্তই লিখিছে, 'লৱ-কুশৰ যুদ্ধ মূল ৰামায়ণৰ ঘটনা নহয়' কিন্তু নাটকাৰে যুদ্ধৰ সেই দৃশ্যটো চমৎকাৰ দক্ষতাৰে নিৰ্মাণ কৰিছে। বালক দুজনৰ কথা-বতৰা, আচৰণ, যুদ্ধ আদিক আকৰ্ষণীয় ৰূপত উপস্থাপন কৰা হৈছে। যুদ্ধৰ মাজতে বালক যোদ্ধাই বালক সুলভ বুদ্ধিদীপ্ততাৰে হাস্য ৰসৰ সৃষ্টিও কৰিছে। লৱ-কুশই যুদ্ধত যি মহাপৰাক্ৰমেৰে যুঁজি ৰামৰ লগতে ৰামৰ লগৰ সকলো মহাবীৰকে পৰাস্ত কৰিছে তাত সীতা আনন্দিত হোৱা নাই। বালক হ'লেও তেওঁলোক বীৰ আৰু ৰজোগুণক নিয়ন্ত্ৰণ কৰিব নোৱৰাৰ কাৰণে মাকে তেওঁলোকক ভৰ্ৎসনা কৰিছে, 'দায় নাই, মায়া নাই/ পিতাপুত্ৰ, জ্ঞাতি বন্ধু নাই/হাতত পৰিলে ধনুৰ্বাণ/বিবেককো দিয়া বিসৰ্জন।'

সীতাই জীৱন আহুতি দিবলৈ জুই ধৰি প্ৰদক্ষিণ কৰি থকাৰ সময়তে



নিষ্পাপ বালক দুজনে মাকক সুধিছে, 'আই, আই, কি কৰিবলৈ জুই ধৰিছা?' পৰাজিত আৰু মূৰ্ছা গৈ থকা বীৰসকলক মৰিল বুলি ভাবি সীতাই লোৱা সিদ্ধান্তৰ পাছতো তেওঁ এগৰাকী মমতাময়ী মাতৃ। 'পিতৃঘাতীহঁত, জানকীৰ দুৰ্ভাগ্যৰ বীজ' বুলি কোৱাৰ পাছতো শেষবাৰৰ বাবে সন্তান দুটাক স্নেহৰ চুম্বন দিছে।

আধুনিক মানুহৰ দৃষ্টিত সীতাৰ প্ৰথম বাৰৰ পৰীক্ষাই আছিল তেওঁৰ বাবে অপমানজনক। বাল্মীকি ৰামায়ণৰ লংকাকাণ্ডৰ ১১৫ সৰ্গত এইদৰে আছে, 'লোক অপবাদে ভৈলা ভয় মোৰ/ নুহিকে আনন্দ মন/তোমাৰ চৰিত্ৰে সন্দেহ মিলিছে/ কিমতে ধৰো জীৱন/এহি দশদিশ দেখি আছা তুমি/ যৈকে ইচ্ছা তৈকে যোৱা/তোমাক নলাগে দিলো অনুমতি/ তৈত স্বামী বাছি লোৱা/বহুকাল ধৰি যদি নাৰী থাকে/আন গৃহে কৰি বাস/পুনু ভাৰ্যা কৰি তাক নলৱয়/ স্বামী এৰে তান্ত আশা/ভাৰ্যা কৰিবাক ৰাৱণে হৰিয়া/ ৰাখিলা লংকা। নমৰে যত অভিলাষ পুৰিলা ৰাৱণে/ থাকিলো পায়া সাদৰে।' (বাল্মীকি ৰামায়ণ, মূল সংস্কৃতৰ পৰা অনুবাদ শ্ৰীনাৰায়ণ চন্দ্ৰ গোস্বামী)। ইয়াত বাল্মীকিয়ে ৰামৰ আবেগিক আৰু আনুভূতিক সম্পৰ্কতকৈ লোক অপবাদৰ ভয়ৰ ওপৰত অধিক গুৰুত্ব দিছে আৰু সীতাক ত্যাগেই কৰিছে। সীতাক ইচ্ছামতে আন স্বামী বাছি লোৱাৰ অধিকাৰো প্ৰদান কৰা হৈছে। পৰৱৰ্তী সৰ্গত সীতাই উত্তৰ দিছে আৰু সতীত্বৰ প্ৰমাণ দিবলৈ জুইৰ মাজত প্ৰৱেশ কৰিছে। মিত্ৰদেৱ মহন্তৰ নাটকখন যিহেতু সীতাক কাহিনীৰ কেন্দ্ৰত ৰাখি লিখা হৈছে, সীতাৰ আশা-আকাংক্ষা আৰু অপমান অপ্ৰাপ্তিক বিশেষ গুৰুত্ব দি নাৰী দৃষ্টিকোণৰ পৰা কাহিনী নিৰ্মাণ কৰা হৈছে।

মিত্ৰদেৱ মহন্তই বৈদেহী বিয়োগত ৰাম-সীতাৰ সম্পৰ্কটো অতি সূক্ষ্ম আৰু জটিল উপস্থাপন কৰিছে। দ্বিতীয়বাৰ অগ্নি পৰীক্ষাৰ কাৰণে সাজু হ'বলৈ কওঁতে লোক অপবাদক কাৰণ হিচাপে দেখুৱাব খুজিলেও সীতাই কিন্তু ৰামৰ সন্দেহৰ ওপৰতহে গুৰুত্ব দিছে।' ইমানতো নুগুছিল সন্দেহ তোমাৰ/ ইমানতো নাঁতৰিল ক্ষুদ্ৰ দুৰ্বলতা?' ৰামে বুজি নোপোৱা কথাটো কৌশল্যাই আঙুলিয়াই দেখুৱাইছে। অবিশ্বাসী অযোধ্যাৰ প্ৰজাৰ আগত অগ্নি পৰীক্ষাৰে পাপ-পুণ্যৰ প্ৰমাণ কৰাটোৱেই অৰ্থহীন কাম। কৌশল্যাই কৈছে— কি কৰা শ্ৰীৰাম?/ৰমনীৰ চৰিত্ৰৰ সঞ্চিত ধনক/জুখিব খুজিছা আজি/অবিশ্বাসী পাপ পুণ্য চকুৰ আগত।'

কবিক ভৱিষ্যৎ দ্ৰষ্টা বুলি কোৱা হয়। নাট্যকাৰ মিত্ৰদেৱ মহন্ত এগৰাকী কবি আৰু ভৱিষ্যৎ দ্ৰষ্টা। ১৯৩০ত মহাকাব্যক আধাৰ কৰি লিখা বৈদেহী বিয়োগত বৈদেহীৰ নাৰীবাদী চিন্তা একবিংশ শতিকাৰ নাৰীবাদী চিন্তাৰ সমপৰ্যায়ৰ/মাতৃ কৌশল্যাৰ কথায়ো যেতিয়া ৰামক সীতাৰ দ্বিতীয় অগ্নি পৰীক্ষাৰ সিদ্ধান্তৰ পৰা বিচলিত কৰিব নোৱাৰিলে, তেতিয়া সীতাই কৈছে, 'পুৰুষৰ ব্যৱস্থাত/নৰজে নাৰীৰ অভিমান।' নাট্যকাৰৰ অধ্যয়ন আৰু দূৰদৃষ্টিৰ কাৰণেহে সীতাৰ মুখত এনে সংলাপ সম্ভৱপৰ হৈছে।

নাটকখনত নাট্যকাৰৰ এক চমৎকাৰ সিদ্ধি হৈছে দেৱত্ব আৰু মানৱতাক সাৱধানে সন্তুলিত কৰি ৰাখি কাহিনীক ট্ৰেজিক পৰিণতিৰ ফালে লৈ যাব পৰাটো। শ্ৰীৰাম যে বিষ্ণুৰ অষ্টম অৱতাৰ সেই কথা নাট্যকাৰে মনত ৰাখিছে আৰু দৰ্শক পাঠকৰো কথাটো মনত থাকে। সেইবাবে দেৱত্ব অথবা অলৌকিকত্ব জড়িত ঘটনাক ৰামে নিজৰ ইচ্ছাৰ পৰা সাৱধানে আঁতৰাই ৰাখিছে। তেওঁ যেন এজন সাধাৰণ অসহায় মানুহ। তেওঁৰ জীৱনত ঘটনাবোৰ ঘটিছে আৰু তেওঁ সিবিলাকক নিয়ন্ত্ৰণ কৰিব পৰা নাই। ঘটনাৰ প্ৰবাহ তেওঁৰ নিয়ন্ত্ৰণৰ বাহিৰত/ সীতাৰ আকস্মিক পাতাল প্ৰৱেশত ৰাম চন্দ্ৰই গুৰু বশিষ্ঠক কৈছে,' এয়ে নেকি ৰাজ্য সুখ?/এয়ে নেকি ৰামৰাজ্য?/ ভাৰতৰ চিৰ কীৰ্তনীয়?'

লৱ-কুশৰ যুদ্ধৰ দৃশ্যত বালক দুজনৰ বীৰত্ব আৰু শিশুসুলভ কথা-বতৰাৰ মাজত ভাৰসাম্য ৰক্ষা কৰি পৰিৱেশ পৰিস্থিতিক গাম্ভীৰ্যপূৰ্ণ কৰি ৰখা হৈছে। নাট্যকাৰে নিজৰ হাস্যপ্ৰীতিক কুশ-লৱৰ সংলাপৰ বুদ্ধিদীপ্ততাৰে প্ৰকাশ কৰিছে। তপোবনত সোমোৱা অশ্বমেধ যজ্ঞৰ ঘোঁৰা দেখি কুশই কৈছে, 'ৰজা হ'লেই ইমান অহংকাৰী হ'ব লাগেনে? ঘোঁৰাৰ কপালত চিঠি আঁৰি কোনোবাই যজ্ঞলৈ মাতেনে? 'উত্তৰত লৱই কৈছে, 'বাৰুকৈ নেগুৰত আঁৰি নিদিলে। শত্ৰুঘ্নই যেতিয়া 'সামান্য বালকৰ ইমান সাহ' বুলি কৈছিল, তেতিয়া কুশই উত্তৰ দিছিল, 'বালক ওপজোতেই সাহিয়াল। ভয়াতুৰ যদি হয়, বৰৰ শিকনিতহে।' কুশ-লৱ আৰু ৰামৰ যুদ্ধৰ দৃশ্যটোক বালক দুজনৰ বুদ্ধিদীপ্ত কথাই বিৰল হাস্যৰে স্মৰণীয় কৰিছে। কুশৰ শঁৰ লাগি হনুমন্ত বাগৰি পৰাৰ পাছত লৱই কৈছে, 'দেখিলি মলুৱা, ল'ৰাৰ মহতালি দেখিলি? শুই থাক এতিয়া। কল পকিলে জগাই দিম।'

সেই সময়তে ৰামচন্দ্ৰ আহি উপস্থিত হৈ বালক দুটিক দেখি কৈছে, বুলিছো তপস্বী কিন্তু শৰীৰত বয় তেজ অনা-তপস্বীৰ।' তাৰ উত্তৰত কুশই কৈছে, 'বুকু ধপ্‌ধপাইছে নেকি মহাৰাজ?' কুশই কথাৰ মাজতে ইতিমধ্যে ৰামচন্দ্ৰই কোৱা কথাৰ ব্যংগাত্মক সমালোচনা কৰিছে, 'অ' হয়েই পাই। মই পাহৰিছিলো। মহাৰাজ, আমাক লুকাই শৰ মাৰি বধিবলৈ তপস্যা কৰোতে জাঁপ মাৰি বধিব?' ৰামক বালীবধ আৰু শম্বুক হত্যাৰ কথা সোঁৱৰাই দিয়া হৈছে। শিশু হ'লেও আততায়ী ক্ষমাৰ যোগ্য নহয় বুলি ৰামে দেৱকুল, যক্ষৰক্ষ,গন্ধৰ্ব কিন্নৰক সাক্ষী কৰি কুশ-লৱক যুদ্ধলৈ আহ্বান কৰিছে। ইফালে লৱ-কুশৰ সাক্ষী কোনো নাই কাৰণে অচেতন হৈ পৰি থকা হনুমানকে সাক্ষী কৰি কুশই কৈছে, 'মলুৱা আমাৰ সাক্ষী আৰু তুমিয়েইহে। ধেমেলীয়া কাহিনী আৰু কথা বতৰাৰে সাধাৰণতে দৰ্শকক হঁহুৱাই থকা মিত্ৰদেৱ মহন্তই যে ইচ্ছা কৰিলে উচ্চস্তৰীয় ট্ৰেজেডি নাটকৰ মাজতো বুদ্ধিদীপ্ত হাস্যৰসাত্মক দৃশ্য অৱতাৰণা কৰি ট্ৰেজিক অনুভূতিৰ তীব্ৰতা বঢ়াব পাৰে তাৰ উদাহৰণ বৈদেহী বিয়োগ।

ট্ৰেজেডি নাটকৰ এক বিশিষ্টতা দৰ্শকৰ মনত উদ্ৰেক কৰা পুতৌ আৰু ত্ৰাস। সীতাৰ অপমান, অৱহেলা, বনবাস আৰু তেওঁৰ আকাংক্ষাৰ অপূৰণে দৰ্শকৰ মনত পুতৌ আৰু ত্ৰাসৰ উদ্ৰেক কৰে। অযোধ্যাৰ অবিশ্বাসী প্ৰজাবৰ্গই উৎসাহ উদ্দীপনাৰে সীতাৰ অগ্নি পৰীক্ষা দাবী কৰি সেই পৰীক্ষা চাবলৈ উত্ৰাৱল হৈ আছিল। কিন্তু তেওঁলোকৰ চকুৰ আগতে ঘটা পাতাল প্ৰৱেশৰ ঘটনাই তেওঁলোকৰ অন্তৰতো পুতৌ আৰু ত্ৰাস উদ্ৰেক কৰে। নাটকখনত পুতৌ আৰু ত্ৰাস দৰ্শকৰ মনত উদ্ৰেক হোৱাৰ লগতে আন নাটকীয় চৰিত্ৰৰ মনতো উদ্ৰেক হৈছে।

ট্ৰেজেডি নাটক হিচাপে বৈদেহী বিয়োগৰ অভিজ্ঞান আৰু বৈপৰীত্যৰ দৃশ্যটোও চমৎকাৰ। স্বৰ্ণ সীতাৰ কাপোৰ গুচাই দিয়াৰ লগে লগে লৱই 'আমাৰ আই' বুলি চিঞৰি উঠিছে আৰু উপস্থিত সকলোৰে বালক দুজন কোন চিনি পাইছে। এই অভিজ্ঞানৰ পাছতে ঘটনাপ্ৰবাহ বিপৰীতমুখী হৈ কাৰুণ্যক তীব্ৰ কৰি সীতাই পাতালত প্ৰৱেশ কৰিছে। বৈদেহী বিয়োগ এখন উচ্চ মানৰ ট্ৰেজেডি নাটক।

*ফোন ঃ ৯৮৬৪২৩২০৮৬*

## চেতনাৰ নিৰন্ধ্ৰ অন্ধকাৰত

**ড° বসন্ত কুমাৰ ভট্টাচাৰ্য**



চেতনাৰ নিৰন্ধ্ৰ অন্ধকাৰত
খেপিয়াই চালো তোমাক
ৰঙাসাজ এযোৰ পিন্ধি
এক প্ৰকাৰ উত্তেজনাত
চাটি-ফুটি তুমি
আৰু মই হৈছিলো উন্মাদ
ভৰি-হাত আচাৰি
বলিয়াৰ দৰে হৈ
তোমাৰ সাজযোৰ
খুলি পেলাইছিলো

আৰু তুমি
নিৰ্বিকাৰ হৈ
মোলৈ আগবঢ়াই দিছিলা
শিলৰ দৰে কঠিন
শৰীৰ তোমাৰ

যাৰ স্পৰ্শই
জুই একুৰাত
পৰিণত কৰিছিল
চেতনাৰ অন্ধকাৰ মোৰ ।

## বসন্তৰ পুৱা

**পৰাগ কুমাৰ ভট্টাচাৰ্য**

পলাশৰ জুই সানি
বনে বনে জাগিছে বসন্ত
ভাঙি ছিঙি চূৰ্ণ হৈ পৰিছে
নিৰ্জনতাৰ স্বৰ

চৌদিশে দেখিছো মাথোন
তোমাৰ ঋজু শৰীৰ
বতাহে বতাহে ভাহি ফুৰিছে
কেৱল তোমাৰ নিশাহ

মই ভালপাওঁ
তোমাৰ কমলা ৰঙৰ হাঁহি

চাকিত বিজুলীৰ দৰে
তোমাৰ ভ্ৰূ যুগলৰ ভংগিমা

তুমি ওলাই আহা
সেউজ বননিৰ পৰা
আৰু মোৰ পৰা গানবোৰে
তোমাক সাবটি ধৰে

তোমাৰ ভালপোৱা
মগ্ন অথচ স্বাভাৱিক
সশ্ৰদ্ধ আৰু শোকাৱহ
নক্ষত্ৰৰ দৰে পুষ্পিত
আৰু চুমাৰ দৰে অগণন

## স্কেণ্ডিনেভিয়ান সাহিত্যত বাস্তৱবাদৰ ৰেঙণি




**সাহিত্যই** মানুহৰ জীৱন সংগ্ৰামৰ সাধু কয়, যুগ যুগ ধৰি সঞ্চিত হোৱা মানৱ জ্ঞানৰ সঁফুৰাৰ মুখখন মেলি ধৰে। জীৱন আৰু সমাজক উজ্জীৱিত কৰা, অনুপ্ৰাণিত কৰিব পৰা কথা-কাহিনীৰ ভাণ্ডাৰ হৈছে সাহিত্য। বিশ্বৰ অন্যান্য প্ৰান্তৰ সাহিত্যৰ দৰে স্কেণ্ডিনেভিয়ান সাহিত্যইও নিজস্ব গতি-প্ৰকৃতি লৈ বিকশিত হৈছিল। স্কেণ্ডিনেভিয়ান সাহিত্য উত্তৰ জাৰ্মানীয় ভাষাগোটৰ অন্তৰ্গত ভাষাসমূহত ৰচিত হৈছিল। আধুনিক ছুইডিছ, নৰৱে'জিয়ান, আইচলেণ্ডিক, ডেনিছ, ফাৰোইছ আদি উত্তৰ জাৰ্মানীয় ভাষাগোটৰ অন্তৰ্গত ভাষাত অনেক সাহিত্যৰ সৃষ্টি হৈছে। মন কৰিবলগীয়া কথা যে ফিনলেণ্ডৰ ভাষা ফিনিছ উত্তৰ জাৰ্মানীয় পৰিয়ালৰ ভাষাৰ অন্তৰ্গত নহয় যদিও ছয় শতিকাৰো অধিক কাল সেইখন দেশ ছুইডেনৰ অধীনত থকাৰ বাবে ভাষাগত দিশৰপৰা পৃথক হ'লেও সাহিত্যৰ দিশৰ পৰা ছুইডিছ সাহিত্য আৰু ফিনিছ সাহিত্যৰ লগত সাদৃশ্য পৰিলক্ষিত হয়। স্কেণ্ডিনেভিয়ান সাহিত্যৰ অন্তৰ্গত দেশসমূহৰ মাজত সাংস্কৃতিক আদান-প্ৰদানৰ পৰম্পৰা আছিল। তৎসত্ত্বেও একো একোটা মতধাৰা বিশিষ্ট ৰাজনৈতিক প্ৰতিষ্ঠান হিচাপেই হওক বা পৃথক ঐতিহাসিক আৰু ভৌগোলিক অৱস্থাযুক্ত অঞ্চল হিচাপেই হওক প্ৰতিটো সাংস্কৃতিক চিন্তাৰ ক্ষেত্ৰত বৈচিত্ৰ্য পৰিলক্ষিত হয়। সেয়েহে সেই অঞ্চলটোৰ বিভিন্ন সাহিত্য যেনে - নৰৱে', ছুইডেন, ডেনমাৰ্ক, ফিনলেণ্ড, আইচলেণ্ড, ইত্যাদিৰ অধ্যয়নে সেই ভৌগোলিক প্ৰান্তৰ লগতে তাত বসবাস কৰা জন সমুদায়ৰ মনৰ কথা, অভিজ্ঞতা, জ্ঞান উপলব্ধি আৰু সৃষ্টিশীলতাৰ উমান পাব পাৰি।

নৰৱে'ৰ সাহিত্যৰ কথা ক'বলৈ গ'লে আমি নৱম আৰু দশম শতিকাত ৰচিত হোৱা পাগান এডাইক কবিতা আৰু স্কাল্ডিক কাব্যসৃষ্টিৰ কথা ক'ব লাগিব। সেই সময়ছোৱাৰ উল্লেখযোগ্য কবিসকলৰ ভিতৰত প্ৰধান কবি আছিল ব্ৰাগি ব'ডাচন, এ'ভিণ্ড স্কাল্ডাচ্‌পিলিৰ আদি। ১০০০ত খ্ৰীষ্টিয়ান ধৰ্মৰ সংস্পৰ্শই নৰৱে'ক মধ্যযুগীয় ইউৰোপীয়ান জ্ঞান-বিজ্ঞানৰ লগত পৰিচিত

## সাহিত্যৰ ৰূপৰেখা

**ড° নিভাৰাণী ফুকন**



কৰালে। মধ্যযুগীয় ইউৰোপীয় ৰচনা যেনে - হেগিঅ'গ্ৰাফী, বুৰঞ্জী ৰচনা ইত্যাদিয়ে নৰৱে'ৰ মৌখিক সাহিত্য পৰম্পৰাক প্ৰভাৱিত নকৰাকৈ থকা নাছিল। ইয়াৰ ওপৰিঞ্চি হিচাপে আছিল আইচলেণ্ডীয় সাহিত্যৰ প্ৰভাৱ।

দ্বাদশ শতিকাৰ শেষ ভাগ আৰু ত্ৰয়োদশ শতিকাৰ আগভাগত ৰচিত হোৱা সাহিত্যই সেই সময়ছোৱাৰ নৰৱে'ৰ সমৃদ্ধিশালী সাহিত্যৰ কথা কয়। Historian Norwegie সেই সময়ৰ উল্লেখযোগ্য কৃতি। চতুৰ্দশ শতিকাৰ পৰা ঊনবিংশ শতিকালৈ ব্যাপী থকা সময়ছোৱাক নৰৱে'ৰ সাহিত্য বুৰঞ্জীৰ 'অন্ধকাৰ যুগ' আখ্যা দিয়া হৈছে। প্ৰণিধানযোগ্য যে আধুনিক সময়ৰ প্ৰসিদ্ধ নৰৱে'জিয়ান লেখক, নাট্যকাৰ হেনৰিক ইবচেনে এই সময়ছোৱাক 'চাৰিশ বছৰৰ অন্ধকাৰ যুগ' (Four Hundred Years of Darkness) আখ্যা দি গৈছে। তেওঁৰ সেই উক্তিৰ অন্তৰ্নিহিত তাৎপৰ্য নোহোৱা নহয়। কাৰণ ১৩৮৭ৰপৰা ১৮১৪ লৈ নৰৱে'ৰ ৰাজনৈতিক আৰু সামাজিক জীৱনক গভীৰভাৱে প্ৰভাৱিত কৰা Scandinavian Union-ৰ সৃষ্টি আৰু তাৰ পৰৱৰ্তী স্তৰত ডেনমাৰ্কৰ লগত নৰৱে'ৰ 'ৰাজনৈতিক চামিলকৰণ'-এ প্ৰকৃতাৰ্থত নৰৱে'ৰ সাহিত্য লুপ্ত প্ৰায় কৰিছিল। নৰৱে'ক অধিকাৰ কৰা ডেনিছ শাসকসকলে ১৫৩৭ত 'পুনৰ সংস্কাৰ' (Reformation) জাপি দিছিল। ফলত ডেনিছ সংস্কৃতিৰ আগ্ৰাসনে নৰৱে'ৰ সাহিত্য-সংস্কৃতিৰ স্থিতিৰ ক্ষেত্ৰত প্ৰশ্নবোধক চিহ্ন আঁকি দিছিল। ঊনবিংশ শতিকাত জাতীয়তাবাদৰ উত্থানে নৰৱে'ক পুনৰ তাৰ ঐতিহ্য আৰু সাহিত্য-সংস্কৃতিক উজ্জীৱিত কৰি তোলাৰ ক্ষেত্ৰত বিশেষ অনুপ্ৰেৰণা যোগাইছিল।

ছুইডেনৰ সাহিত্যৰ কথা ক'বলৈ গ'লে আমাৰ দৃষ্টিত ভালেকেইটা উল্লেখনীয় দিশ পোহৰলৈ আহে। চুইডিচ সাহিত্যৰ বিজ্ঞসকলে প্ৰাচীন ছুইডিছ সাহিত্যৰ প্ৰথম লিখিত নিদৰ্শনৰ কথা ক'বলৈ গ'লে ভাইকিং যুগৰ সময়ত অৰ্থাৎ ৮০০ত (800 C.E.) খোদিত বুলি ধাৰণা কৰা ৰক ৰানষ্টোন (Rok Runestone)-ৰ কথা ক'ব খোজে। মধ্যযুগত ১১০০ত ছুইডেনৰ খ্ৰীষ্টিয়ান ধৰ্মৰ ব্যাপক প্ৰসাৰণৰ পাছত তাৰ মঠসমূহৰ সন্ন্যাসীসকলে লেটিন ভাষাৰ ব্যৱহাৰৰ প্ৰতি আগ্ৰহী হৈছিল। সেয়েহে সেই সময়ছোৱাত ৰচিত প্ৰাচীন ছুইডিছ ভাষাৰ নিদৰ্শন তাকৰীয়া। যোড়শ শতিকাৰ পৰাহে ছুইডিছ ভাষাটোৰ মান্যকৰণ পৰৱৰ্তী সময়ছোৱাৰ পৰা ছুইডিছ ভাষাটোৰ সাহিত্য পত্ৰে-পুষ্পে সুশোভিত হৈছিল। তাৰ মূলতে আছিল ছুইডিছ ভাষালৈ হোৱা বাইবেলৰ অনুবাদ। চনটো আছিল ১৫৪১। সেই সময়ছোৱাৰ ছুইডেনৰ শাসক গুষ্টাভ ভাচাৰ পৃষ্ঠপোষকতাত বাইবেলখনৰ অনুবাদ কাৰ্য সম্পন্ন হৈছিল বাবে সেই অনূদিত বাইবেলখন Gustav Vasa Bible নামে জনাজাত হৈ পৰিছিল।


সপ্তদশ শতিকাৰ পৰা ভালেকেইগৰাকী লেখকে ধৰ্মনিৰপেক্ষ সাহিত্য সৃষ্টিত হাত দিছিল। তেওঁলোকৰ ভিতৰত প্ৰমুখ হৈছে ছুইডেনত ধ্ৰুপদী ধাৰাৰ কবিতা ৰচনাৰ বাটকটীয়া জৰ্জ ষ্টানহেইম, সৰস আৰু পোনপটীয়া ছুইডিছ গদ্যৰ লেখক অষ্টাদশ শতিকাৰ জহান হেনৰিক কে'লগ্ৰীণ, অষ্টাদশ শতিকাৰ শেষভাগৰ মালিতা লেখক কাৰ্ল মিচেল বে'লমেন, ঊনবিংশ শতিকাৰ শেষভাগৰ সামাজিক বাস্তৱবাদৰ লেখক তথা নাট্যকাৰ অগাষ্ট ষ্ট্ৰিণ্ডবাৰ্গ আদি।

বিংশ শতিকাৰ কথা বিচাৰ কৰিলে ভালেকেইগৰাকী প্ৰথিতযশা চুইডিচ লেখক-লেখিকাৰ নাম আমাৰ মনলৈ আহে। বিংশ শতিকাৰ প্ৰাৰম্ভিক দশকতে ছুইডিছ লেখিকা চে'লমা লেগাৰল'ফ ন'বেল বঁটাৰে সন্মানিত হৈছিল। চনটো আছিল ১৯০৯। বিংশ শতিকাৰ প্ৰাৰম্ভৰ অন্য এগৰাকী কথাশিল্পী জালমাৰ চদাৰবাৰ্গৰ ৰচনাত সংযম আৰু বাস্তৱবাদত অধিক প্ৰাধান্য দিয়া দেখা যায়। সেই সময়ছোৱাৰ কেইগৰাকীমান লেখক ঔপন্যাসিক হৈছে ক্ৰমে - লুডভিগ নৰ্ডষ্ট্ৰম, গুষ্টাভা হে'লষ্ট্ৰম আৰু এ'লিন ৱেগ্‌নাৰ।

neevarani11@ gmail.com

## প্ৰদীপ কুমাৰ বৰ্মনৰ
# মৰমে মৰম বিচাৰে

**'মৰমে** মৰম বিচাৰে' কাব্যগ্ৰন্থৰ আৰম্ভণিতে কবি প্ৰদীপ কুমাৰ বৰ্মনে কি কৈছে কবিৰ মুখেৰে শুনো আহক। 'শিশু সকলেই আমাৰ সমাজ জীৱনৰ ভৱিষ্যৎ। গতিকে শিশুৰ মন মগজুক যোগাত্মক প্ৰতিটো দিশত ক্ৰিয়াশীল কৰি তোলাৰ বিষয়— পথ বাছি উলিয়াব লাগিব। শিশুসুলভ মন এটাক সদায় ৰঙীনান্দৰ মাজেৰে আগুৱাই নিবলৈ হ'লে আমি শিশুসুলভ কবিতা, গীত, ছবি, অংকন, খেল-ধেমালি, সাধুকথা আদিৰে আমোদ দিব লাগিব। শিশুসকলৰ মন মগজু সজীৱ কৰি ৰাখিব লাগিব। এইবোৰেই শিশুৰ দিক্ নিৰ্ণায়ক ভূমিকা লয় বুলি আমি বিবেচনা কৰো। শিশুৰ মনোজগতত অবাধ বিচৰণ কৰিব পৰাটোৱে সৃষ্টিৰ মূল সাৰ্থকতা।' বৰ্মনৰ নিজ উদ্দেশ্যৰ সমৰ্থনত কোৱা দীঘলীয়া বক্তব্যৰ পৰা বুজা যায় যে 'মৰমে মৰম বিচাৰে' কাব্য গ্ৰন্থৰ মূল উপজীব্য হৈছে শিশু। শিশুৰ মন মনস্তাত্ত্বিক বিশ্লেষণ বা অধ্যয়ন কৰা দুৰূহ কাম। শিশুৰ মনটোক বুজিবলৈ নিজৰো এটা শিশুসুলভ মনৰ দৰকাৰ। শিশুই কথা ক'ব নোৱাৰে, শিশুৰ ভাষা নাই, শিশুই প্ৰতিবাদ কৰিব নোৱাৰে। কিন্তু শিশুৰ মনৰ কথা আমি বুজিব লাগিব, শিশুৰ অধিকাৰ সম্পৰ্কে আমি সজাগ হ'ব লাগিব। আজিৰ শিশু কাইলৈৰ ভৱিষ্যৎ। সেয়েহে ইতিমধ্যে কে'বাখনো কবিতা পুথি ৰচনা কৰি প্ৰশংসা বুটলিবলৈ সক্ষম হোৱা প্ৰদীপ কুমাৰ বৰ্মনে শিশুক উদ্দেশ্যি ৰচনা কৰিছে ৩১টা কবিতা— তাৰেই সমষ্টি 'মৰমে মৰম বিচাৰে'। পুথিখনৰ নামৰ তলত বন্ধনীৰ মাজত দিয়া হৈছে 'শৈশৱৰ গাথাঁ'





### থানেশ্বৰ মালাকাৰ

১। 'পূজাৰ বন্ধত মাৰ স'তে মামাৰ ঘৰলৈ যাম
ইচ্ছা অনুসৰি টেকেলি পিঠা-গুৰাসান্দহ খাম।'
(পূজাৰ বন্ধৰ ছবি)

২। 'মোৰ এগৰাকী আইতা আছে
নাম সাজোপ্ৰিয়া বৰা
ৰং-ধেমালিৰে দিনটো কটায়
মুখখন হাঁহিৰে ভৰা।' (আইতা)

কবিয়ে শৈশৱৰ ছবি আঁকিছে কে'বাটাও কবিতাৰ মাজেৰে। কবিক যেন আন কবিয়ে কৈছে— 'সোণৰ শৈশৱ কাল ঘূৰি আৰু নাহে পখিলাই কাণে কাণে কয়।'

শৈশৱৰ ৰোমন্থনে আমাৰ জীৱন জীপাল কৰে। কিন্তু আজিৰ শিশুৰ শৈশৱ নাই বুলিয়েই ক'ব পাৰি। প্ৰকৃতিৰ পৰা বিচ্ছিন্ন আজিৰ শিশু। শৈশৱৰ বৰ্ণনাৰ লগে লগে কবি প্ৰদীপ কুমাৰ বৰ্মনে প্ৰকৃতিৰ ছবিও আঁকিছে। পখিলা, ফাগুন শালিকী, ফুল, ৰঙা গোলাপ, সাতোৰঙী ৰামধেনু একো একোটা কবিতাৰ নামেই নহয়—বিষয় বস্তুৰ সজীৱ বৰ্ণনা শিশুৰ হৃদয় আন্দোলিত কৰিব পৰা একো একোটা ধ্বনি।

'প্ৰকৃতিৰ অপূৰ্ব সৃষ্টিৰ
অতুলনীয় কাম,
চৌদিশ পৰিচিত পখিলা
তোমাৰ নাম।
ফুলে ফুলে উৰি আছে
নানাৰঙী পখিলা
চকুৰ পলকতে ফুলৰ মৌ
পান কৰিলা।' (পখিলা)

শিশুসকলক জাতিৰ মহানায়ক ড° ভূপেন হাজৰিকাকো চিনাকি কৰি দিছে কবিয়ে—

'অসমীয়াৰ এখন নিৰ্ভুল অভিধান
হাজৰিকা ভূপেন মামা তুমি।' (কবিতাৰ জাতিৰ মহানায়ক)

শিশুসকলক নিজৰ কৰ্তব্যও সোঁৱৰাই দিবলৈ পাহৰা নাই কবিয়ে। হয়, শিশুক নিজৰ দায়িত্ব আৰু কৰ্তব্য সম্পৰ্কে সচেতন কৰিব লাগিব আমিয়েই, অভিভাৱকসকলে, সমাজে। কবিয়ে সেয়েহে কৈছে—

'হাবিতলীয়া বাটটো
ওখোৰা-মোখোৰা
কিছু গ'লেই ভাগৰ লাগে
তথাপি যাত্ৰাৰ অন্ত নাই।

সব কথা জনাৰ বাবে
হাড় ভঙা শ্ৰম কৰি
যাত্ৰা কেৱল যাত্ৰা
দিন-প্ৰতিদিন।' (কবিতা—যাত্ৰা)

এক কথাত কবি বৰ্মনৰ 'মৰমে মৰম বিচাৰে' এক উপাদেয় কাব্য পুথি, শিশুৰ বাবে উপযোগী গ্ৰন্থ। শিশুৰ মনঃত্ত্বত্ব জানিবলৈ অভিভাৱক আৰু বয়সস্থসকলৰ বাবেও গ্ৰন্থখন দৰকাৰী।

বৰ্মনৰ কলম থমকি নৰওক— আমাৰ কামনা। *ফোন ৯৪৩৫০৫৪৩৮৪*

## ড° সুৰেন্দ্ৰ মোহন মহন্তৰ গল্পাণু সংকলন
# হাতীপটি

### ড° দুৰ্বি গোস্বামী

**অষ্টাদশ** শতিকাতে ইউৰোপত বিকাশ লাভ কৰা গল্প-সাহিত্যই ঊনবিংশ শতিকাত 'জোনাকী'ৰ জৰিয়তে অসমীয়া সাহিত্যত প্ৰৱেশ কৰে। ঊনবিংশ শতিকাৰ পৰা আজি একবিংশ শতিকা পাৰ হ'বলৈ ধৰা সময়ছোৱাত গল্প সাহিত্য বিভিন্ন পৰীক্ষা-নিৰীক্ষাৰ মাজেদি সুন্দৰভাৱে অসমীয়া সাহিত্যৰ বাটেদি অগ্ৰসৰ হৈছে। বিভিন্ন সমালোচকে বান্ধি দিয়া চৰ্তসমূহ ভংগ কৰি নতুন গল্পকাৰে ন ন চিন্তাৰে গল্প সৃষ্টি কৰি চমক প্ৰদান কৰিছে। বৰ্তমান গল্প এনে পৰ্যায় পাইছেগৈ যে এটা বা দুটা শাৰীৰ এটা বাক্যকো মানুহে গল্প বুলি আদৰি লৈছে।

বৰ্তমান 'ডিজিটেল' যুগত মানুহৰ মুখে মুখে 'অণুগল্প' বোলা নব্যধাৰণাটোৱে অতি সমাদৰ লাভ কৰিছে। এই অনুগল্পৰ স্ৰষ্টা কোন? ড° সুৰেন্দ্ৰ মোহন মহন্তৰ 'হাতীপটি' নামৰ গল্পানু সংগ্ৰহখন পঢ়ি বাৰে বাৰে এই কথা মনলৈ আহিছে—১৯৭০ত অৰ্থাৎ প্ৰায় ৫০ বছৰ আগতে 'মিনি' নামৰ আলোচনীত তেওঁৰ 'প্ৰতিধ্বনি' নামৰ যিটো 'গল্পানু' প্ৰকাশ পাইছিল সেইটোৱে বাৰু প্ৰথম অণুগল্প নেকি?

এগৰাকী পাঠক হিচাপে বৰ্তমান সময়ত সাহিত্য জগতত তোলপাৰ লগোৱা অণুগল্প বোলা অবিধাটোৱে এই প্ৰতিধ্বনি নামৰ গল্পটো যদি চোৱা হয় তেতিয়া হ'লে অসমীয়া সাহিত্যত এই গল্পটোৱে অণুগল্প হিচাপে বয়স আটাইতকৈ বেছি যেন লাগে। অৱশ্যে গল্পকাৰ ড° সুৰেন্দ্ৰ মোহন মহন্তই কোনো স্থানতে এই গল্প সমূহক অণুগল্প আখ্যা দিয়া নাই, বৰঞ্চ এনেধৰণৰ গল্পক গল্পানু বুলিহে আখ্যা দিছে।


'গল্পানু' সম্পৰ্কে ড° মহন্তই নিজে উল্লেখ কৰিছে এনেদৰে— 'গল্পানু ঠিক চুটিগল্প নহয় বুলি ক'ব পাৰি। কিয়নো ইয়াত খুব কমেও একোটা ঘটনা, সমস্যা অথবা কাহিনীৰ একোটা নিৰ্দিষ্ট বিন্দুৰ ওপৰত জোৰ দিয়া হয়। ই অতি চমু হ'ব পাৰে নাইবা দীঘলো হ'ব পাৰে।'

মুঠ ৩৫টা গল্পানুৰে 'হাতীপটিত' স্থান পাইছে। সুন্দৰ বেটুপাত আৰু ব্যতিক্ৰমী চিন্তাৰে ড° মহন্তই গল্পানু সংকলনখন সজাই তুলিছে। কবিতাৰ ক্ষেত্ৰত যিদৰে তেওঁ ব্যতিক্ৰমী চিন্তা প্ৰকাশ কৰিছে গল্পৰ ক্ষেত্ৰতো সেই কথা অনুমান কৰিব পাৰি। সচৰাচৰ দেখা পোৱা 'আগকথা'ৰ সলনি তেওঁ গল্পানু সংকলনখনত সামৰণিত 'গুৰিকথা'ৰ মাজেৰে মনৰ ভাৱ ব্যক্ত কৰিছে।

'হাতীপটি' গল্পানু সংকলনখনত সন্নিবিষ্ট গল্পসমূহ কেনেধৰণৰ বা পাঠক সমাজক এই গল্পসমূহে কেনে ধৰণৰ সোৱাদ দিব সেই বিষয়ে জানিবলৈ দুই বা তিনিটা গল্পৰ অন্তৰ্নিহিত ভাব দাঙি ধৰিবলৈ প্ৰয়াস কৰা হ'ল।

'প্ৰতিচ্ছবি' নামৰ গল্পটোত এগৰাকী বহুগামিনী নাৰীৰ চৰিত্ৰ গল্পকাৰে সুন্দৰ ৰূপত ফুটাই তুলিছে। গল্পটোত বৰ্ণিত লৱণু স্নিগ্ধা মজিন্দাৰ বৰুৱাই বিভিন্নজনৰ ওচৰত নিজক উদঙাই দি অৱশেষত বিয়াৰ সময়ত পিতৃ-মাতৃৰ পছন্দ অনুসৰি বিয়াৰ বজাৰত দাম থকা অভিযন্তা দৰালৈ বিয়া হোৱাৰ কথা অতি কম কথাৰে বিস্তৃত বিৱৰণ দাঙি ধৰিছে। আজিৰ সমাজত লৱণু স্নিগ্ধাৰ লেখীয়া চৰিত্ৰৰ অভাৱ নাই— ড° মহন্তই ব্যঞ্জনাধৰ্মী সাংকেতিক শব্দ প্ৰয়োগেৰে গল্পকেইটা সুখপাঠ্য কৰি তুলিলে।

'হাতীপটি'ত সন্নিবিষ্ট প্ৰতিটো গল্পানুতে এক নতুনত্ব আছে যাৰ সোৱাদ সকলো পাঠকে গ্ৰহণ কৰিব পাৰে। কবিতাৰ দৰে সুনিৰ্বাচিত শব্দচয়ন আৰু মাৰ্জিত ৰুচিবোধেৰে প্ৰতিটো গল্প সজায় তুলিছে। গল্পকাৰৰ দৃষ্টিভংগী সমসাময়িক অন্যান্য গল্পকাৰতকৈ পৃথক যেন অনুমান হয়। সকলোৱে নভবা বা সকলোৱে ভিন্ন ধৰণে চিন্তা কৰা কিছুমান কথা তেওঁ তেওঁৰ গল্পত স্থান দিছে। তেনেধৰণৰ এটা ভাল লগা গল্প হ'ল 'ছটা কণা আৰু ....' নামৰ গল্পটো। গল্পটোৰ নামকৰণো আকৰ্ষণীয়। গল্পটোত এগৰাকী গাভৰুক ছজন বিভিন্ন কৰ্মত সংস্থাপিত ব্যক্তিয়ে ছটা ভিন্ন দৃষ্টিৰে কিদৰে পৰ্যবেক্ষণ





কৰিব পাৰে তাৰ বৰ্ণনা দাঙি ধৰিছে। উকীল, সাহিত্যৰ অধ্যাপক পুলিচ ইন্সপেক্টৰ, বিজনেছমেন অথবা ডাক্তৰ এজনে এজনী সাধাৰণ যোড়শী গাভৰুক আনৰ দৃষ্টিত সাধাৰণ যেন লাগিলেও তেওঁলোকৰ নিজ নিজ দৃষ্টিভংগীৰে একোটা ধাৰণা দিবৰ যত্ন কৰিছে। ঠিক সেইদৰে 'বৃন্দগান' নামৰ গল্পটোত সাত আঠগৰাকী পুৰুষ আৰু মহিলাৰ চৰিত্ৰৰ একো একোটি দিশ উন্মোচিত কৰিছে। এই চৰিত্ৰসমূহ আমাৰ সমাজৰ মাজৰ পৰাই লোৱা হৈছে। প্ৰতিটো চৰিত্ৰৰ সূক্ষ্ম বিশ্লেষণে গল্পটো সুন্দৰ ৰূপত সজায় তুলিছে।

'হাতীপটি' গল্পানু সংকলনটো পাঠক সমাজে পঢ়ি নিশ্চয় ভাল পাব কে'বাটাও কাৰণত— প্ৰথমতে বৰ্ণাশুদ্ধি যথেষ্ট পৰিমাণে কম, দ্বিতীয়তে গল্পবোৰ সৰু অথচ অৰ্থবহ, তৃতীয়তে নতুন চিন্তাৰ খোৰাক যোগাব পৰাকৈ কাহিনীৰ অৱতাৰণা। লগতে আৰু এটা আকৰ্ষণীয় কথা হ'ল—গল্পসমূহত পাত্ৰ-পাত্ৰীৰ নামকৰণ শিৱমংগল দোলাকাষৰীয়া, ত্ৰিদশ ঈশ্বৰ হাতী বৰুৱা, নীল-সাগৰ, অৰুণউজ্জ্বল সুৰজ্যোতিকা নাইবা উৰ্মি তৰংগিনীকে আদি কৰি অনেক সুন্দৰ সুন্দৰ নামেৰেও পাঠকৰ মনত আনন্দ দিব।

আশাকৰো পাঠক সমাজে 'হাতীপটি' গল্পানু সংকলনখন পঢ়ি যথেষ্ট আনন্দ অনুভৱ কৰিব পাৰিব।

*ফোন ঃ ৬০০২৪৩৬৩০২*

দৈনিক অগ্ৰদূত




## শ্ৰীলংকাৰ প্ৰধানমন্ত্ৰীৰ বিৰুদ্ধে অনাস্থা আনিব বিৰোধীয়ে



**নিউজ ব্যুৰ’, কলম্বো, ১ মে’ ঃ** শ্ৰীলংকাত অব্যাহত থকা বিত্তীয় সংকট আৰু শাসকীয় চৰকাৰৰ বিৰুদ্ধে ৰাইজৰ ব্যাপক ক্ষোভৰ মাজতে দেশৰ পৰৱৰ্তী সংসদৰ অধিবেশনত প্ৰধানমন্ত্ৰী মহিন্দা ৰাজাপক্ষেৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ দাখিলৰ সিদ্ধান্ত ল’লে বিৰোধীয়ে। এছ জে বিৰ নেতা সজীত প্ৰেমদাসে এই কথা ঘোষণা কৰি কয় যে দেশৰ সংসদৰ পৰৱৰ্তী অধিবেশনত প্ৰধানমন্ত্ৰী ৰাজাপক্ষেৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ দাখিল কৰা হ’ব। অহা সপ্তাহতে সদনত বিৰোধীয়ে অনাস্থা দাখিল কৰাৰ সম্ভাৱনা আছে। বিৰোধীয়ে অনাস্থা দাখিল কৰিলে সদনত ৰাজাপক্ষেয়ে সংখ্যাগৰিষ্ঠতা প্ৰমাণ কৰিব লাগিব।

## হিন্দু কোন? নতুন তত্ত্ব আগবঢ়াই বিতৰ্ক সৃষ্টি কেন্দ্ৰীয় মন্ত্ৰীৰ




**নিউজ ব্যুৰ’, নতুন দিল্লী, ১ মে’ ঃ** হিন্দু কোন? এই সন্দৰ্ভত সময়ে সময়ে নানা মতামত প্ৰকাশ পাই আহিছে। এইবাৰ হিন্দুৰ সংজ্ঞা নিৰ্ধাৰণ কৰিলে কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী কুমাৰ চৌবেয়ে। মন্ত্ৰীগৰাকীৰ মতে, হিন্দু হ’ল মূলতঃ হ’ল ভৌগলিক পৰিচিতি। ইয়াৰ ব্যাখ্যা আগবঢ়ায় চৌবেয়ে কয়, ‘হিমালয় আৰু ভাৰত মহাসাগৰৰ মধ্যৱৰ্তী ভূমিত যিসকলে বসবাস কৰে তেওঁলোকে হৈছে হিন্দু।’ হায়দৰাবাদত ভাৰত নীতি সংস্থাই আয়োজন কৰা ডিজিটেল হিন্দু কনক্লেভত অংশ লৈ কেন্দ্ৰীয় মন্ত্ৰীজনে এই মন্তব্য প্ৰকাশ কৰিলে। চৌবেয়ে লগতে কয়, ‘বহু বিদেশী পণ্ডিতে এটা বিষয়ত সহমত প্ৰকাশ কৰে যে ভাৰত হৈছে জ্ঞানৰ ভাণ্ডাৰ। আমি ইয়াক লৈ গৰ্ব কৰা উচিত। মই কওঁ যে হিন্দুত্ব হৈছে এটি জীৱন চৰ্চাৰ নাম। ইয়াক কোনো সীমাৰে ঘেৰি ৰখা উচিত নহয়। হিন্দু এক ভৌগলিক পৰিচিতি। হিমালয় আৰু ভাৰত মহাসাগৰৰ মধ্যৱৰ্তী অঞ্চলত যিসকলে বসবাস কৰে সকলোৱে হিন্দু।

## দিল্লীত এপ্ৰিলত তিনিগুণ বৃদ্ধি পালে ক’ভিড ৰোগী



**নিউজ ব্যুৰ’, নতুন দিল্লী, ১ মে’ ঃ** দেশৰ ৰাজধানী দিল্লীত কৰ’নাৰ সংক্ৰমণ প্ৰতিদিনে বৃদ্ধি পাবলৈ ধৰিছে। যোৱা এপ্ৰিলত ৰাজধানী চহৰখনত ক’ভিড আক্ৰান্তৰ সংখ্যা তিনিগুণ অধিক বৃদ্ধি পালে। বিগত মাৰ্চত দিল্লীত ৫০৭৮ জন লোক কৰ’নাত আক্ৰান্ত হৈছিল। যোৱা এপ্ৰিলত ৰাজধানী চহৰখনত ১৬ হেজাৰৰ অধিক লোক ক’ভিড আক্ৰান্ত হ’ল। এক এপ্ৰিলৰ পৰা ২৯ এপ্ৰিললৈকে ৰাজধানীত সক্ৰিয় ক’ভিড ৰোগীৰ সংখ্যাও ১১ দিন বৃদ্ধি পালে। অৱশ্যে মাৰ্চৰ তুলনাত এপ্ৰিলত দিল্লীত ক’ভিডত মৃত্যু হ্ৰাস পালে। যোৱা মাৰ্চত দিল্লীত ৩০ জন ক’ভিড ৰোগী মৃত্যু হোৱাৰ বিপৰীতে যোৱা ২৯ এপ্ৰিললৈকে ৰাজধানীত ২২ জন লোকে ক’ভিডত প্ৰাণ হেৰুৱালে।

## ২৪ ঘণ্টাত দেশত পুনৰ ক’ভিড সংক্ৰমিত ৩,৩২৪ জন লোক, মৃত্যু ৪০ জনৰ



**নিউজ ব্যুৰ’, নতুন দিল্লী, ১ মে’ ঃ** শনিবাৰৰ তুলনাত দেওবাৰে দেশৰ দৈনিক ক’ভিড সংক্ৰমণ সামান্য হ্ৰাস পালেও ক’ভিডকেন্দ্ৰিক উদ্বেগ অব্যাহত আছে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত দেশৰ বিভিন্ন ৰাজ্যত নতুনকৈ কৰ’নাত আক্ৰান্ত হ’ল ৩,৩২৪ জন লোক। শনিবাৰৰ তুলনাত দেওবাৰে দৈনিক সংক্ৰমণ ন শতাংশ হ্ৰাস পালে। সম্প্ৰতি ভাৰতত ১৯,০৯২ জন সক্ৰিয় ক’ভিড ৰোগী আছে। যোৱা ২৪ ঘণ্টাত এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণে ৪০ জন লোকৰ প্ৰাণ কাঢ়িলে। শনিবাৰৰ তুলনাত দেওবাৰে ক’ভিডত মৃতকৰ সংখ্যাও সামান্য হ্ৰাস পালে।

## তেজপ্ৰতাপে আৰম্ভ কৰিলে জনশক্তি যাত্ৰা




**নিউজ ব্যুৰ’, পাটনা, ১ মে’ ঃ** আৰ জে ডিৰ পৰা ইস্তফা দিয়াৰ কথা ঘোষণা কৰা তেজপ্ৰতাপ যাদৱে আজি কৃষক আৰু শ্ৰমিকৰ স’তে জনসংযোগ স্থাপনৰ বাবে পূৰ্বঘোষিত জনশক্তি যাত্ৰা আৰম্ভ কৰিলে। আৰ জে ডিৰ মুৰব্বী তথা বিহাৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী লালুপ্ৰসাদ যাদৱৰ জ্যেষ্ঠ পুত্ৰ তেজপ্ৰতাপে জনশক্তি পৰিষদৰ অধীনত জনশক্তি যাত্ৰা আৰম্ভ কৰিছে। জনশক্তি যাত্ৰাৰ অধীনত আজি লালুপুত্ৰই পাটনাৰ বিহতাস্থিত মখডুমপুৰৰ দলিতবস্তিত উপস্থিত হয় আৰু উক্ত অঞ্চলৰ দৰিদ্ৰ লোকৰ মাজত বস্ত্ৰ বিতৰণ কৰাৰ লগতে তেওঁলোকৰ খা-খবৰ লয়। তেজপ্ৰতাপৰ জনশক্তি যাত্ৰালৈ আৰ জে ডিয়ে বৰ্তমানলৈকে কোনো সঁহাৰি আগবঢ়োৱা নাই। উল্লেখ্য যে কিছুদিন পূৰ্বে তেজপ্ৰতাপে আৰ জে ডি ত্যাগ কৰিব বুলি ঘোষণা কৰিছিল।

**‘দ্য ছান’ৰ এক প্ৰতিবেদনত দাবী ঃ দেশ পৰিচালনাৰ সম্পূৰ্ণ দায়িত্ব পেট্ৰ’শ্বেভে লাভ কৰাৰ সম্ভাৱনা**

# কৰ্কটত আক্ৰান্ত হৈছে পুটিন! অচিৰে কৰাব অস্ত্ৰোপচাৰ

**নিউজ ব্যুৰ’ মস্কো, ১ মে’ ঃ** ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিন কোনো জটিল ৰোগত আক্ৰান্ত হৈছে নেকি? শাৰীৰিক অসুস্থতাৰ কাৰণে পুটিনে ক্ষমতাৰ পৰা আঁতৰি অহাৰ সিদ্ধান্ত লৈছে নেকি? ইউক্ৰেইনৰ বিৰুদ্ধে ৰাছিয়াই দুমাহৰো অধিক দিন ধৰি যুদ্ধ অব্যাহত ৰখাৰ মাজতে ৰুছ ৰাষ্ট্ৰপতিৰ স্বাস্থ্যক লৈ এনে প্ৰশ্ন উত্থাপিত হ’ল। ‘দ্য ছান’ৰ এক প্ৰতিবেদনত দাবী কৰা অনুসৰি ৬৯ বছৰীয়া পুটিন পেটৰ কৰ্কট আৰু পাৰ্কিনছন ৰোগত আক্ৰান্ত হৈছে। সংবাদপত্ৰখনে ক্ৰেমলিনৰ ভিতৰুৱা সূত্ৰৰ আধাৰত এই কথা দাবী কৰি লগতে প্ৰতিবেদনত কৈছে যে অচিৰে পুটিনৰ পেটৰ কৰ্কট ৰোগৰ অস্ত্ৰোপচাৰ সম্পন্ন হ’ব। শাৰীৰিক অসুস্থতাৰ কাৰণত ৰুছ ৰাষ্ট্ৰপতিয়ে দেশৰ পৰিচালনাৰ দায়িত্ব ইয়াৰ অন্যতম সহযোগী তথা চোৰাংচোৱা বিভাগৰ মুৰব্বী নিক’লাই পেট্ৰ’শ্বেভক অৰ্পণ কৰাৰ সম্ভাৱনা আছে। ৭০ বছৰীয়া পেট্ৰ’শ্বেভক



ইউক্ৰেইন বিৰোধী যুদ্ধনীতিৰ মূল পৰিকল্পক হিচাপে জনা যায়। সংবাদপত্ৰখনৰ বাতৰিত লগতে দাবী কৰা অনুসৰি স্বাস্থ্যজনিত কাৰণত পুটিনে ৰাছিয়াৰ ক্ষমতাৰ পৰা অব্যাহতি ল’লে দেশ পৰিচালনাৰ সম্পূৰ্ণ দায়িত্ব পেট্ৰ’শ্বেভে লাভ কৰাৰ সম্ভাৱনা আছে। অৱশ্যে আন এক সূত্ৰই দাবী কৰা অনুসৰি পুটিন শাৰীৰিকভাৱে অসুস্থ যদিও তেওঁৰ অসুস্থতা অতি গুৰুতৰ নহয়। উল্লেখ্য যে পূৰ্বেও ৰাছিয়াৰ ৰাষ্ট্ৰপতিৰ শাৰীৰিক অসুস্থতাৰ সন্দৰ্ভত এনে বাতৰি প্ৰচাৰিত হৈছিল যদিও পাছত পুটিনক সম্পূৰ্ণ সুস্থ প্ৰত্যক্ষ কৰা হৈছিল।

## এপ্ৰিলত দেশত জি এছ টি সংগ্ৰহৰ অভিলেখ ঃ ১.৬৮ লাখ কোটি ৰাজহ সংগ্ৰহ



**নিউজ ব্যুৰ’, নতুন দিল্লী, ১ মে’ ঃ** সামগ্ৰী আৰু সেৱাকৰ (জি এছ টি) সংগ্ৰহৰ ক্ষেত্ৰত আকৌ এবাৰ কেন্দ্ৰৰ চৰকাৰে পূৰ্বৰ সকলো অভিলেখ ভংগ কৰিলে। কেন্দ্ৰীয় বিত্ত মন্ত্ৰণালয়ে আজি প্ৰকাশ কৰা তথ্য অনুসৰি বিগত এপ্ৰিলত দেশৰ জি এছ টিৰ ৰাজহৰ পৰিমাণ ১৬৮ লাখ কোটি টকালৈ বৃদ্ধি পালে। এয়ে প্ৰথমবাৰৰ বাবে অভিলেখ সংখ্যক পৰিমাণৰ জি এছ টি দেশত সংগ্ৰহ কৰা হ’ল। উল্লেখ্য যে যোৱা মাৰ্চত সংগ্ৰহ কৰা জি এছ টিৰ পৰিমাণ আছিল ১.৪২ লাখ কোটি টকা। মাৰ্চৰ তুলনাত যোৱা এপ্ৰিলত দেশে ২৫ হেজাৰ কোটি টকাৰ অধিক জি এছ টি লাভ কৰিলে। যোৱা বছৰৰ তুলনাত চলিত বৰ্ষৰ বিগত এপ্ৰিলত সংগ্ৰহ কৰা জি এছ টিৰ পৰিমাণ ২০ শতাংশৰ অধিক আছিল। দেশত জি এছ টি ব্যৱস্থা প্ৰৱৰ্তন কৰাৰ পাছত প্ৰথমবাৰৰ বাবে এমাহত সংগ্ৰহ কৰা ৰাজহৰ পৰিমাণ ১.৫০ লাখ কোটি টকাৰ অধিক হ’ল।

## চাৰি মাহত কাশ্মীৰত সেনাৰ অভিযানত নিহত ৬২ সন্ত্ৰাসবাদী



**নিউজ ব্যুৰ’, শ্ৰীনগৰ, ১ মে’ ঃ** কাশ্মীৰ উপত্যকাত সন্ত্ৰাসবাদীৰ কাৰ্যকলাপ বৃদ্ধিয়ে নতুন অভিলেখ ৰচনা কৰিলে। যোৱা বছৰৰ তুলনাত চলিত বৰ্ষৰ প্ৰথম চাৰিমাহত কাশ্মীৰত সন্ত্ৰাসবাদীৰ আক্ৰমণৰ ঘটনা বৃদ্ধি পালে। জম্মু-কাশ্মীৰ আৰক্ষীয়ে প্ৰকাশ কৰা তথ্য অনুসৰি চলিত বৰ্ষৰ প্ৰথম চাৰি মাহত কাশ্মীৰত ৬২ জন সন্ত্ৰাসবাদী সেনাৰ অভিযানত নিহত হ’ল। এইসকল সন্ত্ৰাসবাদীৰ মাজত ১৫ জন হৈছে ভিন্ন দেশৰ সন্ত্ৰাসবাদী। ২০২১ বৰ্ষৰ প্ৰথম চাৰিটা মাহত কাশ্মীৰত ৩৭ জন সন্ত্ৰাসবাদী সেনাৰ অভিযানত নিহত হৈছিল। যোৱা চাৰিটা মাহত লস্কৰ-ই-তৈবাৰ ৩২ জন, জৈচ-ই-মহম্মদৰ ১৫ জন, এইচ এম আৰৰ ছজন আৰু আল বদৰৰ দুজন সন্ত্ৰাসবাদীক সেনাই ধৰাশায়ী কৰিলে।

## দেশৰ আদালতত বিচাৰাধীন হৈ আছে চাৰি কোটি গোচৰ ঃ ৰামানা



**নিউজ ব্যুৰ’, নতুন দিল্লী, ১ মে’ ঃ** দেশৰ বিচাৰ ব্যৱস্থাৰ এক শোচনীয় অৱস্থাৰ কথা সদৰী কৰিলে উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ এন ভি ৰামানাই। সৰ্বোচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশজনে প্ৰকাশ কৰা অনুসৰি বৰ্তমান ভাৰতৰ বিভিন্ন আদালতত কমেও চাৰি কোটি গোচৰ নিষ্পত্তিবিহীন অৱস্থাত আছে। এইসমূহৰ গোচৰৰ বিচাৰত বিলম্ব হোৱাৰ মূল কাৰণ হৈছে বিচাৰকৰ অভাৱ। ৰামানাই আজি কয়, ‘দেশৰ নিম্ন আদালতত বিচাৰকৰ সংখ্যা পৰ্যাপ্ত নহয়। প্ৰতি ১০ লাখ জনসংখ্যাৰ বিপৰীতে বিচাৰক বা বিচাৰপতিৰ সংখ্যা হৈছে মাত্ৰ ২০ জন। যি হাৰত দেশত গোচৰৰ সংখ্যা বৃদ্ধি পাইছে, তাৰ তুলনাত বিচাৰকৰ সংখ্যা মুঠেও পৰ্যাপ্ত নহয়। নিম্ন আদালতৰ ২৪ হেজাৰ বিচাৰকৰ পদৰ সৰহ সংখ্যকে খালী হৈ আছে।’



## ঈদৰ পূৰ্বে কাবুলত দুটা বিস্ফোৰণত নিহত এজন


**নিউজ ব্যুৰ’ কাবুল, ১ মে’ ঃ** আফগানিস্তানৰ ৰাজধানী কাবুলত যোৱা ৪৮ ঘণ্টাত দুটাকৈ বোমা বিস্ফোৰণ সংঘটিত হ’ল। কালি বিয়লি বেলা কাবুলত সংঘটিত হোৱা এটা বিস্ফোৰণৰ ঘটনাত এগৰাকী মহিলাই প্ৰাণ হেৰুৱালে। এই ঘটনাত আন তিনিজন লোক গুৰুতৰভাৱে আহত হয়। ঈদৰ পূৰ্বে ৰাজধানী চহৰখনত সংঘটিত হোৱা দুটাকৈ বোমা বিস্ফোৰণৰ ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। যোৱা শুকুৰবাৰেও নামাজৰ পাছতে মছজিদত এক বিস্ফোৰণ সংঘটিত হৈছিল আৰু এই ঘটনাত ১০ জন লোক নিহত হৈছিল। এই দুয়োটা আক্ৰমণৰ দায়িত্ব ইছলামিক ষ্টেট-খুৰাচান (আইছিছ-কে)-এ স্বীকাৰ কৰিছে।



## মদিনাত পাক প্ৰধানমন্ত্ৰীক ‘চোৰ’ শ্ল’গান দিয়াৰ অভিযোগত ইমৰানসহ ১৫০ জনৰ বিৰুদ্ধে গোচৰ


**নিউজ ব্যুৰ’, ইছলামাবাদ, ১ মে’ ঃ** পাকিস্তানৰ পঞ্জাৱ প্ৰদেশৰ আৰক্ষীয়ে ছৌদি আৰবৰ মছজিদ-এ-নবাবীত পাক প্ৰধানমন্ত্ৰী শ্বাহবাজ শ্বৰীফ আৰু তেওঁৰ প্ৰতিনিধি দলৰ বিৰুদ্ধে ‘চোৰ’ শ্ল’গান দিয়াৰ অভিযোগত দেশখনৰ প্ৰধানমন্ত্ৰী ইমৰান খান আৰু আন ১৫০ জন লোকৰ বিৰুদ্ধে এক গোচৰ ৰুজু কৰিলে। পঞ্জাৱ প্ৰদেশৰ আৰক্ষীয়ে প্ৰকাশ কৰা অনুসৰি অভিযুক্তসকলৰ মাজত ইমৰানৰ পূৰ্বৰ মন্ত্ৰীসভাৰ কে’বাজনো সদস্যও আছে। উল্লেখ্য যে সামাজিক মাধ্যমত অলপতে এটি ভিডিঅ’ ভাইৰেল হৈছিল আৰু এই ভিডিঅ’ত পাকিস্তানৰ প্ৰধানমন্ত্ৰী শ্বৰীফ আৰু তেওঁৰ প্ৰতিনিধিৰ দলে মদিনাত যোৱা বৃহস্পতিবাৰে উক্ত মছজিদত উপস্থিত হোৱাৰ সময়ত একাংশ লোকে ‘চোৰ’ আৰু ‘বিশ্বাসঘাটক’ বুলি ধ্বনি দিছিল। এইসকল লোকক ইমৰানৰ সমৰ্থক হিচাপে চিনাক্ত কৰা হৈছে। মদিনা আৰক্ষীয়ে দাবী কৰা অনুসৰি এই কথাৰ সন্দৰ্ভত পাঁচজন পাকিস্তানী নাগৰিকক গ্ৰেপ্তাৰ কৰা হৈছে।

## বিজয়ৰ পূৰ্ব শুভেচ্ছা ঃ যুদ্ধবিধ্বস্ত ইউক্ৰেইনক গ্ৰেণেড ভৰ্তি জাহাজ উপহাৰ স্পেইনৰ



**নিউজ ব্যুৰ’, কীভ, ১ মে’ ঃ** ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত অব্যাহত থকা যুদ্ধৰ দুমাহৰো অধিক সময় অতিবাহিত হ’ল। এতিয়াও ৰুছ বৃহৎ সেনাবাহিনীৰ বিৰুদ্ধে প্ৰতিৰোধ অব্যাহত ৰাখিছে ইউক্ৰেইনৰ সেনা বাহিনীয়ে। এই যুঁজত শেষ হাঁহি কোনে মাৰিব সেয়া এতিয়াও স্পষ্ট হোৱা নাই। এনে পৰিস্থিতিতে এইবাৰ যুদ্ধবিধ্বস্ত ইউক্ৰেইনক এখন গ্ৰেণেডভৰ্তি জাহাজ উপহাৰ দিলে স্পেইনৰ ৰাণীয়ে। লগতে ৰাণীয়ে এখন পত্ৰও ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ জেলেনস্কিলৈ প্ৰেৰণ কৰিলে। চিঠিত স্পেইনৰ ৰাণীয়ে জেলেনস্কিক যুদ্ধত জয়ৰ বাবে আগতীয়া শুভেচ্ছা জ্ঞাপন কৰিলে। সামাজিক মাধ্যমত প্ৰচাৰ হোৱা উক্ত পত্ৰখনত স্পেইনৰ ৰাণী লেটিচিয়াই এইদৰে লিখিছে, ‘আপোনালোকৰ জয়ৰ শুভেচ্ছা। মৰমসহ লেটিচিয়া।’ স্পেইনে দেশখনৰ প্ৰসিদ্ধ ‘ছচ’সহ এখন জাহাজ ইউক্ৰেইনক উপহাৰ দিলে আৰু এই জাহাজত পৰ্যাপ্তসংখ্যক গ্ৰেণেড আছে। ইউক্ৰেইনৰ সেনা বাহিনীয়ে যাতে ৰুছ সেনাৰ বিৰুদ্ধে আক্ৰমণ তীব্ৰ কৰি তুলিব পাৰে তাৰ বাবে স্পেইনৰ ৰাণীয়ে এইদৰে গ্ৰেণেডভৰ্তি জাহাজ উপহাৰ দিলে।

## ভাৰতক হেঁচাত ৰাখি ৰাছিয়াৰ পৰা অধিক তেল ক্ৰয় আমেৰিকাৰ



**নিউজ ব্যুৰ’, ৱাশ্বিংটন, ১ মে’ ঃ** ইউক্ৰেইনত ৰাছিয়াই সামৰিক অভিযান আৰম্ভ কৰাৰ পাছৰে পৰা আমেৰিকাই ৰাছিয়াৰ বিৰুদ্ধে একাধিক নিষেধাজ্ঞা আৰোপ কৰি আহিছে। ভাৰতকো ৰাছিয়াৰ পৰা খাৰুৱা তেল ক্ৰয়ৰ ক্ষেত্ৰত অসহযোগিতা কৰিবলৈ আমেৰিকাই অহৰহ হেঁচা দি আহিছে। কিন্তু ইউক্ৰেইন-ৰাছিয়াৰ যুদ্ধৰ প্ৰায় আঢ়ৈ মাহৰ পাছত এই কথা স্পষ্ট হ’ল যে এই সময়ছোৱাৰ ভিতৰত ভাৰততকৈ আমেৰিকাই ৰাছিয়াৰ অধিক পৰিমাণৰ খাৰুৱা তেল আমদানি কৰিছিল। ইউৰোপৰ কে’বাখনো দেশে ভাৰততকৈ অধিক তেল ৰাছিয়াৰ পৰা এই সময়ছোৱাত ক্ৰয় কৰে। চেণ্টাৰ ফৰ ৰিছাৰ্চ অন এনাৰ্জি এণ্ড ক্লিন এয়াৰ (ক্ৰেয়া)ৰ দ্বাৰা প্ৰকাশিত এক প্ৰতিবেদনত এই তথ্য পোহৰলৈ আহিছে। ভাৰতে অৱশ্যে আৰম্ভণিৰে পৰা ইউক্ৰেইন যুদ্ধৰ বিৰোধিতা কৰিলেও ৰাছিয়াৰ পৰা তেল আমদানি অব্যাহত ৰাখিছে। আমেৰিকাৰ প্ৰবল হেঁচাৰ পাছতো এই ক্ষেত্ৰত ভাৰতে স্থিতি পৰিৱৰ্তন কৰা নাই।


## ধনৰ বিনিময়ত মোৰ প্ৰাক্তন পত্নীক ক্ৰয় কৰি অসত্য অভিযোগ আনিছে বিৰোধীয়ে ঃ প্ৰতিক্ৰিয়া ইমৰানৰ

**নিউজ ব্যুৰ’, ইছলামাবাদ, ১ মে’ ঃ** পাকিস্তানৰ ৰাজনীতিত প্ৰায় একাষৰীয়া হোৱা প্ৰাক্তন প্ৰধানমন্ত্ৰী ইমৰান খানৰ বিৰুদ্ধে অভিযোগত শেহতীয়াভাৱে সৰৱ হৈ আহিছে প্ৰাক্তন পত্নী ৰেহাম খান। ইমৰানক সমকামী, নপুংসক বুলিও ৰেহামে অভিহিত কৰিছিল। ইমানদিনে দ্বিতীয় পত্নীৰ এনেবোৰ অভিযোগৰ সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰা নাছিল প্ৰাক্তন প্ৰধানমন্ত্ৰীজনে। কিন্তু ক্ষমতাৰ পৰা আঁতৰি অহাৰ পাছত ৰেহামক প্ৰত্যাক্ৰমণ আৰম্ভ কৰিলে ইমৰানে। ৰেহামৰ লগতে ইমৰানে শেহতীয়াভাৱে তেওঁৰ প্ৰথম পত্নী জেমাইমা গ’ল্ডস্মিথকো সমালোচনা কৰিলে। ইমৰানৰ অভিযোগ অনুসৰি, তেওঁক ক্ষমতাচ্যুত কৰিবলৈ পাকিস্তানৰ বিৰোধী দলসমূহে তেওঁৰ দুই



প্ৰাক্তন পত্নীক ধনৰ বিনিময়ত ক্ৰয় কৰিছে। কালি এখন জনসভাত অংশ লোৱাৰ সময়ত প্ৰাক্তন প্ৰধানমন্ত্ৰীজনে বিৰোধীক আক্ৰমণ কৰি কয়, ‘এইসকল হৈছে সেইসকল ব্যক্তি যিসকলে ২০১৮ৰ নিৰ্বাচনৰ পূৰ্বে ধন দি মোৰ নামত গ্ৰন্থ লিখাইছিল। এতিয়া এওঁলোকে নতুনকৈ মোৰ প্ৰাক্তন পত্নীক ধন দি মোৰ বিৰুদ্ধে অসত্য অভিযোগ উত্থাপন কৰাইছে।’ ইমৰানৰ দাবী অনুসৰি অতীতক যিদৰে বেনজীৰ ভুট্টোৰ বিৰুদ্ধে শ্বৰীফ মাফিয়াই ষড়যন্ত্ৰ ৰচিছিল, বৰ্তমানেও একেদৰে বিৰোধীয়ে তেওঁৰ বিৰুদ্ধে ষড়যন্ত্ৰ ৰচিছে। ইমৰানৰ অভিযোগৰ সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি প্ৰাক্তন পত্নী ৰেহামে আজি কয়, ‘অনুগ্ৰহ কৰি তেওঁক প্ৰশ্ন কৰক যে তেওঁক বিয়া কৰোৱাৰ বাবে মোক কিমান ধন দিয়া হৈছিল। এবছৰ ধৰি তেওঁক সহ্য কৰাৰ বাবে মোক কিমান টকা দিয়া হৈছিল।’

## এবাৰ সুযোগ দিয়ক, কাম নকৰিলে খেদি পঠিয়াব ঃ গুজৰাটবাসীক আহ্বান কেজৰিৱালৰ



**নিউজ ব্যুৰ’, আহমেদাবাদ, ১ মে’ ঃ** আম আদমী পাৰ্টি (আপ)ৰ মুৰব্বী তথা দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে আজি গুজৰাটৰ ভৰুচত আদিবাসী সংকল্প মহাসন্মিলনত অংশ লৈ গুজৰাটবাসীক আপক এক সুযোগ দিবলৈ আহ্বান জনালে। কেজৰিৱালে কয় যে বিজেপি আৰু কংগ্ৰেছ দলে কেৱল ধনী লোকক অধিক ধনী কৰি আহিছে। ‘মই আপোনালোকক প্ৰতিশ্ৰুতি দি কও যে আমাক এটি সুযোগ দিয়ক, আমি দাৰিদ্ৰ দূৰ কৰিম। আমি আপোনালোকৰ স’তে আছো আৰু আমি হৈছো দৰিদ্ৰ আৰু সাধাৰণ লোকৰ দল। মই মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পটেলক দিল্লী চৰকাৰী বিদ্যালয় পৰিদৰ্শন কৰিবলৈ আমন্ত্ৰণ জনালো। ২৭ বছৰ ধৰি বিজেপি চৰকাৰ আছে আৰু যোৱা ২৭ বছৰত এই চৰকাৰে বিদ্যালয়ৰ অৱস্থা শোচনীয় কৰিলে। এই দলক আৰু পাঁচ বছৰ ক্ষমতাত ৰাখিলে ইয়াত একো নাথাকিব। আমাক এক সুযোগ দিয়ক, যদিহে আমি পাঁচ বছৰত ইয়াৰ সকলো বিদ্যালয় উন্নত কৰিব নোৱাৰো তেন্তে আপোনালোকে আমাক ইয়াৰ পৰা খেদি পঠিয়াব।’ কেজৰিৱালে গুজৰাটবাসীক এইদৰে আহ্বান জনালে।

## চৰকাৰে আপোনাৰ বেংক একাউণ্টত ২.৬৭ লাখ টকা জমা দিয়াৰ বাৰ্তা ম’বাইলত লাভ কৰিছে নেকি?

**নিউজ ব্যুৰ’, নতুন দিল্লী, ১ মে’ ঃ** কেন্দ্ৰীয় চৰকাৰে দেশৰ জনসাধাৰণৰ বাবে বিভিন্ন ধৰণৰ আঁচনি গ্ৰহণ কৰি আহিছে। আজিকালি একাংশ ৰাজ্য চৰকাৰেও হিতাধিকাৰী সৃষ্টি কৰি বেংক একাউণ্টত প্ৰতিমাহে বিভিন্ন ভাট্টা আদায় দিয়াৰ ব্যৱস্থা কৰিছে। এনে আঁচনিৰ অধীনত হিতাধিকাৰীৰ একাউণ্টত নিৰ্দিষ্ট ধন জমা দিয়া হয়। শেহতীয়াভাৱে সামাজিক মাধ্যমত ম’বাইল ফোনলৈ অহা এনে এক বাৰ্তা ভাইৰেল হৈছে। এনে বাৰ্তাত উল্লেখ কৰা মতে, উক্ত ব্যক্তিৰ বেংক একাউণ্টত চৰকাৰে ২.৬৭ লাখ টকা আদায় দিব আৰু ইয়াৰ বাবে তলৰ লিংকত ক্লিক কৰিব লাগিব। আপোনাৰ ম’বাইল ফোনতো যদি এইধৰণৰ বাৰ্তা লাভ কৰিছে তেন্তে সাৱধান হওক। প্ৰেছ ইনফৰমেচন ব্যুৰ’ (পি আই বি) এ এই সন্দৰ্ভত সতৰ্ক বাৰ্তা প্ৰেৰণ কৰি কয় যে ম’বাইল ফোনলৈ এনে ধৰণৰ বাৰ্তা আহিলে সাৱধান হওক আৰু কেতিয়াও এনে বাৰ্তাৰ স’তে থকা লিংকত ক্লিক কৰিব নালাগে। অন্যথা আপোনাৰ বেংকৰ একাউণ্টত থকা ধন লুটি নিব পাৰে চাইবাৰ অপৰাধীয়ে। কেন্দ্ৰীয় চৰকাৰে এনেধৰণৰ কোনো ধন প্ৰদানৰ আঁচনি গ্ৰহণ কৰা নাই। দৰাচলতে চাইবাৰ অপৰাধ চক্ৰই এইদৰে জনসাধাৰণক প্ৰলোভিত কৰি বেংকত থকা ধন লুটি নিয়াৰ অপচেষ্টা চলাইছে।



## মই মোদীক পৰাজিত কৰাৰ প্ৰসংগত চিন্তা কৰা নাই ঃ প্ৰশান্ত কিশোৰ

**নিউজ ব্যুৰ’, নতুন দিল্লী, ১ মে’ ঃ** ২০২৪ৰ লোকসভাৰ নিৰ্বাচনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ক্ষমতাৰ পৰা অপসাৰণৰ প্ৰসংগত কোনো চিন্তা-চৰ্চা কৰা নাই বিশিষ্ট নিৰ্বাচন ৰণনীতিজ্ঞ প্ৰশান্ত কিশোৰে। বিবিচিৰ এক সাক্ষাৎকাৰত কিশোৰে স্পষ্টভাৱে কয় যে তেওঁ কোনো এটা বা দুটা নিৰ্বাচনত বিৰোধীৰ জয়ৰ কথা ভাবি কৰ্মৰত হোৱা নাই। ‘কংগ্ৰেছে কিদৰে হৃত গৌৰৱময় দিনবোৰ ওভতাই লাভ কৰিব পাৰে, তাক লক্ষ্য হিচাপে লৈহে মই আঁচনি প্ৰস্তুত কৰিছিলো। এটা বা দুটা নিৰ্বাচনত জয়ৰ কথা নাছিল। আমি আলোচনা কৰিছিলো কংগ্ৰেছত দেশৰ এটি শক্তিশালী ৰাজনৈতিক শক্তি হিচাপে পুনৰ উত্থান কৰাৰ সন্দৰ্ভত। ইয়াৰ বাবেই পৰিকল্পনা যুগুত কৰা হৈছিল। নৰেন্দ্ৰ মোদীক কিদৰে পৰাভূত কৰিব লাগিব সেই সন্দৰ্ভত মই কোনো পৰামৰ্শ আগবঢ়োৱা নাই। বিৰোধীয়ে কিদৰে জয়লাভ কৰিব পাৰিব তাক লৈহে মই প্ৰয়োজনীয় দিহা-



পৰামৰ্শ দি আহিছো। কিদৰে বিজেপিক পৰাজিত কৰিব পাৰি বা কোনো নিৰ্দিষ্ট ৰাজ্যৰ নিৰ্বাচনত জয়লাভ কৰিব লাগিব, এই বিষয়ত মই কংগ্ৰেছক কোনো পৰামৰ্শ দিয়া নাই।’ বিবিচিৰ উক্ত সাক্ষাৎকাৰত কিশোৰে এইদৰে দাবী কৰে। উল্লেখ্য যে কিছুদিন পূৰ্বে কিশোৰে কংগ্ৰেছত যোগদানৰ এক প্ৰস্তাৱ লাভ কৰিছিল যদিও উক্ত প্ৰস্তাৱ নিৰ্বাচন ৰণনীতিজ্ঞজনে স্বীকাৰ নকৰিলে।

# শ্ৰমিক বিৰোধী নীতিৰ বিৰুদ্ধে সৰৱ

*তিনি পৃষ্ঠাৰ পৰা* এমজি এনৰেগা আইনখনো কাৰ্যত অন্তঃসাৰশূন্য কৰি পেলাইছে। সাম্প্ৰদায়িক উন্মাদনাৰ সৃষ্টি কৰি জনগণৰ ঐক্যক বিনষ্ট কৰিব বিছাৰিছে। যিকোনো মূল্যৰ বিনিময়ত জনগণৰ ঐক্যক অটুট ৰখাৰ আহ্বান জনাই গ্ৰামীণ শ্ৰমিক সন্থাৰ কেন্দ্ৰীয় নেত্ৰী তথা প্ৰগতিশীল নাৰী সন্থাৰ নগাঁও জিলা ভাৰপ্ৰাপ্ত সম্পাদিকা আয়েফা বেগমেয়ে কয় যে দেশৰ গণতন্ত্ৰ, ধৰ্মনিৰপেক্ষতা আৰু সংবিধান আজি বিপদাপন্ন। আৰএছএছ আৰু বিজেপিয়ে মনু সংহিতাৰ পৃষ্ঠপোষকতাৰে নাৰী সমাজক সামন্তীয় ব্যৱস্থালৈ ঠেলি দিব বিচাৰিছে। অসমৰ হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰে মাইক্ৰ'ফাইনেন্সৰ ঋণ ৰেহাইৰ নামত অসমৰ নাৰী সমাজক প্ৰৱঞ্চনা আৰু প্ৰতাৰণা কৰি আছে বুলিও তেওঁ কয়। সভাত গ্ৰামীণ শ্ৰমিক সন্থাৰ নগাঁও জিলাৰ সম্পাদক স্বপন হাজৰিকা, গ্ৰামীণ শ্ৰমিক সন্থাৰ জিলা নেত্ৰী ববী দেৱীয়ে বক্তব্য প্ৰদান কৰে । সভাৰ আৰম্ভণিতে চি পি আই (এম এল)ৰ অন্যতম জ্যেষ্ঠ কৰ্মী ৰঞ্জক খণ্ডকাৰ আহমেদে পতাকা উত্তোলন কৰে।

**তিনিচুকীয়াৰ অগ্ৰদূত বাৰ্তা ঃ** আজি আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক দিৱস উপলক্ষে পৰিৱেশ সুৰক্ষা সমিতি, অসমৰ উদ্যোগত তিনিচুকীয়া উন্নয়ন প্ৰাধিকৰণ কাৰ্যালয়ৰ সমীপত ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱা সোঁৱৰণী বৰ্ষজোৰা গছপুলি ৰোপণ, বিতৰণ আৰু সংৰক্ষণ কাযসূচীৰ অন্তৰ্গত গছপুলি ৰোপণ, বিতৰণ আৰু প্ৰতিপালন কাৰ্যসূচী গ্ৰহণ কৰা হয়। কাৰ্যসূচীত উপস্থিত থকা জ্যেষ্ঠ সাংবাদিক, লেখক ৰূপহ চলিহাই বিশ্বৰ শ্ৰমিকসকলক শ্ৰদ্ধা জনায় ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাক বহল প্ৰচাৰৰ দ্বাৰা ৰাষ্ট্ৰীয় পৰ্যায়ত নিয়াৰ বাবে বিশেষ ব্যৱস্থা কৰাৰ কথা উল্লেখ কৰে। কাযসূচীত উপস্থিত থকা গীতিকাৰ-সুৰকাৰ-অভিনেতা মুক্তাওৰ ৰহমানে পাঁচ জুন বিশ্ব পৰিৱেশ দিৱসৰ দিনা পৰিৱেশ সুৰক্ষা সমিতিৰ লক্ষ্য উদ্দেশ্যসমূহ ৰাইজৰ মাজত বহল প্ৰচাৰৰ বাবে এটি গীত ৰচনা কৰি পৰিৱেশ সুৰক্ষা সমিতিক প্ৰদান কৰাৰ কথা উল্লেখ কৰে। পৰিৱেশ সুৰক্ষা সমিতিৰ, অসমৰ কেন্দ্ৰীয় সভাপতি ঋতুৰাজ বৰুৱাই বিশ্বৰ শ্ৰমিকসকলক সন্মাম জনাই আজি এই গছপুলি ৰোপণ, বিতৰণ আৰু প্ৰতিপালন কাযসূচী ৰূপায়ণৰ কথা উল্লেখ কৰে।

**নলবাৰীত শ্ৰমিক দিৱস পালন**

**নলবাৰীৰ অগ্ৰদূত বাৰ্তা ঃ** অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ ভাতৃ সংগঠন জাতীয় শ্ৰমিক পৰিষদ,নলবাৰী জিলা সমিতিৰ উদ্যোগত বালিকৰিয়াৰ নৰেশ্বৰী বাকৰিত দিনজোৰা কাৰ্যসূচীৰে আন্তৰ্জাতিক মে' দিৱস উদ্‌যাপন কৰা হয়। শ্ৰমিক দিৱসৰ লগত সংগতি ৰাখি কণ কণ ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হয়। ইয়াৰ পাছতে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, নলবাৰী জিলা সমিতিৰ সভাপতি পাৰ্থপ্ৰতীম শৰ্মাৰ সভাপতিত্বত এখন শ্ৰমিক সভা অনুষ্ঠিত হয়। সংগঠনটোৰ নলবাৰী জিলা সমিতিৰ সাধাৰণ সম্পাদক কৌশিক বৰ্মনে সভাৰ আঁত ধৰে। ইফালে, নলবাৰী জিলা মজদুৰ ইউনিয়নৰ উদ্যোগত আৰু নলবাৰী জিলা ই-ৰিক্সা চালক ইউনিয়নৰ সহযোগত জিলা মজদুৰ ইউনিয়নৰ কাৰ্যালয়ত মে' দিৱস উদযাপন কৰা হয়। ইপিনে, জিলাখনৰ নলিচাত আজি নলবাৰী জিলা কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে শ্ৰমিক দিৱস উদ্‌যাপন কৰে।

**বাহাৰঘাটৰ অগ্ৰদূত বাৰ্তা ঃ** কামৰূপ জিলাৰ পশ্চিম বড়িগোগ মৌজাৰ বকুলতলত আজি আন্তৰ্জাতিক শ্ৰমিক দিৱস উদ্‌যাপন কৰে। নিখিল ভাৰত কৃষক সভা আৰ সদৌ অসম নিৰ্মাণ শ্ৰমিক ইউনিয়নৰ পশ্চিম বড়িগোগ আঞ্চলিক সমিতিৰ যৌথ উদ্যোগত শ্ৰমিক দিৱস উদ্‌যাপন কৰা হয়। সভাত অৱসৰপ্ৰাপ্ত অভিযন্তা প্ৰমোদ কলিতা, কৃষক শ্ৰমিক নেতা হৰিপদ তালুকদাৰ, সদৌ অসম নিৰ্মাণ শ্ৰমিক ইউনিয়নৰ সভাপতি বদন ভূঞাই বৰ্তমানৰ চৰকাৰে গনতন্ত্ৰ ধ্বংস কৰিবলৈ উঠিপৰি লাগিছে বুলি অভিযোগ কৰে। সভাত নিখিল ভাৰত কৃষক সভাৰ উপ-সভাপতি আবুল হুছেইনে মে দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰে।

**লাহদৈগড়ৰ অগ্ৰদূত বাৰ্তা ঃ** আজি সদৌ অসম নিৰ্মাণ শ্ৰমিক ইউনিয়ন যোৰহাট জিলা কমিটিৰ অন্তৰ্গত পটিয়াগাঁও আঞ্চলিক সমিতিৰ দ্বাৰা তিনি আলিৰ কাযালয়ত মে' দিৱস পালন কৰা হয়। ইয়াৰ উপৰি মাউতগাঁও নিৰ্মাণ শ্ৰমিক শাখাৰ পুৱা পতাকা উত্তোলন কৰে শাখাৰ সভাপতি ভুৱন গগৈয়ে আৰু শ্ৰমিক দিৱসৰ ওপৰত ভাষণ প্ৰদান কৰে পটিয়াগাও আঞ্চলিকৰ সভাপতি ৰবীন দত্তই।

**বৰমাঃ** বিশ্ব শ্ৰমিক দিৱস উপলক্ষে আজি বৰমাত পালন কৰা হয় মে' দিৱস। বৰমা আঞ্চলিক মটৰ শ্ৰমিক সন্থাৰ উদ্যোগত হোৱা এই মে' দিৱসত বৰমা অঞ্চলৰ বহু শ্ৰমিকে অংশগ্ৰহণ কৰে। বাস্কা প্ৰেছ ক্লাব বৰমাৰ কাৰ্যালয়ত অনুষ্ঠিত মে' দিৱস উপলক্ষে পতাকা উত্তোলন কৰে বৰমা আঞ্চলিক মটৰ শ্ৰমিক সন্থাৰ সভাপতি জগৎ চন্দ্ৰ গোস্বামীয়ে। বিপিন চন্দ্ৰ কলিতাৰ সভাপতিত্বত হোৱা মুকলি সভাত শ্ৰমিক নেতা শৈলেন গোস্বামী, জগৎ চন্দ্ৰ গোস্বামী ,দিলীপ কুমাৰ হালৈ, নিতুমনি কলিতাই শ্ৰমিকসকলক ঐক্যবদ্ধ হ'বলৈ আহ্বান জনায়।

**নদুৱাৰৰ অগ্ৰদূতবাৰ্তা ঃ** চতিয়া সমষ্টিৰ অন্তৰ্গত দিকৰাই চাহ বাগিচাৰ শ্ৰমিক বিনোদন ভৱনত আজি শ্ৰমিক দিৱস উদ্‌যাপন কৰা হয়। অসম চাহ মজদুৰ সংঘৰ ইটাখোলা প্ৰাথমিক শাখাৰ উদ্যোগত পুৱাৰে পৰা বিভিন্ন কাৰ্যসূচীৰে দিকৰাই চাহ বাগিচাৰ শ্ৰমিক বিনোদন ভৱনত অনুষ্ঠিত হয় বিশ্ব শ্ৰমিক দিৱস । ইয়াৰ পাছত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত খেল-ধেমালিৰ লগতে সাহিত্য প্ৰতিযোগিতা অনুষ্ঠিত হয়। সমাজসেৱক গিয়াছুদ্দিন আহমেদৰ সভাপতিত্বত অনুষ্ঠিত হয় মুকলি সভা । মুকলি অনুষ্ঠানৰ মাজত আয়োজন কৰা হয় ঝুমুৰ প্ৰতিযোগিতা। অঞ্চলৰ কে'বাটাও ঝুমুৰ দলে ঝুমুৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে।

**শুৱালকুছিৰ অগ্ৰদূতবাৰ্তা ঃ** শুৱালকুছিতো আজি শুৱালকুছি তাঁত শিল্পী সন্থাই শ্ৰমিক দিৱস পালন কৰে। এই উপলক্ষে স্থানীয়



অশোকাষ্টমী ক্ষেত্ৰত পতাকা উত্তোলন কৰে সন্থাৰ সভাপতি সৰ্বানন্দ কলিতাই। ছহিদ বেদীত পুষ্পাঞ্জলি অৰ্পণ কৰে তাঁত শিল্পী সন্থাৰ প্ৰতিষ্ঠাপক সভাপতি তীৰ্থনাথ কাকতিয়ে। ইয়াৰ পাছত সন্থাৰ সদস্যসকলে হাতে হাতে প্লে কাৰ্ড আৰু ৰক্ত পতাকা লৈ গাঁওখনৰ প্ৰধান পথৰে সমদল উলিয়াই।

**সৰুপথাৰ ঃ** গোলাঘাট জিলাৰ ধনশিৰি মহকুমাৰ অন্তৰ্গত সৰুপথাৰৰ প্ৰগতি নিৰ্মাণ শ্ৰমিক ইউনিয়ন আৰু ধনশিৰি মটৰ শ্ৰমিক ইউনিয়নৰ উদ্যোগত দিনজোৰা কাৰ্যসূচীৰে আজি সৰুপথাৰ ৰাজহুৱা খেলপথাৰত বিশ্ব শ্ৰমিক দিৱস উদযাপন কৰা হয়। পতাকা উত্তোলন, ছহিদ তৰ্পণ, আৰু মটৰ চাইকেলৰ এক সমদলেৰে কাৰ্যসূচীৰ আৰম্ভ কৰে। পাছত এখন মুকলি সভাৰ আয়োজন কৰে। ৰাজহুৱা খেলপথাৰত আয়োজিত মুকলি সভাত সহস্ৰাধিক লোকেৰে ভৰি পৰে।

**ঘগ্ৰাপাৰৰ অগ্ৰদূত বাৰ্তা ঃ** আজি সদৌ অসম নিৰ্মাণ শ্ৰমিক ইউনিয়ন ঘগ্ৰাপাৰ আঞ্চলিক কমিটীৰ সহযোগত ছয়টা সংগঠনৰ সমৰ্থনত ঘগ্ৰাপাৰ শাখাৰ উদ্যোগত ঘগ্ৰাপাৰ নিম্ব বুনিয়াদী প্ৰাথমিক বিদ্যালয়ত দিনজোৰা কাৰ্যসূচীৰে পহিলা মে'ৰ আন্তৰ্জাতিক শ্ৰমিক সংহতি দিৱস উদ্‌যাপন কৰা হয়। পতাকা উত্তোলন, ছহিদ বেদীত মাল্যাৰ্পণ, বৃক্ষৰোপণ, সম্বৰ্ধনা অনুষ্ঠানৰ পাছতে আলোচনা চক্ৰৰ সঞ্চালনা কৰে ঘগ্ৰাপাৰৰ চিআইটিইউৰ উপদেষ্টা তথা অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰভাত শৰ্মাই। সভাত আলোচক হিচাপে উপস্থিত থাকে ক্ৰমে নলবাৰী জিলা নিৰ্মাণ শ্ৰমিক ইউনিয়নৰ সম্পাদক মহেশ্বৰ দত্ত, ঘগ্ৰাপাৰ হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক খগেন ৰামছিয়াৰী আদিয়ে। দত্তই ভাষণ প্ৰসাংগত কয় যে নিৰ্মাণ শ্ৰমিককে ধৰি অসংগঠিত খণ্ডত কাম কৰা ৯৪ শতাংশ শ্ৰমিকৰ সামাজিক নিৰাপত্তা সুনিশ্চিত কৰাৰ কোনো সদিচ্ছা নাই চৰকাৰৰ।

**ফৰকাটিঙৰ অগ্ৰদূত বাৰ্তা ঃ** গোলাঘাট বিধানসভা সমষ্টিৰ মাটিখোলা পঞ্চায়তৰ অন্তৰ্গত অসম মজুৰি শ্ৰমিক ইউনিয়ন লক্ষীবাৰী শাখাৰ উদ্যোগত আৰু সমূহ ৰাইজৰ সহযোগত লক্ষীবাৰী চাহ বাগিচাৰ খেলপথাৰত আজি শ্ৰমিক দিৱস উদ্‌যাপন কৰা হয়। সেই উপলক্ষে পুৱা ভাগত বন্তি প্ৰজ্বলন-পতাকা উত্তোলন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। পাছত কণ কণ ছাত্ৰ-ছাত্ৰীৰ মাজত কবিতা আবৃত্তি-পাৰপানী-দৌৰ-টেকেলী ভংগা আৰু লক্ষ্যভেদ আদি খেল প্ৰদৰ্শন কৰা হয়। অসম মজুৰি শ্ৰমিক ইউনিয়ন লক্ষীবাৰী শাখাৰ বিষয়ববীয়া অনিল কয়াৰ সভাপতিত্বত অনুষ্ঠিত সভাত ৰাজ্যিক সমিতিৰ সভাপতি বিপুল হাজৰিকা- গোলাঘাট জিলা সমিতিৰ সভাপতি ভদ্ৰেশ্বৰ শইকীয়া-সক্ৰীয় কৰ্মী প্ৰবীন দত্ত-যোৰহাট জিলা সমিতিৰ সক্ৰিয় কৰ্মী বিপিন লাহন প্ৰমুখে ভালেকেইজনে শ্ৰমিক দিৱসৰ তাৎপৰ্য আলোকপাত কৰে।

**পুৰণিগুদামৰ অগ্ৰদূত বাৰ্তা ঃ** নগাঁও জিলাৰ বঢ়মপুৰৰ কৰৈয়নী হেঙুলীচুক গাঁৱত কৰৈয়নি অঞ্চলৰ কৃষক তথা শ্ৰমজীৱী ৰাইজৰ উদ্যোগত আজি মে' দিৱস উদ্‌যাপন কৰা হয় । কৰৈয়নি অঞ্চলৰ বিভিন্ন গাঁৱৰ বহু বিশিষ্ট কৃষকৰ উপৰি উপস্থিত থাকে গুৰমাইল সিং, প্ৰত্যুষ ৰঞ্জন ভাগৱতী, কুলেন দাস, বুবুল শৰ্মা, ৰাতুল বৰা, দিলীপ শইকীয়া, মনোজ সিংহ ৰাজা, প্ৰাগজ্যোতিষ বনিয়া, ঈশান কোচ ৰাজবংশী, নিৰঞ্জন হাজৰিকা, জিতু নাথ আদি। অনুষ্ঠানত কৃষক তথা অসংগঠিত ক্ষেত্ৰত কৰ্মৰত শ্ৰমিকসকলৰ বিভিন্ন সমস্যাৰ ওপৰত আলোচনা কৰা হয়। শস্যৰ উৎপাদন আৰু বিপননৰ ওপৰত আলোচনা কৰা হয়।

**কলাইগাঁৱৰ অগ্ৰদূত বাৰ্তা ঃ** আজি বিশ্বৰ ভিন্ন প্ৰান্তৰ লগতে কলাইগাঁৱতো মে' দিৱস উদ্‌যাপন কৰা হয়। ওদালগুৰি জিলাৰ কলাইগাঁৱৰ ভোলাবাৰীত সদৌ অসম ডাম্পাৰ চালক সন্থাৰ চতুৰ্থ বাৰ্ষিক আন্তৰ্জাতিক শ্ৰমিক দিৱস উপলক্ষে পুৱা সন্থাৰ সভাপতি খগেন চন্দ্ৰ ডেকাই পতাকা উত্তোলন আৰু ছহিদ তৰ্পণ কৰে চালক সন্থাৰ উপ-সভাপতি তীৰ্থ সূত্ৰধৰ আৰু কোষাধ্যক্ষ হিৰণ্য ডেকাই। শ্ৰমিক দিৱসৰ লগত সংগতি ৰাখি দুপৰীয়া সদৌ অসম ডাম্পাৰ চালক সন্থাৰ সভাপতি খগেন চন্দ্ৰ ডেকাৰ পৌৰোহিত্যত আৰু ভাৰপ্ৰাপ্ত সম্পাদক আব্দুল চামাদে আঁত ধৰা প্ৰতিনিধি সভাত সন্থাৰ সম্পাদক কন্দৰ্প ডেকাকে ধৰি কে'বাজনো বিশিষ্ট লোকে শ্ৰমিক দিৱসৰ লক্ষ্য তথা তাৎপৰ্য বাখ্যা কৰে।

**মঙলদৈৰ বিশেষ সংবাদদাতা ঃ** সমগ্ৰ দেশৰ লগতে দৰঙৰ মঙলদৈ শালৈপাৰাস্থিত কস্তুৰী শিশু গৃহতো আজি জিলা আইন সেৱা প্ৰাধিকৰণৰ উদ্যোগত আৰু মঙলদৈ মহিলা কল্যাণ সমাজৰ সহযোগত পালন কৰা হয় বিশ্ব শ্ৰমিক দিৱস। ভাৰতীয় শিশু কল্যাণ পৰিষদৰ দৰং জিলা সমিতিৰ সম্পাদিকা উপাসনা ডেকাৰ সভাপতিত্বত অনুষ্ঠিত শ্ৰমিক দিৱসৰ সভাত বন্তি প্ৰজ্বলন কৰে সমাজসেৱী চিত্ৰলেখা দেৱী মজুমদাৰে। ইয়াৰ পাছতে সমূহীয়া প্ৰাৰ্থনা কৰে কস্তুৰী শিশু গৃহৰ আবাসীসকলে। বিশ্ব শ্ৰমিক দিৱস উপলক্ষে আয়োজিত এই বিশেষ অনুষ্ঠানত উপস্থিত থাকি ব্যাখ্যা আগবঢ়ায় জিলা শ্ৰম বিষয়া গৌৰাংগ কুমাৰ দাসে। শতাধিক লোক উপস্থিত থকা সভাত কে'বাজনো বিশিষ্ট লোকে অংশগ্ৰহণ কৰে।

**খুমটাই ঃ** গোলাঘাট জিলাৰ খুমটাইৰ বিভিন্ন প্ৰান্তত আজি আন্তৰ্জাতিক শ্ৰমিক দিৱস উলহ-মালহেৰে উদ্‌যাপন কৰা হয়। খুমটাই চাৰিআলিৰ সমীপত নিৰ্মাণ শ্ৰমিক সন্থাৰ উদ্যোগত আৰু খুমটাই আঞ্চলিক কৃষক আৰু জব কাৰ্ড শ্ৰমিক সন্থাৰ উদ্যোগত খুমটাইৰ কেৰেলাচুক আৰু গৰঙা চাহ বাগিছাৰ ৰাজহুৱা ক্লাব ঘৰত আজি শ্ৰমিক দিৱস দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। আনহাতে, গৰঙা চাহ বাগিচাত শ্ৰমিক দিৱসৰ লগত সংগতি ৰাখি বাগিছাখনৰ পৰা অৱসৰ গ্ৰহণ কৰা প্ৰাক্তন শ্ৰমিকসকলক সম্বৰ্ধনা জনায়। ইফালে, মে' দিৱসৰ দিনটোৰ লগত সংগতি ৰাখি খুমটাইৰ শাঁওতলী চাহ বাগিচাত উৎকল তাঁতী সমাজৰ প্ৰথম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস অনুষ্ঠিত কৰে।

**নদুৱাৰৰ অগ্ৰদূতবাৰ্তা ঃ** আন্তৰ্জাতিক শ্ৰমিক দিৱস উপলক্ষে আজি জামুগুৰিহাটতো বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আৰু অপৰাধ নিয়ন্ত্ৰণ ব্যুৰ'-এ আজি চতিয়া সমষ্টিৰ অন্যতম কৃষি পাম কন্যকা বহুমুখী কৃষি পাম, ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয়ৰ কৰ্মচাৰী সন্থা, জামুগুৰিহাট অগ্নি নিৰ্বাপক বাহিনীত কৰ্মৰতসকলক নিজ কৰ্তব্য পালনৰ দ্বাৰা সমাজলৈ কৰ্ম সংস্কৃতিৰ বাৰ্তা কঢ়িয়াই অনাৰ বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। ইফালে বিগত ৪৫ বছৰে ৰিক্সা চলাই বৃহত্তৰ জামুগুৰিহাটৰ ৰাইজলৈ সেৱা আগবঢ়োৱা ৭০ বছৰৰ উৰ্দ্ধৰ ফকিৰা মাহাতুক কৰ্মৰে স্বনিৰ্ভশীলতাৰ নিদৰ্শন দাঙি ধৰাৰ বাবে সন্মান জনোৱা হয়। এই সন্মানৰ বাবে বিশেষ ভাৱে বিবেচনা কৰা হৈছে ১৯৮২ৰ পৰা জামুগুৰিহাটত ইলেক্ট্ৰিচিয়ান আৰু গৃহত পানী যোগানৰ কাম কৰি সেৱা আগবঢ়াই অহা ডেকাসুন্দৰ নিবাসী জীতেন বৰাৰ নাম। এই কাৰ্যসূচী পৰিচালনা কৰে ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আৰু অপৰাধ নিয়ন্ত্ৰণ ব্যুৰ' জিলা পৰ্যায় তথা মিডিয়া বিষয়া মৃন্ময় কুমাৰ নাথে।

**বঙাইগাঁৱৰ অগ্ৰদূত ব্যুৰ'ঃ** শ্ৰমিক সকলক সন্মান জনাই চিৰাং জিলাৰ বিজনী চহৰত আজি বিজেপিৰ চিৰাং জিলা কমিটীৰ উদ্যোগত আৰু বিজনীৰ বিধায়ক অজয় কুমাৰ ৰায়ৰ তত্বাৱধানত বিজনী চহৰত ১২ শ নিম গছপুলি ৰোপণ কৰাৰ লগতে ঘৰে ঘৰে ৰোপণৰ বাবে বিতৰণ কৰা হয় । গছ পুলি ৰোপণৰ আৰম্ভ কৰে বিজনীৰ বিধায়ক ৰায়ে। এই উপলক্ষে বিজনীস্থিত চিৰাং জিলা বিজেপিৰ কাৰ্যালয়ত অনুষ্ঠিত হয় এখন উদ্বোধনী সভা। বিজনী চহৰৰ প্ৰাকৃতিক ভাৰসাম্য আৰু প্ৰদূষণ ৰোধ কৰাৰ উদ্দেশ্যে বিজনী বিধানসভা সমষ্টিত আগন্তুক দিনত পঞ্চাশ হেজাৰ নিম গছপুলি ৰোপণৰ পৰিকল্পনা কৰা বুলি তেওঁ ব্যক্ত কৰে। একেদৰে আজি পবিত্ৰ মে' দিৱসৰ প্ৰতি সন্মান জনাই ১২ শ নিম গছৰ পুলি ৰোপণ কৰাৰ লগতে বিতৰণ কৰা হৈছে বুলি সদৰী কৰে।

**সৰুপেটাৰ অগ্ৰদূত বাৰ্তা ঃ** আন্তৰ্জাতিক মে দিৱসৰ স'তে সংগতি ৰাখি ভৱানীপুৰৰ বিভিন্ন স্থানতো আজি মে' দিৱস পালন কৰা হয় ।এই উপলক্ষে আজি চি আই টি ইউ আৰু কৃষক সভাৰ ভৱানীপুৰ আঞ্চলিক কমিটীৰ যুটীয়া উদ্যোগত ৭৬ নম্বৰ ভৱানীপুৰ প্ৰাথমিক বিদ্যালয় প্ৰাংগণত প্ৰবীণ কৃষক নেতা চিত্তৰঞ্জন দাসৰ দ্বাৰা পতাকা উত্তোলনৰ জৰিয়তে মে' দিৱসৰ কাৰ্যসূচীৰ আৰম্ভ কৰা হয়। পতাকা উত্তোলনৰ সময়ত উপস্থিত আটায়ে বিশ্বৰ সমগ্ৰ শ্ৰমিক শ্ৰেণী একেলগ হোৱাৰ কামনাৰে মুষ্টিবদ্ধ দুহাত ওপৰলৈ তুলি ধ্বনি দিয়ে। ইয়াৰ কৃষক নেতা চিত্তৰঞ্জন দাসৰ সঞ্চালনাত এখনি আলোচনাচক্ৰ অনুষ্ঠিত হয়। দেশৰ বৰ্তমান পৰিস্থিতিৰ ব্যাখ্যা কৰে আৰু দেশৰ মেহনতী কৃষক আৰু শ্ৰমিক শ্ৰেণীৰ সংঘবদ্ধ সংগ্ৰামেহে যে একমাত্ৰ পৰিত্ৰাণৰ পথ,আজিৰ দিনটোৰে সেই কথাকেই সোঁৱৰাই দিয়া বুলি তেওঁ মন্তব্য কৰে। আনহাতে, দেশত বিজেপি নেতৃত্বাধীন বৰ্তমান চৰকাৰখনৰ সময়ছোৱাত সৰ্বসাধাৰণ ৰাইজৰ লগতে কৃষক-শ্ৰমিক শ্ৰেণীটো যে অত্যাধিক মূল্যবৃদ্ধিৰ ভৰত ভাৰাক্ৰান্ত হৈছে,সেই সম্পৰ্কেও তথ্যসহকাৰে তেওঁলোকে ব্যাখ্যা কৰে।

**বৰভাগৰ অগ্ৰদূত বাৰ্তা ঃ** নলবাৰী জিলাৰ বৰভাগৰ স্বেচ্ছাসেৱী অনুষ্ঠান গ্ৰামীণ বিকাশ সংস্থাৰ উদ্যোগত আজি আৰিকুছিস্থিত সংস্থাৰ কাৰ্যালয়ত শ্ৰমিক দিৱস পালন কৰা হয়। অনুষ্ঠানত অৰ্ধশতাধিক শ্ৰমিক আৰু সংবাদকৰ্মীক সম্বৰ্ধনা জনোৱা হয়। এই উপলক্ষে বিয়লি সংস্থাৰ সম্পাদক ৰঞ্জিত দাসে আঁতধৰা অনুষ্ঠানত উপস্থিত থাকি পাটাছাৰকুছি নিৰ্মল হালৈ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° বীৰেন্দ্ৰ ডেকাই শ্ৰমিকসকলৰ অধিকাৰৰ ওপৰত বক্তব্য দাঙি ধৰাৰ লগতে শ্ৰমিকসকলৰ বাবে চৰকাৰে আগবঢ়োৱা সুবিধাবোৰ গ্ৰহণ কৰাৰ বাবে আহ্বান জনায়। শ্ৰমিকসকলে সুৰা সেৱনৰ পৰা বিৰত থাকিবলৈও আহ্বান জনায়। সভাত অংশগ্ৰহণ কৰি এপিডিচিএলৰ সঞ্চালক ড° দেবজিৎ মহন্তই শ্ৰমিকসকলক চৰকাৰী আঁচনিৰ ওপৰত সজাগ কৰিবলৈ সাংবাদিক সকলোৰো দায়িত্ব থকা বুলি কয়। সভাত বক্তব্য প্ৰদান কৰে নলবাৰী গ্ৰামীণ জীৱিকা অভিযানৰ প্ৰকল্প বিষয়া চন্দন তালুকদাৰ, থিয়েটাৰ ভাগ্যদেৱীৰ মুখ্য প্ৰযোজক সুবোধ মজুমদাৰে। অনুষ্ঠানত বিনু দেৱীৰ বাঁহীৰ সুৰে দৰ্শকক মুগ্ধ কৰি তোলে। আনহাতে, উক্ত অনুষ্ঠানতে প্ৰণামী ধূপ-কাঠী উদ্যোগৰ দ্বাৰা পাঁচটা মহিলা গোটক ধূপ-কাঠীৰ প্ৰশিক্ষণ মুকলি কৰে।

**চাহ মজদুৰ সংঘৰ মে' দিৱস পালন**

ইফালে, অসম চাহ মজদুৰ সংঘই কেন্দ্ৰীয়ভাৱে পানীতোলা শাখাত বেনকুইট হলত মে' দিৱস পালন কৰে। এক বিবৃতিত এই কথা সদৰী কৰিছে সংঘৰ কেন্দ্ৰীয় কাৰ্যালয়ৰ সভাপতি তথা প্ৰাক্তন বিধায়ক ৰাজু চাহুৰে। এই উপলক্ষে বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। অনুষ্ঠানত কে'বা বিশিষ্ট লোক উপস্থিত থাকে।

**তেজপুৰৰ ষ্টাফ ৰিপ'ৰ্টাৰ ঃ** আজি বিশ্বজুৰি পালিত আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক দিৱসৰ কাৰ্যসূচী তেজপুৰতো অনুষ্ঠিত হয়। তেজপুৰ বিশ্ববিদ্যালয় শ্ৰমিক সন্থাৰ উদ্যোগত তেজপুৰ সাহিত্য সভা ভৱনত আয়োজিত শ্ৰমিক দিৱসৰ সভাত মুখ্য অতিথিৰূপে অংশ লৈ কবি নৰহৰি চুতীয়াই এই দিৱসক শোষণ আৰু বঞ্চনাৰ প্ৰতিবাদৰ দিৱস বুলি উল্লেখ কৰি কয় যে ১৮৯০ ৰ পহিলা মে'ৰ পৰা সমগ্ৰ বিশ্বতে মে' দিৱস বা আন্তৰ্জাতিক শ্ৰমিক দিৱস পালন কৰি অহা হৈছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ চিকাগো চহৰতেই আঠ ঘণ্টা কাম কৰাৰ দাবী জনোৱাৰ পৰিপ্ৰেক্ষিতত শ্ৰমিকসকলে আন্দোলনৰ সূত্ৰপাত ঘটায় আৰু ফলত আৰক্ষীৰ গুলিত ১১ জন শ্ৰমিক ছহিদ হয় বুলিও তেওঁ উল্লেখ কৰি পুনৰ কয় যে এই ঘটনাৰ পাছত পহিলা মে'ত প্ৰত্যেক বছৰে আন্তৰ্জাতিক শ্ৰমিক দিৱসৰূপে পালন কৰা হয়। তেওঁ এই দিনটোক শ্ৰমিকসকলক শোষণ-নিষ্পেষণৰ বিৰুদ্ধে থিয় দিবলৈ একত্ৰিত হোৱা দিৱস হিচাপেও অভিহিত কৰে। আনহাতে, আমন্ত্ৰিত অতিথি সুনীল পাটানিয়ে শ্ৰমিকসকলৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰাটো অতিশয় প্ৰয়োজন বুলি মন্তব্য কৰি তেওঁলোকৰ সমস্যাসমূহৰ সমাধানৰ ক্ষেত্ৰতো আন্তৰিকতাৰে তথা মানৱীয় দৃষ্টিভংগীৰে সকলোৱে একত্ৰিতভাৱে কাম কৰিব লাগে বুলি মন্তব্য কৰে। আন এজন আমন্ত্ৰিত অতিথি দ্বীপেন শইকীয়াই এখন দেশ গঢ়াত শ্ৰমিক আৰু কৃষকসকলে মুখ্য ভূমিকা গ্ৰহণ কৰে যদিও তেওঁলোকেই উপযুক্ত প্ৰাপ্য আৰু মৰ্যাদাৰ পৰা বঞ্চিত হ'বলগীয়া হৈ থকাত আক্ষেপ প্ৰকাশ কৰে। তেজপুৰ বিশ্ববিদ্যালয় শ্ৰমিক সন্থাৰ মুখ্য উপদেষ্টা ড° পৰশমণি সিংহই সভাৰ অধ্যক্ষৰ আসনৰ পৰা কয় যে দেশৰ চেন্নাইত ১৯২৩ত প্ৰথম বাৰলৈ ভাৰতীয় কৃষক দলে শ্ৰমিক দিৱস উদ্‌যাপন কৰিছিল। তাহানিৰ পৰাই দেশৰ শ্ৰমিকসকল উপযুক্ত প্ৰাপ্যৰ পৰা বঞ্চিত হৈ থকাৰ লগতে তেওঁলোকৰ ক্ষেত্ৰত অলেখ মানৱ অধিকাৰ ভংগ হোৱাৰ নজিৰ আছে বুলিও তেওঁ মন্তব্য কৰে। যিকোনো কঠিন সময়ত শ্ৰমিকসকলেই অধিক দুৰ্যোগৰ সন্মুখীন হোৱাৰ বিষয়ে উল্লেখ কৰি ড° সিংহই কয় যে বহু শ্ৰমিকক কৰ্মক্ষেত্ৰৰ উপৰি মালিকপক্ষই অন্যায়ভাৱে ঘৰুৱা কামতো ব্যৱহাৰ কৰে। চাহ শ্ৰমিক তথা মধ্যাহ্ন ভোজনৰ কৰ্মীসকলৰ ক্ষেত্ৰত অব্যাহত অৰ্থনৈতিক বৈষম্যাৰ উদাহৰণ দাঙি ধৰি তেওঁ তেজপুৰ বিশ্ববিদ্যালয়ৰ দৰে উচ্চ শিক্ষাৰ অনুষ্ঠানৰ শ্ৰমিকসকলেও প্ৰাপ্যৰ বাবে কিয় বাৰে বাৰে আন্দোলন কৰিবলগীয়া হয় বুলি উল্লেখ কৰি তেওঁ পুনৰ কয় যে তেজপুৰতে এনে বহুকেইটা বৃহৎ উদ্যোগ আছে য'ত একোজন শ্ৰমিকক দিনে ১২ ঘণ্টাকৈ কামত খটুৱাই তেওঁলোকক দৈনিক হাজিৰা আঢ়ৈশ টকাও আদায় দিয়া নহয়; কিন্তু এনেবোৰ উদ্যোগত চলি থকা শ্ৰমিকবিৰোধী কাৰ্যকলাপৰ বিৰুদ্ধে চৰকাৰী শ্ৰম বিভাগে কেতিয়াও ব্যৱস্থা গ্ৰহণ নকৰে। কৃষক আৰু শ্ৰমিকে প্ৰাপ্য আৰু মৰ্যাদা লাভ নকৰালৈকে সমাজত শ্ৰেণী বিভাজন থাকিব বুলি উল্লেখ কৰি তেনে অৱস্থাত এখন দেশ তথা ৰাজ্যৰ সামগ্ৰিক বিকাশ সম্ভৱ নহয় বুলিও ড° সিংহই মন্তব্য কৰে। শতাধিক শ্ৰমিকে অংশ লোৱা সভাখনত তেজপুৰ বিশ্ববিদ্যালয় শ্ৰমিক সন্থাৰ সভাপতি ৰবী বাচফোৰ আৰু সাধাৰণ সম্পাদক মোবাৰক হুছেইনে তেওঁলোকে পৰিশ্ৰমৰ বাবে কেতিয়াও অনীহা প্ৰকাশ কৰা নাই যদিও তেওঁলোকক বহুক্ষেত্ৰত বিভিন্ন সময়ত কৰি অহা বঞ্চনা তথা হাৰাশাস্তি বন্ধ হ'ব লাগে বুলি মন্তব্য কৰে।

**ৰঙাপৰাৰ বিশেষ সংবাদদাতা ঃ** শ্ৰমিকসকলৰ কষ্টৰ প্ৰতি সন্মান জনাই আজি সমগ্ৰ বিশ্বতে পালন কৰা হৈছে শ্ৰমিক দিৱস। অসমতো আন্তৰ্জাতিক শ্ৰমিক দিৱস উপলক্ষে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। শোণিতপুৰ জিলাৰ ৰঙাপৰাতো অসম চাহ মজদুৰ সংঘ তথা বামপন্থী সংগঠনে পৃথকে পৃথকে শ্ৰমিক দিৱস উদ্‌যাপন কৰিছে। ৰঙাপৰা সমষ্টিৰ অন্তৰ্গত চেচা চাহ বাগিচাত অসম চাহ মজদুৰ সংঘ চেঁচা প্ৰাথমিক গোটৰ উদ্যোগত তথা শোণিতপুৰ জিলা আইন সেৱা প্ৰাধিকৰণৰ সহযোগত অনুষ্ঠিত সভাত অংশগ্ৰহণ কৰি শোণিতপুৰ জিলা আইন সেৱা প্ৰাধিকৰণৰ সমন্বয়ক ছাজিদুৰ ৰহমানে কয় যে আধুনিকতাৰ ধামখুমীয়াত মানুহৰ কৰ্মস্পৃহা হেৰাই যোৱাৰ উপক্ৰম হৈছে। ইয়াৰ পৰা আমি সচেতন হ'ব লাগে বুলি তেওঁ উল্লেখ কৰে। তেওঁ আইন সেৱা প্ৰাধিকৰণে প্ৰদান কৰা আইনী সাহায্যসমূহৰ ওপৰত আলোকপাত কৰে। সমল লোক ৰূপে অংশগ্ৰহণ কৰি শোণিতপুৰ জিলা আইন সেৱা প্ৰাধিকৰণৰ অধিবক্তা আভা বৰাই শিশু শ্ৰমিকৰ ওপৰত বক্তব্য ৰাখে আৰু শিশু শ্ৰমিক আইনৰ ওপৰত আলোকপাত কৰে। তেওঁ শিশুসকলক শ্ৰমিক হ'বলৈ নিদি বিদ্যালয়লৈ প্ৰেৰণ কৰিবলৈ আহ্বান জনায়। বিগত সময়ছোৱাত মানৱ সৰববাহত উদ্ধাৰ হোৱা বেছি শিশু শোণিতপুৰ জিলাৰ বুলি তেওঁ সভাত উল্লেখ কৰে। আজিৰ শিশু ভৱিষ্যতৰ ধৰণী বুলি তেওঁ কয়। উক্ত সভাত অংশগ্ৰহণ কৰি তেজপুৰ সমষ্টিৰ প্ৰাক্তন সাংসদ আৰ পি শৰ্মাই কয় যে চাহ বাগিচাৰ শ্ৰমিকে মজুৰিৰ বাবে কৰা আন্দোলনে শ্ৰমিকসকলৰ কৰুণ অৱস্থাক প্ৰতিফলন কৰে। চাহ বাগানৰ বনুৱাই মজুৰিৰ বাবে শেহতীয়াকৈ কৰা আন্দোলনে সেইসকল লোকৰ কৰুণ অৱস্থাটোকে প্ৰতিফলন কৰে। শ্ৰমিকৰ বাবে জীৱন বীমাকে ধৰি পেঞ্চন তথা দুৰ্ঘটনাজনিত আন সাহায্যৰ কথাবোৰ এতিয়া বাৰুকৈয়ে উপেক্ষিত হৈ আছে। শোষিত-বঞ্চিত শ্ৰমিকসকলক সংঘবদ্ধ কৰা আৰু নিজৰ প্ৰাপ্য লাভৰ বাবে সচেতন তথা সজাগ কৰি তোলা অতি জৰুৰী হৈ পৰিছে বুলি তেওঁ উল্লেখ কৰে। সভাখনত অসম চাহ মজদুৰ সংঘ তেজপুৰ শাখাৰ ভাৰপ্ৰাপ্ত সম্পাদক সুনীল টুটীয়ে শ্ৰমিক আন্দোলনৰ ওপৰত আলোকপাত কৰি শ্ৰমিকসকলক শৈক্ষিক, ৰাজনৈতিক দিশত সজাগ হ'বলৈ আহ্বান জনায়। তেওঁ এম্পেয়াৰ টি কোম্পানীত কৰ্মৰত শ্ৰমিকসকলৰ বকেয়া ধন শীঘ্ৰে মোকলাই দিবলৈ আহ্বান জনায় তথা চাহ বাগিচা কোম্পানীটো সোনকালে ঠন ধৰি উঠিব বুলি আশা প্ৰকাশ কৰে। ৰঙাপৰা প্ৰেছ ক্লাবৰ উপ-সভাপতি চাহিন আহমেদে অধিকাৰ সাব্যস্ত কৰিবলৈ হ'লে শিক্ষিত হ'ব লাগিব বুলি কয়। শিক্ষিত নহ'লে সজাগ হ'ব নোৱাৰি বুলি তেওঁ উল্লেখ কৰে। তেওঁ অসম চাহ মজদুৰ সংঘৰ বিষয় ববীয়াক সংঘ কাৰ্যালয়ত অঞ্চলটোত থকা চাহ বাগিচাসমূহৰ বিভিন্ন সমল লৈ এটা সংগ্ৰহালয় নিৰ্মাণ কৰিবলৈ আহ্বান জনায়। সংঘৰ গাণনিক গজেন শইকীয়াই আঁতধৰা সভাত ৰঙাপৰা প্ৰেছ ক্লাবৰ সহকাৰী সম্পাদক ছাজাহান ছেলিম কুৰেছী, সংঘৰ চেঁচা প্ৰাথমিক গোটৰ সভাপতি ৰয়ানো লোহাৰ, সম্পাদকজন বস্কো, ৰঙাপৰা প্ৰাথমিক গোটৰ সম্পাদক মনোজ শ্বাৰাচীৰ লগতে বহু গন্য-মান্য লোকে অংশগ্ৰহণ কৰে। সভাত ঝুমুইৰ নৃত্য প্ৰদৰ্শন কৰি উপস্থিত সকলোকে আপ্লুত কৰে। ইপিনে, ঠাকুৰবাৰীত থকা ধনীৰাম খোছলা স্মৃতি ভৱনত চিপিআইএমৰ উদ্যোগত বিভিন্ন বৰ্ণাঢ্য সাংস্কৃতিক কাৰ্যসূচী ছহিদ তৰ্পণ শোভাযাত্ৰাত প্ৰায় পাঁচ শতাধিকৰো অধিক শ্ৰমিকৰ উপস্থিতিত মে' দিৱস উদ্‌যাপন কৰে।

## পিতৃৰ হাতত নিৰ্যাতনৰ বলি কিশোৰী

**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ১ মে' ঃ** তামুলপুৰত জিলা ভূটান সীমান্তৰ কুমাৰীকাটা অঞ্চলত সংঘটিক হৈছে সভ্য সমাজক লজ্জানত কৰা এক ঘটনা। নিজ পিতৃৰ কামনাৰ বলি হয় এগৰাকী ১৩ বছৰীয়া কিশোৰী। যি ঘটনাই জোকাৰি গৈছে সমগ্ৰ কুমাৰীকাটা অঞ্চল। কুমাৰীকাটা আৰক্ষী চ'কীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াজনে সদৰী কৰা মতে আজি পুৱাৰ ভাগত কিশোৰীগৰাকীৰ মাতৃ ঘৰত উপস্থিত নথকা অৱস্থাত সুৰাসক্ত পিতৃয়ে কিশোৰীগৰাকীক বলপূৰ্বক অসৎ কাৰ্য চৰিতাৰ্থ কৰিব বিচাৰে। পিতৃৰ এনে আচম্বিত আচৰণত কিংকৰ্তব্য বিমূঢ় হৈ পৰা কিশোৰীগৰাকীয়ে চিঞৰ-বাখৰ লগাই দিয়ে। সেই সময়তে কিশোৰীগৰাকীৰ আইতাকে চিঞৰ-বাখৰ শুনি দৌৰি আহি কিশোৰীগৰাকীক পিতৃৰ কবলৰ পৰা উদ্ধাৰ কৰাৰ লগতে ওচৰ-চুবুৰীয়াক ঘটনা সম্পৰ্কত অৱগত কৰে। পাছত কোনো লোকে কুমাৰীকাটা আৰক্ষী চ'কীত খবৰ দিয়ে। আনহাতে, ঘটনা সম্পৰ্কে গম পোৱাৰ লগে লগে কুমাৰীকাটা আৰক্ষী চ'কীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া প্ৰাঞ্জল বৰুৱাসহ আৰক্ষীৰ দল এটি ঘটনাস্থলীত উপস্থিত হৈ অসৎ চৰিত্ৰৰ লোকজনক আটক কৰি আৰক্ষী চ'কীলৈ লৈ আহে।

## হৰিণাৰ শিং সৰবৰাহৰ ঃ এজনক গ্ৰেপ্তাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১ মে' ঃ** গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ নিৰাপত্তাৰ দায়িত্বত থকা সুৰক্ষাকৰ্মীয়ে শনিবাৰে নিশাৰ ভাগত হৰিণাৰ শিং আৰু তালিকাভুক্ত বনৰীয়া জন্তুৰ হাড় সৰবৰাহ কৰাৰ অপৰাধত মহম্মদ গাজি ৰহমান নামৰ এজন ব্যক্তিক আটক কৰি ভঙাগড় আৰক্ষীৰ হাতত গতাই দিয়ে। পৰৱৰ্তী সময়ত ভঙাগড় আৰক্ষীয়ে সৰবৰাহকাৰী ৰহমানক কালাপাহাৰস্থিত গুৱাহাটী বন সংমণ্ডল বিষয়াৰ কাৰ্যালয়লৈ হস্তান্তৰ কৰে।

বন বিভাগৰ এক সূত্ৰই 'দৈনিক অগ্ৰদূত'ক জানিবলৈ দিয়া মতে, সৰবৰাহকাৰী মহম্মদ গাজি ৰহমানৰ ঘৰ ধুবুৰী জিলাৰ সপ্তগ্ৰাম আৰক্ষী থানাৰ অন্তৰ্গত ভেৰভেৰী গাঁৱত। তেওঁৰ জিম্মাৰ পৰা এটা হৰিণাৰ শিং আৰু এটুকুৰা তালিকাভুক্ত বনৰীয়া জন্তুৰ হাড় উদ্ধাৰ কৰা হৈছে। সম্প্ৰতি, ৰহমানক দুষ্প্ৰাপ্য বনৰীয়া জন্তুৰ অংগ অবৈধভাৱে সৰবৰাহ কৰাৰ অপৰাধত গ্ৰেপ্তাৰ কৰা হৈছে আৰু বন্যপ্ৰাণীৰ সামগ্ৰীক লৈ কৰা অবৈধ বেহাৰ লগত জড়িত থকাৰ সন্দেহত বন বিভাগে নিজাকৈ তদন্ত অব্যাহত ৰাখিছে বুলিও সূত্ৰটোৱে প্ৰকাশ কৰে।

উল্লেখযোগ্য যে বন্যপ্ৰাণী সংৰক্ষণ আইন ১৯৭২ৰ অধীনত এক গোচৰ ৰুজু কৰি অধিক তথ্যৰ বাবে জেৰা অব্যাহত ৰাখিছে আৰু নিৰাপত্তাজনিত কাৰণত সৰবৰাহকাৰী ৰহমানক ফটাশিল আমবাৰী থানাত ৰখা হৈছে।

## পৰ্বতঝৰা হাতীডুবা বনাঞ্চলত আৰক্ষীৰ অভিযান

### ■ নিশা লুকুৱাই ৰখা অৱস্থাত আঠটাকৈ বহিঃৰাজ্যৰ উন্নত জাতৰ গৰু জব্দ



**তামাৰহাট, ১ মে' ঃ** কোকৰাঝাৰ জিলাৰ পৰ্বতঝৰা মহকুমাৰ হাতীডুবা বনাঞ্চলত যোৱা নিশা আৰক্ষীয়ে অভিযান চলাই আঠটা উন্নত জাতৰ গৰু জব্দ কৰে। এক বিশেষ খবৰৰ ভিত্তিত টিপকাই আৰক্ষী চকীৰ আৰক্ষী বিষয়া অংগৰাজ ছেত্ৰীয়ে বনাঞ্চলখনত অভিযান চলাই লুকাই ৰখা অৱস্থাত বহিঃৰাজ্যখনৰ পৰা অনা উন্নত জাতৰ গৰুকেইটা জব্দ কৰে। কিন্তু কোনো এজন গৰুৰ চোৰাং ব্যৱসায়ীকে আটক কৰিব নোৱাৰিলে। তথ্য মতে গৰুকেইটা চোৰাং বেপাৰীয়ে জনশূন্য তথা দুৰ্গম বনাঞ্চলৰ লুংলুঙীয়া পথেৰে ধুবুৰী অভিমুখে নি আছিল। অবৈধ গৰু সৰবৰাহকাৰী আৰু ছিণ্ডিকেট আৰক্ষী অধিক কঠোৰ হোৱাৰ পাছতো অসম-বংগ সীমান্তত গৰুৰ বেহা বন্ধ কৰিবলৈ সক্ষম হোৱা নাই। নদীপথ আৰু বনাঞ্চলৰ মাজেৰে এতিয়া গৰু সৰবৰাহ কৰি আহিছে ব্যৱসায়ীসকলে। অভিযোগ মতে, গোসাঁইগাঁও মহকুমাৰ গৰুমৰা চৰৰ এজন কুখ্যাত গৰু ব্যৱসায়ীয়ে বংগৰ পৰা উন্নত জাতৰ গৰুসমূহ আনি কৌশলেৰে আনি সংকোচ নদী পাৰ কৰি গোসাঁইগাঁৱৰ ডিংডিঙা আৰক্ষী চকীৰ ৰংচুপুৰ, বৰবাধা হৈ তুংচী, হাতীখেল, হাতীডুবা হৈ পাহাৰৰ মাজেৰে ধুবুৰীৰ পৰা ব্ৰহ্মপুত্ৰ নদীৰ সীমান্তলৈ সৰবৰাহ কৰি আহিছে। এই অবৈধ বেহাত একাংশ লোকো জড়িত থকাৰ উপৰি আৰক্ষীয়ে চোৰাংচোৰা হিচাপে ব্যৱহাৰ কৰা লোকো গৰু সৰবৰাহত জড়িত থকা বুলি অভিযোগ উঠিছে।

## বাগ্‌সাত দুই যুৱতী সৰবৰাহকাৰী গ্ৰেপ্তাৰ

**অগ্ৰদূত বাৰ্তা**

**মুছলপুৰ, ১ মে' ঃ** বাগ্‌সা জিলাৰ বিভিন্ন প্ৰান্তৰ পৰা যুৱতী আৰু মহিলা নিৰুদ্দেশৰ ধাৰাবাহিক ঘটনা পোহৰলৈ আহিছে। বিগত তিনি-চাৰি মাহত জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা ১০ গৰাকীতকৈও অধিক যুৱতী আৰু মহিলা সন্ধানহীন হৈছে । বেছিভাগ সন্ধানহীন মহিলাৰ স্বামী কৰ্মসূত্ৰে অসমৰ বাহিৰত থাকে। তেনে সময়তে এক দুষ্ট চক্ৰই চকু দিয়ে এনে মহিলাৰ ওপৰত । বিভিন্ন ছলাহী কথা কৈ ফুচুলাই অজ্ঞাত ঠাইলৈ লৈ যায় মহিলাগৰাকীক। হাহাকাৰ লাগে নিৰুদ্দিষ্ট মহিলাগৰাকীৰ পৰিয়ালত। ইতিমধ্যে স্থানীয় আৰক্ষীয়ে কে'বাগৰাকীও নিৰুদ্দিষ্ট মহিলা আৰু যুৱতীক দুষ্ট চক্ৰৰ কৱলৰ পৰা মুক্ত কৰি আনিছে। বাকীসকলৰ অনুসন্ধান অব্যাহত আছে। বাগ্‌সাৰ এনে সন্ধানহীন যুৱতী এগৰাকীৰ পৰিয়ালৰ এজাহাৰৰ অনুসন্ধান মৰ্মে আজি জিলাখনৰ শিমলা আৰক্ষী থানা আৰু জালাহ আৰক্ষী চকীৰ বিষয়াৰ নেতৃত্বত যোৱা আৰক্ষীৰ দলে বিশেষ খবৰৰ ভিত্তিত গৌৰীপুৰৰ এটি ভাড়াঘৰৰ পৰা নিৰুদ্দিষ্ট যুৱতীগৰাকীক উদ্ধাৰ কৰাৰ লগতে দুজন যুৱককো গ্ৰেপ্তাৰ কৰে । আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা যুৱক দুজন হল ইন্দ্ৰজিৎ দাস আৰু নীলমনি ডেকা। দুয়োৰে ঘৰ ৰঙিয়াত। দুয়োকে গৌৰীপুৰৰ এটি ভাড়াঘৰৰ পৰা শিমলা আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে । যুৱকদ্বয়ে জালাহ উলুবাৰীৰ যুৱতীগৰাকীক প্ৰেমৰ ছলনাৰে যোৱা ২৫ এপ্ৰিলত বিদ্যালয়লৈ গৈ থকা অৱস্থাৰ পৰা লৈ গৈ বিগত কেইদিন গৌৰীপুৰত আত্মগোপন কৰি আছিল। কি উদ্দেশ্যত যুৱকদ্বয়ে যুৱতীগৰাকীক লৈ গৈছিল সেয়া পৰৱৰ্তী অনুসন্ধানতহে পোহৰলৈ আহিব।

## বহলপুৰত তিতাচঁপাৰ বৃহৎ কুণ্ডা ৰহস্যজনকভাৱে হেৰাল বন কাৰ্যালয়ৰ পৰাই

### বনমন্ত্ৰীৰ তদন্ত হস্তক্ষেপ দাবী আক্ৰাছুৰ

**অগ্ৰদূত বাৰ্তা**

**বহলপুৰ, ১ মে' ঃ** ধুবুৰী জিলাৰ বহলপুৰত যোৱা ২৯ এপ্ৰিলত ধুমুহাৰ বাবে ১৭ নম্বৰ ৰাষ্ট্ৰীয় পথত বাগৰি পৰা প্ৰকাণ্ড তিতাচঁপা গছডালৰ একাংশ কুণ্ডা বহলপুৰ আঞ্চলিক বন বিষয়াৰ জিম্মাৰ পৰাই ৰহস্যজনকভাৱে অন্তৰ্ধান হোৱা ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে । ২৯ এপ্ৰিলত প্ৰচণ্ড ধুমুহাত বহলপুৰৰ চম্পাৱতী নৈ দলঙৰ কাষতে থকা প্ৰকাণ্ড তিতাচঁপাডাল ৰাষ্ট্ৰীয় পথত বাগৰি পৰাত প্ৰায় তিনিঘণ্টা জুৰি যানবাহন চলাচল ব্যাহত হৈ পৰিছিল যদিও ধুবুৰী জিলা প্ৰশাসনৰ সহযোগত বঙাইগাঁৱৰ আই ভেলী বন সংমণ্ডলৰ অধীনস্থ বহলপুৰ আঞ্চলিক বন বিষয়াৰ কাৰ্যালয়ৰ বিষয়া কৰ্মচাৰীৰ দলে তৎপৰতাৰে গছডাল কাটি পথছোৱা মুকলি কৰি দিছিল। পাছত প্ৰকাণ্ড তিতাচঁপাডালৰ গোটেইবোৰ ঠালঠেঙুলিসহ সৰু-ডাঙৰ কুণ্ডাবোৰ বহলপুৰ আঞ্চলিক বন বিষয়াৰ কাৰ্যালয়লৈ লৈ যোৱা হয় যদিও সম্প্ৰতি একাংশ কাঠৰ কুণ্ডা কাৰ্যালয়ৰ পৰাই ৰহস্যজনকভাৱে নোহোৱা হৈছে। এই ঘটনাত সমগ্ৰ বহলপুৰবাসী ৰাইজৰ লগতে অঞ্চলটোৰ দল সংগঠন জাঙুৰ খাই উঠিছে। বহলপুৰ আঞ্চলিক কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ উপদেষ্টা তথা আক্ৰাছুৰ কেন্দ্ৰীয় প্ৰচাৰ সম্পাদক পুলকেশ ৰায়চৌধুৰীয়ে এই সম্পৰ্কত অভিযোগ কৰে যে বহলপুৰ আঞ্চলিক বন বিষয়াৰ জিম্মাৰ পৰা কিদৰে মূল্যবান কাঠৰ কুণ্ডা হেৰাই যাব পাৰে? হয়তো চোৰাং কাঠ বেপাৰীৰ ওচৰত বহলপুৰ আঞ্চলিক বন বিষয়াগৰাকীয়ে কাঠৰ কুণ্ডাসমূহ গোপনে বিক্ৰী কৰি ধন আত্মসাৎ কৰিছে । ঘটনা সংক্ৰান্তত বঙাইগাঁও আই ভেলী সংমণ্ডলৰ বন সংমণ্ডল বিষয়াগৰাকীও চকু মুদা কুলিৰ ভাও জুৰি ৰহস্যজনক নীৰৱতা অৱলম্বন কৰা বুলি ৰাইজে গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। এইক্ষেত্ৰত আক্ৰাছুৰ নেতাজনে অসমৰ বনমন্ত্ৰীক এই ঘটনা সংক্ৰান্তত তদন্তক্ৰমে বিহীত ব্যৱস্থা গ্ৰহণ কৰিবলৈকো দাবী জনায়। ৰক্ষকেই ভক্ষকৰ ভূমিকা গ্ৰহণ কৰা বহলপুৰ আঞ্চলিক বন বিষয়া উত্তম সেনাপতিৰ বিৰুদ্ধেও ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনায় আক্ৰাছু নেতা ৰায়চৌধুৰীয়ে ।

# জামুগুৰিহাটত বন ধ্বংসৰ অঘোষিত প্ৰতিযোগিতা

## ■ ম’বাইল মেচিন কৰতৰ সহায়ত গাঁৱে-ভূঞে ইজোপাৰ পাছত সিজোপা কাটিছে গছ



মাইক্ৰ’ফাইনেন্সৰ ঋণগ্ৰস্ত মহিলাক আঁচনিৰ অধীনত চেক বিতৰণ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসৰ, ধুবুৰীত দেওবাৰে।

**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ১ মে’ ঃ** সৰ্বত্ৰ এতিয়া গছ কটাৰ অঘোষিত প্ৰতিযোগিতা চলিছে। ম’বাইল মেচিনেৰে কম সময়তে গছ কাটি তাৰ পৰা কাঠ উলিয়াই নিয়াৰ সুবিধা হোৱাত এতিয়া শোণিতপুৰ জিলাৰ লগতে জামুগুৰিহাটতো দীৰ্ঘদিন ধৰি একাংশ লোক নামি পৰিছে গছ কটা-কটোৱা কামত। উল্লেখ্য যে নিজৰ ম্যাদী পট্টাৰ মাটিৰ গছ কাটিবলৈ হ’লেও বন বিভাগৰ অনুমোদন ল’ব লগাৰ লগতে যিমান সংখ্যক গছ কটা হয় তাৰ বিপৰীতে সিমানসংখ্যক গছ ৰোপণ কৰাটো নিয়ম যদিও এই নিয়মে স্পৰ্শ কৰা নাই অঞ্চলটোৰ এইসকল লোকক। ঠাইতে গছ কাটি উক্ত ক্ষুদ্ৰ ম’বাইল মেচিন কৰতেৰে ঠাইতে তক্তা, বাটাম আদি তৈয়াৰ কৰিব পৰাৰ ব্যৱস্থা হৈ উঠাত সম্প্ৰতি অঞ্চলটোত ভৰি পৰিছে একাংশ কাঠ ফলা মিস্ত্ৰি তথা কাঠ বেপাৰী। গাঁৱে গাঁৱে পিটপিটাই ফুৰা এইসকল কাঠ ফলা মিস্ত্ৰি তথা কাঠ বেপাৰীসকলৰ যৌথ প্ৰচেষ্টাত অঞ্চলটোত গঢ়ি উঠিছে এখন বৃহৎ কাঠৰ বজাৰ। ইয়াৰ সমান্তৰালভাৱে অঞ্চলটোত দিনকদিনে বৃদ্ধি পাইছে এই মেচিন কৰতীয়াৰ সংখ্যা। শোণিতপুৰ জিলাৰ বালিপৰা, তেজপুৰ আদিত গঢ়ি উঠা ম’বাইল মেচিন কৰতৰ দোকানৰ পৰা ক্ৰয় কৰি অনা এই কৰতীয়া এতিয়া অঞ্চলটোত তেনেই সুলভ। পূৰ্বতে অঞ্চলটোত থকা কেঁবাটাও অবৈধ কাঠ ফলা মিল বিভাগীয়ভাৱে বন্ধ কৰি দিয়াৰ সুযোগ লৈ এইসকল কাঠ ফলা কৰতীয়াই এতিয়া মালিকপক্ষৰ সহযোগত গছ ধ্বংসৰ প্ৰতিযোগিতাত নামি পৰিছে। অকল সেয়ে নহয়, অঞ্চলটোত বৃদ্ধি পোৱা অবৈধ কাঠ বেপাৰীয়ে চৰকাৰী মাটিত থকা গছো গোপনে কাটি ধন ঘটাৰ অভিযোগ উঠিছে। পূব শোণিতপুৰ জিলা বন সংমণ্ডলৰ অধীনৰ তথা ডিপলুঙা বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত অঞ্চলটোত গছ ধ্বংসৰ প্ৰতিযোগিতা চলি থকাৰ পাছতো সংশ্লিষ্ট বিভাগে কোনো কাণসাৰ নিদিয়া ঘটনাই প্ৰকৃতিপ্ৰেমী তথা সচেতন মহলৰ মাজত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। আনহাতে, ডিপলুঙা বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ৰ গাতে লাগি থকা নদুৱাৰ সংৰক্ষিত বনাঞ্চলখনৰ উপৰি অঞ্চলটোত থকা অসংৰক্ষিত, ঘোপচাৰ, গড়কাপ্তানী পথৰ অধীনৰ গছবোৰতো এইসকল অবিবেচক লোকৰ কোপদৃষ্টি কৰি নিঃশেষ হৈ আহিছে। ইমানৰ পাছতো বন বিভাগৰ দৰে বিয়াগোম বিভাগটো শুই-বহিয়েই সময় পাৰ কৰা ঘটনা আশ্চৰ্যজনক। বিশেষকৈ অঞ্চলটোৰ অসম-অৰুণাচল সীমান্তৰ অঞ্চলবোৰত দিনে-নিশাই গছ কটা কাৰ্য চলি আছে। চোৰাং কাঠ বেপাৰী তথা এনে মেচিন কৰতীয়াৰ দ্বাৰা বন বিভাগৰ অঞ্চলত থকা গছ-গছনি কাটি তাৰ কাঠ নিতৌ বিভিন্ন স্থানলৈ সৰবৰাহ কৰি আছে। কিন্তু এইসকল কৰতীয়ালে তথা কাঠ বেপাৰীৰ বিৰুদ্ধে বন বিভাগ কিয় ইমান নৰম তাক লৈ সচেতন মহলৰ মনত লাখটকীয়া প্ৰশ্ন উদয় হৈ আহিছে।

# ঢেকীয়ালত ৰঙালী বিহু সন্মিলনৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**বৰুৱাবামুণগাঁও, ১ মে’ ঃ** ঢেকীয়াল তিনিআলিৰ ব্যৱসায়ীসকল আৰু গাঁওৰক্ষী বাহিনীৰ উদ্যোগত অহা ১৪ মে’ৰ পৰা দুদিনীয়াকৈ ২৮ সংখ্যক ৰঙালী বিহু সন্মিলনৰ আয়োজন কৰা হৈছে। প্ৰথম দিনা পুৱা বিহু পতাকা উত্তোলন, স্মৃতি তৰ্পণ, গছপুলি ৰোপণ আদি কাৰ্যসূচীৰ পাছত প্ৰয়াত দিলীপ ৰঞ্জন দত্ত সোঁৱৰণী মঞ্চ উদ্বোধন কৰিব অভিনেতা শ্ৰীমন্ত মাধৱ দত্তই। ইয়াৰ পাছতে পিঠা, গামোচা, অসমীয়া সাজপাৰ, সাধুকোৱা প্ৰতিযোগিতা অনুষ্ঠিত হ’ব। বিয়লি দুই বজাৰ পৰা মৌ বিহুৱতী, জেং বিহু, ঢোল, পেঁপা, গগনা বাদন, বিহুনাম আৰু সৃষ্টিশীল নৃত্যৰ প্ৰতিযোগিতা অনুষ্ঠিত হ’ব। দ্বিতীয় দিনা পুৱা চিত্ৰাংকন, খেল-ধেমালি, ৰচনা আৰু ভেশচন প্ৰতিযোগিতা অনুষ্ঠিত হ’ব। বিয়লি এক বজাৰ পৰা হ’ব লগা দিহানাম, বিয়ানাম প্ৰতিযোগিতাখন উদ্বোধন কৰিব গোলাঘাটৰ চক্ৰ সংগঠক শিৰোমণি মহন্তই।

# তছাৰফ হুছেইনৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**দলগাঁও, ১ মে’ ঃ** দৰঙৰ দলগাঁও সমষ্টিৰ বেছিমাৰীৰ আলিছিঙা গাঁৱৰ নিৱাসী তথা অৱসৰপ্ৰাপ্ত খণ্ড উন্নয়ন বিষয়া তছাৰফ হুছেইন (৬৭)ৰ যোৱা ৩০ এপ্ৰিলত পুৱা ছয় বজাত মঙলদৈ অসামৰিক চিকিৎসালয়ত আকস্মিক মৃত্যু হোৱাত অঞ্চলটোত শোকৰ ছাঁ পৰিছে। বিগত এবছৰ ধৰি হৃদৰোগত ভুগি আছিল হুছেইন। পুৱতি নিশা ৰোজাৰ ছেহেৰী খাই ফজৰৰ নামাজ পঢ়াৰ পাছতে অসুস্থতা অনুভৱ হোৱাত মঙলদৈলৈ চিকিৎসাৰ বাবে নিছিল যদিও তাতেই মৃত্যু হয়। ১৯৮৩তত সম্প্ৰসাৰণ বিষয়াৰূপে চাকৰিত যোগদান কৰি ২০১৫ৰ ৩০ নৱেম্বৰত লখিমপুৰ নাৰায়ণপুৰ উন্নয়ন খণ্ডৰ বিষয়াৰূপে চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল। বেছিমাৰী অঞ্চলত ক্ৰিকেট, ভলীবলৰ খেলুৱৈ হিচাপেও পৰিচিত। তেওঁৰ মৃত্যুৰ সময়ত পত্নী, পাঁচ পুত্ৰ আৰু এগৰাকী কন্যা, নাতি-নাতিনী ইহসংসাৰত এৰি যায়।

# মাজুলীৰ গড়মূৰ সত্ৰ মহিলা সমাজৰ মনোজ্ঞ অনুষ্ঠান

## ■ মৃত্যুৰ পাছত নহয়, জীৱিত কালতে শ্ৰদ্ধা জনালে সমাজৰ বাবে জীৱন বিলাই দিয়া ৩২ বয়োজ্যেষ্ঠক

**অগ্ৰদূত বাৰ্তা**

**কমলাবাৰী, ১ মে’ ঃ** জীৱশ্ৰেষ্ঠ মানৱ জীৱনৰ ক্ষণস্থায়ী সময়ছোৱাত মানৱ দৰদী বহু লোকে সমাজৰ হিতৰ বাবে বহু জনসেৱামূলক কাৰ্য সম্পাদন কৰে। দেখা যায়, তেনে সমাজহিতৈষী লোকক জীৱিত অৱস্থাত তেওঁৰ কৰ্মৰাজিৰ স্বীকৃতি দিব নিবিচাৰে। এনে দৃষ্টিভংগীৰ প্ৰতি গুৰুত্ব প্ৰদান কৰি মাজুলীৰ গড়মূৰ সত্ৰ মহিলা সমাজে চলিত বৰ্ষৰ পৰা এক ব্যতিক্ৰমী কাৰ্যসূচী হাতত লৈছে। সেই মৰ্মে যোৱা ৩০ এপ্ৰিলত গড়মূৰ বংশীগোপাল নাট্য মন্দিৰত আয়োজন কৰা এক মনোমোহা অনুষ্ঠানত গড়মূৰ সত্ৰৰ বিভিন্ন সামাজিক কাম-কাজত ওৰেটো জীৱন নিজকে বিলাই দি জীৱনৰ বিয়লি বেলাত ভৰি দিয়া ৩২ গৰাকী বয়োজ্যেষ্ঠ মহিলাক সম্বৰ্ধনা জনোৱা হয়। এই উপলক্ষে গড়মূৰ সত্ৰ মহিলা সমাজৰ সভানেত্ৰী হেমপ্ৰভা দত্তৰ সঞ্চালনাত অনুষ্ঠিত মনোজ্ঞ অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত সম্বৰ্ধিত মহিলাসকল ক্ৰমে শিল্পী পেঞ্চনাৰ তথা নাম লগোৱানী স্বৰ্ণলতা বৰুৱা, নিৰু বৰা, প্ৰেম বৰা, হেমপ্ৰভা ভূঞা, সোণেশ্বৰী ভূঞা, বিদ্যাৱতী বৰুৱা, হেমপ্ৰভা বৰুৱা, হেমদা কাকতি, কমলা বৰঠাকুৰ, সৰুমাই গায়ন, ইন্দ্ৰেশ্বৰী শইকীয়া, ৰোহিনী বৰা, পুতলী তামুলী, জেতুকী বৰা, গুণ শইকীয়া, অকন



দত্ত, কণছোৱালী দত্ত, বীনা ভূঞা, আইমানু শইকীয়া, ভোগেশ্বৰী কাকতি, মামনী ভৰালী, সোমেশ্বৰী শইকীয়া। শচী বৰা, অনিমা দত্ত, ইন্দ্ৰেশ্বৰী দত্ত, ফুল বৰুৱা, মাইনা দত্ত, দীপ্তি ভূঞা, মামণি বৰা, মাকন তামুলী, কণছোৱালী বৰা আৰু মইনী বৰঠাকুৰ। মহিলা সমাজৰ সদস্যা ইলা শৰ্মা বৰঠাকুৰে আঁত ধৰা অনুষ্ঠানত অশীতিপৰ বয়োজ্যেষ্ঠ মহিলাসকলক মানপত্ৰ, চেলেং আৰু ধৰ্মীয় পুথিৰে সম্বৰ্ধনা জনোৱা হয়। গড়মূৰ সত্ৰ মহিলা সমাজৰ সম্পাদিকা স্বপ্না কাকতিয়ে উদ্দেশ্য ব্যাখ্যা কৰা সভাখন সত্ৰৰ মহিলা সমাজৰ এটি দিহানামেৰে আৰম্ভ কৰা হয়। মনোজ্ঞ অনুষ্ঠানত গড়মূৰীয় সত্ৰাধিকাৰ পৰমানন্দ দেৱ গোস্বামীয়ে আই-মাতৃসকলৰ অৱদান সুঁৱৰি সম্বৰ্ধিত সকলোৰে দীৰ্ঘায়ু কামনা কৰে আৰু তেওঁৰ আদৰ্শৰে অনুপ্ৰাণিত হ’বলৈ বৰ্তমানৰ প্ৰজন্মক আহ্বান জনায়। সত্ৰৰ শিশু শিল্পীৰ সত্ৰীয়া নৃত্য, সোৱণশিৰি মইনা পাৰিজাতৰ মইনাসকলৰ দলীয় বিহুৰে অনুষ্ঠানত উপস্থিত সকলোকে আপ্লুত কৰে। সভাত সত্ৰৰ বৰনাম লগোৱা তথা শিল্পী পেঞ্চনাৰ জীৱন ভূঞা, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী ৰেণুমালা দত্ত, সত্ৰ পৰিচালনা সমিতিৰ সম্পাদক ৰবিন মুদৈ, প্ৰমোদ দত্ত, অৱসৰপ্ৰাপ্ত শিক্ষক ৰূপক ভূঞা, বীৰেন তামুলী, বাবুল শৰ্মা, অধ্যাপিকা প্ৰণতি বৰা মুদৈ, মঞ্জুমা ভূঞা, মামণি শৰ্মাই সম্বৰ্ধিত মহিলা সকলৰ কৰ্মৰ শলাগ লোৱাৰ লগতে দীৰ্ঘ জীৱন কামনা কৰে। হে স্বৰ্ণলতা বৰুৱা, হেমপ্ৰভা ভূঞা, বিদ্যাৱতী বৰুৱা, নিৰু বৰা আৰু প্ৰেম বৰাই অনুভৱ ব্যক্ত কৰে। শেষত শলাগৰ শৰাই সঞ্চালিকাৰ সাৰুৱা মন্তব্যৰে সভা সামৰণি পৰে।

# গৌৰীসাগৰত শিৱসাগৰ জিলা কৰ্মচাৰী পৰিষদৰ অষ্টবিংশতিতম বাৰ্ষিক অধিবেশন সমাপ্ত

**অগ্ৰদূত বাৰ্তা**

**গৌৰীসাগৰ, ১ মে’ ঃ** দুদিনীয়া কাৰ্যসুচীৰে অনুষ্ঠিত শিৱসাগৰ জিলা কৰ্মচাৰী পৰিষদৰ অষ্টবিংশতিতম বাৰ্ষিক অধিবেশনৰ লগতে গৌৰীসাগৰ আঞ্চলিক কৰ্মচাৰী পৰিষদৰ দ্বিবাৰ্ষিক অধিবেশনখন গৌৰীসাগৰত কালি অন্ত পৰে। গৌৰীসাগৰ উচ্চ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত অধিবেশনখনৰ পৰহি পুৱা জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি বিজয় কৃষ্ণ দত্তই পতাকা উত্তোলনৰে আৰম্ভ কৰাৰ পাছতে বন্তি প্ৰজ্বলন কৰে গৌৰীসাগৰ আঞ্চলিক কৰ্মচাৰী পৰিষদৰ সভাপতি সূৰ্য্য কুমাৰ দত্তই। আনহাতে, স্মৃতিতৰ্পণ কৰে অভ্যৰ্থনা সমিতিৰ সভাপতি মনজিৎ ফুকনে। তদুপৰি, বৃক্ষৰোপণ কৰে গৌৰীসাগৰ উচ্চতৰ মাধ্যমিক ইণ্ডাষ্ট্ৰীয়েল ইনষ্টিটিউটৰ অধ্যক্ষ ভুৱন চন্দ্ৰ নেওগ আৰু গৌৰীসাগৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক মুকুট ডেকা আৰু অভ্যথনা সমিতিৰ কাৰ্যকৰী সভাপতি পবিত্ৰ দাসে। ইয়াৰ পাছতে গৌৰীসাগৰ আঞ্চলিক কৰ্মচাৰী পৰিষদৰ প্ৰতিনিধি সভা আৰু বিষয় বাচনি সভা অনুষ্ঠিত হয়। শিৱসাগৰ জিলা কৰ্মচাৰী পৰিষদৰ উপদেষ্টা প্ৰমোদ গোস্বামীয়ে উদ্বোধন কৰা সভাখনত সভাপতিত্ব কৰে আঞ্চলিক কৰ্মচাৰী পৰিষদৰ সভাপতি সূৰ্য্য কুমাৰ দত্তই। আনহাতে, পৰ্যবেক্ষকৰূপে উপস্থিত থাকে জিলা কৰ্মচাৰী পৰিষদৰ সহ সম্পাদক হৰেশ দাস আৰু উপ-সভাপতি বিকাশ চলিহাই। দিনৰ দুইবজাত অনুষ্ঠিত হয় জিলা কৰ্মচাৰী পৰিষদৰ কাৰ্যনিৰ্বাহক সভা। প্ৰতিনিধিৰ শিবিৰ মুকলি কৰে জিলা কৰ্মচাৰী পৰিষদৰ প্ৰাক্তন সভাপতি কমলেশ্বৰ শইকীয়াই। পুৱা ন বজাত অনুষ্ঠিত হয় জিলা কৰ্মচাৰী পৰিষদৰ প্ৰতিনিধি সভা। প্ৰতিনিধি সভাখন উদ্বোধন কৰে সদৌ আমোলা সন্থাৰ প্ৰাক্তন সম্পাদক শৈলেন চিৰিংয়ে। দুপৰীয়াৰ পৰা অনুষ্ঠিত মুকলি সভাখনত সভাপতিত্ব কৰে জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি বিজয় কৃষ্ণ দত্তই। মুকলি সভাখন উদ্বোধন কৰে সদৌ অসম উচ্চতৰ মাধ্যমিক বিদ্যালয় শিক্ষক আৰু কৰ্মচাৰী সন্থাৰ সভাপতি হিমাদ্ৰী জ্যোতি দত্তই। জিলা কৰ্মচাৰী পৰিষদৰ সম্পাদক ভাস্কৰ বিশ্ব নাথে আঁত ধৰা সভাখনত সন্মানীয় অতিথিৰূপে অংশগ্ৰহণ কৰে শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক কমলজ্যোতি গগৈ আৰু সদৌ অসম কৰ্মচাৰী পৰিষদৰ সভাপতি প্ৰদীপ দত্তই। বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰে সদৌ অসম কৰ্মচাৰী পৰিষদৰ কৰ্ণধাৰ সমিতিৰ সদস্য ক্ৰমে পলাশ কোঁৱৰ, দিব্য দত্ত, গৌৰীসাগৰ খণ্ড উন্নয়ন বিষয়া পংকজ হাজৰিকাৰ উপৰি সদৌ অসম এ এন এম আৰু এল এইচ এছ চাৰ্ভিছ সন্থাৰ সভাপতি মীৰা হাজৰিকা, সদৌ অসম কৰ্মচাৰী পৰিষদৰ বিষয়ববীয়া গৌতম গগৈ,পবিত্ৰ সোণোৱাল, লক্ষ্যধৰ কোঁৱৰ, ত্ৰিদিপ গগৈ, প্ৰসন্ন বৰুৱা, দেবকান্ত বৰুৱা আদি।

# অতিৰিক্ত গাখীৰ সংৰক্ষণ কৰিবলৈ আহ্বান

## ■ সুৰভি ডায়েৰী ফাৰ্ম উপায়ুক্তৰ পৰিদৰ্শন

**ষ্টাফ ৰিপৰ্টাৰ**

**যোৰহাট, ১ মে’ ঃ** যোৰহাট জিলাৰ উপায়ুক্ত অশোক কুমাৰ বৰ্মনে কালি পুৱা সৰুচৰাই পৰ্বতীয়াস্থিত সুৰভি ডায়েৰী ফাৰ্ম তথা সমবায় সমিতিখনত উপস্থিত হৈ পৰিদৰ্শন কৰাৰ লগতে গো-পালকসকলৰ স’তে মত বিনিময় কৰে। উপায়ুক্তজনে ডায়েৰী ফাৰ্মখনৰ অভাৱ-সমস্যাৰ বুজ লয়। ডায়েৰী ফাৰ্মখনত কালি বিশ্ব পশু চিকিৎসা দিৱস পালন কৰে আৰু এশ গাই গৰুক টিকাকৰণ কৰা হয়। পুৰণি মাটি পশু চিকিৎসালয়ৰ চিকিৎসক ডাঃ জীবেশ কমল দাসে টিকাকৰণ কাৰ্যসূচীৰ আৰম্ভ কৰে। সমবায় সমিতিখনৰ সভাপতি অৰূপ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত সভাত পশুপালন বিভাগৰ মহকুমা বিষয়া ডাঃ ৰণজিত গগৈয়ে উদ্দেশ্য ব্যাখ্যা কৰে। জিলা পশুপালন-চিকিৎসা বিষয়া ডাঃ ভূপেন দাসে পশুধনৰ স্বাস্থ্যৰ সজাগতাৰ লগতে পশুধনৰ সম্পৰ্কে বিভিন্ন সময়ত দেখা পোৱা নিষ্ঠুৰতা প্ৰতিৰোধৰ উদ্দেশ্যেই বছৰি যোৱা ৩০ এপ্ৰিলত বিশ্ব পশুচিকিৎসা দিৱস পালন কৰা হয়



বুলি কয়। সুৰভি ডায়েৰী তথা সুৰভি সমবায় সমিতিখনৰ কাম-কাজ দেখি উপায়ুক্ত অশোক কুমাৰ বৰ্মন অভিভূত হয়। স্থানীয় গো-পালক পবিত্ৰ বৰাৰ প্ৰচেষ্টাত অঞ্চলটোৰ এশ অসমীয়া যুৱকক একত্ৰিত কৰি বৰ্তমান নিতৌ পোন্ধৰশ লিটাৰ গাখীৰ উৎপাদন কৰা সমবায়খনৰ সমস্যাৰ বুজ লয় উপায়ুক্তজনে। সমবায়খনত অসমীয়া যুৱকৰ সমন্বয়ৰ শলাগ লোৱাৰ লগতে সুৰভি আন বহুতৰ বাবে আদৰ্শ হৈ উঠক বুলি উপায়ুক্তজনে আশা প্ৰকাশ কৰে আৰু সুৰভিৰ বিষয়ববীয়াসকলৰ স’তে হোৱা বাৰ্তালাপত সমবায়খনত নিতৌ অতিৰিক্তভাৱে জমা হোৱা গাখীৰ সুন্দৰকৈ সংৰক্ষণ কৰি ৰাখিবলৈ ‘বাল্ক মিল্ক কুলিন’ নামৰ এটি যন্ত্ৰৰ উপৰি পনীৰ, ক্ৰীম, লাচী, ঘিউ আদি বনাব পৰা যন্ত্ৰৰ অতি শীঘ্ৰেই সমবায়খনলৈ দিয়াৰ আশ্বাস দিয়ে। উল্লেখ্য যে ডাঃ চাৰবাৰ চাদেৰ, ডাঃ চুবুধ কুমাৰ সিং, ডাঃ মিনাক্ষী কলিতা, ডাঃ ৰিপুঞ্জয় চক্ৰৱৰ্তী, ডাঃ ববী বৰঠাকুৰ, ডাঃ ৰস্নী ৰায়, ডাঃ পল্লৱী বৰুৱা, ডাঃ জীবেশ কমল দাস আৰু ডাঃ ৰাজীৱ ভট্টাচাৰ্যৰ উপস্থিতিত অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ চিকিৎসক ডাঃ দিলীপ চন্দ্ৰ বৰা আৰু চন্দ্ৰ কুমাৰ সিংহক সম্বৰ্ধনা জনায়।

# ছাত্ৰ-ছাত্ৰীৰ উৎকৰ্ষ সাধনৰ বাবে বিদ্যালয়ে উদ্যোগ ল’ব লাগিব

## গলিয়া প্ৰাথমিক বিদ্যালয়ত সমগ্ৰ শিক্ষাৰ সামূহিক উৎসৱ উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ১ মে’ ঃ** ‘বিদ্যালয়ত শিক্ষকে অকল ছাত্ৰ-ছাত্ৰীক পঢ়ুৱালেই নহ’ব। ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক-মানসিক বিকাশৰ উৎকৰ্ষ সাধনৰ বাবে বিদ্যালয়ে উদ্যোগ ল’ব লাগিব।’ সমগ্ৰ শিক্ষা নলবাৰীৰ সৌজন্যত আৰু ঘগ্ৰাপাৰস্থিত বড়িগোগ বনভাগ শিক্ষা খণ্ডৰ অন্তৰ্গত গলিয়া প্ৰাথমিক বিদ্যালয় প্ৰাংগণত দুই নম্বৰ ঘগ্ৰাপাৰ মণ্ডল সমল কেন্দ্ৰৰ সৌজন্যত কালি সামূহিক উৎসৱৰ স’তে সংগতি ৰাখি প্ৰকাশ কৰা প্ৰাচীৰ পত্ৰিকা ‘আলোক’ উন্মোচন কৰি এইদৰে কয় কামৰূপ জিলাৰ প্ৰাথমিক শিক্ষা বিষয়া অপূৰ্ব ঠাকুৰীয়াই। সামূহিক উৎসৱ উপলক্ষে বিদ্যালয় প্ৰাংগণত পুৱা পতাকা উত্তোলন কৰে গলিয়া গাঁও উন্নয়ন সমিতিৰ সভাপতি



গোলাপ তালুকদাৰে। আনহাতে, বন্তি প্ৰজ্বলন কৰে সম্পাদক ৰবীন্দ্ৰ নাথ কলিতাই। তদুপৰি গছ পুলি ৰোপণ কৰে গাঁও প্ৰধান সত্য বেজবৰুৱাই। তদুপৰি গ্ৰন্থ শোভাযাত্ৰা মুকলি কৰি বনভাগ কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষ যোগেন্দ্ৰ কলিতাই কয়, ‘গ্ৰন্থ হ’ল নিঃসংগতাৰ প্ৰতীক। অৱশ্যে ইয়াৰ বাবে এটা পৰিৱেশ গঢ়ি তুলিব লাগিব।’ তাৰ পাছতে প্ৰদৰ্শনী দ্বাৰ উন্মোচন কৰে সাংবাদিক বীৰেন কলিতাই। তেওঁ পৰম্পৰাগতভাৱে চলি অহা গ্ৰামাঞ্চলৰ কাঠ বাঁহৰ তৈয়াৰী বিভিন্ন সামগ্ৰী শিশুসকলক অৱগত কৰিব লাগে অভিভাৱকসকলে। নহ’লে হেৰাই যাব আমাৰ ইতিহাস। দুপৰীয়া অনুষ্ঠানটোৰ ৰমেন তালুকদাৰে আঁত ধৰে। সামূহিক উৎসৱৰ উদ্দেশ্য ব্যাখ্যা কৰে গলিয়া প্ৰাথমিক বিদ্যালয়ৰ কৃতী প্ৰধান শিক্ষক তথা সচিব গিৰীন্দ্ৰ কাশ্যপে। মুকলি তথা বঁটা বিতৰণী সভাত দুই নম্বৰ ঘগ্ৰাপাৰ মণ্ডল সমল কেন্দ্ৰৰ সভাপতি তথা সমন্বয়ক নৱ ভট্টই কবিতা পাঠ কৰে। অনুষ্ঠানত নিমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকি ভাষণ দিয়ে টাটা ট্ৰাষ্টৰ আঁচনি প্ৰৱন্ধক কন্দৰ্প কলিতাই। গ্ৰাম্য বিকাশ মঞ্চৰ সভাপতি পৃথ্বিভূষণ ডেকাই ব্যক্তিগত আৰু চৰকাৰী খণ্ডৰ স্কুলৰ মানৰ তুলনামূলক তথ্য ব্যাখ্যা কৰে। সমাজসেৱী ধৰিত্ৰী ডেকাই ছাত্ৰ-ছাত্ৰী অভিভাৱকৰ কৰ্তব্য সম্পৰ্কে ব্যাখ্যা কৰে। উক্ত সভাত ঘগ্ৰাপাৰ হাইস্কুলৰ প্ৰধান শিক্ষক নাথুৰাম তালুকদাৰে ভাষণ আগবঢ়ায়।

# নগাবাটত ৰঙালী বিহু সন্মিলনৰ আয়োজন

**বিশেষ সংবাদদাতা**

**নগাবাট, ১ মে’ ঃ** অহা সাত মে’ত নগাবাট মুক্তিনগৰ ষ্টেডিয়ামত ৰাইডাংজুৰি-বেকাজান কেন্দ্ৰীয় ৰঙালী বিহু উদ্‌যাপন সমিতিৰ উদ্যোগত আৰু নগাবাট সমন্বয় যুৱ মঞ্চৰ সহযোগত এদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে পঞ্চদশ বাৰ্ষিক ৰঙালী বিহু সন্মিলনৰ আয়োজন কৰা হৈছে। উক্ত দিনা পুৱা পৰিৱেশ নিকাকৰণ, স্মৃতি তৰ্পণৰ পাছতে জেং বিহু, হুঁচৰি প্ৰদৰ্শন, সৰু বিহুৱতী, সৃজনশীল নৃত্য, ৰচীটনা, টেকেলি ভঙা, আৰু বিভিন্ন শৈক্ষিক প্ৰতিযোগিতা অনুষ্ঠিত হয়। সন্ধিয়ালৈ আছে আমন্ত্ৰিত শিল্পীৰ দ্বাৰা সাংস্কৃতিক সন্ধিয়া।

# এছবিআইৰ শাখাত নাই পৰ্যাপ্ত কৰ্মচাৰী

## দুৰ্বল আন্তঃগাঁথনি ঃ আজাৰাত বেংক গ্ৰাহকৰ হাহাকাৰ

**অগ্ৰদূত বাৰ্তা**

**আজাৰা, ১ মে’ ঃ** আজাৰা অঞ্চলৰ ভিআইপি চ’কত থকা এছবিআইৰ বিমানকোঠৰ শাখাটোৰ প্ৰতি বেংকৰ ঊৰ্ধ্বতন কৰ্তৃপক্ষই কোনো ধৰণৰ গুৰুত্ব নিদিয়াৰ অভিযোগ তুলিছে বেংকৰ গ্ৰাহকসকলে। বেংকটোৰ দুৰ্বল আন্তঃগাঁথনি আৰু বিভাগীয় অৱহেলাৰ বাবে গ্ৰাহকসকলে অশেষ কষ্ট স্বীকাৰ কৰিবলগীয়া হৈছে। উল্লেখ্য যে ভিআইপি চ’কত থকা ষ্টেট বেংক অৱ ইণ্ডিয়াৰ বিমানকোঠৰ শাখাটোত আজাৰা, কাঁহিকুছি, ভিআইপি, ৰাইবৰী আদি কৰি বৃহত্তৰ অঞ্চলৰ অসংখ্য গ্ৰাহক আছে। ইয়াৰ উপৰি গুৱাহাটী বৰঝাৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানকোঠ, এমইএছ, বায়ু সেনা বাহিনী, বিএছএফ, বিভিন্ন চৰকাৰী-বেচৰকাৰী বিভাগৰ বিষয়া-কৰ্মচাৰী, বিভিন্ন বিদ্যালয়-মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰ একাউণ্ট এছবিআইৰ উক্ত বিমানকোঠৰ শাখাটোত একাউণ্ট আছে। পিছে বেংকটোৰ গ্ৰাহক অনুপাতে কৰ্মচাৰী নথকাৰ ফলত বেংকৰ গ্ৰাহকসকলে সাধাৰণ এটা কামৰ বাবেই দিনৰ দিনটো বোন্দাপৰ দি থাকিবলগীয়া হয়। বিশেষকৈ বেংকত টকা জমা কৰা কিম্বা উলিওৱাৰ ক্ষেত্ৰত মাথোঁ এটা কাউণ্টাৰ থকাত গ্ৰাহকসকলে কে’বা ঘণ্টা অপেক্ষা কৰিবলগীয়া হয়। অথচ বেংকৰ কাৰ্যালয়টোত ছটাকৈ কাউণ্টাৰ আছে। ইয়াৰে কে’বাগৰাকী কৰ্মচাৰী ইতিমধ্যে চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰিছে। ইয়াৰ বিপৰীতে উক্ত পথসমূহ পূৰ্ণ নকৰাত কৰ্মচাৰীৰ সংখ্যা একেবাৰে কমি গৈছে। আনহাতে, বেংকটোৰ কাৰ্যালয়লৈ অহা জ্যেষ্ঠ নাগৰিকসকল যথেষ্ট অসুবিধাৰ সন্মুখীন হ’বলগীয়া হৈছে। কিয়নো কাৰ্যালয়টোত জ্যেষ্ঠ নাগৰিকসকলৰ বাবে সুকীয়া কোনো ব্যৱস্থা নাই। যাৰ ফলত একেটা কাউণ্টাৰতে সকলোৰে ধন জমা কিম্বা উলিয়াবলগীয়া হয়। এনে ক্ষেত্ৰত জ্যেষ্ঠ নাগৰিকসকলেও বহু সময় অপেক্ষা কৰিবলগীয়া হয়। এই ক্ষেত্ৰত এছবিআইৰ ঊৰ্ধ্বতন কৰ্তৃপক্ষক শীঘ্ৰে বিমানকোঠৰ শাখাটোৰ পৰ্যাপ্ত কৰ্মচাৰীৰ ব্যৱস্থা কৰাৰ লগতে জ্যেষ্ঠ নাগৰিকসকলৰ বাবে সুকীয়া কাউণ্টাৰ স্থাপন কৰিবলৈ গ্ৰাহকসকলে দাবী জনাইছে।

# চকলাঘাট খাটোৱালৰ একমাত্ৰ হালোৱাজনৰো বলধহাল নিলে চোৰে

**অগ্ৰদূত বাৰ্তা**

**বেবেজীয়া, ১ মে’ ঃ** নগাঁও জিলাৰ জাজৰি আৰক্ষী থানাৰ অন্তৰ্গত প্ৰায়বোৰ অঞ্চলতে দীৰ্ঘদিনৰে পৰা ধাৰাবাহিক গৰু চোৰৰ উৎপাত অব্যাহত আছে। প্ৰায় প্ৰতিটো সপ্তাহতে ক’ৰবাত নহয় ক’ৰবাত গৰু চোৰৰ লগতে ধৰ্মীয় উপাসনাস্থলী আৰু অনুষ্ঠানত চোৰৰ লুটপাট চলি থকাৰ মাজতে যোৱা ২৯ এপ্ৰিলৰ নিশা চকলাঘাটৰ নতুন খাটোৱাল গাঁৱৰ একমাত্ৰ হালোৱাজনৰো বলধ গৰুহাল গোহালিৰ পৰাই চোৰে লৈ যায়। বৃহত্তৰ অঞ্চলটোৰ এজন ভাল খেতিয়কৰূপে পৰিচিত তথা নতুন খাটোৱাল গাঁৱৰ একমাত্ৰ গৰুৰে হাল বাই খেতি কৰি অহা ফণীধৰ বৰাৰ এতিয়া মূৰে-কপালে হাত দিবলগীয়া অৱস্থা হৈছে। গোহালিৰ বলধ হালকেই সম্বল কৰি ফণীধৰ বৰাই ধান খেতিকে ধৰি বছৰৰ প্ৰতিটো খেতিয়েই নিজে হালবাই খেতি-বাতি এৰা অসমীয়া মানুহৰ মাজত এক আদৰ্শ স্বৰূপ হৈ আছিল। পথাৰৰ দ’ মাটিত ৰোপণৰ বাবে কেইদিনমানৰ পাছতে ধানৰ কঠীয়া পাৰিবলৈ যো-জা চলাই থাকোতেই চোৰে তেওঁৰ খেতি কৰাৰ মূল সম্বল গৰু হালকেই লৈ গ’ল। কৃষক বৰাই বৰ আপডাল কৰি ৰখা বলধ হালৰ এতিয়াৰ বজাৰ মূল্য প্ৰায় ৮০ হেজাৰ মান টকা হ’ব। জাজৰি আৰক্ষী আৰু গাঁওৰক্ষী বাহিনীৰ নিষ্ক্ৰিয়তাৰ বাবেই চোৰৰ টিঘিল-ঘিলনি বৃদ্ধি পাই আহিছে বুলি সচেতন ৰাইজে অভিযোগ কৰিছে।

## জাজৰি আৰক্ষী-গাঁওৰক্ষী বাহিনীৰ নিষ্ক্ৰিয়তাৰ অভিযোগ

# গোগামুখত বিধ্বস্ত পথে জীয়াতু ভোগাইছে

## ■ নাই দলং, নাৱেৰে স্কুললৈ অহা-যোৱা ছাত্ৰ-ছাত্ৰীৰ

**গোগামুখ, ১ মে’ ঃ** বৰ্তমান দিনত চৰকাৰৰ উন্নয়নৰ স্বৰূপ, ৰাস্তা-ঘাট উন্নয়নৰ ঢোল বজাই থকাৰ দিনতো আজি লৈকে ৰাস্তাৰ উন্নয়নৰ মুখ দেখি নাপালে বহু গাঁঞাবাসী ৰাইজে। বৰ্তমান দিনত গাঁৱৰ বাট-পথৰ ব্যাপক পৰিৱৰ্তন হৈছে কিন্তু ধেমাজি জিলাৰ গোগামুখ মণ্ডলৰ অন্তৰ্গত লালুকীয়া আৰু বালি চাপৰিবাসীয়ে বাট-পথৰ একো পৰিৱৰ্তন দেখা নাপালে। উল্লেখনীয় কথা যে অসম চৰকাৰৰ শিক্ষা বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৰ সমষ্টি বেতনিহোলাৰ পৰা লালুকীয়া, বালিচাপৰি হৈ পেহীয়তি, ঘিলামৰ লৈ যোৱা পথটিয়ে দুৰ্ভোগ ভোগাইছে স্থানীয় গাঁওবাসী ৰাইজক। এই পথটিৰে মানুহ অহা-যোৱা কৰোতো একবাৰে অনুপযোগী যিহেতু এজাক বৰষুণৰ ফলত এই ৰাস্তা বহু পিছল আৰু বোকাৰে ভৰি পৰে। যাৰ ফলত ইয়াত গাড়ী মটৰ যাতায়াত একেবাৰে বন্ধ বহু কষ্ট কৰি জীৱন নিৰ্বাহ কৰিব লগা হয় এই গাঁঞাবাসী ৰাইজে। এই গাঁওকেইখনৰ কণ কণ ল’ৰা-ছোৱালী বা ছাত্ৰ-ছাত্ৰীসকলে স্কুল, কলেজলৈ অহা-যোৱা কৰাত যথেষ্ট অসুবিধাৰ সন্মুখীন হয়। আটাইতকৈ ডাঙৰ বিষয় যে এইগোটেই কেইখন গাঁৱক সাঙুৰি জীয়াধল নদীৰ সিপাৰে অৱস্থিত গুৰঠালি উচ্চ মাধ্যমিক বিদ্যালয়। এই বিদ্যালয়তে শিক্ষাগ্ৰহণ কৰে উল্লেখিত গাঁৱৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকে বিদ্যালয়লৈ অহা-যোৱা কৰোতে খৰালি কালত বাঁহৰ সাঁকো আৰু বাৰিষাকালত মৰণপণদি নাৱেৰে যাতায়াত কৰা পৰিলক্ষিত হয়। আজিৰ দিনতো তেওঁলোকে কিমান কষ্টকৰ জীৱন অতিবাহিত কৰিবলগীয়া অৱস্থাৰ সৃষ্টি হৈছে। গতিকে উক্ত পথটো মেৰামতিৰে উপযুক্ত কৰিবৰ বাবে স্থানীয় মন্ত্ৰী ডাঃ পেগুক দাবী জনায় গঞাবাসী ৰাইজে।



# দোতমাত বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ স্মৃতি দিৱস পালন

**অগ্ৰদূত বাৰ্তা**

**চিথিলা, ১ মে’ ঃ** বড়ো জনগোষ্ঠীৰ পিতৃস্বৰূপ তথা নিখিল বড়ো ছাত্ৰ সন্থা (এবছু)ৰ প্ৰতিষ্ঠাপক সভাপতি বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ আজি ৩২ সংখ্যক মুত্যু দিৱস। এই উদ্দেশ্যে দোতমাৰ থুলুংকাপুৰীত এবছুৰ উদ্যোগত বড়োফা দিৱস কেন্দ্ৰীয়ভাৱে পালন কৰে। অনুষ্ঠানৰ লগত সংগতি ৰাখি পুৱা এবছুৰ সভাপতি দ্বীপেন বড়োৱে পতাকা উত্তোলনৰে কাৰ্যসূচী মুকলি কৰে। ইয়াৰ লগতে বড়োফাৰ সমাধিক্ষেত্ৰ আৰু প্ৰতিমূৰ্তিত পুষ্পাঞ্জলি অৰ্পণ কৰা হয়। তাৰ উপৰি বড়োফাৰ আদৰ্শক জীয়াই ৰখাৰ উদ্দেশ্যৰে এক সমদলও উলিয়ায়। অনুষ্ঠানত উপস্থিত থাকে অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম আৰু বিধায়ক জিৰণ বসুমতাৰীৰ লগতে অঞ্চলটোৰ বিশিষ্ট ব্যক্তি আৰু বিভিন্ন বিদ্যালয়ৰ শিক্ষাৰ্থীসকল উপস্থিত থাকে।

■ শিক্ষকৰ মেধাৰ তালিকাৰ পৰা বঞ্চিত ■ আদালতৰ দ্বাৰস্থ হোৱাৰ হুংকাৰ বঞ্চিতৰ

# টে'টৰ তালিকা প্ৰকাশত বিসংগতিৰ অভিযোগ




খুমটাইৰ শাওঁতলী গৰডাত শ্ৰমিক দিৱস পালন, দেওবাৰে।

অগ্ৰদূত বাৰ্তা

**সোণতলী, ১ মে' ঃ** অসম চৰকাৰে টে'ট পৰীক্ষা অনুষ্ঠিত কৰি শিক্ষা বিভাগত মেধা সম্পন্ন প্ৰাৰ্থী নিযুক্তি দিয়াৰ উদ্দেশ্যে অলপতে হৈ যোৱা মেধা সম্পন্ন টে'ট উত্তীৰ্ণ প্ৰাৰ্থীৰ তালিকাৰ বিজ্ঞাপন নম্বৰ অনুসৰি এ নম্বৰ ইএ/ এছআইডি/১২৫/ ২০২১/পিটি-১/৩৯ ছেপ্টেম্বৰ ১৮-২০২১ত তালিকা প্ৰকাশ পায়। তাৰ পাছত প্ৰাথমিক শিক্ষা সঞ্চালকালয়ৰ কাহিলিপাৰাস্থিত প্ৰাথমিক শিক্ষা বিভাগে যোৱা ২১ মাৰ্চত এই তালিকা পুনৰীক্ষণ কৰিবলৈ এখনি জাননী জাৰি কৰে। লগতে ২৮ মাৰ্চত মেধা সম্পন্ন প্ৰাৰ্থীৰ নথিপত্ৰ পুনৰীক্ষণ কৰি বিভাগীয় কৰ্তৃপক্ষই যাৱতীয় তথ্য পাতি শুদ্ধ বুলি ঘোষণা কৰে। ইয়াৰ পাছতে ১৩/০৪/২২ অস্থায়ী মেধাৰ দ্বিতীয় তালিকা প্ৰকাশ পায়। লক্ষণীয় যে প্ৰথম তালিকাত প্ৰকাশ হোৱা মেধা সম্পন্ন প্ৰাৰ্থীৰ নাম দ্বিতীয় তালিকাত প্ৰকাশ পোৱাৰ পৰিবৰ্তে একাংশ অযোগ্য প্ৰাৰ্থীৰ নাম তালিকাত অন্তৰ্ভুক্ত হয়। ইয়াকে লৈ প্ৰথম তালিকাত প্ৰকাশ পোৱা মেধা সম্পন্ন প্ৰাৰ্থীসকলে বিসংগতিপূৰ্ণ তালিকা সন্দৰ্ভত শিক্ষা সঞ্চালকালয়লৈ যোৱা ১৮ এপ্ৰিলত আবেদন জনায়। উক্ত আবেদনৰ ওপৰত বিভাগে কোনোধৰণৰ গুৰুত্ব নিদি ২৭ এপ্ৰিলত শিক্ষা বিভাগে তৃতীয় তালিকা প্ৰকাশ কৰে। তৃতীয় তালিকাতো মেধা সম্পন্ন প্ৰাৰ্থীৰ নাম অন্তৰ্ভুক্ত নোহোৱাত মেধা সম্পূৰ্ণ প্ৰাৰ্থীসকলে ৩০ এপ্ৰিলত শিক্ষা আয়ুক্তলৈ এই মেধা সম্পন্ন প্ৰাৰ্থীৰ নাম অন্তৰ্ভুক্ত কৰিবলৈ আৰু বিসংগতি পূৰ্ণ তালিকা শুধৰাবলৈ আবেদন জনায়। এই লৈ ন্যায় বিচাৰি আদালতত দ্বাৰস্থ হোৱাৰ হুংকাৰ দিয়াৰ লগতে মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ বিচাৰিছে, বঞ্চিত প্ৰাৰ্থীসকলে।

## নগাঁৱৰ নৱৰূপ জাতীয় বিদ্যাপীঠত মত বিনিময়

বিশেষ সংবাদদাতা

**নগাঁও, ১ মে' ঃ** নগাঁও চহৰৰ পানীগাঁও শিৱনগৰস্থিত অসমীয়া মাধ্যমৰ অগ্ৰণী শিক্ষানুষ্ঠান নৱৰূপ জাতীয় বিদ্যাপীঠত আয়োজিত এক অনুষ্ঠানত বিশিষ্ট গণিতজ্ঞ তথা প্ৰথম অসমীয়া ৰেংলাৰ ড° অনুপম শইকীয়াই বিদ্যালয়খনৰ শিক্ষাৰ্থীসকলৰ লগত মতবিনিময় কৰে। বিদ্যালয়খনৰ বিষ্ণু জ্যোতি চৌধুৰী মাধৱ কন্দলি প্ৰেক্ষাগৃহত অনুষ্ঠিত মতবিনিময় অনুষ্ঠানৰ প্ৰাৰম্ভণিতে আদৰণি ভাষণ প্ৰদান কৰে কমল শইকীয়াই। নৱৰূপ জাতীয় বিদ্যাপীঠৰ বিশিষ্ট ব্যক্তিৰে অন্তৰংগ কথোপকথন অনুষ্ঠানত কেমব্ৰিজ বিশ্ববিদ্যালয়ৰ ট্ৰিনিটি মহাবিদ্যালয়ত অধ্যয়ন কৰা ড° অনুপম শইকীয়া অসমৰ পৰা প্ৰথম ৰেংগলাৰৰ বিৰল সন্মানেৰে সন্মানিত একমাত্ৰ গৱেষক ছাত্ৰ। সংখ্যাতত্ত্বত গৱেষণা সমাপ্ত কৰি গণিতজ্ঞ ড° শইকীয়াই ইউৰোপৰ বিভিন্ন বিশ্ববিদ্যালয়ত অধ্যাপনা কৰি মুম্বাই প্ৰযুক্তি প্ৰতিষ্ঠানত চাকৰি কৰাৰ অন্তত ২০০৫ৰ পৰা গুৱাহাটী প্ৰযুক্তি প্ৰতিষ্ঠানত অধ্যাপনা কৰি আছে। নৱৰূপ জাতীয় বিদ্যাপীঠৰ আমন্ত্ৰণ ৰক্ষা কৰি যোৱা ৩০ এপ্ৰিলত প্ৰায় তিনি ঘণ্টা সময় ছাত্ৰ-ছাত্ৰীসকলৰ সন্মুখত লৈ 'গাণিতিক অভিজ্ঞতাৰ মনোগ্ৰাহী কথাবোৰ কোৱাৰ লগতে উপস্থিত ছাত্ৰ-ছাত্ৰীৰ অনেক প্ৰশ্নৰ উত্তৰ দিয়ে। ভাষণ প্ৰসংগত ড° শইকীয়াই কয় যে গণিতৰ ১৩ পৃষ্ঠাত চাওক

## শৰৎ চন্দ্ৰ গোস্বামীৰ ওপজা দিনত স্বদেশ-স্বাভিমান আয়োজন

অগ্ৰদূত বাৰ্তা

**চিনামৰা, ১ মে' ঃ** অসম সাহিত্য সভাৰ গুৰি ধৰোতা শৰৎ চন্দ্ৰ গোস্বামীৰ ওপজা দিনৰ স'তে সংগতি ৰাখি অহা ১২ মে'ত যোৰহাট সাহিত্য সভাই এখনি 'প্ৰশ্নোত্তৰ প্ৰতিযোগিতা' আৰু 'স্বদেশ স্বাভিমান' অনুষ্ঠানৰ আয়োজন কৰিছে। অষ্টম আৰু নৱম শ্ৰেণীত অধ্যয়নৰত শিক্ষাৰ্থীৰ মাজত অনুষ্ঠিত হ'ব লগা প্ৰশ্নোত্তৰ প্ৰতিযোগিতাত এখন বিদ্যালয়ৰ পৰা দুটাকৈ দলে অংশগ্ৰহণ কৰিব পাৰিব আৰু প্ৰতিটো দলত দুজন প্ৰতিযোগী থাকিব পাৰিব। প্ৰতিযোগী দলসমূহে হাৰ্ডব'ৰ্ড লৈ আনিব লাগিব। অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয়ৰ দানবীৰ ৰাধাকান্ত সন্দিকৈ ভৱনত পুৱা ১০ বজাৰ পৰা আৰম্ভ হ'ব লগা প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব খোজা ইচ্ছুক প্ৰতিযোগীসকলে বিদ্যালয় প্ৰধানৰ জৰিয়তে ১০ মে'ৰ ভিতৰত উদ্যোক্তাসকলৰ স'তে যোগাযোগ কৰিব পাৰিব। প্ৰতিযোগিতাৰ শেষত যোৰহাট সাহিত্য সভাৰ সভাপতি ড° দিপালী খাৰঘৰীয়াৰ সঞ্চালনাত অনুষ্ঠিত হ'ব লগা অসম সাহিত্য সভাৰ অন্যতম অনুষ্ঠান 'স্বদেশ স্বাভিমান' শীৰ্ষক কাৰ্যসূচীত বিজয়ী প্ৰতিযোগীসকলক পুৰস্কাৰ প্ৰদান কৰা হ'ব। উল্লেখ্য যে 'স্বদেশ স্বাভিমান' অনুষ্ঠানত বহু কেইগৰাকী নিৰ্বাচিত শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰি 'শৰৎ চন্দ্ৰ গোস্বামীৰ সাহিত্য কৃতি, অসম সাহিত্য সভা আৰু নৱ প্ৰজন্ম, ঐতিহ্য ভৱন চন্দ্ৰকান্ত সন্দিকৈ ভৱন, অসমীয়া ভাষাৰ সংকট আৰু প্ৰত্যাহ্বান আদি শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰিব। সবিশেষ জানিবৰ বাবে ৭৬৩৬৮২২৯৮৫ নম্বৰত যোগাযোগ কৰিবৰ বাবে সভাৰ সম্পাদক অজন্ত কুমাৰ বৰাই অনুৰোধ জনাইছে।

## বিধায়কৰ হেমাহিত এবছৰে স্তব্ধ আমগুৰি সমষ্টিৰ সামগ্ৰিক উন্নয়ন

**ঐতিহাসিক নগা আলি জহি-খহি যোৱাত অচল স্বাভাৱিক জনজীৱন**

অগ্ৰদূত বাৰ্তা

**গৌৰীসাগৰ, ১ মে' ঃ** শিৱসাগৰ জিলাৰ ১০৩ নম্বৰ আমগুৰি সমষ্টিৰ সামগ্ৰিক উন্নয়ন স্থবিৰ হৈছে। উন্নয়ন তথা মেৰামতিৰ অভাৱত এফালৰ পৰা জহি খহি গৈছে সমষ্টিটোৰ অধিক সংখ্যক গুৰুত্বপূৰ্ণ পথ। সমষ্টিটোৰ অন্তৰ্গত ঐতিহাসিক নগা আলি জৰাজীৰ্ণ অৱস্থা এনে এটা পৰ্যায় পাইছেগৈ যে বৰষুণ দিলেই কোনো লোক এই পথেৰে অহা যোৱা কৰিব নোৱাৰে। দীৰ্ঘদিনীয়া অৱহেলা অনাদৰৰ পৰিণতিত জহি-খহি যোৱা পথটোৰ অস্তিত্বলৈও সম্প্ৰতি চৰম ভাবুকি নামি আহিছে। উল্লেখ্য যে গৌৰীসাগৰৰ নামদাং শিলৰ সাঁকোৰ সমীপৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় পথ আৰু আমগুৰিৰ ধোদৰ আলি সংযোগী পথটোৰ দৈৰ্ঘ্য প্ৰায় ২২ কিলোমিটাৰ। সমষ্টিটোৰ পথ



যোগাযোগৰ অন্যতম ৰাজহাড় স্বৰূপ এই পথটোৰ অবিহনে সমষ্টিবাসীৰ কোনো যাত্ৰাই সম্পূৰ্ণ নহয়। কিয়নো এই পথেৰে ৰাইজ বিভিন্ন অঞ্চললৈ যাব পৰাৰ পূৰ্ণ সুবিধা থকাৰ পাছতো বিভাগীয় গড়কাপ্তানী পথ সংমণ্ডল বিভাগটোৰ অৱহেলা আৰু স্থানীয় বিধায়ক প্ৰদীপ হাজৰিকাৰ অমনোযোগিতাৰ বাবেই সম্প্ৰতি পথটো যাতায়াতৰ বাবে অনুপযোগী হৈছে। যোৱা ১৩ পৃষ্ঠাত চাওক

## পাঠদান আৰম্ভৰ পূৰ্বেই বিধ্বস্ত ৰূপ লৈছে বিদ্যালয় গৃহই

**কলিয়াবৰত চাহ বাগিচাৰ আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ নামত লুণ্ঠনৰ অভিযোগ**

অগ্ৰদূত বাৰ্তা

**কলিয়াবৰ, ১ মে' ঃ** কলিয়াবৰত পাঠদান আৰম্ভণিৰ পূৰ্বেই বিধ্বস্ত ৰূপ লৈছে চাহ শ্ৰমিকৰ সন্তানক উচ্চশিক্ষা প্ৰদানৰ বাবে ৰাজ্য চৰকাৰে স্থাপন কৰা তিনিখনকৈ আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ে। ৰাজ্য চৰকাৰে চাহ শ্ৰমিকসকলৰ পুত্ৰ-কন্যাক উচ্চ শিক্ষা দিয়াৰ উদ্দেশ্যে চাহ জনজাতি অধ্যুষিত অঞ্চলসমূহত নিৰ্মাণৰ সিদ্ধান্ত লৈছিল একোখনকৈ আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়। সেই মতেই আৰম্ভ হৈছিল বিদ্যালয়ৰ নিৰ্মাণৰ কাম-কাজ। ইতিমধ্যেই সম্পূৰ্ণ হৈ উঠিছিল নিৰ্মাণৰ কাম। কিন্তু কলিয়াবৰত বিদ্যালয়সমূহৰ পাঠদান আৰম্ভ হোৱাৰ পূৰ্বেই জহি-খহি বিধ্বস্ত ৰূপ লোৱা পৰিলক্ষিত হৈছে। এক কথাত চাহ বাগিচাত আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় নিৰ্মাণৰ নামত চলিছে ব্যাপক লুণ্ঠনৰাজ। চাহ বাগিচাত আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় নিৰ্মাণৰ নামত ব্যাপক লুণ্ঠন চলিছে। নতুনকৈ আৰম্ভিত বিদ্যালয়ৰ কাম অতি নিম্নমানেৰে নিৰ্মাণ কৰা পৰিলক্ষিত হোৱাত এতিয়া এইসকল ঠিকাদাৰৰ বিৰুদ্ধে গৰজি উঠিছে স্থানীয় ৰাইজ। স্থানীয় ৰাইজৰ লগতে চাহ বাগিচা অধ্যুষিত অঞ্চলত ব্যাপক কেলেংকাৰিৰ অভিযোগ তুলিছে আদিবাসী ছাত্ৰ সংগঠন চমুকৈ

## প্ৰৱেশ পৰীক্ষাৰ পৰা বঞ্চিত নাহৰকটীয়াৰ প্ৰাথমিক বিদ্যালয়

অগ্ৰদূত বাৰ্তা

**নাহৰকটীয়া, ১ মে' ঃ** ডিব্ৰুগড় জিলাৰ মৰাণস্থিত জৱাহৰ নৱোদয় বিদ্যালয়ত নামভৰ্তিৰ যোৱা ৩০ এপ্ৰিলত অনুষ্ঠিত হয় প্ৰৱেশ পৰীক্ষা। জিলাখনৰ কে'বাটাও কেন্দ্ৰৰ লগতে নাহৰকটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়তো দিনৰ ১১ বজাৰ পৰা অনুষ্ঠিত হয় এই প্ৰৱেশ পৰীক্ষা। কিন্তু জৱাহৰ নৱোদয় বিদ্যালয়ৰ প্ৰৱেশ পৰীক্ষাৰ পৰা বঞ্চিত হ'ল নাহৰকটীয়াৰ এখন আগশাৰীৰ প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল। নাহৰকটীয়া টাউন প্ৰাথমিক বিদ্যালয়ৰ ৩৫ গৰাকীকৈ ছাত্ৰ-ছাত্ৰী বঞ্চিত হ'ব লগা হ'ল এই প্ৰৱেশ পৰীক্ষাত বহাৰ পৰা। অভিযোগ অনুসৰি চলিত বৰ্ষৰ জানুৱাৰীত নাহৰকটীয়া টাউন প্ৰাথমিক বিদ্যালয়ৰ পৰা সৰু খেৰেমীয়া মজলীয়া বিদ্যালয়ৰ সহকাৰী শিক্ষক, নামৰূপ শিক্ষা মণ্ডলৰ সমন্বয়ক ঈশ্বৰ চন্দ্ৰ দাসে ছাত্ৰ-ছাত্ৰীসকলৰ সম্পূৰ্ণ নথিপত্ৰসমূহ সংগ্ৰহ কৰি মৰাণস্থিত জৱাহৰ নৱোদয় বিদ্যালয়ত জমা দিবলৈ লৈ গৈছিল। কিন্তু অতি পৰিতাপৰ কথা পৰীক্ষা অনুষ্ঠিত হোৱাৰ আগমুহূৰ্ত পৰ্যন্ত এই ছাত্ৰ-ছাত্ৰীসকলে পৰীক্ষা দিবৰ বাবে প্ৰৱেশ পত্ৰ নাপালে। ইয়াকে কেন্দ্ৰ কৰি ক্ষুব্ধ হৈ পৰে বিদ্যালয়খনৰ প্ৰধান শিক্ষকৰ লগতে ভুক্তভোগী ছাত্ৰ-ছাত্ৰীসকলৰ অভিভাৱকসকল। বিষয়টোৰ সম্পৰ্কত বিদ্যালয়খনৰ প্ৰধান শিক্ষকে ঈশ্বৰ দাসক সাক্ষাৎ কৰাত তেওঁ সকলো নথিপত্ৰ জৱাহৰ নৱোদয়ত জমা দিয়া বুলি মৌখিকভাৱে জনায়। আনহাতে, নৱোদয় কৰ্তৃপক্ষই কোনো নথিপত্ৰ পোৱা নাই বুলি জানিবলৈ দিয়ে। ছাত্ৰ-ছাত্ৰীসকলৰ জীৱনক লৈ হেতালি খেলা কাৰ্যক তীব্ৰ ভাষাৰে গৰিহণা দিছে সচেতন মহলে। কাৰ গাফিলতিৰ বাবে এই ছাত্ৰ-ছাত্ৰীসকল জৱাহৰ নৱোদয় বিদ্যালয়ৰ প্ৰৱেশ পৰীক্ষাত বহাৰ পৰা বঞ্চিত হ'ল অতিশীঘ্ৰে সমগ্ৰ বিষয়টো তদন্ত কৰি দোষীক উচিত শাস্তি প্ৰদান কৰাৰ দাবী জনাইছে অভিভাৱকসকলৰ লগতে নাহৰকটীয়া টাউন প্ৰাথমিক বিদ্যালয় কৰ্তৃপক্ষই।

## পুৰণিগুদামত চোৰৰ চাফাই অভিযান

অগ্ৰদূত বাৰ্তা

**চামগুৰি, ১ মে' ঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অধীনৰ দুটাকৈ স্থানত ২৯ এপ্ৰিলৰ নিশা চোৰে লুটপাট চলায়। পুৰণিগুদামৰ আগশাৰীৰ নাৰী শিক্ষাৰ প্ৰতিষ্ঠান পুৰণিগুদাম বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ত নিশা চোৰে দুটাকৈ পানী মটৰ, কে'বাখনো চিলিং ফেন, যাৱতীয় সামগ্ৰীসহ কে'বাখনো চকী লুট কৰি নিয়ে। ৩৭ নম্বৰ ৰাষ্ট্ৰীয় পথৰ গাতে লাগি থকা বিদ্যালয়খনত ১৩ পৃষ্ঠাত চাওক

## বঙাইগাঁৱৰ সৃজনগ্ৰামত শ্ৰীশ্ৰীকালী পূজা সম্পন্ন

অগ্ৰদূত বাৰ্তা

**অভয়াপুৰী, ১ মে' ঃ** বিগত বৰ্ষসমূহৰ দৰে এইবেলিও বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম অঞ্চলৰ খামাৰপাৰাত যোৱা ৩০ এপ্ৰিলত শ্ৰীশ্ৰীকালী দেৱীৰ পূজা-অৰ্চনা বলি-বিধানেৰে দিনজোৰা কাৰ্যসূচীৰে উদ্‌যাপন কৰে। প্ৰতি বছৰৰ ব'হাগৰ অমাৱস্যা তিথিত আয়োজন কৰা পূজা মহোৎসৱত এইবেলি ছটাকৈ ছাগলী, ২৩ যোৰ পাৰ চৰাই বলি দিয়ে। এই মহোৎসৱত গাঁওখনৰ প্ৰতিটো পৰিয়ালৰ সদস্যৰ উপৰি নিকটবৰ্তী বহু গাঁৱৰ ৰাইজে প্ৰতিকূল বতৰৰ মাজতো অংশগ্ৰহণ কৰা পৰিলক্ষিত হয়। সন্ধিয়া সমূহীয়াভাৱে পূজাস্থলীত বন্তি প্ৰজ্বলনেৰে মহোৎসৱৰ কাৰ্যসূচীৰ সামৰণি পৰে। ১৩ পৃষ্ঠাত চাওক

## ছাত্ৰ-ছাত্ৰীৰ অভাৱত বন্ধ হোৱা বিদ্যালয়তো জলজীৱন মিছনৰ আঁচনি



■ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ আজৱ সিদ্ধান্ত

অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ১ মে' ঃ** চৰকাৰে ৰাইজৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে যাতে বিশুদ্ধ খোৱাপানী সেৱন কৰিব পাৰে তাৰ বাবে প্ৰধানমন্ত্ৰী জলজীৱন মিছন নাম অভিলাষী আঁচনি ৰূপায়ণ কৰিছে। ইতিমধ্যে উক্ত আঁচনি ৰাজ্যৰ প্ৰতিটো প্ৰান্তত জনস্বাস্থ্য কাৰিকৰী বিভাগে কাৰ্যকৰী কৰিবলৈ অভিযান আৰম্ভ কৰিছে। ৰাজ্যৰ প্ৰতিখন মাধ্যমিক, উচ্চ মাধ্যমিক আৰু প্ৰাথমিক বিদ্যালয়তো উক্ত অভিলাষী আঁচনিৰ জৰিয়তে একোটাকৈ প্ৰকল্প প্ৰস্তুত কৰি ৰূপায়ণ কৰি আছে। আনকি অংগনৱাড়ী কেন্দ্ৰসমূহকো বাদ দিয়া নাই উক্ত আঁচনিৰ পৰা। কিন্তু সম্প্ৰতি ছাত্ৰ-ছাত্ৰীৰ অভাৱত বন্ধ হৈ যোৱা বিদ্যালয়তো উক্ত আঁচনি স্থাপন কৰাত ৰাইজৰ মাজত ইয়াৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে নলবাৰী জিলাৰ ঘগ্ৰাপাৰ শিক্ষা খণ্ডৰ অন্তৰ্গত দেহাৰকুছি প্ৰাথমিক বিদ্যালয় চাৰি-পাঁচ বছৰ পূৰ্বে ছাত্ৰ-ছাত্ৰীৰ অভাৱত বন্ধ হৈছে। কিন্তু জনস্বাস্থ্য কাৰিকৰী বিভাগৰ নলবাৰী সংমণ্ডলৰ দ্বাৰা উক্ত বিদ্যালয়ত এটি প্ৰধানমন্ত্ৰী জলজীৱন মিছনৰ অধীনৰ আঁচনি ৰূপায়ণ কৰিছে। কেৱল যে ঠিকাদাৰৰ সন্তুষ্টিৰ বাবে উক্ত আঁচনি ৰূপায়ণ কৰিছে সেইটো স্পষ্ট হৈ পৰিছে এনেকুৱা আঁচনিৰ দ্বাৰা। আনহাতে, চৰকাৰে মাদ্ৰাছা আৰু টোলসমূহ বন্ধ কৰাৰ সিদ্ধান্ত লৈছে। এনেকুৱা বন্ধৰ উপক্ৰম হোৱা টোলতো জলজীৱন মিছনে সামৰি লোৱাত ৰাইজৰ চকু কপালত উঠিছে। কোনো দিনে এটি শিক্ষাৰ্থীৰো প্ৰৱেশ ঘটা ৰাইজৰ চকুত নপৰা টোলটো জলজীৱন মিছনৰ আঁচনি ৰূপায়ণ কৰিছে। ইতিমধ্যে পূৰ্বৰ চৰকাৰৰ দিনত বৰষুণৰ পানী সংৰক্ষণ কৰি ছাত্ৰ-ছাত্ৰীৰ উপকাৰ সাধন কৰাৰ আঁচনি লৈছিল। কে'বা লক্ষ টকা ব্যয় কৰি উক্ত আঁচনি ৰূপায়ণ কৰি জনস্বাস্থ্য কাৰিকৰী বিভাগে মাথোঁ ঠিকাদাৰক ধন ঘটাৰ বাটহে প্ৰশস্ত কৰে। তাৰ পৰা ছাত্ৰ-ছাত্ৰী অথবা ৰাইজৰ কোনো উপকাৰ হোৱা নাই। বৰ্তমান উক্ত ৰেইন ৱাটাৰ হাৰভেষ্টি কদৰ্য ৰূপ লৈ গোটেই বিদ্যালয়ৰ পৰিৱেশে বিনষ্ট কৰিছে। ৰাইজে বৰ্তমানৰ জলজীৱন মিছনো যাতে পূৰ্বৰ লেখীয়া নহয় তাৰ বাবে বিভাগ তথা জনপ্ৰতিনিধিক সোঁৱৰাই দিছে। উল্লেখ্য যে ছাত্ৰ-ছাত্ৰীবিহীন বিদ্যালয়ত উক্ত আঁচনি নিৰ্মাণ কৰোতে ঠিকাদাৰে পাল মাৰি সমাধান কৰাৰ অভিযোগ উঠিছে ইমানে নহয় নলবাৰী জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অধীনৰ কে'বাটাও আঁচনিত ঠিকাদাৰে পাল মাৰি কাম কৰা বুলি ৰাইজে অভিযোগ কৰিছে।

## সন্তান উগ্ৰপন্থী-ড্ৰাগছ আসক্ত হোৱাৰ প্ৰথম দোষী মাতৃ ঃ ড° ডেকা

■ টিহু শাখা লেখিকা সমাৰোহ সমিতিৰ দ্বাদশ দ্বি-বাৰ্ষিক অধিবেশন সম্পন্ন



অগ্ৰদূত বাৰ্তা

**টিহু, ১ মে' ঃ** মাতৃয়ে সন্তানক ভোৰণ-পোষণ দিয়াৰ উপৰি ভৱিষ্যতৰ সুপথৰ সন্ধান দিয়ে। সন্তানক সুনাগৰিক হিচাপে গঢ়ি তোলাটো মাতৃ এগৰাকীৰ প্ৰধান কৰ্তব্য। সন্তান উগ্ৰপন্থী হোৱাটো, মদ-ভাং-ড্ৰাগছত আসক্ত হোৱাটোত প্ৰথম দোষী মাতৃ, তাৰ পাছতে সামাজিক পৰিৱেশ। কালিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হোৱা টিহু শাখা লেখিকা সমাৰোহ সমিতিৰ মুকলি সভাত আজি এইদৰে কয় বিশিষ্ট অতিথি ৰীতা শৰ্মা মহাবিদ্যালয়ৰ অধ্যক্ষা ড° ৰুনুমী দত্ত ডেকাই। টিহু মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত টিহু শাখা লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী মিনতি বৰ্মন কাকতিৰ পৌৰোহিত্যত অনুষ্ঠিত সভাখনত ড° দত্ত ডেকাই পুনৰ কয় যে তাহানিৰ চৌকাৰ পাকঘৰ আৰু আজিৰ গেছৰ চুলাৰ পাকঘৰৰ মাজৰ সময়ত বহুতো সাহিত্য, বহু স্মৰণীয় ইতিহাস অকালতে মৰহি গ'ল। ভাষণ প্ৰসংগত তেওঁ পুনৰ কয় যে অসমীয়া ক'ব নজনা, অসমীয়া সাহিত্য-সংস্কৃতিৰ মোল বুজি নোপোৱা অসমীয়াই নিজকে অসমীয়া বুলি ক'বলৈ লাজ পোৱা উচিত। ১৩ পৃষ্ঠাত চাওক

## লেখিকা সমাৰোহৰ গল্প-কবিতা প্ৰতিযোগিতাৰ আয়োজন

বিশেষ সংবাদদাতা

**নগাঁও, ১ মে' ঃ** বিগত বৰ্ষসমূহৰ দৰে এইবাৰো সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ অন্যতম অগ্ৰণী শাখা নগাঁও শাখা লেখিকা সমাৰোহ সমিতিৰ উদ্যোগত সদৌ অসম ভিত্তিত 'নলিনী দেৱান মৰল স্মৃতি' গল্প আৰু কবিতা প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। ইচ্ছুক মহিলা প্ৰতিযোগীসকলক লেখাসমূহ ২৫ মে'ৰ ভিতৰত পোৱাকৈ সমিতিৰ সভানেত্ৰী দীপা বৰুৱা, সতী ৰাধিকা উপপথ, দক্ষিণ হয়বৰগাঁও, নগাঁও -০২, ফোন-৯৮৫৪০৩১১২০ অথবা দীপান্বিতা বৰুৱা, মাৰোৱাৰীপট্টি, বীৰেন মহন্ত পথ, নগাঁও ০১, ফোন- ৯৬৭৮৪৫০৩৯১ ঠিকনালৈ প্ৰেৰণ কৰিবলৈ সমিতিৰ তৰফৰ পৰা অনুৰোধ জনাইছে।

## ছিপাঝাৰ প্ৰেছ গীল্ডৰ ইফটাৰ

অগ্ৰদূত বাৰ্তা

**ছিপাঝাৰ, ১ মে' ঃ** পৱিত্ৰ ৰমজান মাহ উপলক্ষে ইছলাম ধৰ্মাৱলম্বী লোকসকলক শুভেচ্ছা জনোৱাৰ উদ্দেশ্যে কালি ছিপাঝাৰ প্ৰেছ গীল্ডৰ উদ্যোগত অনুষ্ঠিত হয় ইফটাৰ অনুষ্ঠান। দৰঙী কলা-কৃষ্টি উন্নয়ন সংঘৰ ভৱনত অনুষ্ঠিত ইফটাৰত বিধায়ক ড° পৰমানন্দ ৰাজবংশীয়ে ৰমজান মাহৰ তাৎপৰ্য ব্যাখ্যা কৰি সম্প্ৰীতিৰ এনাজৰী অধিক মজবুত কৰিবলৈ ৰাইজৰ প্ৰতি আহ্বান জনায়। প্ৰেছ গীল্ডৰ সহ সম্পাদক মনোজ আলীয়ে উদ্দেশ্য ব্যাখ্যা আৰু সভাপতি এম হাফিজ আলীয়ে পৰিচালনা কৰা ইফটাৰ অনুষ্ঠানত ছিপাঝাৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া কমলজিৎ শৰ্মা, দৰং জিলা উপায়ুক্ত কাৰ্যালয়ৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী মমতাজ আলী, দৰঙী কলাকৃষ্টি উন্নয়ন সংঘৰ সাধাৰণ সম্পাদক নৱ কুমাৰ শইকীয়া, প্ৰেছ গীল্ডৰ প্ৰাক্তন সভাপতি হৰেন ডেকা আৰু দুলাল চন্দ্ৰ নাথে শুভেচ্ছামূলক বক্তব্য প্ৰদান কৰে।

## অসম কৃষি বিশ্ববিদ্যালয়ত পাঁচদিনীয়া বিশেষ প্ৰশিক্ষণৰ সামৰণি

ষ্টাফ ৰিপ'ৰ্টাৰ

**যোৰহাট, ১ মে' ঃ** অসম-অৰুণাচল প্ৰদেশৰ চিংফৌ জনগোষ্ঠীৰ নিৰ্বাচিত চাহ খেতিয়কসকলক লৈ অসম কৃষি বিশ্ববিদ্যালয়ে অনুষ্ঠিত কৰা পাঁচদিনীয়া বিশেষ চাহ আৰু জৈৱিক চাহ উৎপাদনৰ প্ৰশিক্ষণ শিবিৰৰ কালি সামৰণি পৰে। উত্তৰ-পূব ভাৰতৰ ৰাজ্যকেইখনত চাহ খেতিৰ প্ৰসাৰ আৰু উত্তৰণ ঘটোৱাৰ বাবে লোৱা পদক্ষেপৰ অধীনত 'বিশেষ চাহ প্ৰস্তুত প্ৰণালী আৰু জৈৱিক চাহ উৎপাদনৰ কৃষি কৌশল' বিষয়ক পাঁচদিনীয়া প্ৰশিক্ষণ শিবিৰত অৰুণাচল প্ৰদেশ আৰু অসমৰ ১৬ জন প্ৰগতিশীল চাহ খেতিয়কে অংশগ্ৰহণ কৰে। বিশ্ববিদ্যালয়ৰ চাহ কৃষিকৰ্ম আৰু প্ৰযুক্তিবিদ্যা বিভাগত অনুষ্ঠিত প্ৰশিক্ষণৰ সামৰণি অনুষ্ঠানত উপস্থিত থাকে যোৰহাট জিলাৰ উপায়ুক্ত অশোক কুমাৰ বৰ্মন। ভাষণ প্ৰসংগত তেওঁ কয় যে অসমৰ চাহ বুলিলে পূৰ্বৰ কেৱল ব্লেক টি ধাৰণাৰ বিপৰীতে গ্ৰীণ টি, হোৱাইট টি, অৰ্থডক্স টি আদি নতুন ধৰণৰ চাহৰ স'তে পৰিচয় হৈ সেইসমূহৰ উৎপাদন আৰু বিপণনৰ জৰিয়তে ৰাজ্যৰ সামগ্ৰিক চাহ উদ্যোগক আগুৱাই নিব লাগিব। অসমৰ চাহৰ ক্ষেত্ৰত মূল্য সংযোজন জৰিয়তে সম্পৰীক্ষাৰে আগবঢ়া ব্যৱসায়ে নতুন নতুন সম্ভাৱনাৰ সৃষ্টি কৰিছে। আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰৰ জৰিয়তে চাহৰ ক্ষেত্ৰতো বিভিন্নতাৰ সৃষ্টি হৈছে। সেয়ে প্ৰযুক্তি কৌশলৰ স'তে যুৱ প্ৰজন্মই চাহৰ ক্ষেত্ৰত ভিন্নমুখী দৃষ্টিভংগীৰে আগবাঢ়ি যাব লাগিব। চাহ কৃষিকৰ্ম আৰু প্ৰযুক্তিবিদ্যা বিভাগৰ অধ্যাপক ড° গৌতম শইকীয়াই আঁতধৰা অনুষ্ঠানত বক্তব্য ৰাখি বিশ্ববিদ্যালয়ৰ কৃষি গৱেষণা সঞ্চালক ড° অশোক ভট্টাচাৰ্যই কয় যে চাহ ক্ষেত্ৰত সম্পূৰ্ণ ব্যৱসায়িক মনোবৃত্তিৰে কৃষি আৰু আনুষংগিক ক্ষেত্ৰৰ স'তে মূল্য সংযোজনৰ দিশটো লক্ষ্য ৰাখি সংগঠিত ৰূপত অসমৰ চাহ উদ্যোগক আগুৱাই নিব লাগিব। কৃষি বিজ্ঞানগুৰু ড° জয়ন্ত ডেকাই প্ৰযুক্তি কৌশলৰ যথোচিত ব্যৱহাৰেৰে কম মূল্যত গুণগত মানৰ চাহ উৎপাদন কৰি বিশ্বৰ চাহ উদ্যোগত অসমক আগত ৰাখিব লাগিব বুলি কয়। অসম কৃষি বিশ্ববিদ্যালয়ৰ ছাত্ৰ কল্যাণ সঞ্চালক ড° ৰাণা প্ৰাতপ ভূঞাই পৰিৱৰ্তিত পৰিস্থিতিত আধুনিক সা-সুবিধাৰ সঠিক প্ৰয়োগেৰে ঐতিহ্যশালী অসমৰ চাহ ১৩ পৃষ্ঠাত চাওক

## তেজপুৰত প্ৰয়াত সাংবাদিক প্ৰণৱ সিংহক স্মৰণ

**স্মাৰক বঁটা প্ৰদান লোকশিল্পী দিনাৰাম বড়োক**



ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ১ মে' ঃ** বিশিষ্ট সাংবাদিক তথা সমাজ সংগঠক তথা শোণিতপুৰ জাৰ্ণেলিষ্ট ইউনিয়নৰ প্ৰতিষ্ঠাপক সভাপতি প্ৰণৱ সিংহৰ অষ্টম মৃত্যু তিথি শোণিতপুৰ জাৰ্ণেলিষ্ট ইউনিয়নৰ সভাকক্ষত আজি পুৱা ১১ বজাত অনুষ্ঠিত কৰা হয়। উক্ত সভাতে জিলাখনৰ ঠেলামাৰাৰ এজন প্ৰবীণ লোকশিল্পী দিনাৰাম বড়োলৈ সংবাদিক প্ৰণৱ সিংহ স্মাৰক বঁটা ২০২২ আগবঢ়োৱা হয়। উক্ত সভাৰ আৰম্ভণিতেই প্ৰয়াত সিংহৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান মুকলি কৰি শোণিতপুৰৰ উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰই প্ৰয়াত সাংবাদিকজন সপোন আৰু তেওঁৰ কৰ্মৰাজিক আগুৱাই নিয়াৰ বাবে বৰ্তমানৰ সাংবাদিকসকলক আন্তৰিকতাৰে কাম কৰি যাবলৈ আহ্বান জনায়। আনহাতে, বিশিষ্ট অতিথি তথা প্ৰয়াত সাংবাদিক সিংহৰ বন্ধু, বিশিষ্ট নাট্যকাৰ, পৰিচালক, অভিনেতা, লেখক ঐশ্বৰ্য কাকতিয়ে সিংহৰ বিষয়ে স্মৰণ কৰি কয় যে সিংহ আছিল হাঁহি ভালপোৱা আৰু হুঁহুৰাই ভাল পোৱা এজন ব্যক্তি। এই গুণৰ উপৰি তেওঁ মানুহক সহায় কৰি ভাল পাইছিল বুলি মন্তব্য কৰি কাকতিয়ে পুনৰ কয় যে বন্ধু মহলত দাদু নামেৰে পৰিচিত সিংহই ৰাজহুৱা কামত সদায়েই আগবাঢ়ি আহিছিল। প্ৰয়াত সিংহৰ এয়া তিনিটা গুণ বুলিও তেওঁ কয়। চাহৰ আড্ডাত তেওঁ কোৱা বহু খুহুটীয়া কথা স্মৰণ কৰি কয় যে এইদৰে হাঁহি হাঁহি জীৱন পাৰ কৰা সিংহই আনকি গুৰুতৰ ৰোগত সময় অতিবাহিত কৰাৰ সময়তো হাঁহিয়েই কটাইছিল। সংগীত নাটকমৰ গঠনৰ ক্ষেত্ৰতো তেওঁৰ বিশেষ ভূমিকা থকাৰ বিষয়ে উল্লেখ কৰি কাকতিয়ে সংগীত নাটকমৰ নামটোও সিংহয়েই দিয়া বুলি প্ৰকাশ কৰি সেই সময়ত সংগীত নাটকমে ৰাজ্যজুৰি আৰু বিশিষ্ট অভিনয় শিল্পী বিজু ফুকন, নিপন গোস্বামী, চেতনা দাস, তচুদ্দুক ইউচুফ আদিকে ধৰি বহু শিল্পীৰ অভিনয়েৰে ৰাইজৰ মনত বিশেষ স্থান অৰ্জন কৰিবলৈ সক্ষম হৈছিল বুলিও ১৩ পৃষ্ঠাত চাওক

## বিধায়কৰ হেমাহিত এবছৰে স্তব্ধ

১২ পৃষ্ঠাৰ পৰা বিধানসভা নিৰ্বাচনৰ আগে আগে উক্ত পথটো চমুৱা খনিকৰৰ পৰা ন-খনা বেজগাঁৱলৈকে জোৰা-টাপলি মাৰি পুনৰ্নিৰ্মাণ কৰিলেও মৰাবজাৰৰ পৰা ধোদৰ আলিলৈ ১০ কিলোমিটাৰ দৈৰ্ঘ্য পেলাই থলে। ফলত জৰাজীৰ্ণ অৱস্থালৈ গতি কৰা পথটোৱে এতিয়া বৰষুণ দিলে যানবাহনেটো বাদেই খোজ কাঢ়িও যাব নোৱৰা পৰিস্থিতিৰ সৃষ্টি হৈছে।

## ছাগলী-পাৰ চৰাই বলিৰে সৃজনগ্ৰামত

১২ পৃষ্ঠাৰ পৰা উল্লেখ্য যে ১৮৯৭ৰ বৰভূঁইকঁপৰ সময়ত পূজাস্থলীত থকা পুৰণি বৃহৎ বটগছ এজোপা ধুমুহাত উভালি পৰে। তাৰ পাছৰে পৰা গাঁওখনত অপায়-অমংগলে দেখা দিয়ে। কথিত আছে যে তেনে এক পৰিৱেশতে সোলোকা ৰায়ৰ পিতৃপুৰুষে সপোনত দেৱীক সাক্ষাৎ কৰে আৰু সেইমতে দেৱীৰ পৰামৰ্শ মতে গছজোপাৰ কাষতে মন্দিৰ সাজি কালীদেৱীক পূজা-পাতল কৰিবলৈ লয়। তেতিয়া পূজা-পাতলৰ আগভাগ লৈছিল গাঁওখনৰ বয়োজ্যষ্ঠ লোকসকলে। এনে পৰম্পৰাৰে গাঁওখনৰ কালীদেৱীৰ পূজা-অৰ্চনা পৰিচালনাৰ ক্ষেত্ৰত সম্প্ৰতি নৱ প্ৰজন্মই আগভাগ লৈছে।

## পুৰণিগুদামত চোৰৰ চাফাই অভিযান

১২ পৃষ্ঠাৰ পৰা অকল পৰহি নিশাই যে চুৰি হৈছে এনে নহয়। বিগত এটা মাহত চাৰিবাৰকৈ চুৰি কাৰ্য সংঘটিত কৰি চোৰৰ দলে বহু মূল্যৱান সামগ্ৰী চুৰি কৰি নিয়ে। ইফালে, পুৰণিগুদাম মহ পৰা গাঁৱৰ দিগন্ত ফুকনৰ ঘৰত নিশাই ঘৰত কোনো নথকাৰ সুযোগ লৈ চোৰে লুটি নিলে আ-অলংকাৰ, নগদ ধনসহ প্ৰায় এক লাখ টকাৰ সামগ্ৰী। বিশেষকৈ পৰিয়ালৰ এজন সদস্য চিকিৎসালয়ত চিকিৎসাধীন হৈ থকাৰ বাবে ঘৰৰ সকলো সদস্য চিকিৎসাজনিত বিষয়ত ঘৰত নিশা উপস্থিত নাছিল। এই সুযোগ গ্ৰহণ কৰি চোৰে ঘৰৰ ভিতৰত প্ৰৱেশ কৰি চুৰি কাৰ্য সংঘটিত কৰে। উল্লেখ্য যে বিগত কিছুদিন ধৰি পুৰণিগুদামৰ বিভিন্ন প্ৰান্তত নিশা চোৰৰ দলে সন্ত্ৰাস সৃষ্টি কৰি চুৰি কাৰ্য সংঘটিত কৰি আহিছে। ইফালে, গৰু চোৰৰ দলে নিশা গোহালিৰ গৰু চুৰি কৰি সন্ত্ৰাস সৃষ্টি কৰাৰ সময়ত এতিয়া ঘৰত প্ৰৱেশ কৰি চোৰৰ দলে লুটপাট চলোৱা কাৰ্যত আৰক্ষীৰ দুৰ্বলতা প্ৰকাশ পাইছে।

## অসম কৃষি বিশ্ববিদ্যালয়ত পাঁচদিনীয়া

১২ পৃষ্ঠাৰ পৰা উদ্যোগৰ পূৰ্বৰ মৰ্যাদা অক্ষুণ্ণ ৰাখিব লাগিব বুলি মত ব্যক্ত কৰে। উত্তৰ-পূব প্ৰযুক্তি প্ৰয়োগ কেন্দ্ৰ নতুন দিল্লীৰ সৌজন্যত যোৱা ২৬ এপ্ৰিলৰ পৰা অনুষ্ঠিত প্ৰশিক্ষণৰ সামৰণি অনুষ্ঠানত কৃষিকৰ্ম আৰু প্ৰযুক্তিবিদ্যা বিভাগৰ মুৰব্বী মৃদুল ডেকাই উন্নত কৃষি ব্যৱস্থাপনাৰ অবিহনে চাহৰ মান উন্নত কৰিব পৰা নাযাব বুলি উল্লেখ কৰি এই ক্ষেত্ৰত কৃষকসকল অধিক সজাগ হ'ব লাগিব বুলি উল্লেখ কৰে। সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ যোৰহাট জিলা শাখাৰ সভাপতি জীৱন শইকীয়ায়ো বক্তব্য ৰখা অনুষ্ঠানত কে'বাজনো প্ৰশিক্ষাৰ্থীয়েও নিজৰ অনুভৱ ব্যক্ত কৰে। অৱসৰপ্ৰাপ্ত অধ্যাপক ড° ইন্দ্ৰপ্ৰসাদ চাহোৱালাইও অংশগ্ৰহণ কৰা অনুষ্ঠানত প্ৰশিক্ষাৰ্থীসকলক মানপত্ৰ প্ৰদান কৰা হয়।

## পাঠদান আৰম্ভৰ পূৰ্বেই বিধ্বস্ত ৰূপ

১২ পৃষ্ঠাৰ পৰা আছাই। এতিয়া চাহ বাগিচাৰ ছাত্ৰ-ছাত্ৰীক উচ্চ শিক্ষা লাভ কৰাৰ সুবিধাৰে নিৰ্মাণ কৰা বিদ্যালয়সমূহৰ নিৰ্মাণ কাৰ্যই চকু কপালত উঠাইছে সকলোৰে। উল্লেখ্য যে ৰাজ্যজুৰি ১১৯খনকৈ আদৰ্শ মাধ্যমিক বিদ্যালয় স্থাপনৰ সিদ্ধান্তৰে চৰকাৰী প্ৰতিখনৰ বাবদ আবন্টন দিছিল এক কোটি ২৭ লাখ টকা। ইয়াৰে নগাঁও জিলাৰ কলিয়াবৰ মহকুমাত তিনিখন বিদ্যালয়সহ জিলাখনত মুঠ চাৰিখন বিদ্যালয় নিৰ্মাণ হৈছিল। কিন্তু এই বিদ্যালয়সমূহ ছাত্ৰ-ছাত্ৰীৰ বাবে আৰম্ভ কৰাৰ আগতেই বিদ্যালয়ৰ দেৱালকে ধৰি সকলো পকী মজিয়া ভাঙি যোৱা পৰিলক্ষিত হৈছে। তদুপৰি খোৱা পানীৰ সুবিধা, বিদ্যালয়সমূহত ব্যৱহাৰ কৰা দুৱাৰ-খিৰিকী সকলো অতি নিম্নমানৰ সামগ্ৰী ব্যৱহাৰৰ অভিযোগ তুলিছে আদিবাসী ছাত্ৰ সংগঠন আছাৰ নগাঁও জিলা সমিতিয়ে। মন্ত্ৰী কেশৱ মহন্তৰ গৃহ জিলাতেই ঠিকাদাৰে লুণ্ঠন চলোৱাক লৈ সকলোৱে আশ্চৰ্য প্ৰকাশ কৰিছে। নিম্নমানৰ কামেৰে ৰাইজক আভুৱা ভাঁৱাৰ অভিযোগ উঠিছে ঠিকাদাৰ জনৈক আগৰৱালা, দৈমাৰী আৰু আলফ্ৰেড দেউৰীৰ বিৰুদ্ধে। উল্লেখ্য যে এক কোটি ২৭ লাখ টকাৰ ব্যয়ৰে নিৰ্মাণ কৰা বিদ্যালয়ৰ পাঠদান আৰম্ভ নৌ হওতেই জহি-খহি যোৱা পৰিলক্ষিত হৈছে কলিয়াবৰ মহকুমাৰ শালনা, দিজু ভেলী, কেলিদেন চাহ বাগিচাৰ লগতে শগুনবাহী চাহ বাগিচা অঞ্চলৰ চাৰিখনকৈ আদৰ্শ মাধ্যমিক বিদ্যালয়ত। চৰকাৰী ধন শৰাধ কৰি নোদোকা হোৱা এইসকল ঠিকাদাৰৰ বিৰুদ্ধে এতিয়া বিভাগীয় কৰ্তৃপক্ষৰ লগতে চৰকাৰৰ হস্তক্ষেপৰ দাবী তুলিছে আছাৰ নগাঁও জিলা সমিতিয়ে।

## নগাঁৱৰ নৱৰূপ জাতীয় বিদ্যাপীঠত

১২ পৃষ্ঠাৰ পৰা চৰ্চাৰ মাজৰে শিক্ষাৰ্থীৰ কেতবোৰ ওপৰঞ্চি লাভ হয়। সবল ব্যক্তিত্বৰ বাবে প্ৰয়োজনীয় কঠোৰ মানসিক অনুশীলন আৰু যুক্তিবাদী চিন্তাৰ বিকাশ গণিতশাস্ত্ৰৰ মৌলিক ক্ষেত্ৰ। মানুহৰ মগজুৰ নিউৰণবোৰৰ মাজত স্থাপন হোৱা সংগতিপূৰ্ণ সংযোগবোৰে উচ্চতৰ চিন্তা আৰু ভাবনাৰ প্ৰতি ব্যক্তি বিশেষক প্ৰস্তুত কৰি তোলে। যিকোনো বিষয়তে শিক্ষাৰ্থীৰ ব্যুৎপত্তি কঠোৰ অনুশীলন আৰু আন্তৰিক সঁহাৰিৰ ওপৰত নিৰ্ভৰ কৰে। ড° শইকীয়াই গণিত বিষয়টোক অন্তৰৰ পৰা ভাল পাইছিল আৰু আনন্দদায়ক খেল এখনৰ দৰে দীঘলীয়া সময়লৈ অংকৰ জটিল বিষয়বোৰৰ সমাধান উলিওৱাত ব্যস্ত আছিল। তেওঁৰ মতে জন্মগত প্ৰতিভাতকৈও বেছি প্ৰয়োজন ব্যক্তিৰ নিজা প্ৰচেষ্টা আৰু কৰ্মকুশলতা। উল্লেখ্য যে অসমৰ সুযোগ্য সন্তান অনুপম শইকীয়াই গোলাঘাটত জন্ম গ্ৰহণ কৰি গোলাঘাট চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়, গুৱাহাটীৰ কটন মহাবিদ্যালয়ত অধ্যয়ন কৰি পৰৱৰ্তী সময়ত দিল্লীৰ ষ্টেফেন মহাবিদ্যালয়ত অধ্যায়ন কৰে। ইয়াৰ পাছতে তেওঁ কেমব্ৰিজৰ ত্ৰিনিটি মহাবিদ্যালয়ত অধ্যয়ন কৰে। ইয়াৰ পৰৱৰ্তী সময়ত তেওঁ পেৰিছ, কানাডা, মুম্বাই আই আই টিত কৰ্মজীৱনৰ পাতনি মেলাৰ পাছত শেহতীয়াকৈ গুৱাহাটী আই আই টিত কাৰ্যনিৰ্বাহ কৰে। অনুষ্ঠানত কবি-সাহিতিক জীৱন নৰহ, বিদ্যালয় পৰিচালনা সমিতিৰ সচিব মুনীন্দ্ৰ শইকীয়া, শিক্ষক চন্দ্ৰ মেধি, কৃষ্ণ শৰ্মা, নিভা শইকীয়া, সংগীতা বৰুৱা, উৎপলা বৰাকে ধৰি লোকসকল উপস্থিত থাকে।

## সন্তান উগ্ৰপন্থী-ড্ৰাগছ আসক্ত হোৱাটোৰ

১২ পৃষ্ঠাৰ পৰা তেওঁ লেখক-লেখিকাসকলক নৱ-প্ৰজন্মৰ বাবে লেখিবলৈ আহ্বান জনায় কয় যে আমি সকলোৱে পূৰ্বৰ সংস্কৃতিলৈ, প্ৰকৃতিৰ ওচৰলৈ উভতিবই লাগিব। টিহু মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কিশোৰ কুমাৰ তালুকদাৰে বন্তি প্ৰজ্বলন কৰা আৰু নলবাৰী জিলা লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী কমলা ডেকাই উদ্বোধন কৰা সভাখনত টিহু শাখা লেখিকা সমাৰোহ সমিতিৰ মুখপত্ৰ 'সূৰ্যমুখী' উন্মোচন কৰে নলবাৰী জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি কৰুণাকান্ত কলিতাই। টিহু শাখা লেখিকা সমাৰোহ সমিতিৰ সম্পাদিকা ভাস্বতী মজুমদাৰে উদ্দেশ্য ব্যাখ্যা কৰা প্ৰতিবেদন পাঠ কৰা আৰু আঁতধৰা সভাখনত নিৰ্দিষ্ট বক্তাৰ ভাষণ দি অভয়াপুৰী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা ড° মৰমী বৰঠাকুৰ তালুকদাৰে কয় যে নাৰী মানেই সূৰ্যমুখীৰ পোহৰ, নাৰী মানেই প্ৰেমৰ সাগৰ, নাৰী বিশ্বাসৰ আধাৰ। য'ত অনুপ্ৰেৰণা নাই, প্ৰেম নাই তাত সাহিত্য সৃষ্টি হ'ব নোৱাৰে। প্ৰেম আৰু প্ৰেৰণা থকা সমাজেহে প্ৰতিভা বিকাশত সহায় কৰে। সৃষ্টি ধৰ্মীয়তা যি নাৰীৰ আছে তেওঁৰ ওচৰত হেজাৰ বাধায়ো হেঙাৰ হ'ব নোৱাৰে। নাৰীৰ জীৱন ফুলৰ দলিচা নহয়, কাঁইটেৰে ভৰা। ভাষণ প্ৰসংগত তেওঁ পুনৰ কয় যে সম্প্ৰতি সমাজত মানৱতাৰ অৱক্ষয় ঘটিছে। মানৱতাৰ পৃষ্ঠভূমি নিজৰ ঘৰখন। নাৰী সুৰক্ষাৰ ক্ষেত্ৰতো প্ৰথম অৱিহণা থাকিব লাগিব মাতৃৰ। নাৰীয়ে সদায় শালীনতা ৰক্ষা কৰি পোছাক পিন্ধা উচিত। টিহু শাখা লেখিকা সমাৰোহ সমিতিৰ সহকাৰী সম্পাদিকা দীপালী পাঠকে শলাগ জ্ঞাপন কৰা সভাখনত দীপাঞ্জলি পাঠক, ড° সাৱিত্ৰী বেজবৰুৱা, নীলিমা দেৱী ভাগৱতী, হীৰামনি হাঁলৈ, অৰ্চনা ঠাকুৰীয়া আদিয়ে গীত পৰিবেশন কৰি সকলোকে আপ্লুত কৰে। আনহাতে, ৩০ এপ্ৰিলৰ পুৱা পতাকা উত্তোলন, বন্তি প্ৰজ্বলন আৰু স্মৃতিতৰ্পণ আদি সমাপনৰ পাছত অনুষ্ঠিত বিষয় বাছনি সভাত আগন্তুক দুবছৰীয়া কাৰ্যকালৰ বাবে প্ৰতিভা দেৱীক সভানেত্ৰী, বীণাপাণি কলিতা পাঠকক কাৰ্যকৰী সভানেত্ৰী, কণিকা দাস বৰ্মনক উপ-সভানেত্ৰী, অলকা বুজৰবৰুৱাক সাধাৰণ সম্পাদিকা, দীপালী তালুকদাৰ আৰু দীপাঞ্জলি পাঠকক আলোচনী সম্পাদিকা, নীলিমা দেৱী ভাগৱতীক সাংস্কৃতিক সম্পাদিকা, দীপালী পাঠকক বিত্ত সম্পাদিকা, মীনা তালুকদাৰ আৰু জুনু গোস্বামীক সহকাৰী সম্পাদিকা হিচাপে নিৰ্বাচিত কৰা হয়।

## তেজপুৰত প্ৰয়াত সাংবাদিক প্ৰণৱ

১২ পৃষ্ঠাৰ পৰা কয়। আন এজন বিশিষ্ট অতিথি নিৰন্ধকাৰ তথা শংকৰদেৱ বিশ্ববিদ্যালয়ৰ প্ৰাধ্যাপক ড° প্ৰাণজিৎ হাজৰিকাই প্ৰয়াত সিংহৰ স্মৃতি ৰোমন্থন কৰি কয় যে ১৯৭৭ত কটনৰ পৰা উচ্চতৰ মাধ্যমিকত উত্তীৰ্ণ হৈ আহি দৰং মহাবিদ্যালয়ত নামভৰ্তি কৰাৰ পাছতে হাজৰিকাই সেই সময়ত মহাজাতি কাকতৰ কাৰ্যালয়লৈ যোৱাৰ দিনটোতে সিংহৰ স'তে প্ৰথম সাক্ষাৎ হৈছিল। ইয়াৰ পাছত দীঘলীয়া সময় তেওঁৰ স'তে সম্পৰ্ক অব্যাহত থকাৰ বিষয়ে ড° হাজৰিকাই প্ৰকাশ কৰি সিংহৰ তৎপৰতাত শোণিতপুৰ জাৰ্ণেলিষ্ট ইউনিয়নৰ কাৰ্যালয়ত গ্ৰন্থ উন্মোচনি সভা, পৰিৱেশ সুৰক্ষা, খেলুৱৈ-শিল্পীক সম্বৰ্ধনা জনোৱাৰ পৰম্পৰা আৰম্ভ কৰিছিল আৰু এই কাৰ্য বৰ্তমানেও অব্যাহত থকা বুলি তেওঁ কয়। মহাজাতি কাকতৰ চৌহদটো শোণিতপুৰৰ তথা তাহানিৰ দৰং জিলাৰ সাংবাদিকৰ বাবে এক বীজ স্থান আছিল বুলি উল্লেখ কৰি ড° হাজৰিকাই পুনৰ কয় যে মহাজাতি আছিল ১৯৬০ত অবিভক্ত দৰং জিলাৰ প্ৰথমখন বাতৰি কাকত। প্ৰয়াত সিংহ বহুমুখী প্ৰতিভাৰ অধিকাৰী আছিল বুলিও মন্তব্য কৰি তেওঁ কয় যে ৰাজ্যৰ বহুকেইজন বিশিষ্ট সাংবাদিক সৃষ্টিৰ ক্ষেত্ৰত প্ৰয়াত ড° পূৰ্ণ নাৰায়ণ সিংহ, পংকজ সিংহ আৰু প্ৰণৱ সিংহৰ অৱিহণা চিৰস্মৰণীয়। সিংহ পিটিআইৰ দৰং জিলাৰ প্ৰথমজন সাংবাদিক হোৱাৰ উপৰি তেওঁ ইউ এন আই, ছেন্টিনেল আৰু আজিৰ অসম আদি কাকততো সাংবাদিকতা কৰিছিল বুলি উল্লেখ কৰি লগতে কয় যে তেওঁ আছিল সামাজিকভাৱে দায়বদ্ধ এগৰাকী সাংবাদিক। সংগীত নাটকমৰ জৰিয়তে সমাজলৈ প্ৰয়াত সিংহ আৰু তেওঁৰ সতীৰ্থসকলে বিশেষ অৱদান যোগাইছিল বুলিও ড° হাজৰিকাই মন্তব্য কৰে। আনহাতে, আজিৰ সভাত প্ৰণৱ সিংহ স্মাৰক বঁটা ২০২২ লোকশিল্পী দিনাৰাম বড়োলৈ আগবঢ়োৱা হয়। তেজপুৰৰ বিধায়ক তথা শোণিতপুৰ জাৰ্ণেলিষ্ট ইউনিয়নৰ উপদেষ্টা শিল্পী ৰাভাৰ লগতে উপায়ুক্ত তথা বিশিষ্ট অতিথিসকলৰ স'তে তেজপুৰৰ সাংবাদিক সংস্থাটোৰ সভাপতি সঞ্জীৱ হাজৰিকা, সাধাৰণ সম্পাদক মনোজ কুমাৰ শইকীয়া, বিষয়ববীয়া প্ৰণৱ কুমাৰ দাসে শৈশৱৰ পৰাই লোকসংস্কৃতিৰ সাধনাৰে জড়িত প্ৰচাৰ বিমুখ শিল্পী দিনাৰাম বড়োক এই বঁটা আগবঢ়ায়। এই বঁটাত গামোচা, প্ৰশস্তি পত্ৰ, শৰাই, জাপি আৰু নগদ ধন আগবঢ়োৱা হয়। শিল্পীজনে বঁটা গ্ৰহণ কৰি এই অনুভৱ প্ৰকাশ কৰি কয় যে নিজকে তেওঁ কেতিয়াও লোকশিল্পী বুলি ভবা নাই। ৰাইজেহে তেনেদৰে কয় বুলি মন্তব্য কৰি শিল্পী বড়োৱে সমাজৰ স'তে সম্পৰ্ক ৰক্ষা কৰিবলৈহে তেওঁ এই সাধনা কৰি আহিছে বুলি মন্তব্য কৰে। তেওঁ বিশিষ্ট শিল্পী লোকনাথ গোস্বামীৰ এটা অতি অৰ্থবহ আৰু শ্ৰুতিমধুৰ গীতো পৰিৱেশন কৰে তেওঁ। সাংবাদিক, নাট্যকাৰ, পৰিচালক পুলক কুমাৰ ডেকাই আকৰ্ষণীয়ভাৱে আঁত ধৰা এই অনুষ্ঠানত অংশ লৈ বিধায়ক পৃথ্বিৰাজ ৰাভাই কয় যে বহু সাংবাদিক সৃষ্টি কৰাৰ ক্ষেত্ৰত প্ৰয়াত সিংহৰ লগতে মহাজাতি কাকতৰ অৱিহণা আছে। ৰাজ্যৰ সাংস্কৃতিক ক্ষেত্ৰত আৰু মানুহৰ স'তে সম্পৰ্ক ৰক্ষাৰ ক্ষেত্ৰতো তেওঁৰ অৱদান বহু আছে বুলি উল্লেখ কৰি বিধায়কজনে প্ৰকাশ কৰে যে ৰাজ্যৰ লগতে বহিঃৰাজ্যত থকা সেই সময়ৰ অসমীয়া যুৱকসকলৰ স'তে সম্পৰ্ক ৰক্ষা কৰি আছিল প্ৰয়াত প্ৰণৱ সিংহই। তেওঁ এজন প্ৰৱল আত্মবিশ্বাসী ব্যক্তি আছিল বুলি উল্লেখ কৰি ৰাভাই আৰু কয় যে বৰ্তমানৰ সাংবাদি এগৰাকী আদৰ্শ। উক্ত সভাত শোণিতপুৰ জাৰ্ণেলিষ্ট ইউনিয়নৰ কাৰ্যালয়টো আটকধুনীয়াকৈ নিৰ্মাণৰ বাবে প্ৰচেষ্টা গ্ৰহণ কৰা হ'ব বুলিও তেওঁ কয়। আজিৰ এই স্মৃতিচাৰণ আৰু বঁটা প্ৰদান অনুষ্ঠানত উপস্থিত থাকি শ্ৰদ্ধাঞ্জলি জনাই প্ৰয়াত সিংহৰ আন এগৰাকী বন্ধু গোপেন ভূঞা (ভাইটি), তেজপুৰ পৌৰসভাৰ পৌৰপতি প্ৰজ্ঞানু ভট্টাচাৰ্য, জনসংযোগ বিষয়া জ্যোতিৰ্ময় চক্ৰৱৰ্তী, শিল্পী জান তালুকদাৰ, আজুৰ সভাপতি পংকজ কুমাৰ নাথ, প্ৰাক্তন ছাত্ৰ নেতা কুলেন ভৰালী, সাংবাদিক পেঞ্চন প্ৰাপক তৰুণ বৰা, যুগল উচ্চতৰ মাধ্যমিকৰ অধ্যক্ষ বিশ্বজিৎ বড়ো, সাংবাদিক দিব্যজ্যোতি নাথ, জিতু ডেকা, মিন্টু হেমৰমই আদিয়ে।

## তিনিচুকীয়াত ১৪৪ ধাৰা জাৰি ঃ দল-সংগঠনৰ প্ৰতিক্ৰিয়া

**অগ্ৰদূত বাৰ্তা**

**তিনিচুকীয়া, ১ মে' ঃ** তিনিচুকীয়া জিলাৰ উপায়ুক্ত তথা দণ্ডাধীশ নৰসিং পৱাৰৰ স্বাক্ষৰিত কালি প্ৰেৰণ কৰা এক নিৰ্দেশনাযোগে সমগ্ৰ জিলাখনতে তাৎক্ষণিকভাৱে বলৱৎ হোৱাকৈ ১৪৪ ধাৰাৰ অধীনত কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে। নিৰ্দেশনা অনুসৰি ৰাজহুৱা স্থানত মাস্ক পৰিধান বাধ্যতামূল্যক, পাঁচজনতকৈ অধিক লোক সমবেত হ'ব নোৱাৰিব, বিনা অনুমতি কোনো অনুষ্ঠান, সভা-সমিদিত, প্ৰতিবাদ আয়োজন কৰিব নোৱাৰিব। কোনো লোকৰ পৰা ধন সংগ্ৰহত বল প্ৰয়োগ কৰিব নোৱাৰিব আৰু পৰৱৰ্তী নিৰ্দেশ নিদিয়া পৰ্যন্ত সমগ্ৰ জিলাতে এই ১৪৪ ধাৰা বলৱৎ থাকিব। ইফালে, ৰাজ্যবাসীয়ে দুটা বৰ্ষৰ মূৰত চেনেহৰ ব'হাগক পালন কৰি থকাৰ মাজতে ১৪৪ ধাৰা প্ৰয়োগ কৰি বিহু বন্ধ কৰিব খোজা কাৰ্যক তিনিচুকীয়া জিলা আছুৰ সাধাৰণ সম্পাদক সমৰজ্যোতি গোহাঁয়ে গৰিহণা প্ৰদান কৰি ১৪৪ ধাৰা উঠাই ল'বলৈ জিলা প্ৰশাসনক আহ্বান জনাইছে। কিয়নো তিনিচুকীয়া জিলাত বিভিন্ন জনগোষ্ঠীয়ে গোটেই ব'হাগ মাহটো গছ তলৰ বিহুৰ লগতে ধৰ্মীয় হুঁচৰি পালন কৰে। সমান্তৰালভাৱে তাই আহোম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় যুটীয়া সম্পাদক মিলন বুঢ়াগোহাঁয়ে ৰাজ্য চৰকাৰে জনতাৰ মূৰত ৰামটাঙোন শোধাই মূল্যবৃদ্ধি ঘটোৱা কাৰ্যক ঢাকিবৰ কাৰণে ১৪৪ ধাৰা কৰিছে, যিহেতু মূল্যবৃদ্ধিৰ বিৰুদ্ধে ইতিমধ্যে ৰাজ্যত দল-সংগঠনৰ প্ৰতিবাদ আৰম্ভ হৈছে।

## অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত সচিব ৰঞ্জিত হাজৰিকাৰ মৃত্যুত শোক

**অগ্ৰদূত বাৰ্তা**

**বৰুৱাবামুণগাঁও, ১ মে' ঃ** দেৰগাঁৱৰ এগৰাকী সুসন্তান, অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত সচিব ৰঞ্জিত হাজৰিকাৰ কালি জিএমচি হাস্পতালত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। কিছুদিন ধৰি অসুস্থতাত ভুগি থকা হাজৰিকাৰ মৃত্যুত জন্মস্থান দেৰগাঁৱত গভীৰ শোকৰ ছাঁ পৰে। চাকৰিসূত্ৰে গুৱাহাটীৰ বাসিন্দা হোৱা হাজৰিকা দেৰগাঁও বালিকা উচ্চ (বৰ্তমান উচ্চতৰ) মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক আৰু অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী ক্ৰমে প্ৰয়াত যোগেশ্বৰ হাজৰিকা আৰু দিপীকা হাজৰিকাৰ কনিষ্ঠ পুত্ৰ আছিল। সৰুৰে পৰা মেধাসম্পন্ন হাজৰিকা ১৯৭৫ত দেৰগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা সুখ্যাতিৰে মেট্ৰিক উত্তীৰ্ণ হৈ গুৱাহাটীৰ কটন কলেজৰ পৰা প্ৰাক স্নাতক পৰীক্ষাত উত্তীৰ্ণ হৈ পুনৰ দেৰগাঁৱৰ কমল দুৱৰা মহাবিদ্যালয়ৰ পৰা অৰ্থনীতি বিভাগত সন্মানসহ স্নাতক ডিগ্ৰী লাভ কৰিছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰি হাজৰিকাই ১৯৮৮ত অসম অসামৰিক সেৱাত যোগদান কৰে। চৰকাৰৰ বিভিন্ন বিভাগত এজন দক্ষ বিষয়াৰূপে কাৰ্যনিৰ্বাহ কৰাৰ উপৰি নুমলীগড় শোধনাগাৰৰ প্ৰাৰম্ভিক অৱস্থাত চৰকাৰৰ প্ৰতিনিধিৰূপে জাতীয় আইন মহাবিদ্যালয়ৰ প্ৰতিনিধিৰূপে, অসম চৰকাৰৰ সোণালী সূতাৰ আঁচনি আদিত বিশেষ বিষয়াৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। ছাত্ৰ অৱস্থাত সংগীত শিক্ষা গ্ৰহণ কৰি সংগীতৰ সাধনা কৰা হাজৰিকাই ৭০ দশকত দেৰগাঁৱৰ বিভিন্ন অনুষ্ঠানত সংগীত শিল্পীসকলৰ লগত তবলা সংগত কৰিছিল। ২০১৯ৰ ডিচেম্বৰত অসম চৰকাৰৰ সচিব হিচাপে অৱসৰ গ্ৰহণ কৰা হাজৰিকাই মৃত্যুৰ সময়লৈকে আসাম ছায়েন্স এণ্ড টেকন'লজি বিভাগত কনচালচেণ্টৰূপে কাৰ্যনিৰ্বাহ কৰি আছিল।

## মৰিয়নিত ড্ৰাগছ ব্যৱসায়ীৰ ৰমৰমীয়া বেহা

### ■ ব্ৰাউন ছুগাৰসহ এজনক গ্ৰেপ্তাৰ



**অগ্ৰদূত বাৰ্তা**

**মৰিয়নি, ১ মে' ঃ** মৰিয়নিৰ আৰক্ষীয়ে আজি দুপৰীয়া চলোৱা এক অভিযানত এজন ড্ৰাগছ সৰবৰাহকাৰীক কৰায়ত্ত কৰিবলৈ সক্ষম হয়। এক বিশেষ সূত্ৰৰ পম খেদি মৰিয়নিৰ আৰক্ষীয়ে পুখুৰীয়া ডেকা গাঁৱৰ এটা জিৰণি চ'ৰাৰ পৰা ড্ৰাগছ সৰবৰাহকাৰীজনক ধৰিবলৈ সক্ষম হয়। এই সন্দৰ্ভত জানিব পৰা মতে, মৰিয়নিৰ সমীপৰ পুখুৰীয়া ডেকা গাঁৱৰ ৰামদেৱ বাবা মন্দিৰৰ ওচৰত থকা এটা জিৰণি চ'ৰাত ড্ৰাগছ সৰবৰাহকাৰীজন থকাৰ বিষয়ে আৰক্ষীয়ে বিশেষ সূত্ৰে জানিব পাৰে। মৰিয়নি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া চিত্তৰঞ্জন বুঢ়াগোহাঁইৰ নেতৃত্বত যোৱা আৰক্ষীৰ এটা দলে উক্ত জিৰণি চ'ৰাটোৰ পৰা ড্ৰাগছ সৰবৰাহকাৰীজনক কৰায়ত্ত কৰে। আৰক্ষীয়ে ধৃত ড্ৰাগছ সৰবৰাহকাৰীজনৰ পৰা ১২ গ্ৰাম ব্ৰাউন ছুগাৰো উদ্ধাৰ কৰিবলৈ সক্ষম হয়। ড্ৰাগছ সৰবৰাহকাৰীজন পুখুৰীয়া গাঁৱৰ দেৱাগুৰি চাপৰিৰ আমজাদ আলী ওৰফে ৰুবুল আলী (৪৫) বুলি আৰক্ষীয়ে জানিবলৈ দিছে। আমজাদে ড্ৰাগছখিনি কাৰোবাক দিবলৈ আহিছিল বুলি আৰক্ষীয়ে সন্দেহ প্ৰকাশ কৰিছে। আনহাতে, ধৃত আমজাদৰ স'তে আৰু এজন সৰবৰাহকাৰী আছিল যদিও আৰক্ষী অহাৰ উমান পাই আৰক্ষী ঘটনাস্থলী পোৱাৰ পূৰ্বে পলায়ন কৰে বুলিও আৰক্ষীৰ সূত্ৰত প্ৰকাশ। আৰক্ষীয়ে সমগ্ৰ ঘটনাৰ অনুসন্ধান আৰম্ভ কৰিছে। ইতিমধ্যে মৰিয়নিৰ আৰক্ষীয়ে মৰিয়নি আৰক্ষী ৯১/২২ নম্বৰত এক গোচৰ ৰুজু কৰি সোধ-পোছ অব্যাহত ৰাখিছে। লক্ষ্যণীয় যে মৰিয়নি আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত দীৰ্ঘদিন ধৰি ড্ৰাগছৰ ৰমৰমীয়া ব্যৱসায় চলি থকাৰ অভিযোগ উঠিছে। কিন্তু বিগত সময়ছোৱাত মৰিয়নিত এনে ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীৰ কোনো অভিযান দেখা নগ'ল। আনকি ড্ৰাগছৰ বিৰুদ্ধে অসম আৰক্ষীয়ে ৰাজ্যজুৰি অভিযান চলোৱাৰ সময়তো মৰিয়নিত তেনে অভিযান এদিনলৈও দেখা পোৱা নগ'ল। অৱশ্যে শেহতীয়াকৈ মৰিয়নিৰ আৰক্ষীয়ে এনে ড্ৰাগছ সৰবৰাহকাৰীৰ বিৰুদ্ধে চলোৱা অভিযানক লৈ সচেতন ৰাইজে সন্তুষ্টি প্ৰকাশ কৰিছে।

## শ্ৰীশ্ৰী অনিৰুদ্ধদেৱৰ জন্ম জয়ন্তীত সাংস্কৃতিক শোভাযাত্ৰা



**অগ্ৰদূত বাৰ্তা**

**বিহপুৰীয়া, ১ মে' ঃ** মহাপুৰুষ শ্ৰীশ্ৰী অনিৰুদ্ধদেৱৰ জন্মস্থান ধলপুৰ দকুৱাত কালিৰে পৰা আৰম্ভ হোৱা মহাপুৰুষ শ্ৰীশ্ৰী অনিৰুদ্ধদেৱৰ ৪৭০ সংখ্যক জন্ম জয়ন্তীভাগিৰ আজি সফল সামৰণি পৰিছে। শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ জন্মস্থান উন্নয়ন সমিতি আৰু উদ্‌যাপন সমিতিৰ উদ্যোগত কালি কে'বাটাও কাৰ্যসূচীৰ লগতে আজি পুৱতি নিশালৈকে দকুৱা কল্পতৰু যুৱক সংঘৰ দ্বাৰা 'কচ্ দেৱযানী' ভাওনা প্ৰদৰ্শন কৰা হয়। আজি পুৱাবেলা পৰিৱেশ নিকাকৰণ কৰাৰ পাছতে ১০ বজাৰ পৰা ধৰ্মীয় সাংস্কৃতিক শোভাযাত্ৰা আৰম্ভ হয়। সদৌ অসম মায়ামৰা সাংস্কৃতিক সমাজৰ উপ-সভাপতি বেদকান্ত ফুকনে শোভাযাত্ৰা উদ্বোধন কৰে। বৃহত্তৰ ধলপুৰৰ বিভিন্ন পথেৰে উলিওৱা শোভাযাত্ৰাই ৰাইজক আকৃষ্ট কৰে। বিয়লি ডেৰ বজাৰ পৰা জন্ম জয়ন্তীৰ মুকলি সভাখন আৰম্ভ হয়। গুৰুজনাৰ সৃষ্ট গায়ন বায়নেৰে মঞ্চ মুকলি কৰাৰ পাছতে দকুৱা দ গাঁৱৰ মহিলাসকলে গুৰুজনাৰ ৰচিত এটি সমবেত সংগীতেৰে সভাৰ আৰম্ভ কৰে। পৰেশ দত্তই আঁতধৰা সভাখন উদ্বোধন কৰে সদৌ অসম মায়ামৰা সাংস্কৃতিক সমাজৰ সম্পাদক দীপক দাসে। জন্মস্থান উন্নয়ন সমিতিৰ সভাপতি চেনীচন্দ্ৰ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত সদৌ অসম মায়ামৰা সাংস্কৃতিক সমাজৰ সভাপতি ড° লক্ষীকান্ত হাজৰিকাই নিৰ্দিষ্ট বক্তাৰ ভাষণ ৰাখি শ্ৰীশ্ৰী অনিৰুদ্ধদেৱৰ প্ৰণিত 'ভক্তি মংগল ঘোষা'ৰ ওপৰত বিস্তৃতভাৱে আলোকপাত কৰে। ইয়াৰ উপৰি সভাত মাধৱদেৱ বিশ্ব বিদ্যালয়ৰ উপাচাৰ্য দিবাকৰ চন্দ্ৰ ডেকা, বিহপুৰীয়াৰ বিধায়ক ড° অমিয় কুমাৰ ভুঞাই বিশিষ্ট অতিথি আৰু শ্ৰীশ্ৰী বিষ্ণু বালিকুঞ্চি সত্ৰৰ সত্ৰাধিকাৰ সদানন্দ দেৱ গোস্বামীয়ে আমন্ত্ৰিত অতিথিৰ ভাষণ ৰাখে। সভাত উদ্‌যাপন সমিতিৰ সভাপতি দুৰ্লভ চন্দ্ৰ বৰাই সভাপতিৰ অভিভাষণ পাঠ কৰে। সভাত পাৰ্থপ্ৰতীম হাজৰিকা নামৰ কিশোৰটিয়ে এটি বৰগীত আৰু দেৱ দৰ্শন দত্তই এটি কবিতা আবৃত্তি কৰি সভাখন জীপাল কৰে। নিশা আঞ্চলিক ভিত্তিত জ্যেষ্ঠ নাগৰিক সকলে 'ভাৰত যুদ্ধ' ভাওনা প্ৰদৰ্শন কৰে।

## শংকৰদেৱৰ মানৱতাবাদী চিন্তা-চেতনাৰে আগবাঢ়ি যোৱা ব্যক্তি আছিল

**অগ্ৰদূত বাৰ্তা**

**মৰাণ, ১ মে' ঃ** চৰাইদেউ জিলাৰ মৰাণ মহিলা মহাবিদ্যালয়ত কালি আজীৱন শিক্ষাব্ৰতী, সাহিত্যিক, সমাজ সংগঠক প্ৰয়াত ড° প্ৰদীপ হাজৰিকাৰ জীৱন আৰু ব্যক্তিত্ব শীৰ্ষক এখন গ্ৰন্থ উন্মোচন কৰে লেখক ময়ূৰ বৰাই। উন্মোচকজনে লগতে কয় যে ড° হাজৰিকাই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ মানৱতাবাদী চিন্তা-চেতনাৰে কৰ্মজীৱন আগবঢ়াই নিছিল। মৌচুমী বৰাই পৰিৱেশন কৰা এটি বৰগীতেৰে উদ্বোধন কৰা সভা সঞ্চালনা কৰে মৰাণ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ তথা সংস্কৃতিৰ সাধক ড° অনিল শইকীয়াই। কল্পনা বৰাই আদৰণি ভাষণ আগবঢ়োৱা সভাৰ প্ৰাকমুহূৰ্তত ড° প্ৰদীপ হাজৰিকাৰ প্ৰতিচ্ছবিৰ সন্মুখত ধূপ-বন্তি প্ৰজ্বলন কৰে বিশিষ্ট সাহিত্যিক ড° লোহিত কুমাৰ বৰা আৰু হাজৰিকাৰ সহধৰ্মিণী বাসনা হাজৰিকাই। সাংবাদিক শোভিত কুমাৰ ছেত্ৰীয়ে উদ্দেশ্য ব্যাখ্যা কৰা সভাত নিৰ্দিষ্ট বক্তাৰ ভাষণ আগবঢ়ায় শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু সাংবাদিক-লেখক ড° সৌমাৰজ্যোতি মহন্তই। ভাষণ প্ৰসংগত ড° মহন্তই প্ৰয়াত ড° প্ৰদীপ হাজৰিকাৰ সৃষ্টিশীল সাহিত্যৰাজি আৰু সমাজ গঠনৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বিষয়ে কয়। সন্মানীয় অতিথিৰূপে অংশ লয় অসম চৰকাৰৰ ৰাজহ মন্ত্ৰী যোগেন মহন, বিধায়ক চক্ৰধৰ গগৈ, মৰাণ মহিলা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষা ড° সুখ বৰুৱা, মৰাণ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° যতীন চুতীয়া, মৰাণ মহিলা মহাবিদ্যালয়ৰ অধ্যক্ষা জয়শ্ৰীফুকন আৰু প্ৰয়াত হাজৰিকাৰ ভগ্নী কল্পনা হাজৰিকা গায়নে। স্মৰ্তব্য যে ড° প্ৰদীপ হাজৰিকা মৰাণ মহাবিদ্যালয়ত অধ্যক্ষৰ আসন অলংকৃত কৰে। তাৰ পাছত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ত অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক হৈছিল। শিৱসাগৰ জিলা সাহিত্য সভাৰ সভাপতি হোৱাৰ উপৰি মৰাণ শাখা সাহিত্য সভা আৰু মৰাণ প্ৰেছ ক্লাবৰো সভাপতিৰ আসন শুৱনি কৰিছিল। বহুকেইখন উপন্যাসকে ধৰি কে'বাখনো তত্ত্বগধুৰ গ্ৰন্থ প্ৰকাশ কৰি অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে।

## পশ্চিম যোৰহাটৰ মেলেঙীয়ালত বসন্ত উৎসৱ আৰম্ভ

**অগ্ৰদূত বাৰ্তা**

**পশ্চিম যোৰহাট, ১ মে' ঃ** যোৰহাটৰ পশ্চিম যোৰহাটৰ মেলেঙীয়াল গাঁও, টিলিকিআম বেজগাঁও আৰু পুৰণি মাটি চাহ বাগিচাৰ ৰাইজৰ উদ্যোগত আৰু প্ৰয়াসৰ সহযোগত পুৰণিমাটি চাহ বাগিচাৰ খেলপথাৰত আজিৰে পৰা বসন্ত উৎসৱ আৰম্ভ হৈছে। পুৱা পতাকা উত্তোলন, বন্তি প্ৰজ্বলন, স্মৃতি তৰ্পণেৰে কাৰ্যসূচীৰ আৰম্ভ হয়। ইয়াৰ পাছতে অসম ভিত্তিত বিহুৱতী প্ৰতিযোগিতা আৰু সৃষ্টিশীল নৃত্য প্ৰতিযোগিতা সম্পন্ন হয়। কাইলৈ বিয়লি 'অসমীয়া জাতীয় জীৱনত বিহুৰ প্ৰাসংগিকতা' শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰিব সক্ৰিয় সাংস্কৃতিক আৰু সামাজিক কৰ্মী ভবেন তামুলীয়ে। নিশা ৰাজীৱ শদিয়াই গীত পৰিৱেশন কৰিব। উল্লেখ্য যে অঞ্চলটোৰ ৰাইজে প্ৰত্যেক বছৰে এক উলহ-মালহেৰে বসন্ত উৎসৱ আয়োজন কৰি আহিছে।

## টেঙাখাত উইল্টনত নাহৰফুটুকী বাঘ পিঞ্জৰাবদ্ধ

**অগ্ৰদূত বাৰ্তা**

**টেঙাখাত, ১ মে' ঃ** টেঙাখাত আৰক্ষী থানাৰ অন্তৰ্গত উইল্টন চাহ বাগিচাৰ লগতে কাষৰীয়া অঞ্চলত দীৰ্ঘদিনৰ পৰা বাঘে পোহনীয়া জীৱ-জন্তু ভক্ষণ কৰি সন্ত্ৰাসৰ সৃষ্টি কৰি আহিছিল। বাঘৰ সন্ত্ৰাসৰ পৰা পৰিত্ৰাণ পাবলৈ বন বিভাগক ব্যৱস্থা গ্ৰহণৰ আবেদন জনোৱাত অঞ্চলটোৰ ৰাইজক এটা পিঞ্জৰা প্ৰদান কৰে। কে'বাদিনো প্ৰচেষ্টা চলাই যোৱা নিশা ১০ বজাত এটা নাহৰফুটুকী বাঘ পিঞ্জৰাবদ্ধ হয়। অঞ্চলটোত একাধিক বাঘ থকাৰ কথা স্থানীয় ৰাইজে সন্দেহ প্ৰকাশ কৰিছে। পিঞ্জৰাবদ্ধ কৰা বাঘটো ডিব্ৰুগড় জিলা বন বিভাগে লৈ যায়।

## চতিয়া সমষ্টিত কংগ্ৰেছৰ খহনীয়া ঃ ইজনৰ পাছত সিজনৰ পদত্যাগ

**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ১ মে' ঃ** ইজনৰ পাছত সিজনকৈ কংগ্ৰেছী নেতাই দল ত্যাগ কৰিছে চতিয়া সমষ্টিত। আজিৰ পৰা কেইটামান দিন পূৰ্বে প্ৰদেশ কংগ্ৰেছৰ সম্পাদক তথা চতিয়া সমষ্টিৰ কংগ্ৰেছৰ দায়িত্বত থকা মাধৱ নিবাসী পাৰ্থ প্ৰতীম বৰাই পদত্যাগ কৰাৰ পাছত সম্প্ৰতি নদুৱাৰ ব্লক কংগ্ৰেছৰ সভাপতিৰ পদ ত্যাগ কৰে জিত বাহাদুৰ তামাঙে। কংগ্ৰেছৰ প্ৰাথমিক সদস্য পদ ত্যাগ কৰা তামাঙে কোন দলত যোগদান কৰিব সেই কথা স্পষ্ট হোৱা নাই যদিও অগপত যোগদান কৰিব বুলি চৰ্চিত হৈছে। ইফালে, চতিয়া সমষ্টিত কংগ্ৰেছৰ এই খহনীয়াক লৈ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা এতিয়া তলি ফুটা নাৱৰ অকলশৰীয়া যাত্ৰী আৰু তেওঁৰ লগত উঠিবলৈ এতিয়া মানুহ নাই বুলি কটাক্ষ কৰে চতিয়া সমষ্টিৰ জ্যেষ্ঠ বিজেপি কৰ্মী তথা গাঁওৰক্ষী বাহিনীৰ বিষয়ববীয়া হাটীঙা নিবাসী মৃদুল নাথে।

## ছয় মে'ত ছবিঘৰলৈ আহিব অসমীয়া কথাছবি 'গংগা'

**অগ্ৰদূত বাৰ্তা**

**জাঁজী, ১ মে' ঃ** দুবছৰৰ ক'ভিডৰ তিক্ততাৰ অন্তত পুনৰবাৰ প্ৰাণ পাই উঠিছে অসমীয়া চলচ্চিত্ৰ জগত। অহা ছয় মে'ত ছবিঘৰলৈ আহিব অসমৰ জনপ্ৰিয় অভিনেত্ৰী প্ৰস্তুতি পৰাশৰ অভিনীত নতুন অসমীয়া কথাছবি 'গংগা'। 'গংগা' ছবিৰ প্ৰচাৰৰ বাবে যোৱা ২৯ এপ্ৰিলত টীয়কত উপস্থিত হয় টীম গংগা। টীয়ক চিনে ক্লাবৰ উদ্যোগত আৰু টীয়ক সন্মিলিত যুৱ সংঘৰ সহযোগত বৰা বজাৰ প্ৰাংগণত অনুষ্ঠিত অন্তৰংগ আলাপ শীৰ্ষক অনুষ্ঠান। টীয়ক চীনে ক্লাব আৰু টীয়ক সন্মিলিত যুৱ সংঘৰ সম্পাদক ৰণ্টু ভূঞাই আঁত ধৰা অনুষ্ঠানত কথাছবি 'গংগা'ৰ অভিনেত্ৰী প্ৰস্তুতি পৰাশৰ, যোগেশ কাশ্যপকে ধৰি অন্যান্য কলা-কুশলীৰ লগতে জ্যোতি বিদ্যাপীঠ টীয়কৰ অধ্যক্ষ প্ৰশান্ত কুমাৰ দাস, টীয়ক সন্মিলিত যুৱ সংঘৰ সভাপতি অশোক বৰা, টীয়ক চিনে ক্লাবৰ সভাপতি সৌৰভ বৰা, জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড০ মণ্টু কুমাৰ বড়া, বৰা বজাৰৰ স্বত্বাধিকাৰী ধ্ৰুৱজ্যোতি বৰা, যুৱ-ছাত্ৰ পৰিষদৰ টীয়ক আঞ্চলিকৰ সভাপতি হিমাংশু বৰুৱা, টীয়ক আছুৰ সভাপতি পাপু কলিতা, উপদেষ্টা প্ৰশান্ত দোলাকাষৰীয়াকে ধৰি টীয়কৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰতিনিধিসহ প্ৰায় দুই শতাধিক ৰাইজ উপস্থিত থাকে। টীয়কত 'গংগা'ৰ প্ৰচাৰৰ সময়ত প্ৰস্তুতি পৰাশৰে অসমীয়া চলচ্চিত্ৰৰ উত্তৰণৰ বাবে সকলোকে অসমীয়া চিনেমা চাবলৈ আহ্বান জনায়।

## গুৱাহাটীত বৰলুইতত পুনৰ চলিল ভটভটী

### অনুজ্ঞাপত্ৰ বীমা, চালক প্ৰশিক্ষণ পৰ্যবেক্ষণৰ পাছত ভটভটী চলাচলৰ অনুমতি

**অগ্ৰদূত বাৰ্তা**

**উত্তৰ গুৱাহাটী, ১ মে' ঃ** গুৱাহাটী মহানগৰীৰ জলপথত অতীত হ'বলৈ লোৱা ভটভটী আকৌ দেখিব বৰলুইতত। সুদীৰ্ঘ চাৰি বছৰৰ অন্তত কালিৰে পৰা পুনৰ গুৱাহাটী পাৰঘাটত চলিছে ভটভটী। উল্লেখ্য যে ভটভটী চলোৱাৰ বাবে জলপৰিবহণ বিভাগে চলাইছিল এক পৰিকল্পিত পৰ্যবেক্ষণ। নৌকা জীৱিকাৰে পেট প্ৰৱৰ্তোৱা গুৱাহাটী, উত্তৰ গুৱাহাটীৰ চাৰি শতাধিক পৰিয়ালক পুনৰ জীৱন দিবলৈ পদক্ষেপ লৈছিল মুখ্যমন্ত্ৰীয়ে। আদালতৰ মেৰপেচ আঁতৰাই লুইতত ভটভটী চলাচলৰ পথ মুকলি কৰে জলপৰিবহণ বিভাগ তথা চৰকাৰে। ভটভটী চলাবৰ বাবে অনুজ্ঞাপত্ৰ, পঞ্জীয়ন প্ৰতিলিপি আৰু অনুমতিপত্ৰ দিছে ভটভটীৰ গৰাকীক। ভটভটীত ৫০ জন যাত্ৰীৰ বাবে থাকিব বীমাৰ ব্যৱস্থা। অৱশ্যে ভটভটীৰ আকাৰ অনুপাতে যাত্ৰী পাৰাপাৰ অনুমতি দিব জলপৰিবহণ বিভাগে। চালক, হালিমেন আৰু ইঞ্জিন ড্ৰাইভাৰ-মেনসহ তিনি কৰ্মচাৰী থাকিব ভটভটীত। বৰ্তমান ভটভটীত যাত্ৰীৰ ভাড়াৰ পূৰ্বৰ নিৰিখ ১০ টকা, বাহন ২০ টকাই থাকিব কিন্তু পৰিবহণ বিভাগক ভাড়া বৃদ্ধিৰ প্ৰস্তাৱ দিব ভটভটী চালক সন্থাই। সন্থাৰ কৰ্মকৰ্তা বীৰেণ দাসে জনোৱা মতে যিহেতু ইঞ্জিনৰ হুছ পাৱাৰ বাঢ়িল, ইন্ধনৰ খৰচো বাঢ়িব। গতিকে ভাড়া বৃদ্ধিৰ প্ৰস্তাৱ দিব চৰকাৰক। তিনি চিলিণ্ডাৰযুক্ত ৫০ হুছ পাৱাৰযুক্ত বিনামূলীয়া ইঞ্জিন দিয়া হৈছে ভটভটীৰ গৰাকীক। ৪০টা লাইফ জেকেট আৰু কিছু লাইফবোট জলপৰিবহণ বিভাগৰ পৰা দিয়া হৈছে। 'জীৱন ডিঙা' আঁচনিৰ জৰিয়তে ভটভটী সেৱা উন্নত প্ৰযুক্তিৰে আগবঢ়াই নিয়াৰ প্ৰয়াস কৰিছে জলপৰিবহণ বিভাগে। জলপৰিবহণ বিভাগে চালকক প্ৰশিক্ষণ আৰু পৰীক্ষাৰ জৰিয়তে ভটভটী চলাবলৈ দিছে অনুমতি। বৰ্তমান গুৱাহাটীৰ বীৰেণ দাস আৰু মুকালমুৰাৰ এজন ভটভটীৰ মালিকে চৰকাৰৰ নিয়ম অনুসৰি আগবঢ়াৰ বাবে ভটভটী চলাচলৰ অনুমতি পোৱা বুলি সদৰী কৰে দাসে। উল্লেখ্য যে ২০১৮ৰ গুৱাহাটীৰ শোকাবহ ভটভটী দুৰ্ঘটনাৰ পাছৰে পৰা সমগ্ৰ অসমতে বন্ধ কৰা হৈছিল ভটভটী চলাচল। য'ত কে'বাজনো লোকৰ প্ৰাণ হানি আৰু নিখোঁজ হৈ আছে বহুজন। ৰাইজে ভটভটী সেৱাক কি ধৰণে লয় সেয়া বিচাৰ্যৰ বিষয়। কিন্তু গুৱাহাটীৰ পুতৌলগা ফেৰী সেৱাৰ বিপৰীতে ভটভটী সেৱা যে আগবঢ়াব সেয়া নিশ্চিত। লাগিব জলপৰিবহণ বিভাগৰ তীক্ষ্ণ নজৰ আৰু প্ৰশাসনৰ কঠোৰ নিয়ন্ত্ৰণ।

## তেজপুৰত হাস্য দিৱস উদ্‌যাপন

# হাঁহিৰে জীৱন, চকুৰ পানীৰে নহয়



**ষ্টাফ ৰিপ’ৰ্টাৰ**

**তেজপুৰ, ১ মে’ ঃ** ‘হাঁহিৰে জীৱন’ চকুৰ পানীৰে নহয়। এই শ্লʼগানৰে আজি তেজপুৰ হাস্য সংঘই তেজপুৰৰ মাজগাঁওস্থিত জাতীয় ছহিদ বাকৰিত হাস্য দিৱস উদ্‌যাপন কৰে। পুৱা সাত বজাত এক শোভাযাত্রা উলিয়াই সকলোকে হাঁহিবলৈ আহ্বান জনোৱা হয়। ২০০৪ ত তেজপুৰত গঠন হোৱা তেজপুৰ হাস্য সংঘই ২০০৯ৰ পৰা প্ৰতি বছৰৰ মে’ৰ প্ৰথমটো দেওবাৰে হাস্য দিৱস পালন কৰি আহিছে। সেই অনুসৰি আজি পুৱাই হাস্য সংঘৰ সদস্যসকলৰ লগতে আমন্ত্ৰিত অতিথিৰ অংশগ্ৰহণৰে বিশেষ দিনটো উদ্‌যাপন কৰে। বিগত দুটা বৰ্ষ ক’ভিডৰ বাবে হোৱা তলাবন্ধৰ বাবে হাস্য দিৱস উদ্‌যাপনৰ পৰা বিৰত আছিল। আজি হাস্য সংঘই সীমিত কাৰ্যসূচীৰে উদ্‌যাপন কৰা দিৱসত পুৱা সংঘৰ সভাপতি ৰবীন শৰ্মাই পতাকা উত্তোলন কৰাৰ উপৰি উপস্থিত সকলোৱে জাতীয় সংগীত পৰিৱেশন কৰে। ইয়াৰ পাছতে অস্থায়ী মঞ্চত এখন বিচিত্ৰ অনুষ্ঠান অনুষ্ঠিত কৰা হয়। সভাপতি শৰ্মাৰ পৌৰোহিত্যত অনুষ্ঠিত সভাখন গীত মাতে, কবিতা পাঠৰে জীপাল হৈ উঠে। ‘অনুষ্ঠানত তেজপুৰৰ জ্যেষ্ঠ চিকিৎসক বিশ্বৰঞ্জন কলিতাই হাস্য দিৱসৰ তাৎপৰ্য দাঙি ধৰি হাঁহি ৰোগ নিৰাময়ৰ অন্যতম ঔষধ বুলি কয়। মদন কাটাৰীয়াই আৰম্ভ কৰা হাস্য সংঘ সমগ্ৰ বিশ্বতে আছে বুলিও তেওঁ কয়। সভাত দৰং মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ড° সতীশ ভট্টাচাৰ্য, অৱসৰপ্ৰাপ্ত অধ্যাপক পূৰ্ণেশ্বৰ নাথ, জ্যেষ্ঠ চিকিৎসক প্ৰদীপ বৰুৱা, শিশু বিশেষজ্ঞ শ্যামা শইকীয়া প্ৰমুখ্যে বিশিষ্ট লোকসকল উপস্থিত থাকি বক্তব্য আগবঢ়ায়। জীৱন বুটলিবি হাঁহি হাঁহি আহ’ শীৰ্ষক সমবেত গীতৰে আৰম্ভ কৰা বিচিত্ৰ অনুষ্ঠানত বক্তাসকলে ৰসিক বক্তব্যৰে হাঁহিব নজনা লোক ডাৱৰীয়া বতৰৰ সদৃশ আৰু হাঁহিয়ে নিজৰ লগতে আনৰো উপকাৰ সাধে বুলিও কয়। হাস্য সংঘৰ সম্পাদক কেশৰাম নাথে আজিৰ সভাৰ উদ্দেশ্য বাখ্যা কৰাৰ লগতে আদৰণি ভাষণ দিয়ে।

# উপাচাৰ্যক আদৰণি যোৰহাটত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ

**অগ্ৰদূত বাৰ্তা**

**লাহদৈগড়, ১ মে’ ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ নৱ নিযুক্ত উপাচাৰ্য ড° মৃদুল হাজৰিকাক আজি শ্ৰীমন্ত শংকৰদেৱ সংঘৰ, যোৰহাট জিলা শাখাৰ কাৰ্যালয়ত জিলা শাখাৰ সভাপতি মুকুল গগৈ, ভাৰপ্ৰাপ্ত সম্পাদক দ্বীজেন শইকীয়া, সংস্কৃতি শাখাৰ সম্পাদক সৌন্দৰ্য প্ৰকাশ হাজৰিকা আৰু জিলা শাখাৰ ভকতসকলে আদৰণি জনায়। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° মৃদুল হাজৰিকাই যোৰহাট জিলাত বিশ্ববিদ্যালয়খনৰ এটা শাখা মুকলি কৰা চিন্তা-চৰ্চা কৰা হৈছে বুলি সদৰী কৰে। যোৰহাট জিলা শাখাত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য উপস্থিত হোৱাত জিলা শাখাৰ সভাপতি মুকুল গগৈয়ে সন্তোষ প্ৰকাশ কৰে।




*বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ মৃত্যু তিথিত শান্তি সমদল, মুছলপুৰত দেওবাৰে।*

# গাঁওৰক্ষী সংগঠনৰ নতুন সমিতি গঠন


**পাটাছাৰকুছি, ১ মে’ ঃ** অসম গাঁওৰক্ষী সংগঠনৰ পাটাছাৰকুছি থানা সমিতিখন আজি নতুনকৈ গঠন কৰা হয়। থানা সমিতিৰ সভাপতি ৰবীন শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত বাৰ্ষিক সভাত সংগঠনৰ বিভিন্ন দিশ সামৰি আলোচনা কৰা হয়। সভাত বজালী জিলাৰ আৰক্ষী অধীক্ষক ধৰ্মেন্দ্ৰ কুমাৰ দাস, অতিৰিক্ত আৰক্ষী অধীক্ষক অনিৰ্বাণ শৰ্মা, ৰশ্মীৰেখা শৰ্মা, চক্ৰ সংগঠক আৰু কৰ্মীসকল উপস্থিত থাকে। সভাতে পৰৱৰ্তী কাৰ্যকালৰ বাবে ত্ৰৈলোক্য দাসক সভাপতি, মহেন্দ্ৰ দাস আৰু ৰত্নেশ্বৰ ৰয়ক উপ-সভাপতি, গুণজিৎ কুমাৰ নাথক প্ৰধান সম্পাদক, দীপক তালুকদাৰ আৰু জিতুমণি ৰয়ক সম্পাদক আৰু মজিবুৰ ৰহমানক কাৰ্যালয় সম্পাদকৰূপে লৈ এখন ২৩ জনীয়া সমিতি গঠন কৰা হয়।

# জামুগুৰিহাটত কপিকুলৰ সন্ত্ৰাসত বিদ্যালয়ত পাঠদান কাৰ্যসূচী ব্যাহত

**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ১ মে’ ঃ** কপিকুলৰ সন্ত্ৰাসৰ বাবেই জামুগুৰিহাটৰ এটি অংগনৱাড়ী কেন্দ্ৰত ব্যাহত হৈছে পাঠদান কাৰ্যসূচীৰ। গেৰেকীচুকস্থিত বৰভগীয়া মজলীয়া বিদ্যালয়ৰ চৌহদত থকা গেৰেকীচুক অংগনৱাড়ী কেন্দ্ৰত প্ৰতিদিনেই চলে কপিকুলৰ উপদ্ৰৱ। অংগনৱাড়ী কেন্দ্ৰটোৰ পকীঘৰৰ টিং ফালি কপিকুলে উপদ্ৰৱ চলোৱাৰ ফলত কেন্দ্ৰটোৰ ভিতৰত ৰাখিব নোৱাৰা হৈছে কণ-কণ ছাত্ৰ-ছাত্ৰীৰ বাবে অহা কিতাপ-পত্ৰৰ লগতে খাদ্য-সামগ্ৰী। কেন্দ্ৰটোৰ ভিতৰত প্ৰৱেশ কৰা বান্দৰৰ জাকে সকলো ফালি-ছিৰি নষ্ট কৰাৰ লগতে খাদ্য-সামগ্ৰী খাই তহিলং কৰে। অংগনৱাড়ী কেন্দ্ৰটো নিৰ্মাণৰ সময়ত কামত নিয়োজিত হৈ থকা ঠিকাদাৰে নিম্নমানৰ টিন লগোৱাৰ ফলতেই কেন্দ্ৰটোৰ টিনসমূহ সোনকালেই বেয়া হৈ যোৱা বুলি অভিযোগ কৰিছে কেন্দ্ৰটোত কৰ্মৰত কৰ্মচাৰীসকলে। উত্থাপিত অভিযোগ অনুসৰি কেন্দ্ৰটোত ঠিকাদাৰে পাতল তথা অতি নিম্ন মানৰ টিন লগোৱাৰ ফলত এতিয়া এই টিনৰ ওপৰত জাক জাক বান্দৰৰ প্ৰৱেশ ঘটাত টিনসমূহ ফাটি যোৱাৰ ফলত কেন্দ্ৰটোৰ ভিতৰত বান্দৰৰ প্ৰৱেশ ঘটাৰ উপৰি বৰষুণৰ বতৰত পানী পৰাৰ ফলত ব্যাহত হয় কণ-কণ ছাত্ৰ-ছাত্ৰীৰ পাঠগ্ৰহণ কাৰ্যসূচী। আনহাতে, একাংশ অভিভাৱকে নিজৰ সন্তানক বৰষুণত তিতে বুলিয়েই কেন্দ্ৰটোলৈ নপঠিওৱাৰ সিদ্ধান্ত গ্ৰহণ কৰে। অংগনৱাড়ী কেন্দ্ৰটোৰ এই দুৰৱস্থাৰ বিষয়ে সংশ্লিষ্ট কৰ্তৃপক্ষক কে’বাবাৰো জনোৱাৰ পাছতো কিন্তু আজিলৈকে সংশ্লিষ্ট কৰ্তৃপক্ষই কেন্দ্ৰটোৰ মেৰামতি নকৰিলে। যাৰ ফলত এতিয়া অংগনৱাড়ী কেন্দ্ৰটোত পাঠদান আৰু পাঠগ্ৰহণ কাৰ্যসূচীত ব্যাঘাত জন্মিছে। এই ক্ষেত্ৰত শীঘ্ৰেই সংশ্লিষ্ট কৰ্তৃপক্ষক ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে।

# কলিয়াবৰত অসম ভাওনা সমাৰোহে মুহিলে ৰাইজক



**অগ্ৰদূত বাৰ্তা**

**কলিয়াবৰ, ১ মে’ ঃ** অসম শিল্পী কাননৰ উদ্যোগত বৃহত্তৰ কলিয়াবৰ শিল্পী সমাজৰ ব্যৱস্থাপনাত কলিয়াবৰত অসম ভাওনা সমাৰোহ অনুষ্ঠিত হয়। কলংপৰীয়া সাংস্কৃতিক গোষ্ঠীৰ মঞ্চত বৰভকতিত অনুষ্ঠিত হয় অসম ভাওনা সমাৰোহ। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অমূল্য সৃষ্টিৰাজি অংকীয়া ভাওনা ‘ৰাম-বিজয়’ আৰু ‘ৰুক্মিণী হৰণ’ দুখনকৈ মঞ্চ ভাওনা মঞ্চায়ন কৰে অসম ভাওনা সমাৰোহত। বৃহত্তৰ কলিয়াবৰ শিল্পী সমাজ আৰু শংকৰ-মাধৱ পুথিভড়াল গেদাৰবড়ী নগাঁৰৰ শিল্পীবৃন্দৰ দ্বাৰা মঞ্চায়ন দুখনকৈ অংকীয়া ভাওনা। অসম ভাওনা সমাৰোহৰ আৰম্ভণি অনুষ্ঠানত সত্ৰীয়া নৃত্য দিহানামকে আদি কৰি কে’বাটাও বাছকবনীয়া অনুষ্ঠান পৰিৱেশন কৰে ৰাজ্যৰ ভিন্ন প্ৰান্তৰ শিল্পীসকলে। অসম ভাওনা সমাৰোহৰ আৰম্ভণি অনুষ্ঠানতে ১০ গৰাকী বিশিষ্ট লোকক সম্বৰ্ধনা জ্ঞাপন কৰে। এই অনুষ্ঠানতে স্বাস্থ্যমন্ত্ৰী তথা স্থানীয় বিধায়ক কেশৱ মহন্ত উপস্থিত থাকি নিশা মঞ্চ ভাওনা উপভোগ কৰে। গুৰুজনাৰ অমৰ সৃষ্টিৰাজি অংকীয়া ভাওনা তথা কৃষ্টি-সংস্কৃতিসমূহ বহুল প্ৰচাৰৰ উদ্দেশ্যৰে কলিয়াবৰৰ বৰভকতিত এইদৰে অনুষ্ঠিত হয় অসম ভাওনা সমাৰোহ।

# বিধ্বস্ত পথক লৈ কাৰ্বি ছাত্ৰ সন্থাৰ প্ৰতিবাদ পশ্চিম কাৰ্বি আংলঙত



**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**

**খেৰণি/ডংকামোকাম, ১ মে’ ঃ** সমাগত কাৰ্বি পৰিষদৰ নিৰ্বাচন। নিৰ্বাচনৰ প্ৰাক্‌ক্ষণত কাৰ্বি আংলঙৰ বিভিন্ন প্ৰান্তত সমস্যা সমাধানৰ দাবীৰে প্ৰতিবাদ মুখৰ পৰিৱেশ সৃষ্টি হোৱা পৰিলক্ষিত হৈছে। তেনে এক পৰিৱেশ দেখিবলৈ পোৱা গ’ল এইবাৰ পশ্চিম কাৰ্বি আংলঙৰ লাংথাত। খেৰণি-জিৰিকিংডিং সংযোগী পথ নিৰ্মাণৰ দাবীত কাৰ্বি ছাত্ৰ সন্থাই প্ৰতিবাদ সাব্যস্ত কৰি এক উত্তাল পৰিৱেশৰ সৃষ্টি কৰে বৃহত্তৰ লাংথা অঞ্চলত। স্থানীয় ৰাইজ, বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীকে ধৰি কাৰ্বি ছাত্ৰ সন্থাৰ বিষয়ববীয়াই হাতে হাতে বেনাৰ, প্লে’-কাৰ্ড আদি লৈ এক সমদল উলিয়াই স্থানীয় পৰিষদীয় সদস্য পৱন কুমাৰ গ’বেক, ন’-ৰোড, ন’-ভোট আদি শ্ল’গানেৰে সাব্যস্ত কৰে উত্তাল প্ৰতিবাদ। উল্লেখ্য যে সুদীৰ্ঘ বছৰ ধৰি খেৰণি-জিৰিকিংডিং সংযোগী পথৰ দুৰৱস্থাই দুৰ্ভোগ ভোগাই আহিছে পশ্চিম কাৰ্বি আংলঙৰ বৃহত্তৰ অঞ্চলৰ সৰ্বসাধাৰণ জনতাক। কাৰ্বি পৰিষদৰ কপিলী আৰু আমৰেং সমষ্টিৰ প্ৰায় ৬০ হেজাৰতকৈও অধিক বাসিন্দাৰ উপৰি মেঘালয়ৰ নাগৰিকে এই বিধ্বস্ত পথটোকে একমাত্ৰ পথ হিচাপে জীয়াতু ভুগি হ’লেও ব্যৱহাৰ কৰি আহিবলগীয়া হৈছে। মুঠতে পুখুৰী সদৃশ গাঁত সৃষ্টি হোৱা বিধ্বস্ত পথটো এতিয়া ৰোগীৰ বাবে যম আৰু ছাত্ৰ-ছাত্ৰী, ব্যৱসায়ী, চাকৰিয়াল আদিৰ বাবে এক যাতনা হৈ পৰিছে। আনকি ৰাজ্যবাসীৰ দৃষ্টি আকৰ্ষণ কৰিব পৰা পৰ্যটকস্থলী আমৰেং, কোকা, হাৰলং-ফাৰলা, জিৰিকিংডিঙৰ ডিনাৰ আদি ঠাইৰ মনোমোহা নৈসৰ্গিক দৃশ্য উপভোগৰ ক্ষেত্ৰতো পৰ্যটকৰ বাবে এক বাধাৰ সৃষ্টি কৰি আহিছে বিধ্বস্ত খেৰণি-জিৰিকিংডিং সংযোগী পথটোৱে। যাৰ পৰিপ্ৰেক্ষিতত শেহতীয়াকৈ প্ৰতিবাদেৰে পথ নিৰ্মাণৰ দাবী তুলি জিলাখনৰ কাৰ্বি ছাত্ৰ সন্থাই এক উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে।

# চিলাপথাৰৰ ৰাষ্ট্ৰীয় পথৰ দ খাৱৈত বাগৰিল টেংকাৰ ঃ আহত তিনিজন



**অগ্ৰদূত বাৰ্তা**

**চিলাপথাৰ, ১ মে’ ঃ** আজি পুৱা প্ৰায় ১১ বজাত এখন এ এছ-২৩ এইছ চি-৩৩৬১ নম্বৰৰ তেলভৰ্তি টেংকাৰ চিলাপথাৰৰ গেলুৱা তিনিআলিত এজন বয়োজ্যেষ্ঠ ব্যক্তিক খুন্দা মাৰি পথৰ দাঁতি কাষৰ দ’ খাৱৈত বাগৰি পৰে। চিচিবৰগাঁৱৰ পৰা চিলাপথাৰ অভিমুখে যোৱা ৫১ নম্বৰ ৰাষ্ট্ৰীয় পথেদি চিলাপথাৰ আৰক্ষী থানাৰ অন্তৰ্গত নামনি চিচিটঙানীৰ মেৰ চাপৰি পিপলগুৰি গাঁৱৰ নিবাসী মনচিং পামে নামৰ বয়োজ্যেষ্ঠ লোকজনে চাইকেল চলাই ঘৰ অভিমুখে গৈ থকা অৱস্থাত চিলাপথাৰৰ অভিমুখে গৈ থকা টেংকাৰখনে চিচিবৰগাঁও আৰক্ষী থানাৰ অন্তৰ্গত গেৰুৱা তিনিআলিত টেংকাৰখনে খুন্দা মাৰি পথৰ দাঁতি কাষৰ দ’ খাৱৈত বাগৰি পৰে। গুৰুতৰভাৱে আহত পামেক ডিব্ৰুগড় চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰিছে। আনহাতে, কিছু পৰিমাণে আঘাতপ্ৰাপ্ত টেংকাৰৰ চালক-হেণ্ডিমেনক চিচিবৰগাঁও আৰক্ষী থানালৈ লৈ যোৱা হয়।

## পাহাৰ চূড়াৰ তাহানিৰ ‘ব্ৰিটিছ টেংকী’ৰ আৰ্হি লোৱাত ব্যৰ্থ বিভাগ

# নিজৰাৰ পানী সেৱন কৰি তৃষ্ণা নিবাৰণ

**অগ্ৰদূত বাৰ্তা**

**কলিয়াবৰ, ১ মে’ ঃ** ‘আমি পাহাৰীয়া মানুহ। পাহাৰৰ পানী খালে একো নহয়। এই কাঁকবাঁহৰ মাজেৰে অহা পানী বৰ মিঠা। ইয়াৰ পানীয়েই খাই আহিছো আমি।’ পাহাৰীয়া নিজৰাৰ পানীৰে জীৱনতৃষ্ণা দূৰ কৰা এগৰাকী কাৰ্বি জনজাতীয় মহিলাৰ মনৰ কথা এয়া। একবিংশ শতিকাৰ উন্নয়নমুখিতাৰ সময়তো পাহাৰৰ শিলৰ ফাঁকেৰে বৈ অহা নিজৰাৰ পানীত জীৱন সুধা বিচাৰি হাহাকাৰ কৰিছে এইখন অসমৰে এখন গাঁৱৰ বাসিন্দাই। আচলতে গাঁও বুলি ক’লে ভুল হ’ব, এক বৃহত্তৰ অঞ্চলৰ জনসাধাৰণে এতিয়া হাহাকাৰ কৰিছে বিশুদ্ধ খোৱাপানীটুপিৰ বাবে। অঞ্চলটো নগাঁও-কাৰ্বি আংলং সীমান্তৱৰ্তী কলিয়াবৰৰ অন্তৰ্গত দেওচুৰ, ফুলগুৰি চাং, ইংজাই গাঁও, কিলি গাঁওকে ধৰি সীমান্তৱৰ্তী এক বৃহত্তৰ অঞ্চল। কাৰ্বিপাহাৰৰ নামনিৰ পাহাৰীয়া জিলাখনৰ সীমান্তৱৰ্তী এই বহুকেইটা পাহাৰটিলাৰে আবৃত অঞ্চলটোত এতিয়া জনসাধাৰণে হাহাকাৰ কৰিছে পানীৰ বাবে। পাহাৰৰ টিলাই টিলাই বগুৱা বাই গাঁৱৰ পুৰুষ-মহিলাই কলহ আদিৰে সংগ্ৰহ কৰিছে পাহাৰৰ শিলে শিলে ঠেকা খাই নামি অহা নিজৰাৰ পানী। শিলৰ মাজেৰে বৈ অহা নিজৰাক বিশেষভাৱে নলা কাটি নামনিলৈ বোৱাই আনি এক ভেটা মাৰি আবদ্ধ কৰিছে সেই পাহাৰৰ পানীভাগ। আৰু সেই ভেটাৰেই কিছু ওপৰৰ অংশত পাহাৰীয়া বিজুলী বাঁহৰ নলী সাজি লগাই সংগ্ৰহ কৰিছে পানী। সীমান্তৱৰ্তী অঞ্চলটোৰ আজিৰ দিনটোত ই এক চিনাকি ছবি। পানীৰ বাবেই যেন আজিও হাহাকাৰ এই সীমান্তৱৰ্তী লোকসকলৰ। সকলোতকৈ আশ্চৰ্যকৰ কথা এয়ে যে সীমান্তৱৰ্তী অঞ্চল হোৱাৰ বাবেই কাৰ্বি আংলং অথবা নগাঁও কোনো এখন জিলাৰ সংশ্লিষ্ট বিভাগে গুৰুত্ব নিদিয়ে এইসকল লোকক। কিন্তু ইমানৰ পাছতো চকু পৰা নাই কোনো বিভাগ, বিষয়া অথবা ৰজাঘৰীয়াৰ। উল্লেখ্য যে এই কাৰ্বিপাহাৰৰ ওপৰৰ পাহাৰৰ চূড়াতে ব্ৰিটিছৰ আমোলতে ৰাইজক পানী যোগানৰ বাবে সজা হৈছিল একো একোটা বৃহৎ বৃহৎ লোহাৰ টেংকী। ডাঠ ডাঠ লোহাৰ প্লেটৰে মজবুতকৈ সজা এই টেংকীৰ সমান্তৰালকৈ আছে কংক্ৰিটৰ আন এটা কুঁৱাৰ দৰে কিন্তু অতি বিশালাকাৰ টেংকী। এই টেংকীৰ পৰাই পাহাৰীয়া জান-জুৰি-নিজৰাৰ সংগৃহীত পানী লোহাৰ নলীৰে নামনিলৈ কোনো যন্ত্ৰাংশ অবিহনেই সুন্দৰকৈ নমাই আনি বৃহত্তৰ অঞ্চলৰ জনসাধাৰণক যোগান ধৰা হৈছিল । আজিও কিছু মেৰামতি কৰালেই ইংৰাজৰ দিনৰে এই পৰিকল্পিত পানী যোগান আঁচনি হৈ উঠিব কাৰ্যক্ষম। কিন্তু ইয়াৰ কাৰ্যক্ষমকৰণ অথবা ইয়াত ব্যৱহৃত কাৰুকাৰ্য গ্ৰহণ কৰাটো বাদেই, ইয়াৰ অৱস্থিতি সম্পৰ্কেও সামান্যতমো অৱগত নহয় সংশ্লিষ্ট বৰমূৰীয়াসকল। উল্লেখ্য যে কাৰ্বি পাহাৰ চূড়াত অৱস্থিত আৰু আজিও অক্ষত অৱস্থাত থকা স্থানীয় জনসাধাৰণৰ ভাষাত এই ‘ব্ৰিটিছ টেংকী’ৰ পানী ঠায়ে ঠায়ে ব্যৱহাৰ কৰি আহিছে জনসাধাৰণে। মাত্ৰ ইংৰাজৰ এই জনহিতৈষী আঁচনিৰ আৰ্হি গ্ৰহণ কৰিব পৰা নাই তথাকথিত জনহিতকৰ বিভাগসমূহে। সামাজিক দায়বদ্ধতা নথকা একাংশ বিষয়াৰ বাবেই এতিয়া যেন জীয়াতু ভুগিছে জনতাই। এই সকলো ছবি দেখি-শুনি ৰাইজৰ প্ৰশ্ন চৰকাৰী বিজ্ঞাপনতে জিলিকিছে নেকি জলজীৱনৰ শ্ল’গান?

# লাহৰীঘাটত ট্ৰেক্টৰ দুৰ্ঘটনাত চালকৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**লাহৰীঘাট, ১ মে’ ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটত কালি সন্ধিয়া সংঘটিত এক ট্ৰেক্টৰ দুৰ্ঘটনাত এজন চালকৰ মৃত্যু হয়। দুৰ্ঘটনাটো সংঘটিত হয় লাহৰীঘাট আৰক্ষী থানাৰ অন্তৰ্গত বগলীপাৰা-মৰিগাঁও সংযোগী গড়কাপ্তানী পথৰ কুশতলি সোনডোৱাত। দুৰ্ঘটনাত মৃত্যু হোৱা চালকজন বগলীপাৰা কদমতলা গাঁৱৰ ইছলাম উদ্দিন (২১)। সন্ধিয়া প্ৰায় ৭-৩০ বজাত নিজৰ ট্ৰেক্টৰেৰে মাটি পেলাই ঘূৰি অহাৰ সময়ত কুশতলি সোণডোৱা দলঙৰ কাষত ট্ৰেক্টৰখন বাগৰি পৰি দুৰ্ঘটনাটো সংঘটিত হয়। ঘটনাৰ বিষয়ে খবৰ পোৱাৰ লগে লগে লাহৰীঘাট আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ স্থানীয় ৰাইজৰ সহযোগত ট্ৰেক্টৰৰ তলৰ পৰা চালকজনক উঠাই আনি আৰু ততাতৈয়াকৈ সংকটজনক অৱস্থাত লাহৰীঘাট মহাত্মা গান্ধী চিকিৎসালয়লৈ লৈ আনে যদিও চিকিৎসকে মৃত বুলি ঘোষণা কৰে। পৰৱৰ্তী সময়ত লাহৰীঘাট আৰক্ষীয়ে মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে মৰিগাঁও অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

## ৪.৭ গ্ৰাম হেৰ’ইন জব্দ

# নগাঁওত পুনৰ দুই ড্ৰাগছ সৰবৰাহকাৰী গ্ৰেপ্তাৰ

**বিশেষ সংবাদদাতা**

**নগাঁও, ১ মে’ ঃ** এক বিশেষ সূত্ৰৰ খবৰৰ ভিত্তিত আজি পুৱা ১১ বজাত ননৈ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া অভয়জ্যোতি ৰাভাৰ নেতৃত্বত এটা আৰক্ষীৰ দলে নগাঁও জিলাৰ ৰাইদঙীয়াৰ ঔতলত অভিযান চলাই দুজন ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। ধৃত ড্ৰাগছ সৰবৰাহকাৰী দুজন চামগুৰি বাজিয়া গাঁৱৰ জাকিৰ হুছেইন (৩৮) আৰু বাহাৰুল ইছলাম (২৫)। তেওঁলোকৰ হাতৰ পৰা আৰক্ষীয়ে ৫৭ টা ফাইলত ভৰোৱা ৪.৭ গ্ৰাম ওজনৰ হেৰ’ইনো জব্দ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে নগাঁও আৰক্ষীয়ে শেহতীয়াকৈ জিলাখনত ড্ৰাগছ বিৰোধী অভিযান আৰু অধিক জোৰদাৰ কৰি তুলিছে। আৰক্ষীৰ ধাৰাবাহিক অভিযানত নিতৌ ড্ৰাগছসহ একাংশ ড্ৰাগছ সৰবৰাহকাৰী, ড্ৰাগছ মাফিয়া গ্ৰেপ্তাৰ হোৱা পৰিলক্ষিত হৈছে।

# পশ্চিম কামৰূপৰ তামুলদিত অবৈধ মাটি কঢ়িওৱা ট্ৰেক্টৰ জব্দ

**আলোপতি, ১ মে’ ঃ** পশ্চিম কামৰূপৰ নগৰবেৰা নদী সংৰক্ষিত বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত তামুলদিত অভিযান চলাই বন বিভাগে জব্দ কৰে অবৈধ মাটি কঢ়িওৱা এখন ট্ৰেক্টৰ। এক নিৰ্ভৰযোগ্য খবৰৰ ভিত্তিত বনকৰ্মী নৃপেন কলিতাৰ নেতৃত্বত যোৱা অভিযানকাৰী দলে যোৱা নিশা অভিযান চলাই এ এছ-১৫ চি-৭৩০৪ নম্বৰৰ ট্ৰেক্টৰখন জব্দ কৰিবলৈ সক্ষম হয়। জব্দকৃত ট্ৰেক্টৰখন বন বিভাগৰ লোকে গবৈমাৰীস্থিত বন বিভাগৰ শিবিৰত চমজাই দিয়া হয়।

# তেজপুৰত দেৱদামোদৰ দেৱৰ তিৰোভাৱ তিথি পালন



**ষ্টাফ ৰিপ’ৰ্টাৰ**

**তেজপুৰ, ১ মে ঃ** তেজপুৰত আজি শ্ৰীমৎ দেৱদামোদৰ দেৱৰ ৪২৪ সংখ্যক তিৰোভাৱ তিথি মহাপুৰুষ শ্ৰীমৎ দেৱদামোদৰ সংঘৰ শোণিতপুৰ জিলা সমিতিৰ উদ্যোগত পালন কৰা হয়। কাৰ্যসূচী অনুযায়ী পুৱা সংঘৰ পতকা উত্তোলন আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুস্থিত হয়। সংঘৰ পতকা উত্তোলন কৰে সংঘাধিকাৰ বলেন্দ্ৰ নাথ শৰ্মা শাস্ত্ৰীয়ে। দেৱ দামোদৰ দেৱৰ তৈল চিত্ৰত বন্তি প্ৰজ্বলন আৰু মাল্য অৰ্পণ কৰা হয়। এই অনুষ্ঠানতে দেৱদামোদৰদেৱ পন্থাৰ পুৰোধা ব্যক্তি বিনোদ ভাগৱতীক সংঘৰ পণ্ডিত সদানন্দ মিশ্ৰক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। জিলা সংঘৰ লগতে তেজপুৰৰ ডিপোটা, আউনীআটী, মাদুৰী বিল সত্ৰ, এলবি ৰোড নামঘৰ হজৰাপাৰ চান্দমাৰী, সাৰ্বজনীন ধৰ্ম মণ্ডলী, কলিবাৰি সাৰ্বজনীন নামঘৰ কামৰূপীয় সনাতন ধৰ্ম মণ্ডলীসহ তেজপুৰৰ বিভিন্ন সত্ৰ, নামঘৰত গুৰু তিথি উপলক্ষে বিষ্ণু হোম আৰু ভকত, আই মাতৃসকলৰ হৰি নামেৰে নামঘৰ মুখুৰিত হৈ পৰে।

# শালবাৰীৰ নিমুৱাত ব’হাগী উৎসৱত ভিন্ন জনগোষ্ঠীয় নৃত্য প্ৰদৰ্শন



**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ১ মে ঃ** বাগ্‌সাৰ শালবাৰীৰ নিমুৱাত বিজেপিৰ বৰপেটা জিলা সমিতি, গোৱৰ্ধনা মণ্ডল সমিতি আৰু হাউলী মণ্ডলৰ উদ্যোগত অঞ্চলটোত শান্তি-সম্প্ৰীতি, ভাতৃত্ববোধ গঢ়ি উঠাৰ উদ্দেশ্যে আজি দিনজোৰা কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয় বাৰেৰহণীয়া ব’হাগী উৎসৱৰ। অনুষ্ঠানত স্থানীয় ভিন্ন জাতি জনগোষ্ঠীৰ পৰম্পৰা অনুসৰি প্ৰদৰ্শন কৰা হয় বৰেৰহণীয়া নৃত্যৰ। বড়ো জনগোষ্ঠীৰ বাগুৰুম্বা, কোচ ৰাজবংসীৰ বিযুৱা, আদিবাসীৰ ঝুমুৰ আদি নৃত্যৰে উখল-মাখলেৰে সামৰণি পৰে অনুষ্ঠানটোৰ। উক্ত অনুষ্ঠানত উপস্থিত থাকে বিটিআৰ চৰকাৰৰ কাৰ্যবাহী সদস্য গৌতম দাস। অনুষ্ঠানটোৰ জৰিয়তে অঞ্চলটোত শান্তি-সম্প্ৰীতি, ভ্ৰাতৃত্ববোধ গঢ়ি উঠিব বুলি মন্তব্য কৰে ।


# নপাম গোহাঁই গাঁৱৰ নামঘৰত বৰসবাহ বিহপুৰীয়া মাধৱদেৱ সাংস্কৃতিক গোষ্ঠীৰ ভাওনা প্ৰদৰ্শন



**অগ্ৰদূত বাৰ্তা**

**লখিমপুৰ, ১ মে’ ঃ** লীলাবাৰীস্থিত নপাম গোহাঁইগাঁৱত আজি বছেৰেকীয়া বৰসবাহ অনুষ্ঠিত হয়। উক্ত বৰসবাহত বাধ্যকৰাত নামাচাৰ্য কণ বৰাৰ নেতৃত্বত নাম প্ৰসংগ, আৰু দৌৱকী দেউবীৰ নেতৃত্বত দিহা নাম পৰিৱেশন কৰা হয়। সন্ধিয়ালৈ ভাওনা সাংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্যে বিহপুৰীয়াৰ মাধৱদেৱ সাংস্কৃতিক গোষ্ঠীৰ দ্বাৰা পৰিৱেশিত সাবিত্ৰী-সত্যবান ভাওনা ভাগ প্ৰদৰ্শন কৰা হয়। নামঘৰ পৰিচালনা সমিতিৰ সভাপতি বাবুল গোহাঁই, সম্পাদক সঞ্জীৱ গোহাঁই পৰিচালনা কৰা বৰসবাহত নপাম গোহাঁই গাঁৱৰ উপৰি নপাম ৰংপুৰীয়া, বাধ্যকৰা চতকপুৰ, সোণাৰী গাঁও ভকত বৈষ্ণৱে অংশগ্ৰহণ কৰে।

# নগাঁৱত কংগ্ৰেছৰ সংখ্যালঘু বিভাগৰ উদ্যোগত সমূহীয়া ইফটাৰ পাৰ্টি



**বিশেষ সংবাদদাতা**

**নগাঁও, ৰ মে’ ঃ** পৱিত্ৰ ৰমজান মাহ উপলক্ষে আজি নগাঁও জিলা কংগ্ৰেছৰ সংখ্যালঘু বিভাগৰ উদ্যোগত এক সমূহীয়া ইফটাৰ পাৰ্টি অনুষ্ঠিত হয়। জিলা কংগ্ৰেছ কাৰ্যালয়ত অনুষ্ঠিত ইফটাৰ পাৰ্টিত শতাধিক কংগ্ৰেছৰ নেতা-কৰ্মী উপস্থিত থাকে। ইফটাৰ গ্ৰহণৰ প্ৰাগ মুহূৰ্তত বিশ্ব শান্তি আৰু ভ্ৰাতৃত্ববোধ অক্ষুন্ন ৰক্ষাৰ বাবে এক দোৱা-প্ৰাৰ্থনা সভা অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানত প্ৰাক্তন মন্ত্ৰী তথা বিৰোধী দলৰ উপ-দলপতি ৰকিবুল হুছেইন, বিধায়ক ক্ৰমে নুৰুল হুদা, শিবামনি বৰা, কংগ্ৰেছৰ সংখ্যালঘু বিভাগৰ ৰাজ্যিক অধ্যক্ষ ছালমান খান, সাধাৰণ সম্পাদকদ্বয় ক্ৰমে মহিবুৰ ৰহমান, হৰমিৎ সিং, শ্বৱনম ভূএগ্ৰা, নগাঁও জিলা কংগ্ৰেছৰ নৱ নিৰ্বাচিত সভাপতি সুৰেশ বৰা, কংগ্ৰেছ নেতা ইক্ৰামুল হুদা আদি নেতা উপস্থিত থাকে।

# লাহৰীঘাটৰ চেনিমাৰীত হৰিণা পহু উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**

**লাহৰীঘাট, ১ মে’ ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট আৰক্ষী থানাৰ অন্তৰ্গত চেনিমাৰীত আজি এটি হৰিণা উদ্ধাৰ হয়। হৰিণা পহুটো আহি চেনিমাৰী গাঁৱৰ এঘৰৰ বেঙেনা খেতিত ঘেৰি দিয়া নেট জালত আবদ্ধ হৈ পৰে। ব্ৰহ্মপুত্ৰৰ সিপাৰৰ পৰা পাৰ হৈ যোৱা নিশা হৰিণা পহুটো অহা বুলি ৰাইজে সন্দেহ প্ৰকাশ কৰিছে। পুৱা স্থানীয় লোকে হৰিণাটো প্ৰত্যক্ষ কৰি আৰক্ষীক খবৰ দিয়ে। লাহৰীঘাট আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ হৰিণাটোক উদ্ধাৰ কৰি মৰিগাঁও জিলা বন বিভাগ চমজাই দিয়ে।





ছানৰাইজাৰ্ছৰ বিৰুদ্ধে চি এছ কেৰ ৰিতুৰাজ।

### আই পি এলৰ মধ্যভাগত কঠিন সময়ত পুনৰ ল'লে চেন্নাই ছুপাৰ কিংছৰ অধিনায়কৰ দায়িত্ব

# প্ৰত্যাহ্বানৰ মাজতে ধোনিৰ নতুন যাত্ৰা

**মুম্বাই, ১ মে' ঃ** চেন্নাই ছুপাৰ কিংছৰ অধিনায়কৰ দায়িত্ব পুনৰ ল'লে মহেন্দ্ৰ সিং ধোনীয়ে। আজি ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে খেলা মেচখনত চি এছ কে দলক নেতৃত্ব দিয়ে ধোনীয়ে। উল্লেখ্য যে দলৰ বৃহত্তৰ স্বাৰ্থত জাদেজাৰ পৰা অধিনায়কত্ব ঘূৰাই ল'বলৈ ধোনী সন্মত হৈছে বুলি ইতিমধ্যে সদৰী কৰিছে চি এছ কে। দৰাচলতে অধিনায়কত্বৰ চাপে ৰবীন্দ্ৰ জাদেজাৰ বেটিং আৰু বলিঙক প্ৰভাৱিত কৰিছে। ফলত চলিত ছিজনত বিশ্বৰ অন্যতম শ্ৰেষ্ঠ অলৰাউণ্ডাৰজনে বেটে-বলে উজলি উঠিব পৰা নাই। সেইবাবেই জাদেজাই অধিনায়কত্ব ত্যাগ কৰি খেলত মনোনিবেশ দিব। তদুপৰি, জাদেজাৰ অধিনায়কত্বত চেন্নাইৰ অৱস্থাও চলিত ছিজনত সংকটজনক। ইতিমধ্যে খেলা ন খন মেচৰ ভিতৰত মাত্ৰ দুখনতহে জয়ী হৈছে চেন্নাই। পইণ্ট তালিকাৰ ন নম্বৰত আছে চেন্নাই। চেন্নাইৰ তলত আছে মুম্বাই ইণ্ডিয়ানছ। চেন্নাই এতিয়া যি পৰিস্থিতিত আছে তাৰ পৰা প্লে' অফৰ যোগ্যতা অৰ্জন কৰাটো কঠিন হৈ পৰিছে। সেয়ে দলটোৰ বাবে, ধোনীয়ে পুনৰ সেই কণ্টকময় মুকুট পৰিধান কৰিবলৈ সন্মত হৈছে। ইফালে, পুনৰ এবাৰ ধোনীক অধিনায়কৰূপে দেখিবলৈ পাই উৎহাসিত হৈ পৰিছে মাহীৰ অনুৰাগী। আকৌ এবাৰ ধোনীক হালধীয়া জাৰ্ছীত টছ কৰা দেখিবলৈ পালে চেন্নাইৰ অনুৰাগীয়ে। জাডেজাৰ অধিনায়ক পদ ত্যাগ আৰু ধোনীৰ পূৰ্ণ সন্মতিয়ে দল আৰু অনুৰাগীসকলৰ মনোবল বৃদ্ধি কৰিব বুলি আশাবাদী চেন্নাই মেনেজমেণ্ট। স্মৰ্তব্য যে, ধোনীয়ে আইপিএলৰ আৰম্ভণিৰ পৰাই চেন্নাইৰ অধিনায়ক হিচাপে খেলিছে। চিএছকেই প্ৰথম বছৰৰ নিলামত ধোনীক ছয় কোটি টকাত ক্ৰয়েৰে অভিলেখ গঢ়িবলৈ সক্ষম হৈছিল। মাহীয়ে আৰম্ভণিৰে পৰা চিএছকেৰ অধিনায়ক হিচাপে খেলি আহিছে। তেওঁৰ নেতৃত্বত চাৰিবাৰ আইপিএলৰ চেম্পিয়ন খিতাপ অৰ্জন কৰিছে। ইয়াৰ মাজতে দুবছৰৰ বাবে মেচ ফিক্সিংত জড়িত থকাৰ অভিযোগত চিএছকেক নিৰ্বাসিত কৰা হৈছিল। ধোনীয়ে সেই দুবছৰ ৰাইজিং পুনে ছুপাৰজায়াণ্টছৰ হৈ খেলিছিল। পৰৱৰ্তী সময়ত ধোনীয়ে পুনৰ চেন্নাইলৈ উভতি আহে আৰু পুনৰ সফলতাৰ আভূষনেৰে ভূষিত কৰে। যোৱা আই পি এলতো ধোনীয়ে চেম্পিয়ন কৰাইছিল চি এছ কে দলক।



## সাত মে'ত গুৱাহাটী ক্ৰীড়া সন্থাৰ বাৰ্ষিক সাধাৰণ সভা

**গুৱাহাটী, ১ মে' ঃ** গুৱাহাটী ক্ৰীড়া সন্থাৰ ৬৮ সংখ্যক বাৰ্ষিক সাধাৰণ সভা অহা সাত মে'ত লেণ্ডমাৰ্ক হোটেলত সন্ধিয়া পাঁচ বজাৰপৰা অনুষ্ঠিত হ'ব । এই সভাত বিগত বৰ্ষত সন্থাৰ বিভিন্ন কামকাজৰ খতিয়ান তথা হিচাপ পৰীক্ষা কৰাৰ লগতে পৰৱৰ্তী বছৰত ক্ৰীড়াৰ উন্নয়নৰ বাবে ল'ব লগা পৰিকল্পনা আৰু আঁচনিৰ বিষয়ে আলোচনা কৰা হ'ব । উল্লেখ্য যে গুৱাহাটী ক্ৰীড়া সন্থাৰ ৬৮ সংখ্যক এই বাৰ্ষিক সাধাৰণ সভাত সন্থাৰ সদস্য, শুভাকাংক্ষী, সন্থাৰ বিভিন্ন খেললৈ সহযোগ আগবঢ়োৱা সংস্থা তথা ব্যক্তি আৰু সন্থাৰ অন্তৰ্গত আঠবিধ খেলৰ ৰাজ্যিক অভিভাৱক সন্থাসমূহৰ সভাপতি-সম্পাদকসকল মিলিত হ'ব বুলি সন্থাৰ সাধাৰণ সম্পাদক ধ্ৰুৱজ্যোতি কলিতাই জনাইছে লগতে সকলো সদস্যকে সভাত উপস্থিত থাকিবলৈ অনুৰোধ জনাইছে ।

### পইণ্ট তালিকাৰ দ্বিতীয় স্থানলৈ উন্নীত লোকেছ ৰাহুলৰ দল

# দিল্লীৰ বিৰুদ্ধে ৰোমাঞ্চকৰ জয় লক্ষ্ণৌৰ



**মুম্বাই, ১ মে' ঃ** চলিত আই পি এলৰ আজি হোৱা প্ৰথমখন মেচত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ দলে ছয় ৰাণত ৰোমাঞ্চকৰ জয় অৰ্জন কৰে দিল্লী কেপিটেলছৰ বিৰুদ্ধে। পোনতে বেটিং কৰা লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ দলে তিনি উইকেটত ১৯৫ ৰাণ কৰে। দলৰ হৈ লোকেছ ৰাহুলে ৭৭ আৰু দীপক হুদাই ৫২ ৰাণ কৰে। প্ৰত্যুত্তৰত দিল্লী কেপিটেলছ দলে সাত উইকেটত ১৮৯ ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। ঋষভ পণ্টে ৪৪ আৰু অক্ষৰ পেটেলে ৪২ ৰাণ কৰে। এই জয়ৰ পাছত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ দলে দহ খন মেচৰ সাতখনত জয়ী হৈ দ্বিতীয় স্থানত আছে। উল্লেখ্য যে ইয়াৰপূৰ্বৰ মেচত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ দলে পৰাস্ত কৰিছিল মুম্বাই ইণ্ডিয়ানছক। পোনতে বেটিং কৰা লক্ষ্ণৌ ছুপাৰ জাইণ্ট দলে ২০ অভাৰত চাৰি উইকেটত ১৯৯ ৰাণ কৰে। দলৰ হৈ বেটিং মুকলি কৰা অধিনায়ক লোকেছ ৰাহুলে ৬০ টা বলত অপৰাজিত ১০৩ ৰাণৰ শতকীয় ইনিংছ খেলে। ৰাহুলৰ বিস্ফোৰক ইনিংছত আছিল নটা বাউণ্ডেৰী আৰু পাঁচটা ছিক্সাৰ। আনহাতে, মনীষ পাণ্ডে ৩৮ ৰাণ কৰে। প্ৰত্যুত্তৰত মুম্বাই ইণ্ডিয়ানছে ২০ অভাৰত নটা উইকেটত ১৮১ ৰাণ কৰি ইনিংছ সামৰে আৰু ১৮ ৰাণত পৰাজয় স্বীকাৰ কৰে। দলৰ কোনো এজন বেটছমেনে উইকেটত দৃঢ়তা প্ৰদৰ্শন কৰিব নোৱাৰিলে। বলিঙত লক্ষ্ণৌ ছুপাৰ জাইণ্ট দলৰ অভেছ খানে তিনিটা উইকেট পায়। কিন্তু ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু দলে ১৮ ৰাণত পৰাস্ত কৰিছিল লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক। মেচত প্ৰথমে বেটিং কৰি ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু দলে ছয় উইকেটৰ বিনিময়ত সংগ্ৰহ কৰিলে ১৮১ ৰাণ। প্ৰত্যুত্তৰত, ১৮২ ৰাণৰ লক্ষ্য লৈ লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ দলে আৰ চি বিৰ বলাৰৰ বলিং ত্ৰাসত আঠ উইকেটৰ বিনিময়ত ১৬৩ ৰাণতেই ইনিংছ সামৰে। দলৰ হৈ ক্ৰুনাল পাণ্ডিয়াই সৰ্বাধিক ৪২ ৰাণ কৰি আউট হয় । ইফালে অধিনায়ক কে এল ৰাহুলে ৩০ ৰাণ কৰে।

# ৰবীন্দ্ৰ জাডেজাৰ ব্যৰ্থতাক সফলতালৈ ৰূপান্তৰ কৰাটোৱে এইসময়ত মূল লক্ষ্য

**মুম্বাই, ১ মে' ঃ** চলিত আই পি এলত চেন্নাই চুপাৰ কিংছৰ প্ৰদৰ্শন সন্তোষজনক নহয়। দলটোৱে এই ছিজনত মাত্ৰ দুখন মেচত জয়ী হোৱাৰ বিপৰীতে পৰাজয়বৰণ কৰিছে সাতখন মেচত। যাৰ বাবে দলটোৰ অধিনায়ক জাদেজাই অধিনায়কত্ব ত্যাগ কৰাৰ সিদ্ধান্ত লৈছে। এতিয়াৰে পৰা মহেন্দ্ৰ সিং ধোনী আকৌ এবাৰ অধিনায়কৰ দায়িত্ব লৈছে। উল্লেখ্য যে ধোনীৰ সফলতা চমকপ্ৰদ। ২০৮ খন খেলত চি এচ কেৰ নেতৃত্ব লৈছে মহেন্দ্ৰ সিং ধোনীয়ে । তেওঁ ১২১ খন মেচত বিজয়ী হোৱাৰ বিপৰীতে ৮২ খন খেলত পৰাজয়ৰ সন্মুখীন হৈছে। আনহাতে এখন খেলৰ কোনো ফলাফল নাছিল। চেন্নাইৰ অধিনায়ক হিচাপে, তেওঁৰ জয়ৰ শতাংশ হৈছে ৫৯.৬০। ধোনী সৰ্বাধিক বাৰ আই পি এল খিতাপ জয় কৰা দ্বিতীয় জন অধিনায়ক। তেওঁ চাৰিবাৰ আই পি এল খিতাপ জিকিছে। আনহতে, মুম্বাইৰ অধিনায়ক ৰোহিত শৰ্মাই পাঁচবাৰ আই পি এল খিতাপ জিকিছে। আই পি এলত চি এছ কে তিনিবাৰ ৰানাৰ্ছ-আপ হোৱাৰ লগতে ধোনীয়ে ২০১০ আৰু ২০১৪ ত দুবাৰকৈ চেম্পিয়নছ লীগৰ খিতাপো জয় কৰিছে। এইবাৰ কঠিন পৰিস্থিতিত ধোনীয়ে চেন্নাইক কেনেদৰে আগুৱাই লৈ যায় সেয়া চাবলৈ আকৰ্ষণীয় হ'ব।



### দক্ষিণ কামৰূপ ফুটবল লীগ

## সাত মে'ৰ পৰা ছেমিফাইনেল

**ছয়গাঁও, ১ মে' ঃ** দক্ষিণ কামৰূপ জিলা ক্ৰীড়া সন্থাৰ 'বি' ডিভিজন আন্তঃ ক্লাব লীগ ফুটবল প্ৰতিযোগিতা নক আউট ছেমি ফাইনেল পৰ্যায়ত উপনীত হৈছে । উল্লেখ্য যে সোণতলী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত চলি থকা প্ৰতিযোগিতাখনৰ এ গ্ৰুপৰ পৰা শিমলা নৱজ্যোতি যুৱক সংঘ আৰু জিয়াকুৰ হেপী স্প'ৰ্টছ ক্লাব তথা বি গ্ৰুপৰ পৰা বামুণীগাঁও ফুটবল ক্লাব আৰু জাৰীহাট স্প'ৰ্টছ ক্লাব ছেমিফাইনেলত উপনীত হৈছে । আজি লীগৰ অন্তিম খেলত জোঙাখুলি এভাৰগ্ৰীন ক্লাবে ৰাজাপাৰা নৱজ্যোতি ক্লাবক ১-০ গ'লত হৰুৱায় । গ'লৰ ব্যৱধান কম হোৱা বাবে এভাৰগ্ৰীন ছেমিফাইনেলৰ পৰা বঞ্চিত হয় । সোণতলী ফুটবল একাডেমীৰ উদ্যোগত প্ৰতিযোগিতাখনৰ ছেমিফাইনেলৰ প্ৰথমখন খেল সাত মে'ত নৱজ্যোতি বনাম জাৰীহাট আৰু আঠ মে'ত বামুণীগাঁও বনাম হেপী স্প'ৰ্টছ।

# প্ৰথমবাৰৰ বাবে আম্পায়াৰৰ লগত তৰ্কত লিপ্ত পি ভি সিন্ধু

**হায়দৰাবাদ, ১ মে' ঃ** এছিয়া বেডমিণ্টন চেম্পিয়নশ্বিপৰ মহিলাৰ একক শাখাৰ ছেমিফাইনেলত পৰাস্ত হৈ ব্ৰঞ্জ পদকতে সন্তুষ্ট থাকে ভাৰতৰ অলিম্পিক পদকজয়ী পি ভি সিন্ধু। উল্লেখ্য যে মেচখনত চেয়াৰ আম্পায়াৰৰ বিৰুদ্ধে অভিযোগ উঠাইছে সিন্ধুৱে। খেলৰ মাজতে চেয়াৰ আম্পায়াৰৰ বিৰুদ্ধে অন্যায়ভাৱে পইণ্ট কৰ্তন কৰাৰ অভিযোগ উত্থাপন কৰিছে ভাৰতীয় তাৰকাগৰাকীয়ে। সিন্ধুৱে ছেমিফাইনেলত জাপানৰ আকানে য়ামাগুচিৰ বিৰুদ্ধে তিনিটা ছেটত পৰাস্ত হয়। তাৰ পাছতেই, চেয়াৰ আম্পায়াৰে অনৈতিকভাৱে য়ামাগুচিক এটা পইণ্ট দিয়া বুলি অভিযোগ কৰিছে সিন্ধুৱে। ঘটনাটো খেলখনৰ দ্বিতীয় ছেট চলি থকা সময়ত সংঘটিত হৈছিল। খেলৰ প্ৰথম ছেটত জয়ী হৈছিল সিন্ধু। দ্বিতীয় ছেটতো ১৪-১১ ৰ ব্যৱধানত আগবাঢ়ি আছিল সিন্ধু। সেই সময়তে, আম্পায়াৰে সিন্ধুৰ প্ৰতিদ্বন্দ্বীক এক পইণ্ট দি দিয়ে। কাৰণ হিচাপে, তেওঁ কয়, 'সিন্ধুৱে ছাৰ্ভ কৰোতে অধিক সময় লৈছিল। সেইকাৰণে য়ামাগুচিক পেনাল্টি হিচাপে এক পইণ্ট দিয়া হৈছে।' ফলস্বৰূপে, দুয়োৰে পইণ্টৰ ব্যৱধান হৈ পৰে ১৪-১২। ঘটনাটোক লৈ তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰিছে সিন্ধুৱে। খেলৰ মাজতে আম্পায়াৰৰ লগত তৰ্কত লিপ্ত হয় ভাৰতীয় তাৰকাগৰাকীয়ে। ফলত খেলৰ ছন্দ হেৰুৱাই পেলায় সিন্ধুৱে। পৰৱৰ্তী সময়ত আৰু খেলখনলৈ ঘূৰি আহিব নোৱাৰিলে ভাৰতীয় তাৰকাগৰাকীয়ে। দুয়োৰে মাজত তীব্ৰ যুঁজ হয়। অৱশেষত, প্ৰতিযোগিতাখনৰ শীৰ্ষ স্থানপ্ৰাপ্ত য়ামাগুচিৰ হাতত ২১-১৩, ১৯-২১, ১৬-২১ ব্যৱধানত পৰাস্ত হয় সিন্ধু। ইয়াৰ লগে লগে স্বৰ্ণ জয়ৰ স্বপ্ন ভাগি যায় সিন্ধুৰ। খেলখনৰ শেষত সিন্ধুৱে কয়, 'মই ছাৰ্ভ কৰিবলৈ সময় লৈছিলো কাৰণ তেতিয়া মোৰ প্ৰতিদ্বন্দ্বী সাজু নাছিল। কিন্তু মোৰ কথা শুনিবলৈ বিচৰা নাছিল আম্পায়াৰে। হঠাতে য়ামাগুচিক এটা পইণ্ট দিয়া হ'ল। এইটো বহুত অন্যায় হৈছে। মই ভাবো যে এয়া খেলখন হেৰুওৱাৰ অন্যতম কাৰণ।' উল্লেখ্য যে প্ৰথমবাৰৰ বাবে সিন্ধু এনে অবাঞ্চিত ঘটনাৰ মুখামুখি হৈছে।



## ভাৰোত্তোলনৰ নতুন সমিতি

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ১ মে' ঃ** শোনিতপুৰ জিলা শৰীৰ চৰ্চা সন্থাৰ সভাপতি হেমন্ত কুমাৰ লহকৰ পৌৰহিত্যত তেজপুৰ অসমীয়া ক্লাৱৰ সভাগৃহত এখন বিশেষ সাধাৰণ সভা অনুষ্ঠিত হৈ যায়। আজি সন্থাই প্ৰকাশ কৰা এক বিবৃতি অনুসৰি, যোৱা ২৯ এপ্ৰিলত অনুষ্ঠিত হোৱা সভা খনত শোনিতপুৰ জিলা ভাৰোত্তোলন সন্থাৰ এখন শক্তিশালী কাৰ্যকৰী কমিটি গঠন কৰা হয় ।ৰঙাপাৰা সমষ্টিৰ বিধায়ক কৃষ্ণকমল তাঁতীক সভাপতি ,কাৰ্যকৰী সভাপতি ৰূপে শৰৎ শইকীয়া সাধাৰণ সম্পাদক দিবস মনি বৰুৱাক নিৰ্বাচিত কৰা হয় । তদুপৰি তেজপুৰ সমষ্টিৰ বিধায়ক পৃথ্বীৰাজ ৰাভা ,জিলা ক্ৰীড়া বিষয়া খনিন্দ্ৰ মুদৈ ,অসমীয়া ক্লাবৰ সভানেত্ৰী তথা অৱসৰ প্ৰাপ্ত বিচাৰ পতি অৰুনা দেৱী আৰু সম্পাদিকা তথা আন্তৰাষ্ট্ৰীয় খেলুৱৈ অনু দেৱী মহন্ত,বিশিষ্ট ক্ৰীড়া সংগঠক হেমন্ত কুমাৰ লহকৰ আৰু আন্তৰাষ্ট্ৰীয় বিচাৰক পংকজ কুমাৰ বৰাক উপদেষ্টা মণ্ডলী হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে ।আনহাতে,কমিটিৰ উপ সভাপতি হিচাবে দেববাম বৰা , মিন্ত কাকতি, উজ্জ্বল বৰা, মনজিৎ শইকীয়াৰ লগতে শোনিতপুৰৰ জামুগুৰি, বালিপৰা , ৰঙাপাৰা , ঢেকিয়াজুলি, বিহগুৰি, বিন্দুকুৰি আৰু নপামৰ ন গৰাকী কাৰ্যকৰী সদস্যৰে এখন শক্তিশালী কমিটি সৰ্বসন্মতি মৰ্মে গঠন কৰা হয় ।উল্লেখ্য যে, যোৱা বছৰটোত জিলা খনৰ সদস্যই ৰাজ্যিক ভাৰোত্তোলনত কেবাটাও পদক পোৱাৰ উপৰি এগৰাকীয়ে কনিষ্ঠ বিভাগত শ্ৰেষ্ঠ ভাৰোত্তোলকৰ সন্মান অৰ্জন কৰিছিল।

# পাৰঘাটত সফলতাৰে সামৰণি পৰিল ফুটবল প্ৰশিক্ষণ শিবিৰৰ

**অগ্ৰদূত বাৰ্তা, বেবেজীয়া, ১ মে' ঃ** নগাঁও জিলাৰ পুৰণিগুদাম বৰপানীগাঁৱৰ পাৰঘাট ক্ৰীড়া সংস্থাৰ উদ্যোগত অনুষ্ঠিত চেমনীয়া খেলুৱৈৰ ফুটবল প্ৰশিক্ষণ শিবিৰৰ আজি সফলতাৰে সামৰণি পৰিছে। গ্ৰামাঞ্চলটোৰ তিনিকুৰিৰো অধিক চেমনীয়াই ভাগলোৱা এই শিবিৰটোত প্ৰাক্তন ফুটবলাৰ গণেশ ডেকা মুখ্য প্ৰশিক্ষক আৰু মহেন্দ্ৰ বৰা সহযোগী প্ৰশিক্ষকৰূপে আছিল। ১৭ বছৰ অনূৰ্দ্ধ বয়সৰ পৰা সাত বছৰ বয়সৰ উৰ্দ্ধৰ খেলুৱৈৰ বাবে মুকলি থকা এই প্ৰশিক্ষণৰ অন্তত অৱসৰপ্ৰাপ্ত শিক্ষক পূৰ্ণ কলিতাৰ সভাপতিত্বত আজি অনুষ্ঠিত সামৰণি অনুষ্ঠানত কলিয়াবৰ ক্ৰীড়া সন্থাৰ উপ সভাপতি ৰবীন ভূঞা, সম্পাদক কুসুম ডেকা, নগাঁও জিলা খো খো সন্থাৰ সন্থাৰ সম্পাদক সমীৰ হাজৰিকা, ক্ৰীড়া সংগঠক তৰুণ বৰা, মিলন ভূঞা, প্ৰদীপ কুমাৰ বৰা, হিমেশ ভূঞা, দীন কলিতা, ৰাজীৱ কলিতা,ৰিণ্টু কলিতা, জেহিৰুল ইছলাম আদি উপস্থিত থাকি প্ৰমাণপত্ৰসমূহ বিতৰণ কৰে। এই অনুষ্ঠানতে প্ৰশিক্ষক গণেশ ডেকাক বিশেষভাৱে সম্বৰ্ধনাও জনোৱা হয়। গ্ৰামাঞ্চলটোৰ উদীয়মান ফুটবল খেলুৱৈসকলৰ ক্ৰীড়া প্ৰতিভা বিকাশৰ বাবে আয়োজকসকলে লোৱা এই পদক্ষেপক স্থানীয় ক্ৰীড়াপ্ৰেমী ৰাইজে ভূয়সী প্ৰশংসা কৰিছে।



# আঠ মেচৰ ব্যৰ্থতাৰ পাছত মুম্বাই ইণ্ডিয়ানছৰ জয়



**মুম্বাই, ১ মে' ঃ** ক্ৰমাগত আঠখন মেচত পৰাস্ত হোৱাৰ পাছত চলিত আই পি এলত প্ৰথম জয়ৰ সফলতা লাভ কৰিছে মুম্বাই ইণ্ডিয়ানছ দলে। পাঁচ বাৰৰ চেম্পিয়ন দলটোৱে যোৱানিশা পাঁচ উইকেটত পৰাস্ত কৰে ৰাজস্থান ৰয়েলছক। পোনতে বেটিং কৰি ৰয়েলছে কৰে ছয় উইকেটত ১৫৮ ৰাণ। প্ৰত্যুত্তৰত মুম্বাই ইণ্ডিয়ানছ দলে ইনিংছৰ চাৰিটা বল বাকী থাকোতেই পাঁচ উইকেটত ১৬১ ৰাণ কৰি বিজয়লক্ষ্যত উপনীত হয়। ইয়াৰপূৰ্বে ৰাজস্থান ৰয়েলছ দলে পৰাস্ত কৰিছিল মুম্বাই দলক। উল্লেখ্য যে নখন মেচ খেলাৰ পাঁচত দুই পইণ্ট লাভ কৰি একেবাৰে তলত আছে মুম্বাই ইণ্ডিয়ানছ দল। এতিয়ালৈকে মুম্বাই ইণ্ডিয়ানছ দলে লক্ষ্ণৌৰ বিৰুদ্ধে দুয়োখন মেচত পৰাস্ত হোৱাৰ বিপৰীতে চেন্নাই, পঞ্জাৱ, আৰ চি বি, কে কে আৰ আৰু দিল্লীৰ বিৰুদ্ধেও পৰাস্ত হৈছে। ভাৰতীয় দলৰ অধিনায়ক ৰোহিত শৰ্মাই নেতৃত্ব দিয়া মুম্বাই ইণ্ডিয়ানছ দলৰ এই প্ৰদৰ্শনক লৈ হতাশ হৈছে বিগত পাঁচটা ছিজনৰ চেম্পিয়ন মুম্বাই ইণ্ডিয়ানছ দলৰ সমৰ্থকো। উল্লেখ্য যে ক্ৰমাগত আঠখন মেচত পৰাস্ত হোৱাৰ পাছত বাকী থকা সকলো মেচে মুম্বাই ইণ্ডিয়ানছ দলৰ বাবে এতিয়া মৰনপন। পৰাস্ত হোৱা মানেই আগতীয়া বিদায় নিশ্চিত হ'ব মুম্বাই ইণ্ডিয়ানছ দলৰ। লক্ষ্ণৌ ছুপাৰ জাইণ্টৰ বিৰুদ্ধে ১৮ ৰাণত পৰাজয়ৰ সন্মুখীন হৈছিল মুম্বাই ইণ্ডিয়ানছ। পোনতে বেটিং লক্ষ্ণৌ ছুপাৰ জাইণ্ট দলে ২০ অভাৰত চাৰি উইকেটত ১৯৯ ৰাণ কৰে। প্ৰত্যুত্তৰত মুম্বাই ইণ্ডিয়ানছে ২০ অভাৰত নটা উইকেটত ১৮১ ৰাণ কৰি ইনিংছ সামৰে আৰু ১৮ ৰাণত পৰাজয় স্বীকাৰ কৰে। ইয়াৰপূৰ্বৰ মেচত পঞ্জাৱ কিংছ দলে ১২ ৰাণত পৰাস্ত কৰে মুম্বাই ইণ্ডিয়ানছক। পোনতে বেটিং কৰা পঞ্জাৱ কিংছ দলে পাঁচ উইকেটত ১৯৮ ৰাণ কৰাৰ প্ৰত্যুত্তৰত মুম্বাই ইণ্ডিয়ানছ দলে ন উইকেটত ১৮৬ ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। আনহাতে, আৰ চি বি দলে সাত উইকেটত পৰাস্ত কৰিছিল মুম্বাই ইণ্ডিয়ানছক। পোনতে বেটিং কৰা মুম্বাই ইণ্ডিয়ানছ দলে ছয় উইকেটত ১৫১ ৰাণ কৰাৰ প্ৰত্যুত্তৰত আৰ চি বিয়ে তিনি উইকেটত ১৫২ ৰাণ কৰি জয় অৰ্জন কৰে।

## ছোৱালীৰ ভলীবল প্ৰশিক্ষণ

**অগ্ৰদূত বাৰ্তা, দুমুনিচকী, ১ মে' ঃ** কামৰূপ জিলাৰ বেজেৰা উন্নয়ন খণ্ডৰ অধীনত ৰাজ্যপাল ছোৱালী ভলীবল অভিযানৰ উদ্যোগত কামৰূপ জিলা বিদ্যালয় সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয় আৰু কামৰূপ জিলা ক্ৰীড়া মন্ত্ৰণালয়ৰ সহযোগত শনিবাৰে অনুষ্ঠিত হৈ যায় ভলীবল প্ৰশিক্ষণ শিবিৰ । এই শিবিৰত বেজেৰা উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া অপূৰ্ব বৰুৱা প্ৰমুখ্যে কামৰূপ জিলা বিদ্যালয় সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয় আৰু কামৰূপ জিলা ক্ৰীড়া মন্ত্ৰণালয়ৰ কেইবাগৰাকীও বিষয়া-কৰ্মচাৰী আৰু স্থানীয় গাঁওবুঢ়া, পঞ্চায়ত প্ৰতিনিধি সকল উপস্থিত থাকে । বেজেৰা উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত পুৱাৰ ভাগত আৰম্ভ হোৱা এই প্ৰশিক্ষণৰ শুভাৰম্ভ কৰে বেজেৰা গাঁও পঞ্চায়তৰ সভানেত্ৰী ভৱানী ডেকাই ।



## বিলাসনন্দন চ'ৰা




# মানুহবোৰ ধাৰ্মিক হওক

ঃ হেৰা, পুৱাই পুৱাই ক'ৰ পৰা আহিলা?
ঃ বজাৰলৈ গৈছিলোহে!
ঃ মোনাখন বেচ ডাঙৰেই নিছিলা।
ঃ কি কৰিবা? কোনোবা মহাপুৰুষে কৈ থৈ যোৱা নাই জানো?
ঃ কি বুলি?
ঃ ইয়াকে যে য'তেই যি নঘটক কিয়, আশা কৰিবলৈ কেতিয়াও এৰিব নালাগে।
ঃ ঠিকেই কৈছা। আশা কৰাৰ বাদে বেলেগনো কি কৰিব পাৰো?
ঃ বেলেগ কিবা কৰিব গ'লে ৰঙাঘৰতহে সোমাব লাগিব।
ঃ বৰ্তমান আটাইতকৈ কম দামী বস্তু এইটোৱে।
ঃ কি?
ঃ আশা! দিল্লী-দিছপুৰৰ দোকানবোৰে ফ্ৰিতে আশাবোৰ বেচি থাকে আৰু আমি কিনি থাকো।
ঃ সেইটো হয়।
ঃ মোৰ হাতত যে খালী মোনাখন দেখিছা, ইয়াত কি আছে জানানে?



ঃ কি আছে?
ঃ আশা আছে।
ঃ হ'লেও আশাৰেতো আৰু পেট নভৰে।
ঃ সেইটো হয়।
ঃ খাবলৈ চাউল-দাইল-তেল-পাচলি সেইবোৰতো লাগিব।
ঃ লাগিবতো!
ঃ কিন্তু বস্তুবোৰৰ দাম দেখিছা নে নাই?
ঃ দেখিছো।
ঃ মিঠাতেলৰ দাম আৰু বঢ়াই দিছে।
ঃ মিনিষ্টাৰে সিজাই খাবলৈ কৈছে।
ঃ বজাৰৰ জুইত আমি দেখোন নিজেই সিজি গৈছো।
ঃ বস্তুবোৰৰ দাম কমিব নে নাইহে?
ঃ আশা দেখা নাই।
ঃ ইচ্ছা কৰিলে চৰকাৰে কমাব পাৰে।
ঃ পাৰেতো!
ঃ তেন্তে নকমায় কিয়?
ঃ চৰকাৰে কিবা এটা ভাবিছে চাগে।
ঃ কি ভাবিছে?
ঃ কিবা এটা চিন্তা কৰিয়ে বস্তুৰ দাম কমোৱাত গুৰুত্ব দিয়া নাই চাগে।
ঃ কি চিন্তা কৰিছে খবৰ পোৱা নেকি?
ঃ খবৰ এটা পাইছো।
ঃ কি খবৰ?
ঃ চৰকাৰে কি ভাবিছে জানা?
ঃ কি?
ঃ বৰ্তমান ধৰ্ম-কৰ্মৰ পৰা আমাৰ মানুহৰ মন উঠি গৈছে।
ঃ চৰকাৰে তেনেকৈ ভাবিছে নেকি?
ঃ চৰকাৰে আমাৰ আটাইবোৰ মানুহক ধাৰ্মিক কৰিব খুজিছে, সি লাগিলে হিন্দুৱে হওক বা মুছলমানেই হওক।
ঃ তাৰ লগত বস্তুৰ দামৰ কি সম্বন্ধহে?
ঃ নহয় মানে মানুহবোৰ ধাৰ্মিক হ'ব লাগিলে উপবাসে থাকিব লাগিব। নোখোৱা-নোবোৱাকৈ থাকিব লাগিব।
ঃ সেইটো হয়?
ঃ হিন্দুবোৰে পূজা-পাৰ্ৱণ কৰিব লাগিলে উপবাসে থাকিব লাগে।
ঃ মুছলমানেও ৰোজা ৰাখিব লাগে।
ঃ চৰকাৰে বিচাৰিছে হিন্দুবোৰে সদায় উপবাসে থাকি পূজা কৰক, মুছলমানে প্ৰতি মাহে ৰোজা ৰাখক।
ঃ সেই কাৰণে বস্তুৰ দাম এনেকৈ বঢ়াই দিছে চাগে! যাতে বস্তুবোৰ কিনিব নোৱাৰি লঘোনে থাকিবলৈ বাধ্য হয়।
ঃ আৰু কি! তেতিয়াহে মানুহবোৰ ধাৰ্মিক হ'বলৈ বাধ্য হ'ব।

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

# মাৰিয়ুপুলৰ ইস্পাত কাৰখানাৰ বাংকাৰতে কে'বা হেজাৰৰ মৃত্যুৰ আশংকা

**নিউজ ব্যুৰ'**
**কিয়েভ, ১ মে' ঃ** ইউক্ৰেইনৰ মাৰিয়ুপুলৰ এটা ইস্পাত কাৰখাৰাৰ বাংকাৰতে কে'বা হেজাৰ নিৰীহ লোকৰ মৃত্যুৰ আশংকা কৰা হৈছে। স্বয়ং ইউক্ৰেইন প্ৰশাসনে এই আশংকা ব্যক্ত কৰিছে। ৰুছ বাহিনীৰ গোলা-বাৰুদৰ পৰা ৰক্ষা পাবলৈ আজভষ্টল ইস্পাত কাৰখানাৰ তলত থকা বাংকাৰত আশ্ৰয় লৈছিল মাৰিয়ুপুলৰ কে'বা হেজাৰ নাগৰিকে। বন্দৰ চহৰখন ৰাছিয়াই দখল কৰিবলৈ যোৱাৰ পৰত ৰুছ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনে উক্ত কাৰখানাত কোনোপধ্যেই আক্ৰমণ নকৰিবলৈ নিৰ্দেশ দিছিল। কেৱল কাৰখানাৰ পৰা বাহিৰলৈ ওলোৱা সকলো পথ বন্ধ কৰি দিবলৈ নিৰ্দেশ দিছিল। অথচ বাস্তৱ পৰিস্থিতি তাতোকেও ভয়ংকৰ। উপগ্ৰহৰ পৰা সংগ্ৰহ কৰা ফটোত দেখা গৈছে কাৰখানাৰ প্ৰতিটো খণ্ডৰ ছাদত ডাঙৰ ডাঙৰ গাঁতৰ সৃষ্টি হৈছে। বিমানৰ পৰা বোমা পেলাই প্ৰায় ধ্বংস কৰি পেলাইছে সমগ্ৰ অঞ্চলটো। কাৰখানাৰ ভিতৰৰ একো একোটা ঠাই একেবাৰে মাটিত মিলি গৈছে। ঘৰসমূহো সম্পূৰ্ণৰূপে ধ্বংস হৈছে। এনে পৰিস্থিতিতে আজভ ৰেজিমেণ্টে আশংকা কৰিছে যে মাটিৰ তলত কোনোবা জীয়াই আছে নে নাই তাত সন্দেহ আছে। আজভ ৰেজিমেণ্টৰ কমাণ্ডাৰ শ্বিট'শ্লাভ পালামাৰে কয়, 'চাৰিমহীয়া শিশুও আছিল তাত। ১৬ বছৰৰ কিশোৰো আছিল। তেওঁলোক এনেদৰে আবদ্ধ হৈ আছে যে বাচি থাকিলেও উদ্ধাৰ কৰিবলৈ যোৱাৰ কোনো পথ নাই।'



উল্লেখ্য যে পূব ইউক্ৰেইনৰ ডনবাছ অঞ্চলৰ অত্যন্ত গুৰুত্বপূৰ্ণ বন্দৰ চহৰ মাৰিয়ুপুল। যুদ্ধৰ আৰম্ভণিৰে পৰা এই চহৰ দখল কৰিবলৈ উদ্বাউল হৈ আছিল ৰাছিয়া। যদিও ইউক্ৰেইন বাহিনী আৰু সাধাৰণ মানুহৰ প্ৰৱল প্ৰতিৰোধৰ বাবে ৰাছিয়াক লক্ষ্যপূৰণ কৰিবলৈ প্ৰায় দুমাহৰ প্ৰয়োজন হ'ল। সম্প্ৰতি অঞ্চলটো ৰুছ বাহিনীৰ দখলত আছে। ফলত নিতৌ শুনা গৈছে ৰুছ বাহিনীৰ নৃশংসতাৰ কথা। ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমিৰ জেলেন'স্কিয়ে কালি কয়, 'ডনবাছত যাতে কোনো মানুহ জীয়াই থাকিব নোৱাৰে, সেয়া নিশ্চিত কৰিবলৈ ৰাছিয়া বদ্ধপৰিকৰ।' লক্ষ্যণীয়ভাৱে কালি ডনবাছ অঞ্চলৰ পোপাছ'নালৈ দুখন উদ্ধাৰকাৰী বাছ প্ৰেৰণ কৰা হৈছিল। যদিও এই পৰ্যন্ত বাছ দুখন নিৰুদ্দেশ হৈ আছে। ইউক্ৰেইনৰ সেনা বিষয়া মিক'লা খানাট'ভে জনাইছে যে এখন বাছ ৰুছ আক্ৰমণৰ মুখত পৰে। কেৱল এইখিনি তথ্যহে তেওঁলোকৰ হাতত আছে। অথচ আনখন বাছৰ সম্পৰ্কে কোনো তথ্যই ইউক্ৰেইনে লাভ কৰা নাই। খানাট'ভে কয়, 'এজন স্থানীয় ইতিহাসৰ শিক্ষকে বাছখন লৈ উদ্ধাৰৰ বাবে গৈছিল। এই দুখনৰ উপৰি আন এখন বাছো প্ৰেৰণ কৰা হৈছিল।

সেইখনে ৩১জন লোকক উদ্ধাৰ কৰি আনিছে। নিৰুদিষ্ট বাছ দুখনৰ সন্ধান কৰাৰো কোনো উপায় নাই।' ইফালে, ইউক্ৰেইন প্ৰশাসনে জনাইছে যে সমগ্ৰ ডনবাছ অঞ্চলেই এতিয়া জ্বলি আছে। উত্তৰ-পূব খাৰকিভ চহৰতো আক্ৰমণ অব্যাহত আছে। শত্ৰুপক্ষই এখন হাস্পতালতো বোমা পেলাইছে। দুটা নমহলীয়া আবাসিক বিল্ডিঙতো বিমানৰ পৰা বোমা পেলোৱা হয়। ফলত দুয়োটা বিল্ডিঙতে জুই লাগে। ইপিনে, ৰুছ প্ৰতিৰক্ষা মন্ত্ৰণালয়েও ঘোষণা কৰিছে যে তেওঁলোকে ডনবাছ অঞ্চলৰ একাধিক ইউক্ৰেনীয় সেনা ঘাটিত ক্ষেপণাস্ত্ৰৰে আক্ৰমণ চলাইছে।

মন কৰিবলগীয়া যে ইউক্ৰেইনত ৰুছ আগ্ৰাসনে ৬৭ দিনত ভৰি দিলে। দেশখন প্ৰায় ধ্বংসস্তূপত পৰিণত হৈছে। তৎসত্ত্বেও ৰাছিয়াই ইউক্ৰেইনত আশাপ্ৰদ সফলতা অৰ্জন কৰিব পৰা নাই।

মস্কোৱে অৱশ্যে এই সমগ্ৰ পৰ্বটোক 'বিশেষ সেনা অভিযান' বুলিহে অভিহিত কৰি আহিছিল। অৱশ্যে পশ্চিমীয়া দেশসমূহে আশংকা কৰিছে যে এইদৰে আৰু বেছি দিন নাথাকিব। কিয়নো আগন্তুক ন মে'ত ৰাছিয়াৰ বিজয় দিৱস। সেইদিনাই যুদ্ধ ঘোষণা কৰিব পাৰে ক্ৰেমলিনে। বিগত দুমাহত ইউক্ৰেইনৰ মাত্ৰ সামান্য অংশহে দখল কৰিব পাৰিছে ৰুছ বাহিনীয়ে। সেইবাবেই পূৰ্ণোদ্যমে ৰাছিয়াই যুদ্ধ আৰম্ভ কৰিব পাৰে। কাৰণ ৰাছিয়াই যুদ্ধ ঘোষণা কৰিলে তেওঁলোকৰ মিত্ৰদলসমূহেও এই যুদ্ধত অংশ ল'ব। ফলত ইউক্ৰেইন দখল কৰাটো সহজ হ'ব। এতিয়া কেৱল পুটিনৰ আঙুলিৰ নিৰ্দেশলৈ অপেক্ষা।

**PHYSIOTHERAPY CENTRE**
H.No-51, Basisthapur Bye lane 4,
Survey, Beltola

Contact for all kinds of pain, Spine problem, movement problem, joint stiffness etc. for best treatment by our experienced Physiotherapists.

Contact No- 70021-60730, 7002316720



# বিশ্বই দেখিছে মোৰ স্বামীয়ে হাৰিব নাজানে ঃ জেলেন'স্কিৰ পত্নী

**নিউজ ব্যুৰ'**
**কিয়েভ, ১ মে' ঃ** যুদ্ধই তেওঁক সলনি কৰিব পৰা নাই। বৰঞ্চ সমগ্ৰ বিশ্বই দেখা পাইছে ভ'ল'ডিমিৰ জেলেন'স্কিৰ মনোবল কিমান শক্তিশালী। তাৰ লগতে পৰিষ্কাৰ হৈ পৰিছে ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি এনে এজন লোক, যাৰ ওপৰত ভৰসা কৰিব পাৰি। নিজৰ স্বামীৰ সম্পৰ্কে এনে ভূয়সী প্ৰশংসাই শুনা গ'ল ইউক্ৰেইনৰ 'ফাৰ্ষ্ট লেডী' অ'লেনা জেলেন'স্কাৰ মুখত। সম্প্ৰতি পোলেণ্ডৰ এখন সংবাদপত্ৰত অ'লেনাই নিজৰ স্বামীৰ সম্পৰ্কত নিজৰ মনোভৱ প্ৰকাশ কৰে।


উল্লেখ্য যে কৌতুক অভিনেতাৰূপে জেলেন'স্কিক সেময়ত মানুহে ধেমেলীয়া স্বভাৱৰ লোক বুলিয়ে ধাৰণা কৰিছিল। অথচ ৰাছিয়াৰ আক্ৰমণে দেখুৱাই দিলে তেওঁ প্ৰকৃততে কিমান বজ্ৰ কঠিন মানসিকতাৰ লোক। সেইজন জেলেন'স্কিৰ কাষত দীৰ্ঘদিন ধৰি নাই তেওঁৰ পত্নী অ'লেনা। তথাপি তেওঁ যে স্বামীৰ কাষতে আছে, সেই কথাই স্পষ্ট কৰি দিলে উক্ত সাক্ষাৎকাৰত। যুদ্ধৰ প্ৰথম দিনটোৰ পৰাই সাক্ষাৎ হোৱা নাই ইউক্ৰেইনৰ প্ৰথম দম্পতীৰ। যোৱা ২৪ ফেব্ৰুৱাৰীত ইউক্ৰেইন আক্ৰমণ কৰে ৰাছিয়াই। প্ৰত্যুত্তৰত ৰাষ্ট্ৰপতি জেলেন'স্কিৰ নেতৃত্বত প্ৰত্যাঘাত কৰে ইউক্ৰেইনৰ সেনাই। সেই যুঁজ আজি পৰ্যন্ত অব্যাহত আছে। সাক্ষাৎকাৰত ২৪ ফেব্ৰুৱাৰীৰ পুৱাৰ অভিজ্ঞতাৰ কথা অ'লেনাই সদৰী কৰে সাক্ষাৎকাৰত। তেওঁ কয়, '২৪ ফেব্ৰুৱাৰীত যেতিয়া মোৰ টোপনি ভাঙিছিল, দেখিলো যে মোৰ স্বামী তেতিয়ালৈ সাজু হৈছিল। তেওঁ স্বাভাৱিকভাৱেই মোক ক'লে, 'সেয়া আৰম্ভ হৈ গ'ল।' তাৰ পাছতে তেওঁ কিয়েভৰ অফিচৰ উদ্দেশ্যে ওলাই যায়।' অ'লেনাই লগতে জনায় যে সেই দিনাৰ পৰাই স্বামীৰ স'তে তেওঁৰ সাক্ষাৎ হোৱা নাই। অ'লেনাই লগতে কয়, 'বিগত ২৪ ফেব্ৰুৱাৰীৰ পৰা মই মোৰ স্বামীক সেইদৰেই দেখা পাইছো, যিদৰে আপোনালোকে দেখি আছে। টিভিত তথা ভিডিঅ' ৰেকৰ্ডিঙত তেওঁৰ বক্তৃতাত।' অৱশ্যে এই মুহূৰ্তত নিজৰ দুই সন্তানক লৈ নিৰাপদ স্থানতে আছে অ'লেনা। সেই কথা সদৰী কৰিলেও অৱশ্যে তেওঁলোক ক'ত আছে, সেই স্থানৰ নাম কোৱাৰ পৰা অ'লেনা বিৰত থাকে। জেলেন'স্কিৰ প্ৰশংসাত স্বাভাৱিকতে পঞ্চমুখ হৈ আছে অ'লেনা। এজন কৌতুক অভিনেতাৰ পৰা দেশৰ মুৰব্বী হৈ উঠা জেলেন'স্কিয়ে যিদৰে যুদ্ধৰ সন্মুখীন হোৱা দেশক নেতৃত্ব দিছে, সেয়া অতুলনীয় বুলিয়ে অ'লেনাই কয়। তেওঁ কয়, 'যুদ্ধই তেওঁক সলনি কৰিব পৰা নাই। তেওঁ সকলো সময়তে এনে এজন মানুহ, যাক ভৰসা কৰিব পাৰি। এনে এজন মানুহ, যি কেতিয়াও ব্যৰ্থ নহয়। যি শেষ পৰ্যায়লৈকে যুঁজ দিয়ে। এয়া এতিয়া সমগ্ৰ বিশ্বৰ আগত পৰিষ্কাৰ হৈ পৰিছে।'

**২৪ ফেব্ৰুৱাৰীৰ পৰাই সাক্ষাৎ হোৱা নাই ইউক্ৰেইনৰ প্ৰথম দম্পতীৰ**




# ৰামদিয়াত মহাপুৰুষ দামোদৰ দেৱৰ ৪২৪ সংখ্যক তিৰোভাৱ তিথি পালন

**পাঁচ সহস্ৰাধিক ভক্ত-দৰ্শনাৰ্থীৰ মাজত বিতৰণ কৰিলে পাঁচ লক্ষাধিক লাডু**



**অগ্ৰদূত বাৰ্তা**
**হাজো, ১ মে' ঃ** তীৰ্থনগৰী হাজোৰ ৰামদিয়া পোৰাভিঠা সত্ৰত এইবেলিও মহাপুৰুষ দেৱদামোদৰ মহাপ্ৰভুৰ ৪২৪ সংখ্যক তিৰোভাৱ তিথি পালন কৰা হয়। তদুপলক্ষে আজি পুৱাৰে পৰাই লোকে লোকাৰণ্য হৈ পৰে পোৰাভিঠা সত্ৰ প্ৰাংগণ। বৃহত্তৰ ৰামদিয়া অঞ্চলত ভালে সংখ্যক সত্ৰ আছে যদিও ৰামদিয়াৰ চৌধুৰীপাৰাত অৱস্থিত ঐতিহাসিক পোৰাভিঠাৰ দামোদৰীয় সত্ৰখনে যুগ যুগ ধৰি এক বিশেষ তাৎপৰ্য বহন কৰি আহিছে। কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত ৰামদিয়াৰ এই সত্ৰখনত নিতৌ ত্ৰিপ্ৰসংগৰে চলি থাকে নাম প্ৰসংগ, জ্বলি থাকে অক্ষয় বন্তি। প্ৰতি বছৰেই মহাপুৰুষজনাৰ তিৰোভাৱ তিথিত ভক্ত-দৰ্শনাৰ্থীৰ মাজত বিতৰণ কৰা হয় লাডু। আজিও সেই পৰম্পৰা ৰক্ষা কৰি বিগত ১৫-২০ দিন ধৰি প্ৰস্তুত কৰা পাঁচ লক্ষাধিক লাডু উপস্থিত থকা প্ৰায় পাঁচ সহস্ৰাধিক ভক্ত-দৰ্শনাৰ্থীৰ মাজত বিতৰণ কৰা হয়। উল্লেখ্য যে ৰামদিয়াৰ পোৰাভিঠা সত্ৰত লাডু আগবঢ়ালে মনোবাঞ্ছা পূৰণ হয় বুলি সকলোৱে বিশ্বাস কৰে। তেনে পৰিপ্ৰেক্ষিতত হয়তো অসমৰ ভিন্ন প্ৰান্তৰ লোকে লাডুৰ বাবে সামগ্ৰী সমূহ আগবঢ়াই আহিছে। এনেদৰে আগবঢ়োৱা গুড় মিঠাই আৰু প্ৰায় ৮.৫০ কুইণ্টল চাউলেৰে ৰাইজে একত্ৰিত হৈ পাঁচ লক্ষাধিক লাডু নিৰ্মাণ কৰি উলিয়ায়। এই লাডু নিৰ্মাণ কাৰ্যত ৰামদিয়াৰ লগতে বামুন্দী, হাৰদিয়া, শিলগুৰী, টোক্ৰাদিয়া, শুৱালকুছি আদি অঞ্চলৰ লোক সকলেও সহায় কৰে বুলি সদৰী কৰিছে সত্ৰ পৰিচালনা সমিতিৰ সম্পাদক ভবিন চন্দ্ৰ ভৰালীয়ে। গুৰুজনাৰ তিৰোভাৱ তিথিৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি গেট হাস্পতালৰ মুখ্য সঞ্চালক তথা উত্তৰ-পূৰ্বাঞ্চলৰ বিশিষ্ট চিকিৎসক ডাঃ বেদব্ৰত পাঠক, বিশিষ্ট সমাজকৰ্মী তথা এমট্ৰনৰ উপ-প্ৰৱন্ধক দিনমণি ভাণ্ডাৰ কায়স্থ, জিলা পৰিষদৰ সদস্য বিপুল দাস আৰু হাজো উন্নয়ন খণ্ডৰ সহকাৰী কাৰ্যবাহী অভিযন্তা প্ৰশান্ত বৈশ্যই মহাপুৰুষ দেৱদামোদৰ দেৱ মহাপ্ৰভুৰ তিৰোভাৱ তিথিত ৰামদিয়াবাসীৰ লগতে অসমৰ বিভিন্ন ঠাইৰ পৰা সমবেত হোৱা ভক্তপ্ৰাণ ৰাইজক কৃতজ্ঞতা জ্ঞাপন কৰি ভৱিষ্যতত গুৰুজনাৰ গুণানুকীৰ্তন কৰিবলৈও অনুৰোধ জনায়। ইফালে, তীৰ্থনগৰী হাজোৰ কুলহাটী ছাত্ৰশালী ৰাইজৰ উদ্যোগত শ্ৰীশ্ৰীবিষ্ণু মন্দিৰ আৰু বৰস্বৈ পাহাৰৰ শিখৰত অৱস্থিত দামোদৰ আশ্ৰমত মহাপুৰুষ দামোদৰ দেৱৰ তিৰোভাৱ তিথি পালন কৰা হয়।




অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com